
# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Jogendra Narayan Bhuyan. | |
| Title: অসম সাহিত্য সভা পত্রিকা | |
| Transliterated Title: Asama Saāhaitāya Sabhaā Patraikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Assam Sahitya Sabha - Jorhat. |
| Year: 1978 | Edition: |
| Size: 23½ cms. - 4+94+4+84+14+4+96+4+99 pages | Genre: |
| Volumes: 35 - 4 issues | Condition of the original: good |
| Remarks: Started - 1st vol. published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

অসম সাহিত্য সভা পত্ৰিকা ॥ পঞ্চত্ৰিংশ বছৰ ॥ তৃতীয় সংখ্যা ॥ ১৯৭৮



৫৩৭৩-৭৬/সং

সম্পাদক ঃ যোগেন্দ্ৰনাৰায়ণ ভূঞা

# অসম সাহিত্য সভাৰ প্ৰকাশন

[ বৰ্তমান মজুত থকা ]

| | | |
|---|---|---|
| ১ | ৰজনীকান্ত বৰদলৈ—ৰচনামালা | ১২'০০ |
| ২ | বেজবৰুৱাৰ প্ৰবন্ধ বাছনি | ১০'০০ |
| ৩ | সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০'০০ |
| ৪ | অৰুণোদইৰ ধলফাট | ৮'০০ |
| ৫ | বেজবৰুৱা—প্ৰতিভা | ৮'০০ |
| ৬ | ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৭'০০ |
| ৭ | বেজবৰুৱাৰ চিত্ৰলেখা | ৬'০০ |
| ৮ | বেজবৰুৱাৰ দিনলেখা | ৪'০০ |
| ৯ | আউট লুক অন নেফা | ৪'০০ |
| ১০ | ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ | ৪'০০ |
| ১১ | নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | ৪'০০ |
| ১২ | ৰিলিজিয়ন অৱ লৰ্ড এণ্ড ডিভ'শ্বন | ৩'০০ |
| ১৩ | মুদ্ৰাৰাক্ষস | ৩'০০ |
| ১৪ | কৰ্পূৰ মঞ্জৰী | ৩'০০ |
| ১৫ | আহ্বামিজ ফৰ অল | ২'০০ |
| ১৬ | আপ্ কি অসমীয়া | ২'০০ |
| ১৭ | আনটাবৃশ্বাৰী অসমীয়াক' ক্ৰিয়ানি | ২'০০ |
| ১৮ | আচামীয়া লা-বাৰো-লেন আচামীয়া হিকাই-হি | ২'০০ |
| ১৯ | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | ২'০০ |
| ২০ | নীলাচল পাঠ | ২'০০ |
| ২১ | আমাৰ লক্ষ্মীনাথ | ১'৫০ |
| ২২ | অসমীয়া ভাষা | ১'০০ |
| ২৩ | অসম সাহিত্য সভাৰ পৰিচিতি | ১'০০ |
| ২৪ | প্ৰমথনাথ চক্ৰৱৰ্তী | ১'০০ |
| ২৫ | বিশ্বনাথ ৰাজবংশী | ১'০০ |
| ২৬ | লক্ষ্মীনাথ বেজবৰুৱা [ হিন্দী ] | '৫০ |
| ২৭ | লক্ষ্মীনাথ বেজবৰুৱা [ ইংৰাজী ] | '৫০ |
| ২৮ | লক্ষ্মীনাথ বেজবৰুৱা [ " ] | '৫০ |
| ২৯ | অসম সাহিত্য সভা বাৰ্ষিকী—গোৱালপাৰা | ৩'০০ |
| ৩০ | ,, ,, ,, ,, —নলবাৰী | ৩'০০ |
| ৩১ | ,, ,, ,, ,, —উঃ লক্ষীমপুৰ | ৩'০০ |
| ৩২ | ,, ,, ,, ,, —ডিব্ৰুগড় | ৩'০০ |
| ৩৩ | অসম সাহিত্য সভা বাৰ্ষিকী—নাজিৰা | ৩'০০ |
| ৩৪ | ,, ,, ,, ,, —তেজপুৰ | ৩'০০ |
| ৩৫ | ,, ,, ,, ,, —বৰপেটা | ৩'০০ |
| ৩৬ | ,, ,, ,, ,, —ধিং | ৩'০০ |
| ৩৭ | ,, ,, ,, ,, —মাকুম | ৩'০০ |
| ৩৮ | ,, ,, ,, ,, —ধুবুৰী | ৩'০০ |
| ৩৯ | ,, ,, ,, ,, —ৰঙিয়া | ৩'০০ |
| ৪০ | মণ্ডলদৈ মণ্ডলদৈ | ১৫'০০ |
| ৪১ | তিতাবৰ সৌৰৱণ | ৬'০০ |
| ৪২ | টিপু—লখিমী | ১০'০০ |
| ৪৩ | বেজবৰুৱাৰ বাণী | '৫০ |
| ৪৪ | হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী | ২৫'০০ |
| ৪৫ | ষ্টাডিজ ইন দি আৰ্লি হিষ্টৰী অৱ আছাম | ৩০'০০ |
| ৪৬ | কনকলাল বৰুৱাৰ ৰচনাৱলী | ১০'০০ |
| ৪৭ | ভাষণাৱলী—৪ৰ্থ খণ্ড | ২০'০০ |
| ৪৮ | আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | ৫০'০০ |
| ৪৯ | চন্দ্ৰধৰ বৰুৱাৰ গ্ৰন্থাৱলী | ৪০'০০ |
| ৫০ | গোৱালপৰীয়া লোকগীত | ১৫'০০ |
| ৫১ | গোহাঞিবৰুৱা—প্ৰতিভা | ১০'০০ |
| ৫২ | অসমীয়া জাতিৰ ইতিবৃত্ত | ১০'০০ |
| ৫৩ | লঙ্কাকাণ্ড ৰামায়ণ | ১০'০০ |
| ৫৪ | ৰাভা জনজাতি | ৭'০০ |
| ৫৫ | অসমীয়া গ্ৰন্থপঞ্জী | ৬'০০ |
| ৫৬ | পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৫'০০ |
| ৫৭ | হেমুৱেল জনছনৰ জীৱনী | ৫'০০ |
| ৫৮ | একাদশী | ৫'০০ |
| ৫৯ | চুটি গল্প | ৫'০০ |
| ৬০ | গাৰো সংস্কৃতিৰ ৰূপৰেখা | ৫'০০ |
| ৬১ | দেউৰী-চুটিয়া | ৪'৫০ |
| ৬২ | কাৰ্বি জনগোষ্ঠী | ৪'৫০ |
| ৬৩ | ডিমাছা | ৪'০০ |
| ৬৪ | লিপি সমস্যা | ৩'০০ |
| ৬৫ | টাই ভাষা | ৩'০০ |

# অসম সাহিত্য সভা পত্ৰিকা

পঞ্চত্ৰিংশ বছৰ : তৃতীয় সংখ্যা

সম্পাদক

যোগেন্দ্ৰনাৰায়ণ ভূঞা

অসম সাহিত্য সভা পত্ৰিকা
পঞ্চত্ৰিংশ বছৰ
তৃতীয় সংখ্যা
চেপ্তেম্বৰ—অক্টোবৰ—নৱেম্বৰ, ১৯৭৮

সম্পাদক
যোগেন্দ্ৰনাৰায়ণ ভূঞা
ৰতুপুৰ
নগাঁও

প্ৰকাশক
শ্ৰীলীলা গগৈ
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট—১

মূল্য
তিনি টকা

ছপাশাল
সুছন্দা প্ৰেছ
আমোলাপট্টি
নগাঁও

অসম সাহিত্য সভা পত্ৰিকা
পঞ্চত্ৰিংশ বছৰ : তৃতীয় সংখ্যা


| | | |
|---|---|---|
| সম্পাদকীয় | ॥ ক ॥ | |
| অসমীয়া ব্যাকৰণৰ পৰম্পৰা আৰু কালিৰাম মেধি | ॥ ১ ॥ | শ্ৰীনন্দ তালুকদাৰ |
| অসমত সংস্কৃত চৰ্চা : টোলৰ ইতিবৃত্ত | ॥ ১২ ॥ | শ্ৰীসতীশ চন্দ্ৰ ভট্টাচাৰ্য |
| কালিৰাম মেধিৰ সাহিত্যৰ বৈশিষ্ট্য | ॥ ২০ ॥ | শ্ৰীশশী শৰ্মা |
| স্ফোটবাদ, অৰ্থবাদ আৰু নামধৰ্ম | ॥ ২৩ ॥ | ড° কালীচৰণ দাস |
| কালিৰাম মেধি সুবচনী | ॥ ৩০ ॥ | শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা |
| যোগমাৰ্গ, নাথপন্থ আৰু অসমীয়া সাহিত্য | ॥ ৩৩ ॥ | শ্ৰীৰাপচন্দ্ৰ মহন্ত |
| ৰবদেউতা কালিৰাম মেধি | ॥ ৪২ ॥ | শ্ৰীক্ষিতীশ মেধি |
| জাতীয়তাবাদী কবি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাৰ ধ্বনি-কাব্যত এভুমুকি | ॥ ৪৮ ॥ | ড° সৰ্বেশ্বৰ ৰাজগুৰু |
| প্ৰাচীন ভাৰতীয় সাহিত্যত বিশ্বামিত্ৰ ঋষি | ॥ ৫৮ ॥ | শ্ৰীমতী কেশদা মহন্ত |
| 'মাধৱদেৱৰ নাটক' : এখন হিন্দী গ্ৰন্থ | ॥ ৬২ ॥ | শ্ৰীলোকনাথ ভঁৰালী |
| দেৱনাগৰী লিপি | ॥ ৬৭ ॥ | ড° নিশিপদ চৌধুৰী |
| জ্যোতিপ্ৰসাদৰ নাৰী চৰিত্ৰ : উষা, চিত্ৰলেখা | ॥ ৭১ ॥ | শ্ৰীপ্ৰফুল্ল কুমাৰ বৰুৱা |
| টোকা | ॥ ৭৮ ॥ | শ্ৰীযজ্ঞেশ্বৰ শৰ্মা<br>শ্ৰীনগেন শইকীয়া<br>শ্ৰীঅমূল্য চন্দ্ৰ নাথ<br>শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা |
| গ্ৰন্থ-পৰিচয় | ॥ ৮১ ॥ | শ্ৰীনগেন শইকীয়া<br>ড° মহেন্দ্ৰ নাথ বৰা<br>শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা<br>যোগেন্দ্ৰনাৰায়ণ ভূঞা |
| অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা | ॥ ৯০ ॥ | |

সাঁচিপাতে ভাষা দিব চিফুঙে আশা দিব
ৰংঘৰে মেলিব দুৱাৰ,

অতীতৰ সাঁচিপাতৰ ৰং সলাই
জাতিৰ বৌদ্ধিক আৰু সাংস্কৃতিক বিকাশৰ
বাৰ্তা কঢ়িয়াই—

দেশ আৰু জাতিৰ সেৱাত

॥ অ শো ক কা গ জ ক ল ॥

যোগীঘোপা
জিলা : গোৱালপাৰা
অসম

ৰামেশ্বৰ নগৰ
জিলা : দাৰভাঙা
বিহাৰ

# সম্পাদকীয়

## জন্মশতবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি : কালিৰাম মেধি

অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ উন্নয়ন-চিন্তাই বৃটিছ অসমৰ যিকেইজন ব্যক্তিৰ মন আচ্ছন্ন কৰি ৰাখিছিল, ইংৰাজৰ তথাকথিত 'গোলামী' শিক্ষাৰে শিক্ষিত হৈও যিকেইজন ব্যক্তি অসমৰ জাতীয় জীৱনৰ উৎকৰ্ষ-সাধন-ব্ৰতত ব্ৰতী আছিল, কালিৰাম মেধি সেইসকল ব্যক্তিৰ ভিতৰত অন্যতম। পৰাধীনতাৰ শৃঙ্খল ছিঙাৰ একেটা স্বপ্নই ভাৰতবৰ্ষৰ ইমূৰৰপৰা সিমূৰলৈ অহৰহ ক্ৰিয়া কৰি থকা কালছোৱাতো, আৰু বিশ্বৰ সন্মুখত কেৱল 'ভাৰতীয়' নামৰ একেটা শব্দৰ পৰিচয়েৰে সকলোৱে নিজকে পৰিচিহ্নিত কৰোৱা অৱস্থাতো যিকেইজন ব্যক্তিয়ে 'অসম' নামৰ ভূখণ্ডৰ স্বকীয় বৈশিষ্টৰ কথা পাহৰি যাব পৰা নাছিল, কালিৰাম মেধি সেইসকল ব্যক্তিৰ ভিতৰত অন্যতম। নিজৰ বিদ্যা-বুদ্ধি তথা অৰ্হতাৰে বৃটিছ চৰকাৰৰ প্ৰশাসনিক পদবীত অধিষ্ঠিত হৈ দক্ষতাৰে নিজ কৰ্তব্য পালন কৰিও অসমৰ যিকেইজন ব্যক্তিয়ে নিজৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ ভঁৰাললৈ অপূৰণীয় অৱদান আগবঢ়াই গৈছে, কালিৰাম মেধি সেইসকলৰ ভিতৰত অন্যতম।

আনন্দৰাম ঢেকিয়ালফুকনৰপৰা আৰম্ভ কৰি কালিৰাম মেধিলৈকে প্ৰশাসক শ্ৰেণীটোৰ কথা বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰিব যে বিংশ শতিকাৰ অসমৰ জাতীয় জীৱনৰ বুৰঞ্জী নিৰ্মাণত সংখ্যালঘু হ'লেও এই শ্ৰেণীটোৰ বৰঙনিৰ পৰিমাণহে ভূয়িষ্ঠ। এফালে বিদেশী শাসকৰ সন্তোষ বিধান, আৰু আনফালে 'অসম' নামৰ ভূখণ্ডৰ সৰ্বাঙ্গীন উন্নতি সাধন, এই দুই পৰস্পৰ-বিৰোধী প্ৰচেষ্টাৰ ভাৰসাম্য এই শ্ৰেণীটোৱে কেনেকৈ ৰক্ষা কৰিছিল, কালিৰাম মেধিৰ প্ৰতিভা আছিল তাৰেই এক জীৱন্ত প্ৰতিভূ।

উক্ত সংখ্যালঘু শ্ৰেণীটোৰ তুলনাত অসমৰ জাতীয় জীৱনলৈ সাম্প্ৰতিক কালৰ অসমীয়া প্ৰশাসনিক বিষয়াসকলৰ বৰঙনি যে অপাংক্তেয়, সেই কথা কোৱা বাহুল্য মাথোন। কালিৰাম মেধিৰ জন্মশতবৰ্ষপূৰ্তিৰ পৱিত্ৰ ক্ষণত এই বিষয়াসকলৰ কথাৰ অৱতাৰণা আপাততঃ অবান্তৰ আৰু অপ্ৰাসঙ্গিক যেন লাগিলেও দুটা কথাৰ বাবে আমি এই বিষয়টো উত্থাপন কৰিব লগা হৈছে : (১) এই প্ৰশাসন-চক্ৰটোৱে শোষণ কৰি ৰখা অসমৰ শ্ৰেষ্ঠ প্ৰতিভাসমূহৰ বহুক্ষেত্ৰত অপচয় ঘটিছে, আৰু (২) এই শ্ৰেণীটোৰ গৰিষ্ঠসংখ্যক ব্যক্তিৰ অতিশয় অহংকেন্দ্ৰিকতা, শ্ৰেণী-চেতনাৰ তীব্ৰতা,

জাতীয় জীৱনৰ প্ৰতি অহেতুক উদাসীনতা আৰু সৰ্বসাধাৰণৰ লগত ঘটা কায়িক তথা মানসিক বিচ্ছিন্নতাৰ পৰিণতি আমাৰ জাতীয় জীৱনৰ বাবে ভয়াবহ ক্ষতি-কাৰক হৈ পৰিছে।

কালিৰাম মেধি বৃটিছ চৰকাৰৰ কেৱল উচ্চপদস্থ বিষয়ায়েই নাছিল, অসমীয়া ভাষা-সাহিত্যৰ তেওঁ এজন উচ্চ স্তৰৰ গৱেষকো আছিল। এফালে যেনেকৈ পাশ্চাত্য শিক্ষাৰে শিক্ষিত কালিৰাম মেধি আছিল পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ আৰু অসমীয়া বিজ্ঞান-সাহিত্যৰ পথ-প্ৰদৰ্শক, আনফালে আছিল তেওঁ তেনেকৈয়ে অসমৰ পুৰণি-কলীয়া মুক্তিসাধক সাহিত্যৰ সংৰক্ষক, পৰিপোষক আৰু পাঠ-সমীক্ষক। ভাষা-তাত্ত্বিক আৰু গৱেষক মেধিৰ সিদ্ধান্তৰ মূল্য হয়তোবা স্বাভাৱিকভাৱেই সময়ৰ অগ্ৰগতিৰ লগে লগে হ্ৰাস পাব; কিন্তু মেধিৰ তথ্যনিষ্ঠা আৰু সত্যনিষ্ঠা নিশ্চয় অনাগত কালৰ অসমীয়া গৱেষকসকলৰ বাবে প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

অসম সাহিত্য সভাৰ লগত জড়িত ব্যক্তিমাত্ৰেই প্ৰগতিশীল চিন্তা-চৰ্চা ৰহিত ব্যক্তি বুলি, আৰু সঙ্কীৰ্ণতা তথা ৰক্ষণশীলতাৰ প্ৰতীক বুলি সাম্প্ৰতিক কালৰ যিসকল অসমীয়া 'বিশ্বনাগৰিকে' বিবেচনা কৰে, সেইসকলে অসম সাহিত্য সভাৰ সভাপতি কালিৰাম মেধিৰ চিন্তা-চৰ্চাত প্ৰগতিশীলতাৰো উমান নোপোৱাকৈ নাথাকে। উপ-ৰোক্ত 'বিশ্বনাগৰিক'সকলৰ প্ৰগতিশীলতা আৰু কালিৰাম মেধিৰ চিন্তাৰ মাজত পাৰ্থক্য কেৱল ইমানেই যে উচ্চপদস্থ চৰকাৰী বিষয়া হ'লেও মেধিৰ চিন্তা-চৰ্চা গ্ৰথিত আছিল বাস্তৱিকতে তেজ-মঙহৰ জনসাধাৰণৰ লগত, আৰু আনসকলৰ চিন্তা-চৰ্চা গ্ৰথিত-মথিত হৈ পৰিছে কাগজৰ জনসাধাৰণৰ লগত, 'জনসাধাৰণ' নামৰ এটা শব্দৰ লগত।

মেধিৰ জীৱনাদৰ্শই আমাক অনুপ্ৰাণিত কৰক, তেওঁৰ জন্মশতবাৰ্ষিকীয়ে তেওঁৰ কৃতিসমূহক অমৰত্ব দিয়ক, এয়ে আমাৰ কামনা।

## আমাৰ শিশু-সাহিত্য

অসম সাহিত্য সভাৰ লেখীয়া বাইজৰ অনুষ্ঠান আৰু অসম প্ৰকাশন পৰিষদৰ লেখীয়া চৰকাৰী প্ৰতিষ্ঠানৰ প্ৰচেষ্টাৰ উপৰি ব্যক্তিগত বহুতো প্ৰচেষ্টাত বৰ্তমান দশকটোত আমাৰ ভাষাত নাই নাই বুলিও বহুতো গ্ৰন্থ প্ৰকাশ হৈছে। প্ৰকা-শিত এই গ্ৰন্থবোৰৰ আটাইবোৰ নিশ্চয় অপাঠ্য নহয়। অথচ এই গ্ৰন্থবোৰৰ প্ৰচালন সংখ্যাটোৱে আমাৰ পঢ়ুৱৈ-সংখ্যা বৃদ্ধি হোৱাৰ কোনো সঙ্কেত সূচোৱা



নাই। গ্ৰন্থৰ মূল্য-বৃদ্ধি আৰু পঢ়ুৱৈৰ ক্ৰয়-ক্ষমতা হ্ৰাস— এই দুইটা কথা সদায় মনত ৰাখিও এটা কথা কবই লাগিব যে এই গ্ৰন্থবোৰৰ প্ৰচালন বৃদ্ধি পাবৰ বাবে যেনে ধৰণৰ পঢ়ুৱৈ সমাজ এখন ইমানদিনে আমি পাব লাগিছিল, তেনে ধৰণৰ পঢ়ুৱৈ সমাজখন অসমীয়া মানুহৰ মাজত আজিও গঢ় লৈ নুঠিল। পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি হ'বলগীয়া কাৰণটো আমি কলেজ-বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ভীৰৰ মাজতে ইমানদিনে আৱিষ্কাৰ কৰাৰ চেষ্টা কৰি আহিছোঁ। যদিও এই ছাত্ৰ-ছাত্ৰীবিলাকৰ কিমান সংখ্যক শৈশৱতে পঢ়ুৱৈ হৈ গৈছে, সেই পৰিসংখ্যাৰ ওপৰতহে নিশ্চয় আমাৰ পঢ়ুৱৈ সমাজখনৰ অস্তিত্ব নিৰ্ভৰশীল। আমাৰ শিশুবিলাকৰ মাজত শিক্ষাৰ সম্প্ৰসাৰণ ঘটোৱা ছবিখনো এই ক্ষেত্ৰত নিশ্চয় বিচাৰ্য।

শিশুবিলাকৰ গ্ৰন্থ-অধ্যয়ন-স্পৃহা বৃদ্ধি কৰিবৰ কাৰণে যেতিয়ালৈকে আমি যত্নপৰ নহওঁ, তেতিয়ালৈকে আমাৰ পঢ়ুৱৈ সমাজখনৰ বৃহৎ ৰূপটোৰ কথাও কল্পনা কৰিব নোৱাৰোঁ। কিন্তু এই ক্ষেত্ৰত আমাৰ প্ৰযত্ন কিমান? শিশুসকলক পঢ়ুৱৈ শ্ৰেণী এটাত ৰূপান্তৰ কৰিবৰ কাৰণে যেনে ধৰণৰ আৰু যি পৰিমাণৰ শিশু-সাহিত্য আমাৰ ভাষাত ওলাব লাগিছিল, তেনে ধৰণৰ আৰু সেই পৰিমাণৰ গ্ৰন্থ আমি জানো উলিয়াইছোঁ? অসমীয়া শিশু-সাহিত্য এতিয়াও শিশু হৈয়ে আছে। শিশু-সাহিত্যৰ নামত যিবোৰ গ্ৰন্থ এতিয়ালৈকে প্ৰকাশ হৈছে, সেইবোৰৰ সৰহ সংখ্যকেই বিষয়-বস্তু, ভাষা আৰু প্ৰকাশ-ভঙ্গীৰ পিনৰপৰা প্ৰকৃততে শিশুৰো নহয়, আৰু সাহিত্যও নহয়। কেৱল 'শিশু-সাহিত্য' নামৰ লেবেল এটাৰ কৃপাত আমাৰ বহুতো লেখক আৰু প্ৰকাশকৰ অৰ্থপ্ৰাপ্তি ঘটিছে, আৰু নিজৰ গুৰু দায়িত্বৰ কথা চিন্তা নকৰাকৈ কৰা সেই লেখক-প্ৰকাশকসকলৰ এনে কাৰ্যই আমাৰ জাতীয় জীৱনৰ দুৰ্ভাগ্য ওচৰ চপাই আনিছে।

সময়ৰ সোঁত সলনি হোৱাৰ লগে লগে, মানুহৰ জীৱন-ধাৰণৰ মানদণ্ডৰ পৰিবৰ্তন ঘটাৰ লগে লগে, আধুনিক জগতৰ বিভিন্ন সা-সুবিধাই আমাৰ পাৰিবাৰিক জীৱনত প্ৰভাৱ বিস্তাৰ কৰাৰ লগে লগে আমাৰ শিশুৰো ৰুচিবোধ আৰু চৰিত্ৰৰ পৰিবৰ্তন ঘটিছে। আজিৰপৰা দুকুৰি বছৰৰ আগৰ শৈশৱটো আজিও একে হৈ থকা নাই। ন ন বৈজ্ঞানিক আৱিষ্কাৰে দিনে দিনে শিশুৰ মানসিকতাৰ দিগন্ত বহলাইছে। সেই দৃষ্টিকোণৰপৰা বিচাৰ কৰি যুগোপযোগী আৰু বিচিত্ৰ উপাদানেৰে যুগুতোৱা গ্ৰন্থ আমি এতিয়া শিশুৰ হাতত যিমানে তুলি দিব পাৰিম, আমাৰ পঢ়ুৱৈ সমাজ-খনো ভৱিষ্যতে সিমানে বহল হৈ পৰিব। আমাৰ প্ৰতিবেশী বঙলা সাহিত্যৰ বিশালতাৰ মূলতে হ'ল বঙলা শিশু-সাহিত্যৰ বিশালতা। বঙালী লেখক-প্ৰকাশক-

সকলে তেওঁলোকৰ শিশু-সাহিত্যক স্বতন্ত্ৰ ৰূপত গ্ৰহণ কৰা নাই; ই হৈ পৰিছে সামগ্ৰিকভাৱে বঙলা সাহিত্যৰেই এক অপৰিহাৰ্য আৰু অখণ্ড অঙ্গ। তেওঁলোকৰ শ্ৰেষ্ঠ আৰু প্ৰতিভাধৰ লেখকসকলে শিশু-সাহিত্য প্ৰণয়নত যেনেদৰে আত্মনিয়োগ কৰিছে, তাৰেই ফলশ্ৰুতি স্বৰূপে বঙলা সাহিত্যৰ জয়জয়কাৰ ঘোষিত হৈছে বুলি নিশ্চয় কব লাগিব।

শিশু-সাহিত্য প্ৰণয়নৰ বাবে প্ৰতিভাধৰ লেখক যে আমাৰো বহুতো আছে, সেই কথা বিনাদ্বিধাই কব পাৰি। কিন্তু সেই প্ৰতিভাসমূহৰ সদ্ব্যৱহাৰ আমি কৰিব পৰা নাই। ব্যক্তিগত প্ৰচেষ্টাত লেখক-লেখিকাসকলে এই কাৰ্যত আত্মনিয়োগ কৰাটো আমাৰ ৰাজ্যত অন্ততঃ এতিয়ালৈকে ফলদায়ক হৈ উঠা নাই। ডাঙৰৰ বাবে লিখা গ্ৰন্থ এখন যেনেকৈ যশকৰী আৰু অৰ্থকৰী হ'ব পাৰে, শিশুৰ বাবে লিখা গ্ৰন্থ এখন সেই সাঁচত নপৰে। ৰাইজৰ দান-বৰঙনিৰে বৰ্তি থকা অসম সাহিত্য সভাই শিশু-সাহিত্যৰ লেখক-লেখিকাসকলক আৰ্থিক দিশত প্ৰেৰণা যোগোৱাটো সম্ভৱ হৈ উঠা নাই। চৰকাৰী অৰ্থানুকূল্যত বৰ্তি থকা অসম প্ৰকাশন পৰিষদে বা তেনে ধৰণৰ নতুন প্ৰতিষ্ঠানে আমাৰ প্ৰকৃত শিশু-সাহিত্যিকসকলক পৃষ্ঠপোষকতা নকৰিলে আমাৰ ভাষা-সাহিত্যৰ বৰ্তমান ভবিষ্যৎৰ কোনো শুভ পৰিবৰ্তন নঘটে।

এইখিনি কথা আমি কব লগা হ'ল এইবাবেই যে অহা ১৯৭৯ চনটো আন্তঃৰাষ্ট্ৰীয় শিশুবৰ্ষ ৰূপে ৰাষ্ট্ৰসঙ্ঘৰদ্বাৰা পালিত হ'ব। অহা শতিকাৰ আমাৰ জাতীয় জীৱনটোক সুন্দৰ-সুঠাম ৰূপত পাবলৈ হ'লে অহা বছৰটোতে আমি আমাৰ শিশুসকলৰ জীৱন সুন্দৰ আৰু সুঠাম কৰি তুলিবলৈ যত্নপৰ হ'ব লাগিব। শিশুসকলৰ দৈহিক দিশটোৰ নহ'লেও মানসিক দিশটোৰ দায়িত্ব লোৱাটো আমাৰ লেখকসকল, প্ৰকাশকসকল আৰু চৰকাৰৰ অৱশ্য কৰ্তব্য। আমাৰ শিশুবিলাকৰ মানসিক পুষ্টি-সাধনৰ কাৰণে আৰু ইমান দিনে চলি অহা পুষ্টিহীনতা দূৰীকৰণৰ কাৰণে লেখক, প্ৰকাশক আৰু চৰকাৰৰ প্ৰয়োজন হ'ব একো একোখন সুপৰিকল্পিত আঁচনিৰ। কিন্তু এই ক্ষেত্ৰত আটাইতকৈ বেছি প্ৰয়োজন হ'ব যিটো সম্পদৰ, সেইটো হৈছে আন্তৰিকতা, শিশু-সুলভ আন্তৰিকতা: লেখক, প্ৰকাশক, চৰকাৰ—এই তিনিওৰে।

যোগেন্দ্ৰনাৰায়ণ ভূঞা
৩০ নৱেম্বৰ, ১৯৭৮

# অসমীয়া ব্যাকৰণৰ পৰম্পৰা আৰু কালিৰাম মেধি

শ্ৰীনন্দ তালুকদাৰ

হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ'ৰ মতে ব্যাকৰণৰ অৰ্থ "ভাষা শুদ্ধৰূপে কবৰ আৰু লিখিবৰ নিয়ম, সেই নিয়ম থকা পুথি।" আকৌ তেওঁ 'অসমীয়া ব্যাকৰণ'ত লিখিছে, "আখৰ আৰু শব্দক শুদ্ধৰূপে কোঁটাবৰ আৰু লিখিবৰ নিয়মবিলাক যি পুথিৰ-পৰা শিকিব পাৰি, তাৰ নাম ব্যাকৰণ, (Grammar)।" "Grammar is the systematic analysis of the language" (Everyman's Encyclopaedia, vol. 6)।

অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনাৰ ইতিহাস দীঘলীয়া নহয়। অসমীয়া ভাষাত ব্যাকৰণ ৰচনা হয় ইংৰাজ আমোলত এজন বিদেশী চাহাবৰদ্বাৰা ইংৰাজী ভাষাৰ মাধ্যমেৰে।

প্ৰাকবৈষ্ণৱ যুগৰেপৰা নানান লিখিত সাহিত্যৰ নিদৰ্শন পোৱা যায় যদিও অসমীয়া ব্যাকৰণৰ নিদৰ্শন পোৱা নাযায়। উত্তৰবৈষ্ণৱ যুগত নানান বিধ ব্যৱহাৰিক জ্ঞানৰ পুথি, হাতী-ঘোঁৰাৰ চিকিৎসাৰ পুথি ৰচনা কৰাৰ নিদৰ্শন আছে। কিন্তু সেই সময়ত অসমীয়া ভাষাত ব্যাকৰণ লিখাৰ নিদৰ্শন নাই।

পূৰ্বতে টোল, সত্ৰ আৰু মচজিদক কেন্দ্ৰ কৰি শিক্ষা লাভ কৰা হৈছিল। টোলবিলাক সংস্কৃত শিক্ষাৰ থাই কেন্দ্ৰ আৰু আদিম শিক্ষানুষ্ঠান। দুই-চাৰিয়ে টোলৰ শিক্ষাতে আবদ্ধ নাথাকি নদীয়াৰ শান্তিপুৰ, নৱদ্বীপ, কাশী বা বাৰাণসী প্ৰভৃতি ঠাইলৈকো গৈ সংস্কৃত শিক্ষা গ্ৰহণ কৰিছিল। এনেদৰে তিনি-চাৰি বছৰ শিক্ষা লাভৰ অন্তত স্বদেশলৈ উভতি পুনৰ নিজেও স্থাপন কৰিছিল একোখন টোল। টোলত শিক্ষা গ্ৰহণ কৰা শিক্ষাৰ্থী সৰহ ভাগেই ব্ৰাহ্মণ আৰু উচ্চ বংশৰ কায়স্থ। বৈষ্ণৱ সত্ৰবোৰক কেন্দ্ৰ কৰি গঢ়ি উঠা শিক্ষানুষ্ঠানবোৰত সংস্কৃতৰ লগতে বৈষ্ণৱ সাহিত্যও চৰ্চা কৰা হৈছিল। সেই সময়ত টোল-বোৰত ৰত্নমালা ব্যাকৰণ পাঠ্যপুথি ৰূপে পঢ়োৱাৰ নিদৰ্শন পোৱা যায়। অৰ্থাৎ সংস্কৃত ৰত্নমালাৰ বাহিৰে আন অসমীয়া ব্যাকৰণ পঢ়োৱাৰ নিদৰ্শন নাই।

আমাৰ চুবুৰীয়া বঙলা ভাষাৰো প্ৰথম ব্যাকৰণ ৰচনা কৰিছিল বিদেশী চাহাবে। ১৭৪৩ খ্ৰীঃত Mr. Manoel da Assampsam-এ পৰ্টুগীজ ভাষাত ৰচনা কৰা ব্যাকৰণখনেই সম্ভৱতঃ প্ৰথম বঙলা ভাষাৰ ব্যাকৰণ।[1] ইংৰাজী ভাষাত লিখা প্ৰথম বঙলা ব্যাকৰণ

১. "In the same year (1743) was published Bengali Grammar in Portuguese with Bengali-Portuguese Vocabulary." History of Bengali Literature, by Dr. S. Sen.

মিঃ নাথানিয়েল ব্ৰাছি হালেদৰ ( Nathaniel Brassey Helhed ) 'A Grammar of the Bengal Language' ১৭৭৮ খ্ৰীঃত প্ৰকাশিত ২১৬ পৃষ্ঠাৰ এখন গ্ৰন্থ। ইংৰাজী ভাষাত লিখা হ'লেও প্ৰতি পৃষ্ঠাতে আছে বঙলা হৰফত ছপা কৰা অসংখ্য বঙলা উদাহৰণ, মহাভাৰত-ৰামায়ণৰপৰা উদ্ধৃত পদাৱলী। মিঃ নাথানিয়েল ব্ৰাছি হালেডৰ এই পুথিতে পোনপ্ৰথমে বঙলা হৰফ ব্যৱহৃত হয়।

বঙলা আখৰক ছপাশালৰ হৰফত ৰূপ দিওঁতাজন চাৰ্লছ উইলকিনছ। চাৰ্লছ উইলকিনছ বঙলা মুদ্ৰাযন্ত্ৰৰ জনক। বঙলা মুদ্ৰণযন্ত্ৰ সৃষ্টিৰ গুৰিতে প্ৰথম গৱৰ্ণৰ জেনেৰেল ওৱাৰেন হেষ্টিংছ। মিঃ হালেড আৰু মিঃ উইলকিনছ উভয়ে ওৱাৰেন হেষ্টিংছৰপৰা প্ৰেৰণা আৰু পৃষ্ঠপোষকতা লাভ কৰিছিল।[২]

চাৰ্লছ উইলকিনছে কৰাৰ পূৰ্বে বঙলা হৰফত কিতাপ ছপা হৈছিল যদিও হাতেৰে কটা আখৰৰ ব্লকেৰেহে সেই ছপা হৈছিল। ধাতুৰে নিৰ্মিত আখৰ বা টাইপৰ প্ৰথম সূচনা কৰে চাৰ্লছ উইলকিনছেহে। হালেডৰ ব্যাকৰণখন উইলকিনছৰ দ্বাৰা মুদ্ৰিত প্ৰথম পুথি।[৩] "অতঃপৰ ১৭৭৮ খ্ৰীষ্টাব্দে, ১১৮৫ বঙ্গাব্দে বঙ্গদেশ থেকে হালেদের যে বিখ্যাত গ্ৰন্থখানি প্ৰকাশিত হয়, সেটি ইতিহাসে বঙ্গাক্ষৰে মুদ্ৰিত প্ৰথম পুস্তক, বাংলা মুদ্ৰিত সাহিত্যের যাত্ৰাপথে প্ৰথম মাইলষ্টোন। ঐতিহাসিক সেই বইটিৰ শিৰোনামা A Grammar of the Bengal Language."[৪] গ্ৰন্থখনৰ নামপাততে আছে –

"বোধ প্ৰকাশং শব্দশাস্ত্ৰং
ফিৰিঙ্গি নামুপকাৰাৰ্থং
ক্ৰিয়তে হালেদজ্ঞে জী"

অৰ্থাৎ ফিৰিঙ্গীসকলৰ উপকাৰৰ অৰ্থে হালেদে এই গ্ৰন্থ ৰচনা কৰিছিল। গ্ৰন্থখনিত ব্যাকৰণৰ উপৰিও সংখ্যা-গণনা, মুদ্ৰা, ওজন আদিৰ পৰিচয় আৰু ছন্দ-ৰীতিৰ আলোচনা কৰিছে। গ্ৰন্থখন ছপা কৰিছিল হুগলীত।

অসমীয়া হৰফত প্ৰথম ছপা পুথি শ্ৰীৰামপুৰৰ মিছনাৰী উইলিয়ম কেৰীৰ সৌজন্যত নগাঁৱৰ আত্মাৰাম শৰ্মাৰদ্বাৰা কৰোৱা বাইবেলৰ অসমীয়া অনুবাদ 'ধৰ্ম পুস্তক।'

ঈশ্বৰৰ সৰ্ব্ব বাক্য
বিশেষত মানুহৰ ত্ৰণৰে আৰু কাৰ্য্য সাধনৰে অৰ্থে
ঈশ্বৰে যিহক প্ৰেৰিক কৰিচে।
সেয়েই
**ধৰ্ম্ম পুস্তক**
তাৰে অন্তভাগ
সেয়ে আমাৰ প্ৰভুৰ আৰু ত্ৰণ কৰোঁতা যিশু খ্ৰীষ্টৰ
শুভবাৰ্ত্তা।
গ্ৰীক ভাষাৰ পৰা তৰ্জ্জমা হল।
শ্ৰীৰামপুৰং চাপ মাৰিলে।
ইংৰাজী ১৮১৩ শ'ক।

২. বাংলা মুদ্ৰণ : দ্বিশতবাৰ্ষিকী : অমিত্ৰসূদন ভট্টাচাৰ্য। ৩. ঐ। ৪. ঐ।





উইলকিনছ-আবিষ্কৃত বঙলা হৰফে যে অসমীয়া হৰফত পুথি ছপোৱাৰ পথৰ কণ্টক আঁতৰাইছিল, সেই বিষয়ে সন্দেহ নাই। হালেদৰ ব্যাকৰণ ছপোৱাৰ ৩৫ বছৰৰ পাছত ১৮১৩ খ্ৰীঃত পোন প্ৰথম অসমীয়া হৰফেৰে ছপা কৰা পুথি 'ধৰ্মপুস্তক।' 'ধৰ্ম পুস্তক' বৃহৎ কলেৱৰৰ ৮৬৪ পৃষ্ঠাৰ পুথি। পুথিখনিত উচ্চাৰণ আৰু চিনৰ নিৰ্দেশ দিয়া আছে। অসমীয়া 'ৰ' ব্যৱহাৰ কৰিছে যদিও দুই-এঠাইত বঙলা 'ৰ' ব্যৱহাৰ কৰাও দেখা যায়। ই হয়তো ছপাৰ ভুলৰ বাবেও হ'ব পাৰে।

উনবিংশ শতিকাৰ আদিতে বঙলা ভাষাত মিঃ কেৰিয়ে লিখা 'Bengali Vocabulary' আন এখন উল্লেখযোগ্য ব্যাকৰণ। বঙলা ভাষাত লিখা প্ৰথম বঙলা ব্যাকৰণ ৰাজা ৰামমোহন ৰায়ৰ 'গৌড়ীয় বাংলা ব্যাকৰণ' ( ১৯২৭ ? )।

মিছনাৰী চাহাবসকলেই পূৰ্ব ভাৰতত সংবাদ-পত্ৰ প্ৰকাশৰ, ব্যাকৰণ, অভিধান, বিবিধ পাঠ্যপুথি, বিজ্ঞান বিষয়ক পুথি ৰচনাৰ পথপ্ৰদৰ্শক। মিছনাৰী আৰু বিদেশী চাহাবসকলে ৰচনা কৰা পুথিসমূহেই অসমীয়া ভাষা-সাহিত্যৰো খাই খুটা। মিছনাৰীয়ে দেখুৱাই যোৱা পথেৰে অগ্ৰসৰ হৈয়ে অসমীয়া সাহিত্যতো সৃষ্টি হ'ল নৱন্যাসধৰ্মী সাহিত্য। সেয়েহে আমি এই আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলৰ ওচৰত চিৰঋণী।

মিঃ উইলিয়ম ৰবিন্সনৰ 'A Grammar of the Assamese Language ( by W. Robinson, Government Seminary, Gowhatti, Serampore Press, November 1st, 1839 )' খনেই প্ৰথম অসমীয়া ব্যাকৰণ। মিঃ ৰবিন্সন গুৱাহাটী ছেমিনাৰীৰ দ্বিতীয় জন প্ৰধান শিক্ষক। প্ৰথমজন মিঃ ছিঙ্গাৰ। ৰবিন্সন প্ৰথমতে অসমলৈ আহিছিল খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰক স্বৰূপে। তেওঁ অসমলৈ আহিয়ে ধৰ্ম প্ৰচাৰ আৰু পঢ়াশালি আদি স্থাপনত উঠি-পৰি লাগিছিল। পাছত তেওঁ মিছনাৰীৰ কাম এৰি দি ১৮৩৮ খ্ৰীঃৰ ১৪ এপ্ৰিলৰপৰা গুৱাহাটী গৱৰ্ণমেণ্ট ছেমিনাৰীৰ প্ৰধান শিক্ষক নিযুক্ত হয়। ১৮৪৪ খ্ৰীঃৰপৰা ৰবিন্সন অসমৰ স্কুলসমূহৰ ইন্‌ছপেক্টৰ নিযুক্ত হয়। তেৱেঁই অসমৰ প্ৰথম ইন্‌ছপেক্টৰ অৱ্‌ স্কুল্‌ছ। তেতিয়াৰ দিনত ইন্‌ছপেক্টৰ অৱ্‌ স্কুল্‌ছেই অসমৰ শিক্ষা বিভাগৰ গুৰিয়াল, আজি কালিৰ ডি, পি, আই। সুদীৰ্ঘ একুৰি বছৰ কাল ( ১৮৪৪—৬৩ খ্ৰীঃ ) ৰবিন্সন অসমৰ শিক্ষা বিভাগৰ কৰ্ণধাৰ। অসমৰ শিক্ষাৰ অগ্ৰগতিত ৰবিন্সনৰ দান লেখত লবলগীয়া। ১৮৬৩ খ্ৰীঃত নাজিৰাত তেওঁৰ মৃত্যু হয় আৰু নাজিৰাতে কবৰো দিয়া হয়।[৫]

৫. ৰবিন্সনৰ কবৰত লিখা আছে—

"Willam Robinson
1863
Here lies William Robinson
'The Historian of Assam'
Born 4th September 1819,
died 27th August 1863."

( 'List of Inscriptions on Tombs or Monuments in Assam' -ৰ পৰা। )

ৰবিন্সনৰ দ্বিতীয় গ্ৰন্থ 'A Descriptive Account of Asam ( William Robinson, Gowhatti Government Seminary ) with a sketch of Local Geography and a concise History of the plant of Asam to which is added A short Account of the Neighbouring Tribes, exhibiting their History, Manners and Customs.' গুৱাহাটী গৱৰ্ণমেণ্ট চেমিনাৰীৰ প্ৰধান শিক্ষক স্বৰূপে ৰবিন্সনে অনুভৱ কৰিলে এখন ব্যাকৰণৰ অভাৱৰ কথা। মাত্ৰ এবছৰ পাঁচ মাহ কাল শিক্ষকতা কৰিয়ে বিদেশী চাহাবজনে ৰচনা কৰিলে অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণখন।

ৰবিন্সনৰ ৭৮ পৃষ্ঠাৰ A Grammar of the Asamese Language-ৰ ভাষা ইংৰাজী, অকল উদাহৰণবোৰ অসমীয়া, আৰু লিখিছে অসমীয়া আখৰত। 'Introduction'-ত লিখিছে— "Yet there are circumstances which seem to render the Asamese Language in some measure worthy of notice. It is the language usually spoken throughout that interesting country known as Asam and by a population somewhat exceeding seven hundred thousand.

The country itself is now fast rising in importance. The extraordinary fertility of its soil— its varied productions, among which the tea plant ranks as the most important— its extensive and hitherto unexplored mineral treasures, all tend greatly to augment its value and to render it a highly valuable acquisition to the British Government."

অসমৰ সম্পদৰাজিৰ বাবে দেশখনৰ গুৰুত্ব দিনে দিনে বাঢ়ি আহিবলৈ ধৰিলে। এই দেশৰ ভাষাৰ জ্ঞান বিদেশীৰ বাবে প্ৰয়োজন হৈ পৰিল। সেই প্ৰয়োজনৰ চাহিদা পূৰণৰ বাবেও ৰচনা কৰিলে অসমীয়া ব্যাকৰণ। "An acquaintance, therefore, with the language of the country must be acknowledged to be important, especially to those who may enter it on mercantile speculations, for besides affording an intelligible medium of negotiation with the people, it will likewise furnish facilities for friendly intercourse with them hereby extensive information may be gleaned respecting the commercial advantages which the country affords."

প্ৰকৃততে ৰবিন্সনৰ অসমীয়া ব্যাকৰণৰ পাঠ লক্ষ্য অনা-অসমীয়া ন-শিকাৰুসকল, সেই কথা Introduction-ত স্পষ্ট। ৰবিন্সনৰ অসমীয়া ব্যাকৰণৰ আৰ্হি ইংৰাজী গ্ৰামাৰ। অসমীয়া ভাষা সম্পৰ্কে গ্ৰন্থখনিৰ আদিতে তেওঁ লিখিছে— "The characters of the Asamese Language demand our first attention. They are for the most part of the same as the characters used in Bengal, and were probably introduced by the Brahmins."

প্ৰথমতে বৰ্ণমালাৰ পৰিচয় দাঙি ধৰি গুৰুত্ব আৰোপ কৰিছে উচ্চাৰণ আৰু স্বৰবৰ্ণৰ আকাৰ ( া ), ইকাৰ ( ি ) আদি চিহ্নবোৰৰ ওপৰত। বিদেশী লোকসকলৰ মনত এই চিহ্নবোৰে যাতে কোনো ধৰণৰ আসোঁৱাহ সৃষ্টি কৰিব নোৱাৰে, সেই বিষয়ে উদাহৰণসহ বুজাই দিছে। সংযুক্ত আৰু ভিন্ন বৰ্ণৰ উচ্চাৰণ, প্ৰয়োগ আদিৰ আভাস ব্যাকৰণখনত দিবলৈ যত্ন কৰিছে।



বৰ্ণমালা আৰু উচ্চাৰণৰ পিছতে আলোচনাৰ বিষয় Part of speech, লিঙ্গ, বচন, কাৰক। আলোচনা কৰিছে ইংৰাজী ব্যাকৰণৰ আৰ্হিত।

" তেওঁ teo, he, she

This is one of the pronouns that undergoes no modification in the oblique cases of either the singular or the plural number. In the plural it is charged for হি hi, to which the plural nominations বিলাক bilak, &c are added.

Singular

Nom. তেওঁ teo, he, she
Acc. তেওঁক teok, him, her
Inst. তেওঁৰে teore or তেঁৰে, tenbe, by him or her
Dat. তেওঁলৈ teoloi, to him or her
Abl. তেওঁৰ পৰা teor para, from him or her
Gen. তেওঁৰ teor, his, her
Loc. তেওঁত teot, in him or her

Plural

Nom. হিবিলাক hibilak, they
Acc. হিবিলাকক hibilakak, them
Inst. হিবিলাকেৰে hibilakere or হিবিলাকে hibilake } by them
Dat. হিবিলাকলৈ hibilakalai, to them
Abl. হিবিলাকৰ পৰা hibilakar para, from them
Gen. হিবিলাকৰ hibilakar, their's
Loc. হিবিলাকত hibilakat, in them"

ৰবিন্সনৰ ব্যাকৰণত case-ৰ দৰে গুৰুত্ব আৰোপ কৰিছে mood-ৰ ওপৰতো।

" Of the varb কৰোঁ karoh, I do

A regular verb is conjugated after the following manner :

Root কৃ kri, to do, make, perform

Indicative Mood. Indifinite

| | Hon. | Inf. |
|---|---|---|
| 1. | কৰোঁ karon, I do | |
| 2. | কৰা kara, thou dost | কৰ kar |
| 3. | কৰে kare, he does | |

Present Definite

| | Hon. | Inf. |
|---|---|---|
| 1. | কৰিছোঁ karitshom, I am doing | |
| 2. | কৰিছা karitsha, thou art doing | কৰিছ karitsha |
| 3. | কৰিছে karitshe, he is doing" | |

ব্যাকৰণখনত Part of speech-ৰ ওপৰত গুৰুত্ব আৰোপ কৰি নানান উদাহৰণসহ বহলাই আলোচনা কৰিছে। কিন্তু ৰবিন্সনৰ 'গ্ৰামাৰ'ত সন্ধি, সমাস, যত্ববিধি, ণত্ববিধিৰ কথা আলোচনা কৰা নাই। একেৰপৰা এশলৈকে সংখ্যাবোৰৰ ৰূপ সংখ্যা আৰু আখৰেৰে দি অনা-অসমীয়া লোকে বুজাত সহায় কৰিছে। Appendix-ত দৰ্খাস্ত লিখা, অনুবাদ কৰাৰ আৰ্হি সংযোগ কৰিছে। অসমীয়াত লিখা দৰ্খাস্তৰ তলে তলে ৰোমান আখৰত আৰু শেষত ইংৰাজী অনুবাদ, আৰু বুৰঞ্জী, ৰামায়ণৰ ইংৰাজী অনুবাদেৰে পুথিখনিৰ সৌষ্ঠৱ বঢ়াইছিল।

সোণ-ৰূপৰ জোখ, Gold or silver weight ; পনীয়া বস্তুৰ জোখ, Liquid Measure ; Dry Measure, Land Measure আদি দৈনন্দিন জীৱনত প্ৰয়োজনীয় নানান জোখ-মাখৰ ইংৰাজী ৰূপ Appendex-ত সংযোগ কৰা হৈছে। জোখ-মাখৰ ক্ষেত্ৰত থকা স্থানীয় নিয়মসমূহৰ কথা বুজাই লিখা হৈছে। এই ক্ষেত্ৰত মিঃ হালেদৰ বঙলা গ্ৰামাৰৰ লগত সাদৃশ্য আছে।

"The Behi of twenty puras is called a kacha or inferior Behi, and the Behi of twenty four puras is called a paka or complete Behi.

A Lower Asam pura contains 52, 900 square feet or about $3\frac{1}{2}$ Bigas of Bengal, and is somewhat less than $1\frac{1}{4}$ English acre."

দিন আৰু মাহৰ নামেৰে পুথিখনিৰ আলোচনাৰ সামৰণি মাৰিছে। মিঃ ৰবিন্‌চনৰ 'গ্ৰামাৰ'খনৰ বাট লক্ষ্য অনা-অসমীয়া লোকক অসমীয়া ভাষা আৰু অসমত চলিবৰ বাবে দৈনন্দিন জীৱনত প্ৰয়োজনীয় নানান দিশৰ সম্যক জ্ঞান দিয়া। অনা-অসমীয়া লোকক অসমীয়া শিকোৱা ৰবিন্‌চনৰ এই প্ৰচেষ্টা প্ৰশংসনীয়। মিঃ ৰবিন্‌চনে Asam আৰু Asamese শব্দত এটা S-হে লিখিছিল।

অসমীয়া ভাষাৰ দ্বিতীয় ব্যাকৰণ ৰেভাৰেণ্ড ডক্টৰ নাথান ব্ৰাউনৰ Grammatical Notes on the Assamese Language ( by N. Brown 1848 )। ব্ৰাউনৰ ব্যাকৰণৰ ভাষা ইংৰাজী, উদাহৰণসমূহ অসমীয়াত লিখা। Mr. P. H. Moore-এ নগাঁৱৰ পৰা পাছত ব্যাকৰণখন অলপ সংশোধন কৰি প্ৰকাশ কৰিছিল ( তৃতীয় প্ৰকাশ, ১৮৯৩ )।

৯৫ পৃষ্ঠাৰ ব্যাকৰণখনত মিঃ ব্ৰাউনেও উচ্চাৰণ ( sounds of the letters )-ৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। ৰবিন্‌চনৰ দৰে মিঃ ব্ৰাউনৰো ব্যাকৰণৰ মূল আলোচনাৰ বিষয় Mood আৰু Conjugation. বিভিন্ন শব্দৰূপ আৰু ধাতুৰূপৰ উদাহৰণ ৰবিন্‌চনতকৈ ব্ৰাউনৰ ব্যাকৰণত বহুতো বেছি। আন আন ৰূপসমূহ সৰু-সুৰা খুঁটি-নাটিসহ আলোচনা কৰিছে।

অসমীয়া ভাষাৰ উৎপত্তি, বৈশিষ্ট্য আৰু সংস্কৃত ভাষাৰ লগত থকা সম্বন্ধৰ কথা ব্ৰাউনৰ ব্যাকৰণৰ 'Introduction'-ত আলোচনা কৰিছে। অসমীয়া ভাষাৰে বঙলা ভাষাৰপৰা উৎপত্তি হোৱা নাই, আৰু বঙলাৰ ঠাল নহয়, সেই বিষয়ে তেওঁ দৃঢ়ভাৱে লিখিছে, "The Assamese is often regarded as merely a corrupt form of the Bengali, by persons who become acquainted with that language previous to their arrival in Assam. Finding so large a proportion of words common to Bengali and Assamese, and not considering that this similarity necessarily results from the derivation of these languages from sanskrit, the common parent of both, it has been hastily concluded that the Assamese is but an uncouth jargon, formed by the incorporation of Bengali with the various dialects of the country. The opinion that the present language of Bengal is the parent of Assamese, is irreconcilable with facts. It is well-known that there had been no influx of Bengalis into this province prior to the Mohemmedan invasion, at which time the language was established in its present form."

মিঃ ব্ৰাউনে ভালকৈ বুজিছিল যে অসমীয়া ভাষা বঙলা ভাষাৰ ঠাল নহয়। দুইটা ভাষাৰ মাজত থকা পাৰ্থক্যৰ কথাও তেওঁ উপলব্ধি কৰিব পাৰিছিল। দুয়োটা ভাষাৰ পাৰ্থক্যৰ কথা তেওঁ আলোচনা কৰিছে এইদৰে :— "A very prominent



characteristic of this language is the pronunciation of the sanskrit letters শ, ষ, and স, like the guttural h or kh, corresponding with the Greek X; a sound unnown in Bengali..........

..........For the two sanskrit letters b and v, the Bengali alphabet has but one representative ব b, while the Assamese contains ব and ৱ pronounced b and w. Thus the name of the Hindu God Shiva, in Bengali is pronounced Sib, in Assamese Hiwa; conclusively showing that the two languages though derived from common source, have no direct connection with each other."

তেনেভাৱে চ আৰু জ ৰ উচ্চাৰণৰ পাৰ্থক্য আৰু অসমীয়াত ইয়াৰ পূৰ্ণ ব্যৱহাৰৰ ৰূপ ব্যাখ্যা কৰি দেখুৱা হৈছে। মিঃ ব্ৰাউনে অসমীয়া ভাষাটোৱে শ্ৰুতিমধুৰ, সেই কথা স্পষ্টভাৱে লিখিছে—

'For beauty and softness, the Assamese Language is much superior to the Bengali; resembling in this respect the Hindustani." ব্ৰাউনে অসমীয়া গদ্যৰ নিদৰ্শন স্বৰূপে বুৰঞ্জীৰ গদ্যকে একমাত্ৰ গদ্য বুলি লিখিছে,— "The only Assamese books which can be regarded as a standard of good prose writing are the Buranjis or histories which have been written during the last two hundred years."। শেষত কাব্য সাহিত্যৰ কথা উল্লেখ কৰিছে— "Most of the sacred writings of the Assamese are in poetry which differs so widely from the spoken language, that the student who wishes to acquire a correct style, should confine himself at the commencement of his studies, entirely to prose."

মিঃ ৰবিন্‌চনৰ দৰে মিঃ ব্ৰাউনেও সন্ধি, সমাস, ণত্ব আৰু ষত্ববিধিৰ কথা উল্লেখ কৰা নাই। অনা-অসমীয়াক অসমীয়া ভাষা শিকাৰ বাট সুচল কৰি দিয়াটোৱেই মিঃ ব্ৰাউনৰ একমাত্ৰ লক্ষ্য নহয়। অসমীয়া ভাষাৰ ঐতিহ্য বিচাৰ আৰু খুঁটি-নাটি আলোচনাৰ প্ৰতি বিদেশী চাহাব হ'লেও ব্ৰাউন সজাগ।

'Manual of the Bengali Lauguage including An Assamese Grammar' ( by G. F. Nicholl M. A 1894 ) এখন ৩৬২ পৃষ্ঠাৰ গ্ৰন্থ। গ্ৰন্থখনৰ প্ৰধান আলোচ্য বিষয় বঙলা ভাষাৰ ব্যাকৰণ। গ্ৰন্থখনৰ শেষৰ ফালে ৩২৩ পৃষ্ঠাৰপৰা ৩৬২ পৃষ্ঠালৈ আলোচনাৰ বিষয় 'Asamese Grammar'। মি: নিকলে ব্যাকৰণ ৰচনাত মি: ৰবিন্‌চন, মিঃ ব্ৰাউন আৰু ৰেভাৰেণ্ড মাইল্‌ছ্‌ ব্ৰন্সনৰ অসমীয়া অভিধানৰ সহায় লাভ কৰাৰ কথা উল্লেখ কৰিছে। তেওঁৰ হাতত গোটা খোৱা আন আন সমলেৰে এখন সুকীয়াকৈ 'অসমীয়া ব্যাকৰণ' সমগ্ৰত ৰচনা কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিল "........... I have thought it best to reserve these materials for a larger and independent work."

মিঃ নিকলে বঙলা ব্যাকৰণ ৰচনা কৰোঁতে বঙালী লেখকসকলে ৰচনা কৰা বঙলা ব্যাকৰণবোৰৰ নাম উল্লেখ কৰিছে। কিন্তু অসমীয়া ব্যাকৰণ ৰচনাৰ বাবে সেই সময়ত প্ৰকাশ হোৱা তিনিখনমান অসমীয়া ব্যাকৰণৰ কোনোখনৰ নাম উল্লেখ কৰা নাই। তেওঁৰ ব্যাকৰণৰ আহি মিঃ ৰবিন্‌চন আৰু মিঃ ব্ৰাউনৰ ব্যাকৰণ, অৰ্থাৎ মূল ইংৰাজী ব্যাকৰণৰ আহি।

মিঃ নিকলৰ 'গ্ৰামাৰ'খনো আন দুখনৰ দৰে ইংৰাজীত ৰচনা কৰা। কিন্তু নিকলৰ গ্ৰামাৰৰ উদাহৰণবোৰ ৰোমান হৰফেৰে লিখা, ৰবিন্সন বা ব্ৰাউনৰ ব্যাকৰণৰ দৰে অসমীয়া আখৰেৰে নহয়। নিকলৰ বঙলা গ্ৰামাৰৰ অংশত থকা উদাহৰণবোৰ বঙলা আখৰেৰে লিখা।

মিঃ নিকলৰ গ্ৰামাৰখনৰো আলোচ্য বিষয় বৰ্ণমালা, উচ্চাৰণ, বিশেষ্য-বিশেষণ আদি। তেওঁ বেছি গুৰুত্ব আৰোপ কৰিছে Mood, Case, Conjugation আদিৰ ওপৰত। তেওঁৰ 'গ্ৰামাৰ'তো সন্ধি, সমাস, ণত্ব-ষত্ব বিধি আদিৰ উল্লেখ নাই।

উনবিংশ শতিকাত মিঃ উইলিয়ম ৰবিন্সন, ৰেভাৰেণ্ড ডক্টৰ নাথান ব্ৰাউন আৰু মিঃ জি এফ নিকলে ৰচনা কৰা অসমীয়া ব্যাকৰণ কেইখনে এই দিশৰ আলোচনাৰ পথ মুকলি কৰিছিল। তেওঁলোকৰ গ্ৰামাৰ কেইখনৰ আৰ্হি ইংৰাজী গ্ৰামাৰ, আৰু ৰচনাও কৰিছিল ইংৰাজী ভাষাত। এই বিদেশী চাহাব তিনিজনাই ৰচনা কৰা গ্ৰামাৰ কেইখনেই অসমীয়া ভাষাৰ ঐতিহ্য-বিচাৰ আৰু স্বীকৃতিৰ ক্ষেত্ৰত মাইলৰ খুটি। এই তিনিগৰাকী বিদেশী চাহাবৰ ওচৰত অসমীয়া ভাষা ঋণী।

সাহিত্যৰথী হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰা 'অসমীয়া ব্যাকৰণ' (১৮৫৯ ইং, ১৭৮১ শক) অসমীয়া ভাষাত ৰচনা কৰা প্ৰথম ব্যাকৰণ। সেই সময়ত অসমৰ পঢ়াশালি আৰু আদালতৰ ভাষা বঙলা। সেইবাবে হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণখনৰ সিমান প্ৰচলন আৰু প্ৰয়োজন নহ'ল। তেওঁৰ ব্যাকৰণখনৰ প্ৰথম সংস্কৰণৰ সন্ধান আমি কতো পোৱা নাই। ১৮৭২ খ্ৰীঃৰপৰা অসমীয়া ভাষা শিক্ষাৰ ভাষা হোৱাৰ পাছৰপৰা অসমীয়া ভাষাৰ পঢ়াশলীয়া পুথিৰ চাহিদা বাঢ়িল। তেতিয়া হেমচন্দ্ৰ বৰুৱাই তেওঁৰ অসমীয়া ব্যাকৰণখন পৰিবৰ্দ্ধিত আৰু সংশোধিত ৰূপত প্ৰকাশ কৰিলে। নতুন সংস্কৰণৰ পাতনিত তেওঁ লিখিছে— "এই ব্যাকৰণ প্ৰথমে ১৭৮১ শকত (১৮৫৯ খৃঃ) ছপোৱা হৈছিল। অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনাৰ সেয়ে প্ৰথম উদ্যোগ; এতেকে সেই পুথিত ভালেমান অশুদ্ধ আছিল। যদিও পুথি প্ৰকাশিত হোৱাৰ অলপ দিনৰ পাচতে সেই অশুদ্ধবিলাক লেখকৰ চকুত পৰিছিল, তথাপি তেতিয়া অসমীয়া ভাষাত বঙ্গালীৰ বিকৃতি বুলি অনেকে তালৈ হেলা কৰাত এই ব্যাকৰণ শুদ্ধ কৰি আকৌ ছপাবৰ আৱশ্যক দেখা নগ'ল। এতিয়া ভাগ্যৰ গুণে বঙ্গদেশৰ ছুৱলীয়া গৰাকী স্যাৰ জৰ্জ কেম্বেল চাহাবৰ অনুগ্ৰহত অসমীয়া ভাষা এই দেশৰ পঢ়াশালি আৰু ৰাজসভাৰ কাৰ্য্যত চলিত হোৱাত তাৰ এখনি ভাল ব্যাকৰণৰ প্ৰয়োজন হৈছে; এতেকে ইয়াক পুনৰায় প্ৰকাশিত কৰা গ'ল।" (১৮৭৩ শক, ১৭৯৫ শক)

হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ব্যাকৰণ'ত প্ৰথমতে বৰ্ণবিন্যাস প্ৰকৰণৰ কথা আলোচনা কৰিছে। ণত্ব-ষত্ব বিধি, সন্ধি, সমাস, শব্দৰূপ, ধাতুৰূপ, অনিয়মিত ক্ৰিয়া, লগৰীয়া ক্ৰিয়া, নামধাতু, বাক্য-প্ৰকৰণ, বাচ্য, পদান্বয়, কৃৎ-তদ্ধিত প্ৰভৃতি ব্যাকৰণত থাকিব লগীয়া সকলো কথাকে খৰচি মাৰি বহলাই আলোচনা কৰা হৈছে। কিছুমান লাগতিয়াল শব্দৰ ব্যুৎপত্তি, অসমীয়া ভাষাৰ জতুৱা গঢ় বা বাক্যৰ ধাৰা, বাৰেমিহলি ভাবুক খণ্ড বাক্য, এটা শব্দৰ নানাৰ্থ, এটা পদ বা বহু পদৰ অৰ্থ প্ৰকাশ প্ৰভৃতি সংযোজনাই ব্যাকৰণখনৰ সৌষ্ঠৱ বঢ়াইছে। লক্ষণা, ছন্দ-প্ৰকৰণ, কুটৰ কথা (Punctuation) প্ৰভৃতিৰ আলোচনা ব্যাকৰণখনৰ আন আন বৈশিষ্ট্য। হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ব্যাকৰণ' সংস্কৃত ব্যাকৰণৰ আৰ্হিত ৰচনা কৰা। তেওঁৰ দ্বিতীয়খন ব্যাকৰণ অসমীয়া ল'ৰাৰ



ব্যাকৰণ' (১৮৮২ খ্ৰীঃ, ৮৯ পৃঃ)। ব্যাকৰণ আৰু অভিধান ৰচনাৰে হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষাৰ ৰৰভেটি ৰচনা কৰি থৈ গ'ল।

দীনবন্ধু তৰ্কালঙ্কাৰৰ 'অসমীয়া লৰাৰ ব্যাকৰণ' (১৮৭৩ ইং, ১৭৯৫ শক, পৃঃ ৪৯, মূল্য ।০ চাৰি অনা) সেই সময়তে ৰচনা কৰা আন এখন ব্যাকৰণ। অসমীয়া লৰাৰ ব্যাকৰণৰ প্ৰকাশক 'গুণাভিৰাম বৰুৱা (শৰ্মা) বাহাদুৰ'। ব্যাকৰণখনৰ ভূমিকাত 'গুণাভিৰাম বৰুৱা (শৰ্মা) বাহাদুৰে' লিখিছিল— "আমাৰ দেশৰ পঢ়াশালি বিলাকত অসমীয়া ভাষা শিক্ষা দিবলৈ সংক্ষেপ ব্যাকৰণ নোহোৱাত শ্ৰীযুত দীনবন্ধু তৰ্কালঙ্কাৰ মহাশয়ে এই ব্যাকৰণখানি ৰচনা কৰি তেওঁৰ ছাত্ৰবিলাকক শিক্ষা দিছিল। ইয়াকময় পঢ়ি চালেঁা। সংস্কৃত ভাষাৰ ব্যাকৰণ অবলম্বন কৰি ইয়াক ৰচনা কৰা হলেও সেই ভাষাৰ নিয়ম আমাৰ ভাষাত যিমান চলিছে তিমানহে ইয়াত সংক্ষেপ আছে। আৰু আমাৰ অসমীয়া ব্যাকৰণত থাকিবলগীয়া প্ৰায় সকলো নিয়ম ইয়াতে আছে। ইয়াৰ দ্বাৰা আমাৰ ভাষা শিকিবলৈ অনেক সাহাষ্য হব হেন আশা কৰি ময় বৰ সন্তোষ পাইছেঁা আৰু গ্ৰন্থকৰ্ত্তাৰ অভিপ্ৰায় অনুসাৰে ইয়াক মুদ্ৰিত কৰিলেঁা।"

দীনবন্ধু তৰ্কালঙ্কাৰৰ 'অসমীয়া লৰাৰ ব্যাকৰণ' কলেৱৰত হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণতকৈ সৰু, মাত্ৰ ৪৯ পৃষ্ঠাৰ। কিন্তু তেওঁ হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণত থকা প্ৰায়বোৰ বিষয়ৰে চমু পৰিচয় দি গৈছে। প্ৰথমতে ভাষা আৰু ব্যাকৰণৰ সূত্ৰ দি বৰ্ণ, পদ, কাৰক, কাল, ণত্ব-ষত্ব বিধি, সন্ধি, সমাস, কৃৎ-তদ্ধিত আদিৰ চমু পৰিচয় দাঙি ধৰিছে। চমুকৈ হলেও তেওঁ ছন্দ-প্ৰকৰণ, চিহ্ন-প্ৰকৰণ আদিৰে ব্যাকৰণখন সমুজ্জ্বল কৰিছে। দীনবন্ধু তৰ্কালঙ্কাৰ আছিল নগাঁও নৰ্মাল স্কুলৰ প্ৰধান শিক্ষক।

'আশুবোধ ব্যাকৰণ' (২য় সংস্কৰণ ১৮৮৭, পৃঃ ৯৪) নাৰায়ণ শৰ্মা বিদ্যাভূষণে ৰচনা কৰা আন এখন ব্যাকৰণ। নাৰায়ণ শৰ্মা বিদ্যাভূষণ গুৱাহাটী নৰ্মাল স্কুলৰ শিক্ষক।

সত্যনাথ বৰাৰ 'অসমীয়া ভাষাৰ বহল ব্যাকৰণ' প্ৰথম প্ৰকাশ হয় ১৯২৩ খ্ৰীঃত। বহল ব্যাকৰণৰ পাতনিত বৰা ডাঙৰীয়াই লিখিছে "ব্যাকৰণ নপঢ়িলে এজন ইংৰাজ বা জাপানীয়ে বঙ্গলা বা অসমীয়া ভাষা শিকিব নোৱাৰে। এই কথা সাৰোগত কৰি বহল ব্যাকৰণ লিখা হৈছে। অৰ্থাৎ বহল ব্যাকৰণ কেৱল অসমীয়া লৰাৰ নিমিত্তে লিখা হোৱা নাই। ভিন জাতিৰ মানুহেও যেন ইয়াক পঢ়ি অসমীয়া ভাষাৰ সকলো তত্ত্ব অবগত হ'ব পাৰে, তালৈ চকু ৰাখিহে লিখা হৈছে।"

সত্যনাথ বৰাৰ 'বহল ব্যাকৰণ'ত হেমচন্দ্ৰ বৰুৱা প্ৰভৃতি পূৰ্বসুৰী বৈয়াকৰণসকলৰ দৰে বৰ্ণ, ণত্ব, ষত্ব, সন্ধি, পদ, সমাস, কৃৎ, তদ্ধিত, ধাতু-ক্ৰিয়াৰ প্ৰকৰণ, বাচ্য আদিৰ বহল আলোচনা কৰিছে। এওঁৰ বহল ব্যাকৰণৰ বৈশিষ্ট্য হ'ল অসমীয়া ব্যাকৰণৰ স্বকীয়া বিশেষত্বসমূহৰ প্ৰতি দৃষ্টিপাত। অসমীয়া ভাষাত সন্ধিৰ প্ৰচলন নাই। 'বহল ব্যাকৰণ'ত লিখিছে— "সন্ধি সংস্কৃত ভাষাৰ এটা বিশেষ অঙ্গ। কিন্তু অসমীয়া ভাষাৰ নহয়। ভাষা সুললিত বা গহীন কৰিবলৈ যেনেকৈ কেতিয়াবা অসমীয়াত সংস্কৃত শব্দ ব্যৱহাৰ কৰা হয়, সন্ধিও সেই নিমিত্তে ব্যৱহাৰ কৰা হয়। চমু কথা, অসমীয়াত সন্ধি এবিধ অলঙ্কাৰ মাথোন। এতেকে য'ত অলঙ্কাৰৰ প্ৰয়োজন, তাতহে সন্ধি ব্যৱহাৰ কৰা যুগুত।"

ব্যাকৰণখনত তেনেদৰে প্ৰত্যয়, অসমীয়া তদ্ধিত,

অসমীয়া কৃৎ, অসমীয়া নামধাতুৰ বৈশিষ্ট্যৰ কথা আলোচনা কৰিছে। পুথিখনিৰ শেষৰ অধ্যায়ৰ আলোচনাৰ বিষয় অসমীয়া ভাষাৰ জতুৱা ঠাঁচ, খণ্ডবাক্য, জতুৱা খণ্ডবাক্য, ছন্দ, অলঙ্কাৰ। 'বহল ব্যাকৰণ' সংস্কৃত ব্যাকৰণৰ আহিতে ৰচনা কৰা হৈছে যদিও বৰা ডাঙৰীয়াই তেওঁৰ ব্যাকৰণত সংস্কৃত ব্যাকৰণৰ লগত থকা অমিলসমূহ ফঁহিয়াই দেখুৱাইছে।

কালিৰাম মেধিৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' (১৯৩৬ ইং) ৫৩৯ পৃষ্ঠাৰ এখন বৃহৎ কলেৱৰৰ গ্ৰন্থ। মূল গ্ৰন্থৰ উপৰিও ইংৰাজীত লিখা ১২৫ পৃষ্ঠাৰ Introduction আন এখন সুকীয়া পুথি সদৃশ। অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্বৰ পাতনিত মেধি ডাঙৰীয়াই উত্তৰসাধক স্বৰূপে পূৰ্বৰ ব্যাকৰণ ৰচক-সকলৰ কথা স্মৰণ কৰিছে। অৱশ্যে তেওঁ প্ৰথম ব্যাকৰণ ৰচক মিঃ উইলিয়াম ৰবিন্সন আৰু দীনবন্ধু তৰ্কালঙ্কাৰৰ কথা উল্লেখ কৰা নাই। তেওঁ লিখিছে, "There are several Assamese grammars in current use in the schools. But some of them are, like sanskrit grammars, more or less written apparently in imitation of Bengali works. The first real Assamese grammar, though in an elementary form, was composed by Rev. N. Brown of the American Mission. The late Pandit Narayan Chandra Vidyabhusana also attempted to write such a grammar. The best work of the kind is the Bahal Vyakarana of the late Assamese scholar S. N. Bora B. L. The other grammars generally deal unnecessarily with rules of sanskrit suffixes and sanskrit compounds but omit a few of the Assamese grammatical forms. In making this remark I must not be understood, in any way to underrate their intrinsic worth. I myself derived much benefit from them as I must frankly admit."

মেধি ডাঙৰীয়াৰ ব্যাকৰণৰ দীঘলীয়া Introduction-ৰ প্ৰথম অধ্যায়ত অসমীয়া ভাষাৰ উৎপত্তিৰ কথা (Origin of the Assamese Language) তুলনামূলকভাৱে বহলাই আলোচনা কৰিছে। দ্বিতীয় অধ্যায়ৰ আলোচনাৰ বিষয় 'Different elements in Assamese. এই অধ্যায়ত আলোচিত হৈছে Sanskrit, Pre-Vedic, Vedic, Prakritic, Tibeto Burman and Taic, Dravidian, Austro Asiatic আৰু Islamic element. দ্বিতীয় অধ্যায়ৰ আলোচনা তুলনামূলক, গভীৰ আৰু ব্যাপক। তৃতীয় অধ্যায়ৰ আলোচনাৰ বিষয় অসমীয়া সাহিত্য, Assamese Literature. এই অধ্যায়ৰ আলোচনাৰ বিষয় গীতি যুগৰপৰা উনবিংশ শতিকালৈকে অসমীয়া সাহিত্যৰ চমু খতিয়ান।

মেধি ডাঙৰীয়াৰ মূল পুথিত অসমীয়া ভাষাতত্ত্ব আৰু ব্যাকৰণৰ আলোচনা দীঘলীয়া। প্ৰথমতে আলোচনা কৰিছে বৰ্ণ-প্ৰকৰণ আৰু বৰ্ণৰ উচ্চাৰণৰ কথা। সন্ধিৰ বিষয়ে আলোচনা-প্ৰসঙ্গত স্বৰসন্ধি, ব্যঞ্জন সন্ধি আৰু অসমীয়া বিভক্তিৰ বিষয়ে সুকীয়াকৈ আলোচনা কৰি দেখুৱাইছে। ব্যাকৰণখনত নামবোৰত ইংৰাজী প্ৰতিশব্দ দিয়াৰ বাবে অনা-অসমীয়া পাঠকৰ বুজাত সহায় হৈছে। অসমীয়া ব্যাকৰণৰ আলোচনাত অযথা সংস্কৃত ব্যাকৰণৰ হুবহু অনুসৰণ কৰাৰ পক্ষপাতী মেধি নহয়। সেয়েহে অসমীয়া ব্যাকৰণৰ বৈশিষ্ট্যসমূহৰ



প্ৰতি মেধি সজাগ।

'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' মেধি ডাঙৰীয়াৰ বিস্তৃত অধ্যয়ন আৰু সুদীৰ্ঘ কালৰ গৱেষণাৰ ফল। মেধি পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ; আনহাতে তেখেতৰ প্ৰশাসনীয় চৰকাৰী চাকৰিৰ গধুৰ দায়িত্ব। প্ৰতিকূল পৰিৱেশৰ মাজতো মেধি ডাঙৰীয়াই সুদীৰ্ঘ কালৰ গৱেষণাৰ ফল স্বৰূপে ৰচনা কৰিলে এনে এখন বৃহৎ কলেৱৰৰ ভাষাতত্ত্ব আৰু ব্যাকৰণ সম্বন্ধীয় পুথি। নিসন্দেহে মেধি ডাঙৰীয়াৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' যি কোনো গৱেষণা গ্ৰন্থৰ উৰ্দ্ধত।

লক্ষ্মীনাথ বেজবৰুৱাই 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' সম্পৰ্কে জয়ন্তীত লিখিছিল (১৯৩২, ২ জানুৱাৰী) — "কিতাপখনৰ প্ৰত্যেক পাততে গ্ৰন্থকাৰৰ পাণ্ডিত্য ফুটি ওলাইছে। ইংৰাজীত লিখা Introduction ডোখৰ বহুমূলীয়া সমল। তাৰপৰা শিকিবলৈ, জানিবলৈ আৰু জানি থকা জ্ঞান সলাই লবলৈ বিস্তৰ বস্তু পোৱা যায়। মই পঢ়ি গৈ থাকোঁতে মেধি ডাঙৰীয়াৰ প্ৰতি মোৰ অন্তৰৰ পৰা ওলোৱা শলাগৰ ধাৰ ছিগা নাছিল। Introduction আৰু পিছৰ কিতাপৰ গাৰ আচল বস্তু অসমীয়াত লিখা ব্যাকৰণৰ অংশতো গ্ৰন্থকাৰে তেওঁৰ পাণ্ডিত্যৰ প্ৰচুৰ চিনাকি দিছে। কোনো কোনো ঠাইত অৱশ্যে মোৰ মতৰ মিল হোৱা নাই; সেইটো নকলেও হ'ব। তথাপি তেওঁৰ ব্যাখ্যা, উদাহৰণ আৰু গৱেষণাই তেওঁৰ লেখাৰ ফালে মোৰ গভীৰ শ্ৰদ্ধা আকৰ্ষণ কৰিছে। বাস্তৱিকতে অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব সম্পৰ্কে গ্ৰন্থকাৰৰ এই কীৰ্তি ইংৰাজীতে ক'বলৈ গ'লে Monumental. এইখন যে লেখত লবলগীয়া এখন গ্ৰন্থ, তাত সন্দেহ নাই।"

'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' সম্পৰ্কে দেৱানন্দ ভঁৰালীয়ে অসম সাহিত্য সভা পত্ৰিকাত এটি সমালোচনা লিখিছিল। ভঁৰালীৰ দীঘলীয়া আলোচনাত প্ৰথমতে মেধিৰ প্ৰচেষ্টাক ওলগনি জনাই পাছত পুথিখনৰ পৰস্পৰ-বিৰোধী মন্তব্যসমূহৰ প্ৰতি আঙুলিয়াই লগতে আন আন দোষ-ত্ৰুটীসমূহৰ কথা বহলাই আলোচনা কৰিছিল। ভঁৰালীৰ সমালোচনাৰ উত্তৰ স্বৰূপে বিশ্বৰ প্ৰথিতযশা ভাষাবিদসকলে 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' সম্পৰ্কে দিয়া মন্তব্যসমূহ দাঙি ধৰে।

পুথিখনৰ বিষয়ে বিশ্বৰ বিভিন্ন আলোচনীত আলোচনা কৰা পণ্ডিতমণ্ডলীৰ ভিতৰত আছে— Dr. S. M. Katre : Oriental Literary Digest (Vol.I, No 9); Mr. Jules Block : Bulletin of the Linguistic society of Paris (Vol. 38); col. P. R. T. Gurdon : J. A. R. S; Mr. S. C. Roy : Man in india (Vol. XVIII. No. I); K. L. Barua : Journal of the Assam Research Society (Vol. IV. No. 3); Sir E. A. Gait; Dr. J. H. Hutton; Dr. R. L. Turner, Director of School of Oriental Studies, London.

আমি পূৰ্বতে উল্লেখ কৰিছোঁ।— মেধি ডাঙৰীয়া পদাৰ্থ বিজ্ঞানবহে ছাত্ৰ। ভাষা-বিজ্ঞানৰ তেওঁ পঢ়াশলীয়া ছাত্ৰ নাছিল। ডক্টৰ এচ এম কাট্ৰেৰ আলোচনাত মেধিৰ প্ৰস্তুত থকা তেনে ধৰণৰ দুই-এটা আসোঁৱাহৰ প্ৰতি আঙুলিওৱা হৈছে— "The present work is due to the labour of a busy civil servant in the midst of his manifold official activities, and as such is a monument to the industry and application of a bygone generation of civilians ..... The usefulness of the book is

(১৩ পৃষ্ঠাত চাওক)

# অসমত সংস্কৃত চৰ্চা ঃ টোলৰ ইতিবৃত্ত

শ্ৰীসতীশ চন্দ্ৰ ভট্টাচাৰ্য

অসমত আৰ্য সভ্যতা পত্তনৰপৰাই আৰ্যধৰ্ম আৰু সংস্কৃতিৰো শুভাৰম্ভ হোৱাটো বেছি ভাগ পণ্ডিতৰ ধাৰণা। গতিকে খ্ৰীষ্ট জন্মৰ বহুকাল পূৰ্বৰেপৰা দেশৰ এই প্ৰান্তত সংস্কৃত ভাষা অনুশীলনৰ অনুমান কৰিব পাৰি। বিশেষকৈ খ্ৰীষ্টাব্দ সপ্তম শতিকাৰ প্ৰসিদ্ধ কামৰূপ নৃপতি ভাস্কৰবৰ্মণৰ ৰাজত্ব কালৰপৰা এই ঠাইত চলা শিক্ষা-দীক্ষাৰ দিশত স্পষ্ট প্ৰমাণ পাওঁ। তেওঁৰ ৰাজত্ব কালত অহা ভ্ৰমণকাৰী হিউয়েনচাঙৰ টোকাৰপৰা জনা যায় যে সেই কালত কামৰূপ শিক্ষাৰ এক প্ৰসিদ্ধ কেন্দ্ৰস্থল আছিল। বিশাল প্ৰতিভাসম্পন্ন ব্যক্তিসকলে সময়ে সময়ে ভাস্কৰবৰ্মাৰ ৰাজ্যত ভ্ৰমণ কৰিছিল। ৰজা স্বয়ং বিদ্যানুৰাগী আছিল আৰু প্ৰজাসকলে তেওঁক অনুসৰণ কৰিছিল।, তাহানিতে চীন পৰিব্ৰাজকে ভাস্কৰবৰ্মাৰ ৰাজধানীত পদাৰ্পণ কৰা আৰু প্ৰসিদ্ধ নালন্দা বিশ্ববিদ্যালয়ৰ সৈতে থকা তেওঁৰ সম্পৰ্কই ৰজাৰ গভীৰ বিদ্যানুৰাগৰ কথাকে উদঙাই দেখুৱায়।[১] এইজনা নৃপতিৰ নিধানপুৰ আৰু ডুবি তাম্ৰশাসনকে ধৰি প্ৰাক্-আহোম যুগৰ শাসনাৱলীৰ অধ্যয়নৰপৰা দূৰ অতীতৰপৰাই এই ঠাইত প্ৰতিভাসম্পন্ন পণ্ডিতৰ অৱস্থিতি অনুমিত হয়। তাৰ উপৰি খ্ৰীষ্টপূৰ্ব কেইবা শতাব্দী পূৰ্বে কামৰূপত ৰচিত মহৰ্ষি পালকাপ্যৰ হস্ত্যায়ুৰ্বেদ গ্ৰন্থই এই মন্তব্যৰ সত্যতাৰ সমৰ্থন জনায়।

সেই কালত আজি-কালিৰ দৰে নিয়মীয়া শিক্ষানুষ্ঠান থকাৰ সন্দেহ কোনো বুৰঞ্জীবিদে অদ্যাপি দিব পৰা নাই। শিক্ষা ধাইকৈ সমাজৰ অভিজাত আৰু উচ্চ বৰ্ণৰ মাজতে সীমাবদ্ধ আছিল।[৩] ব্ৰাহ্মণসকলৰ ষট্‌কৰ্মৰ ভিতৰত অধ্যাপনাই আছিল মুখ্য।[৪] বিদ্বান ব্ৰাহ্মণসকলে টোল বা ছাত্ৰশালা আৰু নিজ গৃহত বিদ্যাৰ্থীসকলৰ মাজত জ্ঞানৰ সৌৰভ বিতৰণ কৰিছিল। অনুষ্ঠান কেইটিৰ অভিধা ভিন্ন হলেও প্ৰকৃতিৰ ফালৰপৰা এইবোৰ অভিন্ন আছিল বুলি জনা যায়। এই টোল বা ছাত্ৰশালাসমূহ আছিল উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল। বেদ-বেদাঙ্গ, ইতিহাস, পুৰাণ প্ৰভৃতি সকলো শাস্ত্ৰৰে অধ্যয়ন তাত চলিছিল। টোলবিলাকত সাধাৰণতে ব্ৰাহ্মণৰ ল'ৰাক ভৰ্তি কৰা হৈছিল। ছয় বছৰ বা তাৰ ওপৰৰ বয়সৰ ল'ৰাই ৮-ৰপৰা ১২ বছৰ পৰ্যন্ত টোলত গুৰুৰ ওচৰত থাকি শিক্ষা গ্ৰহণ কৰিব লাগিছিল। ছাত্ৰসকলক বিনামূলীয়াকৈ আহাৰ আৰু পোছাকৰ যোগান ধৰা হৈছিল। টোলৰ শিক্ষকসকলে বিদ্যাৰ্থীসকলক নিজ সন্তান ৰূপে জ্ঞান কৰিছিল। ছাত্ৰসকলে অতি নিৰাড়ম্বৰ জীৱন যাপন কৰিছিল।[৫] মুঠতে অতি দুখীয়া ছাত্ৰয়ো প্ৰাচীন আৰু মধ্যযুগীয় ভাৰতত বিনামূলীয়াকৈ সৰ্বোচ্চ শিক্ষা লাভৰ সুযোগ পাইছিল। মাত্ৰ আৱশ্যক অনুযায়ী গুৰুক সহায় কৰি দিব লাগিছিল।[৬]

শিক্ষকসকলে কেনে মানৰি পাইছিল, সেই বিষয়ে স্পষ্টকৈ ক'ব নোৱাৰিলেও[৭] সেই কালত শিক্ষাদান অবৈতনিক আছিল বুলি অনুমান কৰিব পাৰি। শিক্ষাদান কাৰ্যত ৰত পণ্ডিত লোকসকলক ৰজাই ৰাজকোষৰপৰা ধন আৰু ব্ৰহ্মোত্তৰ ভূমি দান কৰিছিল।[৮] ধনী তথা সম্ভ্ৰান্ত পৰিয়ালৰপৰা তেওঁলোকে সাহায্য পাইছিল। পূজা-পাৰ্বণত বৃত্তি আৰু বিদায়ী আগবঢ়োৱা হৈছিল। অধ্যাপকসকল ইয়াতে সন্তুষ্ট হৈ নিজৰ কুটীৰত থাকিয়ে বিদ্যাদান আৰু শাস্ত্ৰচৰ্চাত মগ্ন আছিল।[৯] মুঠতে বিদ্যাদান তেওঁলোকৰ মানত অতিশয় পৱিত্ৰ কাৰ্য আছিল আৰু অন্তৰ ঢালি তাক সমাপন কৰিছিল।

প্ৰাচীন কামৰূপত প্ৰচলিত উক্ত শিক্ষা-পদ্ধতি সৰ্বভাৰতীয় ব্যৱস্থাৰ সৈতে প্ৰায় অভিন্ন। প্ৰাগ্‌জ্যোতিষপুৰ, হড়প্পেশ্বৰ (বা হাৰুপ্পেশ্বৰ / হাটপ্পেশ্বৰ / হটপ্পেশ্বৰ), দুৰ্জয়া আদি ৰাজধানীসমূহ শিক্ষাৰ কেন্দ্ৰ আছিল বুলি ধৰা হয়।[১০] কিন্তু এই স্থানসমূহৰ কোনো

( ১১ পৃষ্ঠাৰ পিছৰপৰা )

beyond question as it is a careful collection of all available Assamese materials but it is limited by the author's own admission of his ignorance of modern research in Indo-Aryan Linguistics. The documentation in the introduction shows that the author has spent his best part of his life with the older generation of scholars."

মিঃ উইলিয়ম ৰবিঞ্চনৰপৰা কালিৰাম মেধিৰ ব্যাকৰণলৈ সময়ৰ ব্যৱধান সুদীৰ্ঘ এশ বছৰ। ৰবিঞ্চনৰপৰা এশ বছৰৰ পাছত মেধিয়ে আপ্ৰাণ প্ৰচেষ্টাৰে এখন সৰ্ববৃহৎ অসমীয়া ব্যাকৰণ ৰচনা কৰিছিল। ডক্টৰ বাণী কান্ত কাকতিৰ Assamese, Its Formation and Development আৰু দেৱানন্দ ভৰালীৰ অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্য ভাষা বিষয়ক আন দুখন মূল্যৱান গ্ৰন্থ। কেউটি দিশ সামৰি বিজ্ঞানসন্মতভাৱে ৰচনা কৰা অসমীয়া ব্যাকৰণ এখনৰ অভাৱ আজিও পূৰণ হোৱা নাই। ০ ০ ০

১ Dr. P. C. Choudhury : History of the civilisation of the people of Assam, 2nd Edn. 1966, page-383 ; Dr. B. K, Barua : A Cultural History of Assam, P-151.

২ D. P. Baruah : Yuan Chuoang in Assam : J. A. R. S., vol-XIV, page-56 ; History of the civilisation of the people of Assam, Page—384.

৩ ড° সত্যেন্দ্ৰ নাথ শৰ্মা : শিক্ষা : অসমীয়া জাতিৰ ইতিবৃত্ত, পৃষ্ঠা- ১৫৩; A Cultural History of Assam, page—149 ( 2nd Edition, 1969 ).

8 A Cultural History of Assam, Page—150.

৫ ড° গিৰেশ্বৰ শইকীয়া : History of Education in India, page-(i), 5th Edn, 1975

৬ Dr. A. S. Altekar : Education in Ancient India, page-144, 7th Edn. '75

৭ ড° সৰ্বেশ্বৰ ৰাজগুৰু : মধ্যযুগৰ শিক্ষা-ব্যৱস্থা : অঃ সাঃ সঃ পত্ৰিকা, ২৮ / ১ম সংখ্যা, পৃঃ ৫২

৮ A Cultural History of Assam, page-150

৯ শ্ৰীঅনাথ নাথ বসু : আমাদেৰ শিক্ষা-ব্যৱস্থা, পৃষ্ঠা ৮, বৈশাখ ১৩৫৩ শক

১০ ড° সত্যেন্দ্ৰ নাথ শৰ্মা : শিক্ষা : অসমীয়া জাতিৰ ইতিবৃত্ত, পৃষ্ঠা- ১৫৪

বিশেষ টোল বা ছাত্ৰশালৰ নাম পোৱা কষ্টসাধ্য। কেৱল দশম শতাব্দীৰ শালস্তম্ভ বংশীয় নৃপতি বলবৰ্মা প্ৰদত্ত নগাঁও তাম্ৰশাসনৰপৰা গুৰুগৃহত শিক্ষাদান পদ্ধতিৰ স্পষ্ট ইঙ্গিত পোৱা যায়। কাণ্ব শাখাৰ কাপিল গোত্ৰৰ মালাধৰ ভট্টৰ পুত্ৰ দেৱধৰৰ ঔৰসত শ্যামাম্বিকা দেৱীৰ গৰ্ভত জন্ম গ্ৰহণ কৰা শ্ৰুতিধৰে গুৰুগৃহত শাস্ত্ৰাধ্যয়ন সমাপ্ত কৰি সমাৱৰ্তন সংস্কাৰত উঠি কথানিষ্ঠ পণ্ডিত ৰূপে পৰিচয় দিব পাৰিছিল। এওঁক ৰজাই উক্ত শাসনোক্ত ভূমিদানেৰে সম্মানিত কৰিছিল।[11] উক্ত শাসন-বিবক্ষিত 'দিজ্জিন্না' আৰু 'হেংসিৰা' স্থানদ্বয় অদ্যাপি সন্দেহাতীত ৰূপে চিনাক্ত হোৱা নাই যদিও এই স্থান যে প্ৰাচীন কামৰূপ ৰাজ্যৰ অন্তৰ্গত, সি সংশয়মুক্ত।

মধ্যযুগৰ অসমতো এনে ধৰণে টোল, ছাত্ৰশালা বা গুৰুগৃহৰ যোগেদি শিক্ষাদানৰ প্ৰমাণ পোৱা গৈছে। এই টোলবিলাকতো শিক্ষাদান আৰু গ্ৰহণ কাৰ্য ঘাইকৈ উচ্চ বৰ্ণৰ মাজতে সীমাবদ্ধ আছিল বুলিলে সত্যৰ অপলাপ কৰা নহ'ব। খ্ৰীষ্টীয় চতুৰ্দ্দশ-পঞ্চদশ শতাব্দীত যে অসমৰ ভালেমান ঠাইত ছাত্ৰশালাসমূহে সংস্কৃতৰ শিক্ষা দান কৰিছিল, ইয়াৰ তথ্য চৰিত-পুথিসমূহত ঠাহ খাই আছে। পঞ্চদশ শতাব্দীৰ মাজ ভাগত জন্ম গ্ৰহণ কৰা শঙ্কৰদেৱৰ ১২ বছৰ বয়সলৈকে পঢ়া-শুনাত মন বহা নেদেখি বুঢ়ীমাকে গালি পাৰিছিল— "আমাৰ বংশত অপণ্ডিত নাই। তই মূৰ্খ হ'ব খুইছনে?"[12] বিশিষ্ট পণ্ডিত ড° মহেশ্বৰ নেওগৰ লেখাতো এই উক্তিৰ সমৰ্থন পোৱা যায়।[13] তথ্য দুটাৰ ওপৰত নিৰ্ভৰ কৰি এনে সিদ্ধান্তলৈ আহিব পৰা যায় যে যদিও শিক্ষা ঘাইকৈ উচ্চ কুলৰ ব্ৰাহ্মণসকলৰ মাজত সীমাবদ্ধ আছিল, তথাপি অব্ৰাহ্মণ পৰিয়াল-বিশেষতো ইয়াৰ ওপৰত অনুৰূপ গুৰুত্ব দান কৰা হৈছিল।

বৰদোৱাৰ মহেন্দ্ৰ কন্দলীৰ টোলত শঙ্কৰক ভৰ্তি কৰাবলৈ নিওঁতে বুঢ়ীমাকে যি নিয়ম-নীতি পালিছিল, সি বহুলাংশে আজিৰ ব্যৱস্থাৰ লগতো ৰঞ্জিতা খায়। সৰহ সংখ্যক ব্ৰাহ্মণ ছাত্ৰৰ মাজত অব্ৰাহ্মণ ছাত্ৰৰ উজ্জ্বল ব্যতিক্ৰম আছিল শঙ্কৰদেৱ। অকল সেয়ে নহয়, শঙ্কৰদেৱে নিজৰ মেধা আৰু পাৰদৰ্শিতাৰ গুণত গুৰুৰদ্বাৰা ওজা ছাত্ৰৰূপে স্বীকৃত হোৱাৰ সম্ভেদো চৰিত পুথিয়ে দিছে। ব্ৰাহ্মণ ছাত্ৰবোৰে ইয়াত আপত্তি দৰ্শাইছিল যদিও গুৰুৰ দৃঢ়তাই তেওঁৰ সুবিবেচনাৰ পৰিচয় প্ৰদান কৰিছে। সেই কালৰ প্ৰচলিত ৰীতি অনুসৰি অন্য ছাত্ৰৰ দৰে শঙ্কৰেও ছাত্ৰশালাত থাকি গুৰুৰ ঘৰৰ যাৱতীয় কাম-কাজ কৰি দিছিল। আজি-কালিৰ দৰে মাচুলৰ ব্যৱস্থা অবৰ্তমান আছিল। বয়সৰ ক্ষেত্ৰত যে বৰ কঠোৰতা নাছিল, সেই কথা পূৰ্বে উল্লেখিত হৈছে। শঙ্কৰে ১২ বছৰ বয়সত ভৰ্তি হ'ব পাৰিছিল।[14] বুঢ়া আতা নামৰ এজন বয়সীয়াল লোকেও বিদ্যা শিক্ষাৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছিল।[15]

অসমৰ বৈষ্ণৱ ধৰ্মৰ দ্বিতীয় কাণ্ডাৰী মহাপুৰুষ মাধৱদেৱে বাল্য কালত বাণ্ডুকাৰ ৰাজেন্দ্ৰ অধ্যাপকৰ টোলত শিক্ষা গ্ৰহণ কৰিছিল। তদ্ৰূপ পঢ়িয়া আইছে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ শ্ৰীহাটীৰ যাদবেন্দ্ৰ ভট্টাচাৰ্য আৰু হৰিচৰণে পাটকৌয়া জয়ৰৰ অধ্যাপকৰ টোলত

১১ পদ্মনাথ ভট্টাচাৰ্য : কামৰূপ শাসনাৱলী, পৃষ্ঠা-৭২ আৰু ৮৭

১২ কথা-গুৰুচৰিত : শ্ৰীউপেন্দ্ৰ চন্দ্ৰ লেখাৰু সম্পাদিত, পৃষ্ঠা-২৫, ১ম প্ৰকাশ ১৮৭৪

১৩ Sankardeva and his Times, page-95

১৪ কথা-গুৰুচৰিত, পৃষ্ঠা- ২৫

১৫ ঐ, পৃষ্ঠা-৩১০



পঢ়িছিল।[16] শালকোচাৰ দেৱদত্ত অধ্যাপকৰ ছাত্ৰশালাখন বাটৰ কাষতে হোৱা বাবে ছাত্ৰসকলৰ পঢ়া-শুনা শঙ্কৰদেৱে ৰাস্তাৰপৰা শুনিবলৈ পাইছিল।[17] ইয়াৰ উপৰিও সেই কালত অশ্বক্ৰান্ত হাজো, দামোদৰ ধাম, ব্যাসকুছি, বৰহোৰি, ৰঙপুৰ, কোচবিহাৰ আদিত ছাত্ৰশাল বা টোল আছিল।[18] কোচ বংশৰ প্ৰথম ৰজা বিশ্বসিংহয়ো সংস্কৃত শিক্ষাৰ প্ৰচাৰৰ প্ৰতি উৎসাহ প্ৰদান কৰিছিল। তেওঁৰ দিনৰপৰাই কোচবিহাৰ শিক্ষাৰ এটি ঘাই কেন্দ্ৰ হৈ পৰিছিল। ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাৰ লেখাতে তাৰ সাক্ষ্য পোৱা যায়— "কান্যকুব্জ, মিথিলা, নৱদ্বীপ কাশী, গৌড় প্ৰভৃতি প্ৰধান নগৰৰপৰা ব্ৰাহ্মণসকলক মতাই আনি পুৰাণ, তন্ত্ৰ ইত্যাদি চৰ্চিবলৈ ধৰিলে।"[19]

চৰিত পুথি, ৰাজ বংশাৱলী আৰু বুৰঞ্জীত এওঁৰ জ্যেষ্ঠপুত্ৰ নৰনাৰায়ণৰ বিদ্যানুৰাগৰ অনেক সংবাদ সন্নিবিষ্ট হৈছে। ৰজাই নিজে সৰুতে ভাতৃসহ ভাৰতৰ প্ৰসিদ্ধ শিক্ষা-কেন্দ্ৰ বাৰাণসীত শিক্ষা লাভ কৰি আহিছিল।[20] নৰনাৰায়ণৰ ৰাজসভা বিদগ্ধ পণ্ডিতসকলৰদ্বাৰা শোভিত হৈ থকাৰ উপৰিও সৰ্বসাধাৰণ প্ৰজাৰ মাজতো সংস্কৃত চৰ্চাৰ ব্যৱস্থা ৰাখিছিল। 'কথা-গুৰুচৰিত'ত আছে, "ৰাজা বোলে দোকানী, চাকৰি, চিপাহী, পিয়দা, ধোপধৰা, গৰমালি, ভৰাৰি, মহলীয়া, সদাগৰ, নট-ভাট সবেও সংস্কৃত শিখক অমৰ ব্যাকৰণ।"[21] এই সন্দৰ্ভত এটি আমোদজনক বাৰ্তা একে পুথিয়ে বহন কৰিছে। এবাৰ পশ্চিমৰপৰা কবিচন্দ্ৰ নামে এজন পণ্ডিতে 'তিনিষাঠি' ছাত্ৰ লগত লৈ ৰাজসভালৈ তৰ্ক কৰিবলৈ আহিছিল। কিন্তু বাটত খৰিভাৰী পৰ্যন্ত যাক লগ পায় সিয়ে সংস্কৃতত উত্তৰ দিয়াত বিস্ময়ত হতবাক হৈ কৈছিল, "দেশ এইখানেই পণ্ডিত হৈ"।[22] ওচৰ-চুবুৰীয়া ৰাজ্যসমূহৰপৰা পণ্ডিত লোকক নি নিজ ৰাজ্যত পতাৰ সাক্ষ্য 'দৰং ৰাজবংশাৱলী'য়ে এনেদৰে দিয়ে—

গৌড় কামৰূপে যত পণ্ডিত আছিলা।
সমস্তকে আনি সভা দেৱাল পাতিলা ॥[23]

ৰজা আৰু ৰাণী ৰত্নমালাৰ পৃষ্ঠপোষকতাত পুৰুষোত্তম বিদ্যাবাগীশৰ 'প্ৰয়োগ ৰত্নমালা' প্ৰমুখ্যে ভালেমান গ্ৰন্থ প্ৰণীত হোৱাৰ কথা বহু পুথিয়ে জানিবলৈ দিয়ে।[24]

নৰনাৰায়ণৰ দিনৰ আন টোল বা ছাত্ৰশালাবোৰৰ বিষয়ে সবিশেষ জানিব নোৱাৰিলেও ৰাজহাউলীত অবিচ্ছিন্নভাৱে চলি অহা সংস্কৃত বিদ্যালয়খনক স্বৰাজোত্তৰ পশ্চিম বঙ্গ চৰকাৰে সংস্কৃত কলেজলৈ ৰূপান্তৰ কৰি তাৰ সুসংৰক্ষণৰ ব্যৱস্থা কৰাৰ সংবাদ বিশিষ্ট পণ্ডিতৰ লেখাত পোৱা গৈছে।[25]

১৬ ঐ, পৃষ্ঠা- ৬২, ৩২১ আৰু ৬২০

১৭ কথা-গুৰুচৰিত, পৃষ্ঠা ১৯৬ : পুথিত এই শব্দ 'মালকচা' ৰূপে আছে, ই নিশ্চয় ছপাৰ ভুল।

১৮ ড° হেমন্ত কুমাৰ শৰ্মা : বৈষ্ণৱ যুগত অসমৰ শিক্ষা ব্যৱস্থা : অ: সা: স: পত্ৰিকা, ৩২শ বছৰ, ১ম সংখ্যা, পৃষ্ঠা-৫৪

১৯ আসাম বুৰঞ্জী : অসম প্ৰকাশন পৰিষদৰ সংস্কৰণ, ১৯৭৪, পৃষ্ঠা-৪১

২০ দৰং ৰাজবংশাৱলী : শ্ৰীনবীন চন্দ্ৰ শৰ্মা সম্পাদিত, পৃষ্ঠা-৫২ ৫৩

২১ কথা-গুৰুচৰিত, পৃষ্ঠা-১৯২; ২২ ঐ, পৃষ্ঠা-১৯৩; ২৩ দ: ৰা:, পৃষ্ঠা-১২৩

২৪ দ: ৰা:, পৃষ্ঠা-১২৩-২৪; আসাম বুৰঞ্জী, পৃষ্ঠা-৪৪

২৫ আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী : অসমত সংস্কৃত চৰ্চা : অসমীয়া সংস্কৃতি, ২য় সংস্কৰণ, পৃ:—১৬৬

আহোম ৰজাৰ শাসনাধীন অসমত ৰুদ্ৰসিংহৰ (১৬৯৬-১৭১৪ খ্ৰী:) আগলৈকে কোনো শাসনকৰ্তাই সংস্কৃত শিক্ষাৰ অনুষ্ঠান পাতি দিয়াৰ প্ৰমাণ পোৱা হোৱা নাই। সেই বুলি সেই কালতো উজনি অসমৰ ছাত্ৰশালাবোৰ শিক্ষাদানত বাধাপ্ৰাপ্ত হোৱাৰ কথা শুনা নাযায়। নামনি অসমৰ টোলবোৰো পূৰ্বৰৎ চলি আছিল বুলি অনুমান কৰিব পাৰি। বুৰঞ্জীবিদ গুণাভিৰাম বৰুৱাৰ মতে "বিদ্যাশিক্ষাৰ প্ৰতি আগ্ৰহশীল ৰুদ্ৰসিংহই ঠায়ে ঠায়ে ব্ৰাহ্মণসকলৰ নিমিত্তে পঢ়াশালি পতাই দিছিল আৰু পণ্ডিত-সকলক বৰ আদৰ কৰিছিল।"[26] এই প্ৰসঙ্গত অধিক তথ্য দৃষ্টিগোচৰ হয় আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীৰ লেখাত, "মহাৰাজ ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনৰপৰা ৰাজকীয় সংস্কৃত বিদ্যালয় এখন চলি আছিল। বৃটিছ চৰকাৰৰ আমোলত খ্ৰী: ১৯ শতিকাৰ শেষাৰ্দ্ধত সেই বিদ্যালয়ৰ শেষ অধ্যাপক মিত্ৰধৰ পণ্ডিত (মিত্ৰধৰ বৰুৱা) দেৱৰ জীৱনাৱসানৰ লগে লগেহে তাৰ অৱসান ঘটিছে।"[27]

শিৱসিংহ স্বৰ্গদেৱৰ মহিষী বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে 'বড় ৰজাৰ পঢ়াশালি' নামে এটি পঢ়াশালি ৰঙ্গপুৰত পতাই দিছিল।[28] লক্ষ্মীসিংহ স্বৰ্গদেৱ পাটত উঠাৰ আগতে ৰমানন্দ ভট্টাচাৰ্য নামৰ অধ্যাপক এজনৰ টোলত পঢ়া-শুনা কৰাৰ কথাও একাধিক বুৰঞ্জীত বিবৃত হৈছে।[29] মুঠতে হিন্দুধৰ্ম গ্ৰহণ কৰাৰেপৰা আহোম নৃপতিসকলৰ পৃষ্ঠপোষকতাত বহুতো সংস্কৃত পুথি ৰচিত আৰু অনূদিত হোৱাৰপৰা এই ৰাজ্যত সংস্কৃত শিক্ষানুষ্ঠানৰ অৱস্থিতি অনুমান কৰিব পাৰি।

বৈষ্ণৱ আন্দোলনৰ ফলশ্ৰুতিত গঢ়ি উঠা সত্ৰ অনুষ্ঠান সমূহেও প্ৰাক্-বৃটিছ যুগলৈ শিক্ষা প্ৰচাৰৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছিল। প্ৰধান প্ৰধান সত্ৰসমূহৰ লগত সংলগ্ন টোলসমূহে জনসাধাৰণৰ মাজত শিক্ষাদানৰ দায়িত্ব লৈছিল। এই উদ্দেশ্যে সত্ৰত কেইবাজনো পণ্ডিত ৰখাৰ ব্যৱস্থা আছিল।[30] এওঁলোকে বিদ্যাৰ্থীসকলক জ্ঞান দান কৰাৰ লগতে সংস্কৃত ভাষাত পুথি-পাঁজিও ৰচনা কৰিছিল। অসমৰ প্ৰখ্যাত চাৰিসত্ৰৰ অন্যতম আউনীআটীয়ে সংস্কৃতৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ কাহিনী অধ্যক্ষ শ্ৰীতীৰ্থনাথ শৰ্মাৰ লেখাত বিবৃত হৈছে।[31] এই সত্ৰৰে অধিকাৰ প্ৰভু দত্তদেৱ গোস্বামীয়ে (১৭৬০-১৮২৬ শক) সত্ৰৰ টোলত অসম-গৌৰৱ মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্যৰদ্বাৰা শিক্ষাদান কৰাইছিল।[32] একে গৰাকী পণ্ডিতেই দক্ষিণপাটৰ অধিকাৰ প্ৰভু নৰদেৱ গোস্বামীকো দুবছৰ সংস্কৃত পঢ়ুৱাইছিল।[33] পাটবাউসী সত্ৰৰ অধিকাৰ, অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱে সত্ৰৰ চৌহদত এখন নিয়মীয়া ছাত্ৰশালা চলাই আহিছিল।[34] চৰিতকাৰ ৰামৰায়ৰ দৃষ্টিত ভট্টদেৱৰ দৈনন্দিন কাৰ্যাৱলী আছিল :—



ধৰ্মে সমৰ্পিয়া ভোজন কৰিয়া
কিঞ্চিত নিদ্ৰা কৰন্ত।
নিদ্ৰা অৱসানে উঠি ছাত্ৰশালা
গৈয়া ছাত্ৰ পঢ়াৱন্ত॥

আকৌ—

বছৰে বছৰে পঢ়াই ভাগৱত
কৰা ছাত্ৰ অধ্যাপন।
কৰি সুশিক্ষিত যাক যেন মত
নাম দেন্ত তপোধন॥[35]

আহোম শাসনৰ বিয়লি বেলাত উজনি অসমত সামাজিক জীৱনৰ অন্যান্য দিশৰ দৰে শিক্ষাৰ ক্ষেত্ৰতো বিৰাট খেলি-মেলি আহি পৰিছিল। প্ৰথমে মোৱামৰীয়াৰ উপদ্ৰৱ আৰু পাছত মানৰ অবৰ্ণনীয় অত্যাচাৰৰ বাবে ছাত্ৰশালা আৰু অধ্যাপকসকল ছেদেলি-ভেদেলি হৈ গৈছিল। তাৰ আগলৈকে হেনো উজনি অসমৰ বৰ্তমানৰ যাজুলী, দেৰগাঁও আৰু শিৱসাগৰ আদি অঞ্চলত ১০/১৫ মাইলৰ অন্তৰে অন্তৰে ছাত্ৰশাল আছিল।[36] জাতীয় জীৱনৰ সন্ধিক্ষণত শিক্ষানুষ্ঠানসমূহো সঙ্কটৰ সন্মুখীন হোৱা স্বাভাৱিক। কিন্তু সেই বুলি শিক্ষাৰ সকলো অনুষ্ঠান নিশ্চিহ্ন হৈ গৈছিল— তেনে ধাৰণাও সত্য নহয়। কিছুমান সত্ৰ আৰু ভাসমান টোল আৰু পাঠশালত প্ৰাচীন শিক্ষা-পদ্ধতি চলি থাকিল।[37] ১৮৩৫ চনত শিৱসাগৰৰ ৰঙাবাহৰত জন্ম গ্ৰহণ কৰা, 'হেমকোষ' প্ৰণেতা হেমচন্দ্ৰ বৰুৱাই উৰ্বীধৰ বৰুৱাৰ পঢ়াশালিত সংস্কৃত পঢ়াৰ সংবাদে তেওঁৰ 'আত্মজীৱন চৰিত'ৰ পাতত ঠাই পাইছে।[38] তেওঁৰ অধ্যয়নৰ অধিকাংশ সময় যে সংস্কৃত শিকাতেই ব্যতীত হৈছিল, সেই তথ্যও তেওঁ নিজে দান কৰাৰ লগতে তেওঁৰ জীৱনী প্ৰণেতা সৰ্বেশ্বৰ শৰ্মা কটকীয়েও লিপিবদ্ধ কৰি থৈ গৈছে।[39]

১৮২৬ চনত অসমৰ শাসন-ভাৰ ইষ্ট ইণ্ডিয়া কোম্পানীলৈ হস্তান্তৰিত হয়। এই বছৰতে অসমৰ কমিশ্যনাৰ ডেভিদ স্কট চাহাবে থলুৱা শিক্ষা-ব্যৱস্থাৰ উন্নয়নৰ হেতু বঙ্গ চৰকাৰৰ পৰা উজনি আৰু নামনি অসমত ভালে কেইখন পঢ়াশালি পতাৰ অনুমোদন পাইছিল।[40] এই বিদ্যালয়সমূহ পতা হৈছিল গুৱাহাটী, নীলাচল, ন-দুৱাৰ, পাতিদৰং, হাজো, বজালী, শিলং, বিশ্বনাথ, নগাঁও আৰু দেশ-দৰঙ অৰ্থাৎ মঙ্গলদৈত। এইবোৰত সাধাৰণতে ভাষা হিচাপে একমাত্ৰ সংস্কৃত ভাষা, আৰু প্ৰাচীন শাস্ত্ৰসমূহ শিকোৱা হৈছিল। কিছুমানত অৱশ্যে পাঠ্যাংশৰ ভিতৰত গণিত, আয়ুৰ্বেদ আৰু জ্যোতিষৰ অধ্যয়নো অন্তৰ্ভুক্ত আছিল।[41]

আধুনিক অসমত সংস্কৃত চৰ্চাৰ ক্ষেত্ৰত গৌৰীপুৰৰ 'তাৰিণী প্ৰিয়া চতুষ্পাঠী' এটি অত্যুজ্জ্বল নাম। ইং ১৮৩৪ চনত গৌৰীপুৰৰ জমিদাৰ প্ৰতাপ চন্দ্ৰ বৰুৱা

২৬ আসাম বুৰঞ্জী, পৃষ্ঠা ৯৩
২৭ অসমত সংস্কৃত চৰ্চা : অসমীয়া সংস্কৃতি, পৃ:—১৬৬
২৮ আসাম বুৰঞ্জী, পৃষ্ঠা-৯৮
২৯ ঐ, পৃষ্ঠা-১০৪. লীলা গগৈ : টাই সংস্কৃতিৰ ৰূপৰেখা, পৃষ্ঠা-১৪১
৩০ Dr. S. N. Sarma : The Neo-Vaisnavite Movement and the Satra Institution of Assam, page-160
৩১ আউনীআটী সত্ৰৰ বুৰঞ্জী, পৃষ্ঠা-৪০৮
৩২ ঐ, পৃষ্ঠা-৪১৩ ; কামাখ্যা চৰণ ভট্টাচাৰ্য : ৺ধীৰেশ্বৰাচাৰ্য, পৃষ্ঠা-৪৪
৩৩ শ্ৰীবেণুধৰ শৰ্মা : দক্ষিণপাট সত্ৰ, পৃষ্ঠা-৭৯
৩৪ The N. V. Movement and the Satra Institution of Assam, page-160
৩৫ গুৰুলীলা : প্ৰকাশক, শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী, পৃষ্ঠা—২০৪, ২০৭
৩৬ শ্ৰীতীৰ্থনাথ শৰ্মা : আউনীআটী সত্ৰৰ বুৰঞ্জী, পৃষ্ঠা—২৮০
৩৭ Dr. H. K. Barpujari : Assam in the Days of Company, 1st Edition, page-275
৩৮ ড° মহেশ্বৰ নেওগ সম্পাদিত 'স্নাতকৰ কথাবন্ধ', ২য় খণ্ড, ১ম প্ৰকাশ, ১৯৭০, পৃষ্ঠা—৩
৩৯ শ্ৰীহোমেন বৰগোহাঞি : অসমত আধুনিকতাৰ অগ্ৰদূত হেমচন্দ্ৰ বৰুৱা, প্ৰকাশ, এপ্ৰিল, ১৯৭৬, পৃষ্ঠা-১১১
৪০ Assam in the Days of Company, page-276 ; Dr. S. Saikia : History of Education in India, page—81
৪১ Assam in the Days of Company, page—276

বাহাদুৰে নিজ মাতৃৰ নামত 'তাৰিণী প্ৰিয়া চতুষ্পাঠী' প্ৰতিষ্ঠা কৰে।[42] মধ্য যুগত নৱদ্বীপ, মিথিলা, বাৰাণসী আদি শিক্ষাৰ কেন্দ্ৰসমূহে যি ভূমিকা গ্ৰহণ কৰিছিল, আধুনিক যুগতো উক্ত অনুষ্ঠানে অনুৰূপ দায়িত্ব পালন কৰি আহিছে। কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ, লক্ষীমপুৰ জিলাৰপৰা আৰু অসমৰ বাহিৰৰ বঙ্গদেশ, কোচবিহাৰ, জলপাইগুৰি, ৰংপুৰ জিলাৰপৰাও বিদ্যাৰ্থী আহি 'তাৰিণী প্ৰিয়া চতুষ্পাঠী'ত সংস্কৃত শিক্ষা লাভ কৰি যোৱাৰ কথা সৰ্বজনবিদিত।[43] বিগত শতাব্দীৰ প্ৰথম ছোৱাত অসমৰ অনেক তুখীয়া মেধাবী ছাত্ৰই গৌৰীপুৰৰ ৰাজপৰিয়ালৰ আশ্ৰয়ত উক্ত চতুষ্পাঠী আৰু গৌৰীপুৰ হাইস্কুলত অধ্যয়ন কৰিছিল আৰু সেই কালত গৌৰীপুৰ উচ্চ শিক্ষাৰ এখন ক্ষেত্ৰ হৈ পৰিছিল।[44] এইখনৰ উপৰিও গোৱালপাৰা জিলাৰ বিজনি, লক্ষীপুৰ, বিলাসীপাৰা, কপসী আদিৰ জমিদাৰসকলৰ হাউলীত তথা সেই কালৰ আঢ্যৱন্ত, আভিজাত্যসম্পন্ন ডা-ডাঙৰীয়াসকলৰ হাউলীতো একোখন সংস্কৃত বিদ্যালয় থকাৰ সংবাদ পঢ়িবলৈ পোৱা যায়।[45]

দৰং জিলাত প্ৰতিষ্ঠিত সংস্কৃত বিদ্যালয়ৰ বিষয়ে ইতিপূৰ্বে ইঙ্গিত দি অহা হৈছে। লেফ্‌টেনেন্ট জেমচ্‌ মিথিৰ তথ্যৰপৰা আৰু জনা যায় যে ইং ১৮৩৪ চনত অসম বৃটিছৰ দখললৈ অহাৰ ৯(৮?) বছৰৰ পাছত বিশ্বনাথত ঠাকুৰ তৰ্কবাগীশে এটি টোল বা পঢ়াশালি পাতি ২৫/৩০ টা ল'ৰা পঢ়ুৱাই ৩০ পুৰা মাটিৰ খাজনা মাফ্‌ পাইছিল। নাগশঙ্কৰত অৱস্থিত টোলত গৌৰী অধ্যাপকে ২০/২৫ টামান ল'ৰাক পঢ়ুৱাইছিল। সেইদৰে চিলাবন্ধাত সোমেশ্বৰ অধ্যাপকৰ টোলত ৩০ টামান ছাত্ৰই লেখা-পঢ়া শিকিছিল।[46]

কামৰূপৰ কেইখনমান টোলৰ পৰিচয় পূৰ্বে প্ৰদান কৰা হৈছে। বিগত শতাব্দীৰ মাজ ভাগত গুৱাহাটী আৰু উত্তৰ গুৱাহাটীতো কেবাখনো ছাত্ৰশালা থকাৰ বাতৰি মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্যৰ জীৱনৰপৰা পোৱা যায়।[47] আকৌ যোৱা শতাব্দীৰ প্ৰথম ভাগৰপৰা উত্তৰ কামৰূপৰ বহু ঠাইত ছাত্ৰশালা স্থাপিত হৈছিল। সময়ৰ অভাৱত সকলোবোৰ বিদ্যালয়ৰ প্ৰতিষ্ঠাৰ সময় নিৰূপণ কৰা কষ্টসাধ্য। এই সময়ৰপৰা উত্তৰ কামৰূপ আৰু উত্তৰ গোৱালপাৰা অঞ্চলৰ প্ৰতিখন ব্ৰাহ্মণ-বসতি-প্ৰধান গাঁৱতে একোখন টোল স্থাপিত হৈছিল বুলিলেও অত্যুক্তি কৰা নহ'ব। এই বিদ্যালয়সমূহ গোৱালপাৰা, শ্ৰীহট্ট আদিৰ ৰজা, জমিদাৰ আৰু সম্ভ্ৰান্ত ব্যক্তিসকলৰ পৃষ্ঠপোষকতা লাভ কৰি ঠন ধৰি উঠিছিল। ১৯১৩ চনত নলবাৰীত প্ৰতিষ্ঠিত 'কামৰূপ সংস্কৃত সঞ্জীৱনী সভা', ১৯২৪-২৫ চনত স্থাপিত 'শ্ৰীহট্ট গৱৰ্ণমেণ্ট সংস্কৃত কলেজ' আৰু ১৯৩৮ চনত প্ৰতিষ্ঠা হোৱা 'নলবাৰী সংস্কৃত কলেজ' নামনি অসম আৰু কাছাৰ জিলাত সংস্কৃতক জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত বিপুল অৰিহণা আগবঢ়াইছে।

42 শ্ৰীৰঞ্জনী কান্ত শাস্ত্ৰী : গোৱালপাৰা জিলাত সংস্কৃত চৰ্চা : অসম সাহিত্য সভাৰ ৩৯ তম ধুবুৰী অধিৱেশনৰ স্মৃতিগ্ৰন্থ, পৃষ্ঠা-১৪৮

43 ঐ, পৃষ্ঠা-১৪৬

44 গিৰিধৰ শৰ্মা : পণ্ডিত বৈকুণ্ঠনাথ তৰ্কতীৰ্থদেৱৰ স্মৃতিত : অঃ সাঃ সঃ পত্ৰিকা, ৩১ শ বছৰ, ১ম সংখ্যা, পৃষ্ঠা-১০

45 আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী : 'অসমত সংস্কৃত চৰ্চা' অসমীয়া সংস্কৃতি, পৃষ্ঠা-১৬৬

46 শ্ৰীবেণুধৰ শৰ্মা : টেকোৰা বাহৰ কুটা : নতুন প্ৰতিনিধি, শাৰদীয় ২য় সঙ্কলন, পৃষ্ঠা ১৩

47 শ্ৰীকামাখ্যা চৰণ ভট্টাচাৰ্যৰ '৺ধীৰেশ্বৰাচাৰ্য' পুথি দ্ৰষ্টব্য



প্ৰাক্-স্বাধীনতা কাললৈ উক্ত অনুষ্ঠানকেইটিৰ পৃষ্ঠপোষকতাৰ হেতু ভালেমান ঠাইত নন ছাত্ৰশালাই গঢ় লৈ উঠিছিল। প্ৰাচীন ভাৰতীয় ঐতিহ্য অনুযায়ী কাব্য, ব্যাকৰণ, দৰ্শন, আয়ুৰ্বেদ, জ্যোতিষ আদিৰ শিক্ষা এই অনুষ্ঠানসমূহে দান কৰি আহিছে। সংস্কৃত শিক্ষাৰ পৰম্পৰা অব্যাহত ৰখাৰ উপৰিও বহুতৰ জীৱিকা নিৰ্বাহতো টোল বা ছাত্ৰশালাসমূহে বৰঙনি আগবঢ়াই আহিছে।

এই নিবন্ধত আমি সংস্কৃত শিক্ষাৰ থলুৱা অনুষ্ঠানসমূহৰ সাধাৰণ ইতিবৃত্ত এটি দাঙি ধৰিলোঁ। দুৰ্ভাগ্যৰ বিষয়, স্বাধীনতাৰ কালত নিৰাড়ম্বৰ আৰু পৱিত্ৰভাৱে জ্ঞানৰ সৌৰভ বিলাই অহা এই বিদ্যালয়বোৰ ধ্বংসৰ মুখলৈ আগবাঢ়িছে। চৰকাৰে আদৰ্শ টোল হিচাপে লোৱাবোৰৰ বাহিৰে বাকী পুৰণি টোলবোৰ বিলুপ্তিৰ বাটত। আজি কেইবছৰমান পূৰ্বে আমি উত্তৰ কামৰূপৰ অঞ্চল-বিশেষত বিষয়টোৰ ওপৰত কিছু তথ্য সংগ্ৰহ কৰিছিলোঁ। আনকি ষষ্ঠ দশকলৈ যিবিলাক অনুষ্ঠানে পূৰ্ণ উদ্যমেৰে বিদ্যাৰ্থীক শিক্ষা দান কৰিছিল, সেইবোৰৰ বেছিভাগ হয় ইতিমধ্যে উঠি গৈছে, নহয় উঠি যোৱাৰ পথত উপনীত হৈছে। কিছুমান টোল নামমাত্ৰ জীৱিত আছে। আন কিছুমানক আকৌ দুই-এজন ছাত্ৰকে লৈ অধ্যাপকে জীয়াই ৰাখিছে। সিবিলাকৰ অৱস্থা অতি পুতৌ লগা। এইবোৰ কাৰণৰ বাবে সম্প্ৰতি সমগ্ৰ অসমতে নালাগে অকল উত্তৰ কামৰূপতে কিমান বেচৰকাৰী টোল আছে, তাৰ প্ৰকৃত তথ্য দিয়া সহজ নহয়। অসম সংস্কৃত পৰিষদ অৱশ্যে কিছু নিৰ্ভুল সমীক্ষা দিয়াত সক্ষম হ'ব পাৰে।

টোলত সংৰক্ষিত গ্ৰন্থৰাজিৰ কথাও আলোচ্য বিষয়ৰ ভিতৰত পৰে। উপযুক্ত সংৰক্ষণ-ব্যৱস্থাৰ অভাৱত বেছিভাগ বিদ্যালয়ত যুগ যুগ ধৰি ৰক্ষণ কৰি অহা পুথি-পাঁজিবোৰ নষ্ট হ'বলৈ ধৰিছে। বহুতে সেইবোৰ ৰক্ষা কৰিব নোৱাৰি পৰম্পৰাগত বিশ্বাসমতে নৈৰ পানীত বিসৰ্জন দিয়ে। অনেক ঠাইত আকৌ অনুষ্ঠান ভাগি গলে স্থানীয় লোকে ভাগ-বাটোৱাৰা কৰি নি পুথিসমূহক বিলুপ্তিৰ বাটত আগবঢ়াই দিয়ে। আমাৰ সাংস্কৃতিক দিশত ই যে কেতিয়াও পূৰাব নোৱাৰা ক্ষতি, তাৰ উল্লেখ নিষ্প্ৰয়োজন।

লক্ষণীয় কথা এয়ে যে অসমৰ টোল বা ছাত্ৰশালাসমূহৰ ওপৰত লিখা দুই-এটি প্ৰবন্ধৰ বাহিৰে এখনো গ্ৰন্থ অদ্যাপি পোহৰলৈ অহা নাই। পণ্ডিত ধৰ্মনাথ শাস্ত্ৰীয়ে থলুৱা পণ্ডিতসকলৰ জীৱনী সামৰি লিখা পুথি এখন 'কামৰূপ সংস্কৃত সঞ্জীৱনী সভা'ৰ গ্ৰন্থাগাৰত বহুদিন ধৰি পৰি আছে। ঘাইকৈ এই পুথিৰ আলমতে অধ্যাপক শ্ৰীৰঞ্জনী কান্ত দেৱ শৰ্মাই এটি প্ৰবন্ধ ইংৰাজীত লিখি উলিয়াইছিল।[48] পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামী বিদ্যাৰত্ন বিদ্যাবিশাৰদ দেৱেও টোলৰ শিক্ষাদান পদ্ধতি, পৰিচালনাৰ নিয়ম, ছাত্ৰৰ কৰ্তব্য আদি বিষয়ক কিছু তথ্য তেখেতৰ জীৱনচৰিতত লিপিবদ্ধ কৰি থৈ গৈছে।[49] সেইদৰে পূৰ্বে উল্লেখিত মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্যৰ জীৱনী খনেও বিগত শতাব্দীৰ দ্বিতীয়াৰ্দ্ধৰ অসমৰ ছাত্ৰশালা কেইটিমানৰ বিষয়ে কিছু তথ্য দিবলৈ সক্ষম হৈছে।

48 Some Distinguished Traditional Sanskrit Scholars : Journal of the University of Gauhati, Vol.—XV, 1964, page 83

49 জীৱন-স্মৃতি আৰু কামৰূপী সমাজ, ১ম প্ৰকাশ, ১৯৭১ চন। তৃতীয় সংখ্যা 'সংজ্ঞা' (১৯৭৫)-ত এই পুথিৰ অংশবিশেষ পুনৰ্মুদ্ৰিত হৈছে।

# কালিৰাম মেধিৰ সাহিত্যৰ বৈশিষ্ট্য

শ্ৰীশশী শৰ্মা

কালিৰাম মেধি ( ১৮৭৮-১৯৫৪ ) আধুনিক অসমৰ পৰলোকপ্ৰাপ্ত বিশিষ্ট সাহিত্যিকসকলৰ ভিতৰত অন্যতম। পৰাধীন অসমত ইংৰাজী সভ্যতাৰ সংঘাতৰ ফলত যি জাগৰণে দেখা দিছিল, সেই জাগৰণৰেই অন্যতম সৃষ্টি কালিৰাম মেধি। এই জাগৰণৰ ফলতেই গঢ় লৈ উঠিছিল ভাৰতীয়-অসমীয়া জাতীয়তাবোধ, কৰ্মপ্ৰেৰণা আৰু মানৱমুখী সমাজ-সেৱাৰ তীব্ৰ আকাঙ্ক্ষা। ইয়াৰ ফলত কাঠ-চাহৰ বেপাৰী, মাটিৰ হাকিম বা কাৰ্যালয়ৰ সহায়ক কেৰাণীৰূপে কৰ্ম-জীৱনৰ পাতনি মেলা লোকৰ মাজৰপৰাও উদ্ভৱ হৈছিল সাহিত্য-সংস্কৃতিৰ ৰথী-মহাৰথী, বিশিষ্ট জ্ঞানী-গুণীসকল। পদাৰ্থ বিজ্ঞানৰ বুদ্ধিমান ছাত্ৰ, মাটি-হাকিম ( উপপ্ৰতিসমাহৰ্তা ) কালিৰাম মেধিয়ে দোপত-দোপে উঠাই গৈ জিলাধিপতিৰ পদৰপৰা অৱসৰ লোৱাৰ দৰে চিন্তাৰ ক্ষেত্ৰতো বিশিষ্ট পুৰাতাত্ত্বিক, মৌলিক নিবন্ধকাৰ, গৱেষক পণ্ডিতৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হৈছিল।

সাম্ৰাজ্যবাদী ইংৰাজ শাসনৰ প্ৰবঞ্চনাত বঙলা ভাষাৰ কবলত পৰা অসমীয়া ভাষা-সাহিত্যৰ অৱস্থা তেতিয়াও চাংলুকীয়া। কালিৰাম মেধিইতৰ ছাত্ৰ অৱস্থাতে অসমীয়াত ব্যাকৰণ-অভিধান আদি ৰচনা হৈছিল, অ. ভা. উ. সা. সভাৰ দিনৰপৰা বিজ্ঞানসন্মত পুৰাতাত্ত্বিক আলোচনা-বিলোচনায়ো ঠাই পাইছিল। কিন্তু ইও আছিল তেনে চাংলুকীয়া অৱস্থাতেই।

বৈষ্ণৱ যুগৰ অঙ্কীয়া নাটকৰ সঙ্কলন আৰু সম্পাদনাৰ কাম পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়েই পোনতে হাতত লৈছিল; কিন্তু তেওঁৰ সঙ্কলনটো প্ৰকাশৰ আগতেই ধ্বংস হোৱা কাৰণে অম্বিকানাথ বৰাই 'ৰুক্মিণীহৰণ' নাট সম্পাদনা কৰি প্ৰকাশ কৰাৰ পাছত পোন প্ৰথম প্ৰকাশিত অঙ্কীয়া নাটৰ সম্পাদকৰ সন্মান বৰাই পায়। কিন্তু কালিৰাম মেধিয়ে অঙ্কাৱলী প্ৰকাশ কৰাৰ আগলৈকে এই ক্ষেত্ৰতো এটা বেহা লাগি উঠা নাছিল। একাধিক সাঁচিপতীয়া পুথিৰ পাঠ তুলনামূলকভাৱে মিলাই যি নিষ্ঠাৰে কালিৰাম মেধিয়ে 'অঙ্কাৱলী' সম্পাদনা কৰিছিল, তাৰ আহি তেওঁৰ পাছৰ প্ৰায় কোনো সম্পাদকৰ ক্ষেত্ৰতেই দেখা নাযায়। তেওঁ সম্পাদনা কৰা হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত'ৰ ক্ষেত্ৰতো একে নিষ্ঠা আৰু বৈজ্ঞানিক পদ্ধতি প্ৰয়োগৰ নিদৰ্শন দেখা যায়।

হেমচন্দ্ৰ বৰুৱাই অসমীয়া ব্যাকৰণ আৰু অভিধান ৰচনা কৰি অসমীয়া ভাষাৰ মৌলিকত্ব আৰু বৈশিষ্ট্য দাঙি ধৰিলে। লক্ষ্মীনাথ বেজবৰুৱাই 'জোনাকী'ত 'অসমীয়া ভাষা' বোলা প্ৰবন্ধ আনি লিখিও ভাষা বিষয়ক সংশয় আঁতৰাবলৈ প্ৰশংসনীয় প্ৰচেষ্টা চলালে। সত্যনাথ বৰাই 'বহল ব্যাকৰণ' ৰচনা কৰাত ভাষা বিষয়ক বেমেজালি বহু পৰিমাণে আঁতৰিল। হেমচন্দ্ৰ গোস্বামীয়ে 'অসমীয়া সাহিত্যৰ চানেকি' সঙ্কলন আৰু সম্পাদনা কৰি অসমীয়া ভাষা-সাহিত্য





অধ্যয়নৰ পথ বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলালৈ প্ৰসাৰিত কৰিলে। হেমচন্দ্ৰ গোস্বামীৰ 'পুৰণি পুথিৰ তালিকা' ( Descriptive Catalogue of Assamese Manuscripts ) খনে আন নহ'লেও অনা-অসমীয়াৰ মাজত মধ্যযুগীয় অসমীয়া ভাষা-সাহিত্যৰ জগতখনৰ বিস্তৃতি আৰু গভীৰতাৰ সন্ধেদ দিলে। ড° বাণীকান্ত কাকতিৰ গৱেষণা-গ্ৰন্থ 'অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশ' (Assamese, Its Formation and Development) খনে অসমীয়া ভাষাৰ মৌলিক বৈশিষ্ট্য স্পষ্ট কৰি তুলিলে। কিন্তু কালিৰাম মেধিৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' ( Assamese Grammar And Origin of the Assamese Language ) বোলা পুথিখন প্ৰকাশৰ আগলৈকে (১৯৩৬) একেখন পুথিতে অসমীয়া ভাষাৰ মৌলিক বৈশিষ্ট্য, প্ৰাচীনত্ব, ব্যাকৰণ, সাহিত্যৰ বুৰঞ্জী, লিপিৰ বুৰঞ্জী আদি জানিব পৰা হোৱা নাছিল। প্ৰকৃততে কালিৰাম মেধিৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' বোলা পুথিখন গৱেষণ-গ্ৰন্থতকৈও বহু বেছি মূল্যৱান। এইখনৰ ভেটিত অসমীয়া লিপি, অসমীয়া ভাষা, অসমীয়া ব্যাকৰণ, অসমীয়া সাহিত্যৰ বিভিন্ন দিশৰ বিষয়ে ভিন ভিন গৱেষণা-গ্ৰন্থ ৰচনাৰ কামত আগবাঢ়িব পাৰি।

উপকৰাকৈ কিবা কৈ বা লিখি পাল মৰা বিধৰ কাম কৰা লেখক কালিৰাম মেধি নাছিল। বিশেষ অধ্যয়ন আৰু সূক্ষ্ম পৰ্যবেক্ষণৰ ভেটিতহে তেওঁ কিবা কৈছিল বা লিখিছিল। কালিৰাম মেধি যে উদাৰপন্থী চিন্তাশীল লেখক আছিল, তাকো তেওঁৰ প্ৰবন্ধাৱলীয়ে জানিবলৈ দিয়ে। ৬ষ্ঠ বছৰ ১১ শ আৰু ১২ শ সংখ্যা 'আসাম বান্ধৱ'ত তেওঁ 'সমাজৰ ক্ৰমবিকাশ' বোলা এটি আলোচনা প্ৰকাশ কৰিছিল। এই আলোচনাটোত তেওঁ প্ৰধানকৈ সময়ৰ লগে লগে কিদৰে সামাজিক পৰিবৰ্তন ঘটে, তাক বঢ়িয়াকৈ দেখুৱাইছে। তেওঁ ইয়াকো কৈছে যে সময়ৰ সোঁতত পৰিবৰ্তন ঘটিবই, তাক কোনেও বাধা দি ৰাখিব নোৱাৰে। তেওঁ সামাজিক নীতি-নিয়ম আদিৰ বিষয়ে আলোচনা কৰি কৈছে, "সমাজৰ আৰু নিজৰ মঙ্গলৰ নিমিত্তে যিসকল নিয়ম আচৰণ কৰা যায়, সিসবেই নীতি। সমাজৰ মঙ্গল মানেই শান্তি আৰু তাৰ অঙ্গ-প্ৰত্যঙ্গৰ ৰক্ষণ। এই দুটা বজায় থাকিলেই সমাজৰ মানুহে মহৎ জীৱন লাভ কৰিব পাৰে।" ( আসাম বান্ধৱ : ৬ষ্ঠ বছৰ : ১২শ সংখ্যা )। অকল উদ্ধৃত অংশ পঢ়িলেই কালিৰাম মেধিৰ উদাৰ দৃষ্টিৰ সন্ধেদ পোৱা যায়। তেওঁ বঢ়িয়াকৈ অনুভৱ কৰিব পাৰিছিল যে যি নীতি-নিয়ম বা ব্যৱস্থা বৃহৎ সমাজ-জীৱনৰ বিকাশত সহায়ক নহয়, তাক সমাজে বৰ্জন কৰিবই। পুৰণি কাৰণেই বা শাস্ত্ৰত নিহিত আছে কাৰণেই সমাজৰ বাবে অকল্যাণকৰ কথা বা ৰীতি-নীতি মানি চলাটো অন্ধ ৰক্ষণশীলতাৰ বাহিৰে আন একো নহয়, তাকো তেওঁ স্পষ্ট ভাষাৰে লিখি গৈছে। এই একেটা আলোচনাৰে এঠাইত লিখিছে – "বাইবেলৰ ঐতিহাসিক খণ্ডৰ অলৌকিক উপাখ্যান বৰ্তমানৰ শিক্ষিত খ্ৰীষ্টানসকলৰ বহুতে মানিবলৈ আশঙ্কা কৰে। শতপথ ব্ৰাহ্মণত বৰ্ণিত মনু আৰু প্ৰলয়ৰ জলপ্লাৱন, আৰু বাইবেল বৰ্ণিত 'নোৱাৰ আৰ্কৰ' উপাখ্যান একেই। সেই বুলি উভয় উপাখ্যানেই সত্য বা নোৱাৰ আৰ্ক প্ৰকৃত আৰু মনুৰ জলপ্লাৱন অপ্ৰকৃত— এনে কথা আজি কোনেও স্বীকাৰ নকৰে। কিন্তু মানুহৰ মনত বিশ্বাস জন্মাবৰ নিমিত্তে, ধৰ্মত মতি কৰাবৰ নিমিত্তে এনে অলৌকিক ঘটনাৰ সৃষ্টি কৰিবৰ আৱশ্যক হৈছিল। আজি-কালি তাৰ আৱশ্যকতা নাই, বিশ্বাসো লোপ হৈ আহিছে।"

সিসকলে শাস্ত্ৰোক্ত কথা বুলি পুৰণি যিকোনো কথাকে খামুচি ধৰি থাকিব বিচাৰে, সেইসকলে

কালিৰাম মেধিৰ এই আলোচনা পঢ়িলে সহজে নিজৰ নিজৰ দ্বিধা-শঙ্কা এৰিব পাৰিব আৰু অনুভৱ কৰিব যে শাস্ত্ৰীয় বিধি-ব্যৱস্থা আবহমান কালৰ কাৰণে ৰচনা কৰা হোৱা নাছিল; সমাজৰ বিকাশত সহায় কৰিব নোৱাৰা বিধি-ব্যৱস্থা বৰ্জনীয়হে।

৭ম বছৰ ১০ম সংখ্যা 'আসাম-বান্ধৱ'ত প্ৰকাশিত 'আমাৰ সাহিত্য' বোলা কালিৰাম মেধিৰ আলোচনাটি বেচ তাৎপৰ্যপূৰ্ণ। এই আলোচনাটোত এই শতিকাৰ ১ম-২য় দশকৰ অসমীয়া সাহিত্যৰ স্বৰূপ দাঙি ধৰি কিদৰে বিকাশ সম্ভৱপৰ হ'ব পাৰে, তাৰ স্পষ্ট সঙ্কেত দিব পাৰিছে। ১৯১৭ চনৰ জানুৱাৰীত প্ৰকাশিত 'আমাৰ সাহিত্য' বোলা এই আলোচনাটোত কালিৰাম মেধিয়ে নিৰ্ভীকভাৱে কৈছে যে সেই সময়ত ৰচনা কৰা অসমীয়া সাহিত্যখিনি প্ৰকৃত সাহিত্যৰ শাৰীলৈ উঠা নাই। কাৰণ তেতিয়াৰ বেছি ভাগ অসমীয়া পুথি আছিল ইংৰাজীৰ অনুকৰণ বা অনুবাদ আৰু পাঠ্য-পুথি। তেতিয়াৰ পাঠ্যপুথিক তেওঁ অপাঠ্য বুলিয়ে কৈছে; কাৰণ তেতিয়াৰ পাঠ্যপুথি মানেই আছিল চৰকাৰ-প্ৰশস্তি। তেওঁ লিখিছে :— "যি সাহিত্য কোনো জাতিৰ স্বাধীন চিন্তাৰ ফল নহয়, যি সাহিত্য চৰকাৰৰ অনুগ্ৰহ-প্ৰাৰ্থী, যি সাহিত্য কেৱল স্কুলীয়া ল'ৰাৰ পাঠ্য আৰু যি সাহিত্যত জাতীয় লোকৰ আস্থা নাই, সেই সাহিত্যৰ প্ৰাণ-শক্তি ক'ত ?" তেওঁ ফট্‌ফটীয়াকৈ অনুভৱ কৰিব পাৰিছিল যে "যি সাহিত্যৰ ওপৰত আমাৰ জাতীয় জীৱন নিৰ্ভৰ কৰে, যি সাহিত্যে নিজৰ পুণ্য-বলত সমাজক মুক্তি দিয়ে, যি সাহিত্যে জ্ঞানালোক বিকীৰ্ণ কৰি দেশ উন্নত কৰে আৰু যি সাহিত্যৰ মধুময় ঝঙ্কাৰত পাঠকৰ হৃদয়-তন্ত্ৰী বাজি উঠে" তেনে সাহিত্যহে জাতীয় সাহিত্য পদবাচ্য হ'ব পাৰে।

ইংৰাজী আদি বিভিন্ন ভাষাৰ পুথিৰ অনুবাদকো তেওঁ গ্ৰাহ্য কৰা নাই। 'মেঘনাদ বধ', 'পাৰ্থসাৰথি' আদি নাটককো তেওঁ জাতীয় সাহিত্যৰ মৰ্যাদা দিব বিচৰা নাই। এই বিষয়ে যুক্তিসঙ্গত অভিমত দাঙি ধৰি তেওঁ লিখিছে : "স্বাধীন চিন্তাৰ অভাৱত আমাৰ সাহিত্য এতিয়াও শৈশৱ অৱস্থাতেই আছে। যদি আমাৰ সাহিত্যিকসকলে অসমীয়া সমাজৰ দুখ, অভাৱ আৰু আশাৰ কথা নাট, উপন্যাস আদিত অবিকৃতভাৱে অঙ্কন কৰি দেখুৱাবলৈ সমৰ্থ হয়, যদি তেওঁলোকে আমাৰ গাঁৱলীয়া জীৱন, কৃষক-জীৱন আৰু দৰিদ্ৰ-জীৱনৰ চিত্ৰ ফট্‌ফটীয়াকৈ দেখুৱাব পাৰে, তেনেহ'লে স্বাধীন চিন্তা আৰু আত্মকেন্দ্ৰিকতাৰ বাট মুকলি হ'ব, সমাজ আৰু সাহিত্য উভয়ে উন্নতিৰ পথ ধৰিব।" (সাহিত্য সভাৰ ভাষণাৱলী : ১ম খণ্ড : পৃষ্ঠা ৪৪।৪৫)। জাতীয় সাহিত্যৰ বিষয়ে আলোচনা কৰি একে প্ৰসঙ্গতে লিখিছে :— "নিম্ন স্তৰৰ লোকৰ আমাৰ সুখ-দুখৰ কথা ক'ব লাগিব, তেওঁলোকৰো শুনিব লাগিব। তেওঁলোকৰপৰা আঁতৰ হৈ আমি কোনো মতে উন্নতিৰ পথত আগুৱাব নোৱাৰোঁ।" এনে ধ্যান-ধাৰণা যিহেতু বিদেশী সাহিত্যৰ অনুবাদৰপৰা পাব নোৱাৰোঁ, সেই কাৰণেই তেওঁ বিদেশী সাহিত্যৰ অনুবাদৰ সমৰ্থন কৰা নাই; জাতীয় স্বাৰ্থ অনুবাদ সাহিত্যই পৰিপূৰ্ণ কৰিব নোৱাৰে বুলি তেওঁৰ স্পষ্ট ধাৰণা। অৱশ্যে সংস্কৃত, আৰবী আদি ভাষাত ৰচিত ক্লাছিক গ্ৰন্থসমূহৰ অনুবাদৰ আৱশ্যকতাৰ কথা তেওঁ সমৰ্থন কৰে। তেওঁ 'হৰিশ্চন্দ্ৰ', 'পাৰ্থপৰাজয়', 'মেঘনাদ বধ' আদিৰ দৰে নাটক অসাৰ্থক বুলি কৈছে এই কাৰণে যে বাস্তৱত তেনেবোৰ চৰিত্ৰ বা আদৰ্শৰ আদৰ সমূলি নাই। সেই কাৰণেই তেওঁ লিঅ' টলষ্টয়ৰ আহিৰ সাহিত্যৰ আৱশ্যকতাহে অনুভৱ কৰিছে। কিন্তু লিঅ' টলষ্টয়ৰ পুথিৰ অনুবাদ বিচৰা নাই; কাৰণ টলষ্টয়ৰ সাহিত্য

[ ২৪ পৃষ্ঠাত চাওক ]

# স্ফোটবাদ, অৰ্থবাদ আৰু নাম-ধৰ্ম

ড° কালীচৰণ দাস

ভাৰতীয় দৰ্শনৰ 'স্ফোটবাদ' এক গুৰুত্বপূৰ্ণ অথচ ৰহস্যজনক সিদ্ধান্ত। সাংখ্য-যোগ দৰ্শনৰ শ্ৰাৱণ প্ৰত্যক্ষ (audition) সম্পৰ্কে স্ফোটবাদ এক অভিনৱ মনস্তাত্ত্বিক আৰু দাৰ্শনিক সিদ্ধান্ত। এই সিদ্ধান্ত অনুসাৰে মানসিক ভাব-চিত্ৰ, শব্দ-চিত্ৰ আৰু অৰ্থ-চিত্ৰৰ মাজত পোনপটীয়া সম্বন্ধ আছে। স্ফোট শব্দই ধ্বনিৰ সবল অভিব্যক্তিকেই বুজায়। এই সিদ্ধান্তই ঘাইকৈ কেইগৰাকীমান প্ৰসিদ্ধ প্ৰাচীন বৈয়াকৰণৰ মাজত প্ৰসিদ্ধি আৰু সমাদৰ লাভ কৰে। বেদ-বাক্যৰ নিৰ্ভুলতা, অপৌৰুষেয়ত্ব, নিত্যতা আদিৰ ভিত্তি হিচাপে পূৰ্ব মীমাংসা দৰ্শনেও শব্দ-ব্ৰহ্ম স্বীকাৰ কৰিছে। সূক্ষ্ম চৈতন্যয়েই শব্দস্বৰূপে প্ৰাণ বা জীৱৰূপত প্ৰকাশ হোৱা বুলি কোনো কোনো শাস্ত্ৰত স্বীকাৰ কৰা হৈছে। ভাগৱতত এইদৰে উল্লেখ আছে :

"স এব জীৱো বিৱৰপ্ৰসূতিঃ প্ৰাণেন ঘোষেণ গুহাং প্ৰৱিষ্টঃ।
মনোময়ং সূক্ষ্মমপেত্যৰূপং মাত্ৰা স্বৰা বৰ্ণ ইতি
প্ৰৱিষ্টঃ"॥

সেই পশ্যন্তী ৰূপৰ শব্দকেই অৰ্থ প্ৰকাশৰ অভিপ্ৰায়েৰে মনোবিজ্ঞান ৰূপত সংস্থিত হৈ থকা অৱস্থাত মধ্যমা বাক্ বোলা হয়। সেই বাক্ মুখমণ্ডলত প্ৰৱেশ কৰি কণ্ঠাদিত অকাৰাদি ৰূপত বিভক্ত হ'লে তাকেই বৈখৰী বাক্ বোলা হয়। তাৰ পাছত সেই বৈখৰী বাকেই বাহ্যাৰ্থৰ অভিপ্ৰায়ে অবিদ্যাৰূপে ক্ৰমে ঘট-পটাদি বস্তুৰ ৰূপত চকুৰদ্বাৰাই গৃহীত হয়। কথিত আছে যে পৰম ব্ৰহ্ম অনাদি আৰু অবিনাশী। তেৱেঁই শব্দৰূপে পশ্যন্তী পৰাবাক্। তেৱেঁই পৰম চৈতন্য স্বৰূপে আত্মাৰূপে সমস্ত দেহকে ব্যাপি থাকে। শেষত পশ্যৎ অৱস্থায়েই ৰূপবিহীন চৈতন্য ৰূপে বৰ্তমান। এই চৈতন্য দেশ-কালবিহীন নিৰাকাৰ আৰু জ্ঞান স্বৰূপ। সেই শব্দৰূপ ব্ৰহ্ম অৰ্থ-প্ৰকাশৰ অভিলাষেৰেই বৰ্তমান। এই শব্দয়েই বায়ুৰ সহায়ত সঞ্চালিত হৈ মধ্যমা ৰূপত উপলব্ধ হয়।

ভাৰতীয় ভাষাতত্ত্ব সম্পৰ্কীয় সিদ্ধান্তৰ ওপৰত স্ফোট-বাদৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। কোনো ধ্বনি শ্ৰুত হোৱাৰ লগে লগেই শ্ৰোতাৰ মনত যি ধ্বনি-চিত্ৰ উদ্ভাসিত হয়, সেয়ে স্ফোট। শব্দানুশাসনকাৰী পতঞ্জলি আদিৰ মতে স্ফোটৰ লক্ষণ অৰ্থপ্ৰত্যায়ক। নিৰুক্তকাৰী যাস্কাদিৰ মতে স্ফোট শব্দ-স্ফোট বা সংজ্ঞা-স্ফোট; আনহাতে ঔদুম্বৰায়ণ, বাৰ্য্যায়ণি আদিয়ে স্ফোটৰ অৰ্থ বাক্য-স্ফোট বুলি গ্ৰহণ কৰিছিল। যাস্কাচাৰ্যৰ সংজ্ঞা-স্ফোটকেই বাৰ্য্যায়ণি, ঔদুম্বৰায়ণ আদিয়ে ভাব বুলি স্বীকাৰ কৰিছিল।

স্ফোট এক নিত্য আৰু নিৰৱয়ৱ তত্ত্ব। তদুপৰি স্ফোট একাঙ্গী আৰু একাত্মীয় ধ্বনি। কোনো এটা শব্দ যিবোৰ বৰ্ণ বা আখৰৰ সমষ্টি, সেই আখৰবোৰৰ প্ৰত্যেকৰ নাইবা সিইতৰ সমবেত শাব্দিক ধ্বনিৰ

লগত স্ফোটৰ কোনো সম্পৰ্ক নাই। যেনে, 'সাগৰ' শব্দটো স্+আ+গ্+অ+ৰ্+অ এই ছটা বৰ্ণ বা আখৰৰ সমষ্টি, আৰু ইয়াৰ প্ৰতিটো আখৰৰেই নিজস্ব ধ্বনি আছে। স্ফোটই এই আখৰবোৰৰ স্বকীয়া বা সমবেত ধ্বনিৰ ওপৰত নিৰ্ভৰ নকৰে। তেনেদৰে, ৰস, সৰ; নদী, দীন; ৰাম, মৰা ইত্যাদি শব্দত স্থানৰ পাৰ্থক্য থাকিলেও বৰ্ণ আৰু ধ্বনিৰ মিল আছে, তথাপি স্ফোট একে নহয়। শব্দ উচ্চাৰণ কৰা সময়ত তাৰ অন্তৰ্গত বৰ্ণৰ ধ্বনিবোৰ আদিৰপৰা ক্ৰমাগতভাৱে লোপ পায়। এইবাবে শব্দৰ উচ্চাৰণৰ ক্ষেত্ৰত শব্দৰ গঠনত থকা আক্ষৰিক ধ্বনি সমবেত হোৱাও সম্ভৱ নহয়। প্ৰতিটো বৰ্ণৰ ধ্বনি উচ্চাৰিত হৈয়েই লোপ পায়। গতিকে স্ফোটৰ ধাৰণা বুদ্ধিৰপৰাই হোৱা বুলি মানিব লাগিব। এই কাৰণে স্ফোটৰ অন্তৰ্নিহিত চিত্ৰ বুদ্ধিত স্থিতি পাবৰ কাৰণে শব্দৰ ধ্বনি বাৰে বাৰে আবৃত্তি কৰিবলগীয়া হয়। ইয়াকে বুজাবলৈ আচাৰ্য ভৰ্তৃহৰিয়ে লিখিছে :—

"আবৃত্তিপৰিপাকায়াং বুদ্ধৌ শব্দোৱধাৰ্যতে"। আবৃত্তি পৰিপক্ক হ'লে শব্দগত চিত্ৰ বুদ্ধিয়ে স্পষ্টকৈ ধাৰণা কৰে। (বাক্যপদীয়)

বৈয়াকৰণসকলে শব্দৰ দুই স্বৰূপ স্বীকাৰ কৰিছে। শব্দৰ প্ৰথম স্বৰূপ নিমিত্ত, আনটো অৰ্থবোধক। এই দুই স্বৰূপ যথাক্ৰমে স্ফোট আৰু বৈখৰীক যথাক্ৰমে কাৰণ আৰু কাৰ্যস্বৰূপে গ্ৰহণ কৰা হৈছে। কোনো শব্দৰ শ্ৰৱণ আৰু শ্ৰোতাৰ মনত হোৱা অৰ্থবোধ- এই দুয়োৰে মূলতে থকা স্ফোট যথাৰ্থতে মৌলিক ভেটি। গতিকে স্ফোট নিমিত্ত আৰু অৰ্থপ্ৰত্যায়ক। শ্ৰোতাৰ কাৰণে বৈখৰী নিমিত্ত আৰু স্ফোট অৰ্থবোধক। শব্দৰ যথানুক্ৰমত আখৰৰ ধ্বনি এটাৰ পিছত আনটো লোপ হোৱা কাৰণে উত্তৰোত্তৰ ধ্বনি সমবেত হৈ অৰ্থ সূচোৱা অসম্ভৱ। সেই কাৰণে অন্তৰ্নিহিত স্ফোটকেই অৰ্থবোধৰ আধাৰ বুলি গ্ৰহণ কৰা হয়। বাক্যৰ ধ্বনিবোৰ ক্ৰমিকভাৱে হয় যদিও

[ ২২ পৃষ্ঠাৰ পিছৰপৰা ]

আছিল ৰুদ্ধ সমাজৰ কাৰণেহে, অসমত "টলষ্টয়ৰ নিচিনা জাতীয় জীৱন গঢ়িব পৰা" মৌলিক উপন্যাস, নাটক আদিৰ আৱশ্যকতাহে তেওঁ সমৰ্থন কৰে (সাহিত্য সভাৰ সভাপতিৰ ভাষণাৱলী)।

বিদেশী ইংৰাজ চৰকাৰৰ প্ৰশাসক আছিল যদিও কালিৰাম মেধি আছিল উদাৰ আৰু বাস্তৱধৰ্মী। যুগৰ লগত মিলাই নিজক আৰু সমাজক বিকাশৰ পথত আগবঢ়াই নিয়াই আছিল তেওঁৰ আদৰ্শ। তেওঁৰ সমকালীন বা বৰ্তমানৰ বহুতো বুদ্ধিজীৱীতকৈ তেওঁ উদাৰ প্ৰকৃতিৰ আছিল কাৰণেই ক্ৰমবিকশিত সমাজৰ লগত নিজক মিলাই ল'বলৈ আকাংক্ষা প্ৰকাশ কৰিছিল। তেওঁ লিখিছে — "সকলো বিষয়তে পুৰণি আদৰ্শ লৈ থাকিলে নচলিব, ভাৱময় ৰাজ্যত নাচি ফুৰিলেও নচলিব আৰু স্বপ্নৰাজ্যত সোণৰ স্বপ্নত ভোল গ'লে নহ'ব।" তাৰ পৰিবৰ্তে তেওঁ বিচাৰে— "বৰ্তমান যুগত জীৱন তিষ্টিব পৰা জ্ঞান আৰু কৰ্মৰ অস্ত্ৰসকল আমাক শিকাওক। ভাবৰ আদান-প্ৰদানৰ পথ সুগম কৰক, সমপ্ৰাণতাৰ সোঁত বোৱাওক।" (সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ)।

এইজন কালিৰাম মেধি সঁচাকৈয়ে তেওঁৰ সমকালীন বিশিষ্ট অসমীয়া লেখকসকলতকৈ বৈশিষ্ট্যপূৰ্ণ আছিল। তেওঁৰ সম্পূৰ্ণ ৰচনাৱলী প্ৰকাশ পালে হয়তো তেওঁৰ লেখাৰ অন্যান্য বৈশিষ্ট্যও অনুভৱ কৰিব পৰা যাব। জন্ম-শতবাৰ্ষিকীৰ পুণ্য ক্ষণত উদাৰ বাস্তৱবাদী এই বিশিষ্ট লেখকজনালৈ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰি তেওঁৰ আদৰ্শৰ সমাদৰ আৰু অনুশীলন বাঢ়িব বুলি আশা কৰিলোঁ।

০ ০ ০



স্ফোট সক্ৰম নহয়; বৰং ক্ৰমবিহীন এক স্ফোটৰপৰাই হাঁহ-কণী এটাৰপৰা পূৰ্ণাঙ্গ এটা হাঁহ-পোৱালি জন্মাৰ নিচিনা বাক্যৰ নানা ধ্বনি ক্ৰমাগতভাৱে উচ্চাৰিত হৈ পূৰ্ণাৰ্থ হয়। এনেদৰেই শব্দৰ ক্ষেত্ৰতো আখৰ, পদ, বৰ্ণান্বয়, পদান্বয়, জাতি, ব্যক্তি, সংখ্যা আদি ভ্ৰম মাথোন। বৈয়াকৰণৰ মতে এক সত্য বাক্যই স্ফোটৰ বাহ্য স্বৰূপ।

স্ফোটবাদী কোনো কোনো আচাৰ্যৰ মতে বৈকৃত ধ্বনিৰ অভিব্যক্তিৰ অন্তৰালত থাকি স্ফোটশক্তিয়ে বৈকৃত ধ্বনিক কৰ্ণ-কুহৰত প্ৰৱেশ কৰাই প্ৰাকৃত ধ্বনিক গ্ৰাহকত্ব শক্তি দি সংস্কৃত কৰে। আন কিছুমানৰ মতে বৈকৃত ধ্বনিয়ে প্ৰাকৃত ধ্বনিৰ অন্তৰ্গত শব্দস্ফোট সংস্কাৰ কৰি গ্ৰাহক শক্তি প্ৰদান কৰে আৰু এইদৰেই আমাৰ শ্ৰৱণেন্দ্ৰিয়ৰ সৈতে সম্বন্ধ স্থাপন কৰে। ইয়াকেই শব্দ-সংস্কাৰো বোলা হয়। আন কিছুমান আচাৰ্যই শব্দ-সংস্কাৰ আৰু ইন্দ্ৰিয়-সংস্কাৰ দুয়োটাতেই বিশ্বাস কৰে। এওঁলোকৰ মতে বৈকৃত ধ্বনিৰ কাৰ্য তিনিটা : শ্ৰৱণেন্দ্ৰিয়ৰ সৈতে সংযোগ স্থাপন, স্ফোটৰ অভিব্যক্তি আৰু অৰ্থ গ্ৰহণ। বৈকৃত ধ্বনিয়ে চাকিৰ নিচিনা স্বপ্ৰকাশ, চকুৰ দৰ্শন আৰু বস্তু-প্ৰকাশ তিনিওটা কাৰ্য একেলগে সমাধা কৰে। ইয়াৰ কাৰণে চিত্তৰ একাগ্ৰতাও প্ৰয়োজনীয়। বৈকৃত ধ্বনি কাণৰ শ্ৰৱণ-শক্তি দিবলৈ বা জাগ্ৰত কৰিবলৈ কৰণ হয়। চকুৰ দৃষ্টি সমৰ্থ হ'বলৈ যেনেকৈ পোহৰ আৰু চকু উভয়ে সংস্কৃত হ'ব লাগে, একেদৰেই শ্ৰৱণ প্ৰত্যক্ষ হ'বলৈ হ'লে ধ্বনিৰ স্ফুটতা কাণ আৰু তাৰ শ্ৰোতব্য বিষয় দুয়ো একেলগে সংস্কাৰ-প্ৰাপ্ত হ'ব লাগে। অৰ্থাৎ শ্ৰৱণেন্দ্ৰিয় কাণে প্ৰাপ্যকাৰিতা বিষয়ৰ অনুগমতা লাভ কৰিবই লাগিব।

প্ৰশ্ন হয় স্ফোট, নাদ বা ধ্বনি আৰু অৰ্থৰ মাজত প্ৰভেদ আৰু সম্পৰ্ক কি? বাক্যৰ অন্তৰ্গত শব্দসমূহেই বাক্যৰ অৰ্থ প্ৰকাশ কৰে সামূহিকভাৱে। শব্দৰ উপাদান দুই প্ৰকাৰৰ। আচাৰ্য ভৰ্তৃহৰিৰ মতে শব্দৰ দুই উপাদানৰ এটা নিমিত্ত আৰু আনটো অৰ্থব্যঞ্জক। শব্দৰ নৈমিত্তিক উপাদান ধ্বনি বা নাদ, আৰু যিটো অৰ্থসূচক সেয়ে স্ফোট। এই দুই উপাদানৰ পাৰস্পৰিক সম্পৰ্ক সম্বন্ধে মতৰ প্ৰভেদ আছে। নৈয়ায়িকসকলৰ মতে দুয়োৰে সম্বন্ধ কাৰণ-কাৰ্য স্বৰূপ। তেওঁলোকৰ মতে স্ফোট আৰু ধ্বনিৰ সম্পৰ্ক কাপোৰ আৰু সূতাৰ নিচিনা। সাংখ্যাচাৰ্যৰ মতে স্ফোট আৰু নিমিত্তৰ সম্পৰ্ক তাদাত্ম্য। আন কিছুমান আচাৰ্যৰ মতে দুয়োৰে সম্বন্ধ পৰিণামী; যেনে, সোণ আৰু কুণ্ডল। কিন্তু পাৰ্থক্য যথাৰ্থতে বৌদ্ধিকহে। আচাৰ্য ভৰ্তৃহৰিৰ মতে স্ফোট আৰু নিমিত্তৰ সম্পৰ্ক অগ্নি আৰু অৰণি; অৰ্থাৎ অৰণিৰ অন্তৰ্নিহিত জুই ঘঁহনিত প্ৰকাশিত হোৱাৰ নিচিনা নিমিত্তজনিত প্ৰচেষ্টাৰ ফলত অন্তৰ্নিহিত স্ফোট ব্যক্ত হৈ পৰে। সেই শব্দয়েই বক্তাৰ কথা বা ধ্বনি আৰু শ্ৰোতাৰ শব্দ-গ্ৰহণ প্ৰচেষ্টাৰ আগমত প্ৰকাশ হয়।

"অৰণিস্থং যথা জ্যোতিপ্ৰকাশান্তৰকাৰণম্।
তদ্বচ্ছব্দোঽপি বুদ্ধিস্থঃ শ্ৰুতিণাং কাৰণং পৃথক্॥"
(বাক্যপদীয়)

স্ফোটৰ যথাৰ্থতে আদিও নাই, অন্তও নাই, ইয়াৰ ক্ৰম বা অক্ৰম নাই, ইয়াৰ পূৰ্বাপৰো নাই। অভিব্যক্তিৰ কাৰণেই বাহ্যিক ভেদ হয়।

সমগ্ৰ বিশ্বজগত শব্দৰ ক্ষমিয়তে প্ৰবৰ্তিত আৰু পৰিচালিত হৈছে। শব্দৰ অদ্ভুত শক্তিয়ে ক্ৰিয়াক্ষেত্ৰক নানাভাৱে সজীৱ আৰু সক্ৰিয় কৰি ৰাখিছে। স্ফোটবাদীৰ মতে শব্দ বা ধ্বনি আৰু তাৰ অৰ্থৰ মাজত এক নিবিড় সম্বন্ধ আছে। শব্দ বা বাক্যৰ দুটা প্ৰধান ৰূপক যথাক্ৰমে নাদ বা ধ্বনি আৰু স্ফোট বোলা হয়। বৰ্ণ বা পদৰ

নিজস্ব কোনো পৃথক স্ফোট নাই। ধ্বনি বা শব্দৰ অৰ্থ-ব্যঞ্জকতাৰ কাৰণে পদ আৰু বৰ্ণক কেৱল উপায় বা কৰণ বুলিহে মনা হয়। শব্দ বা ধ্বনিৰ নাদ আৰু স্ফোটক যথাক্ৰমে বৈকৃত আৰু প্ৰাকৃত ধ্বনি বুলিও অভিহিত কৰা হয়। প্ৰথম বিধ বক্তা আৰু শ্ৰোতাৰ বুদ্ধিৰ সংস্পৰ্শত নানা প্ৰকাৰে পৰিবৰ্তিত আৰু পৰিমাৰ্জিত হয়। এইবাবেই বৈকৃত ধ্বনিক আচাৰ্যসকলে 'বৈখৰী' বাণী বুলিও অভিহিত কৰে। এনে বৈখৰী শব্দ অসংখ্য ৰূপত প্ৰকাশিত আৰু প্ৰৱৰ্তিত হৈছে। তাল, ঢোল, বীণা, বেণু ইত্যাদিৰ নানা ৰূপত বৈখৰী ধ্বনি প্ৰকাশিত হয়।

প্ৰাকৃত ধ্বনি স্ফোটৰ নামান্তৰ মাথোন। প্ৰাকৃত ধ্বনিৰ আন এটা নাম 'মধ্যমা'। মধ্যমা ধ্বনি প্ৰাণবৃত্তি অনুগামিনী, বুদ্ধিসংস্থিতা আৰু সূক্ষ্মা। এই দুয়ো প্ৰকাৰ ধ্বনিৰ আধাৰস্বৰূপা আৰু কাৰণ-স্বৰূপা নিৰাকাৰ, অবিভক্তা, অৰ্থপূৰ্ণা, প্ৰত্যয়কাৰিণী মূলীভূতা 'পশ্যন্তী'। এই বাণী পুৰুষৰ সংস্কাৰ-কাৰিণী, অৰ্থপ্ৰত্যয়কাৰিণী। এই আটাই প্ৰকাৰ বাণীৰ কথা আচাৰ্য ভৰ্তৃহৰিয়ে তেখেতৰ 'বাক্য-পদীয়ত' এনেদৰে লিখিছে : "বৈখৰ্য্যা মধ্যমায়াশ্চ পশ্যন্ত্যাশ্চৈতদ্ভুতম্। অনেকতীৰ্থভেদায়াস্ত্ৰয্যা বাচঃ পৰং পদম্ ॥" এই তিনিও প্ৰকাৰ বাণীৰ প্ৰকাশৰ ভেটিস্বৰূপ মুখ, বুকু আৰু হৃদয়ক তীৰ্থস্বৰূপ বুলি অভিহিত কৰিছে। যেনত অন্তৰাত্মাই বহ্নিস্বৰূপে কথাৰে প্ৰকাশ পায়, প্ৰেৰণ কৰে, বিদ্যামতিবুদ্ধি স্বৰূপে ঈশ্বৰৰ সম্পৰ্কে অনুভূতিও প্ৰদান কৰে বুলি অভিহিত কৰা হৈছে। ইয়াৰ উপৰি চতুৰ্থ প্ৰকাৰ বাণীৰ উল্লেখ আছে। এই চতুৰ্থ প্ৰকাৰক 'পৰা বাণী' বোলা হৈছে। এই পৰা বাণীকেই শব্দ-ব্ৰহ্ম, পৰা প্ৰকৃতি বা আদি তত্ত্ব বুলি ধাৰণা কৰা হৈছে। এই শব্দ-তত্ত্ব জ্ঞানময়, জ্যোতিষ্মান্ চিদনুস্বৰূপ। প্ৰাণবায়ু শব্দৰ বিকশিত স্বৰূপ, আৰু উচ্চাৰিত শব্দ বা ধ্বনিয়েই জ্ঞানগৰ্ভ। আমাৰ চৈতন্য শক্তিৰ জ্ঞান দ্যোতক স্বৰূপ। চৈতন্যৰ এই দ্যোতন নহ'লে শব্দও শব্দ হ'ব নোৱাৰে। এই কাৰণে শব্দানু-মাত্ৰেই জ্ঞান-চৈতনাৰ সমাবিষ্ট স্বৰূপ। এই হেতুকে সাংখ্য-যোগ দৰ্শনে বুদ্ধিক (মহত্তত্ত্বক) নিৰ্বিকল্পক সমাধি আৰু অহঙ্কাৰক সবিকল্পক সমাধিৰ মূল বুলি ধাৰণা কৰিছে। মন দুৱৰী, আৰু ইন্দ্ৰিয়সমূহ দ্বাৰস্বৰূপ। পশ্যন্তী প্ৰতিভায়েই নাদ আৰু স্ফোট ৰূপে বিকশিত হয়। বাক্ আৰু অৰ্থ পৰস্পৰ অভিন্ন আৰু সম্পৃক্ত।

স্ফোটবাদৰ তাৎপৰ্য এই যে বিশ্বজগতত এক সৰ্ব-ব্যাপী চেতনাময় জ্ঞানস্বৰূপ পৰম পুৰুষ বা পুৰু-ষোত্তমে সকলো সীমিত সত্তাৰ ভিতৰত 'অণোৰণীয়ান্ মহতোমহীয়ান্' ৰূপে প্ৰকাশ আৰু বিকাশৰ অৰ্থে ধ্বনিৰ মাজেদি জ্ঞান আৰু ক্ৰিয়াৰ সামঞ্জস্য সাধন কৰিছে। জগতৰ সকলো প্ৰাণীৰ মাজত অখণ্ড অনন্ত চৈতন্যই জীৱাত্মাৰূপে সীমিত প্ৰতিবিম্ব ৰূপ ধাৰণ কৰিছে। প্ৰাণীৰ মাজত সীমিত বিশ্ব-চৈতন্যই 'হংসঃ' 'হংসঃ' নাদৰ মাজত নিজস্ব অস্তিত্ব ৰক্ষা কৰি শব্দৰ সহায়ত জ্ঞান-ক্ৰিয়াৰ মাজৰ সম্পৰ্ক সংৰক্ষণ কৰি জীৱন প্ৰৱৰ্ত'ন কৰে। সকলো প্ৰাণীৰেই জীৱন-পদ্ধতি অভ্যাসৰ এক ব্যায়ামশালা স্বৰূপ। শব্দ আৰু অৰ্থ যদিও অদ্বৈত আৰু অভিন্ন, তথাপি শব্দ আৰু অৰ্থৰ প্ৰাকৃত সংযোগ ৰক্ষাৰ্থে আমাক অভ্যাসৰ প্ৰয়োজন। তেনেকৈ জীৱনৰ বহিৰ্মুখী প্ৰযত্নক অন্তৰ্মুখী প্ৰচেষ্টাৰে সফল কৰি-বলৈও অভ্যাসৰ প্ৰয়োজন। নৱজাত শিশুটিৰ প্ৰথম প্ৰযত্ন বেদনাত্মক। এই কন্দোনৰ পাছতে খোৱা, পিয়া, শোৱা আদি নানা কাৰ্যৰ পুনৰাবৃত্তি আৰু পুনৰুক্তিৰ মাজেদি পৰিপক্কতা সাধন কৰে।



শব্দ শ্ৰুত বা কথিত হোৱাৰ লগে লগেই তাৰ অৰ্থও প্ৰকাশ পায়। শব্দ পুনৰাবৃত্তিৰদ্বাৰা পৰিপক্ক হ'লে বুদ্ধিত অৱধাৰিত হয়। মানুহ বা আন প্ৰাণীৰ সকলো বাক্য বা ধ্বনিয়ে ভাব-প্ৰত্যায়ক হিচাপে এনেদৰেই আবৃত্তি বা অভ্যাসৰ বলত পৰিপাক লাভ কৰে। গুটীয়া অক্ষৰ বা ধ্বনিৰে অৰ্থবোধ নহয়। আন কি নিজৰ মাতৃভাষা শিকোঁতে বা কওঁতেও আখৰ বা শব্দৰ পৃথকভাৱে পূৰ্ণাৰ্থ নহয়, অকল বাক্যৰ যোগেদিহে কথাৰ সম্পূৰ্ণ অৰ্থ হয়। গতিকে বাক্যৰ উচ্চাৰণ আৰু শ্ৰৱণ শুদ্ধ হ'লেহে অৰ্থও শুদ্ধ আৰু সম্পূৰ্ণ অৰ্থবোধক হয়। পাশ্চাত্য আচৰণবাদী দাৰ্শনিকসকলেও ( Behaviorists ) আবৃত্তি বা অভ্যাসকেই শিক্ষাৰ মূল আধাৰ বুলি স্বীকাৰ কৰিছে। কিন্তু শিক্ষণৰ পদ্ধতি হিচাপে অভ্যাস-মাৰ্গও সীমিত। তথাপি প্ৰবাদ আছে— অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ (Practice makes perfect)। স্ফোটৰ এই প্ৰকাৰ পৰিণতিৰদ্বাৰা হোৱা জ্ঞানক প্ৰকৃততে অভ্যাস-পদ্ধতি নুবুলি 'পাক' বুলিয়ে বহুতে অভিহিত কৰিছে। প্ৰত্যক্ষজনিত বা অপ্ৰত্যক্ষলব্ধ বোধ পৰিপক্ব হ'লেহে অৰ্থবোধ আৰু জ্ঞান হয়।

স্ফোটৰ ধাৰণা স্থায়ী কৰিবলৈ অভ্যাস বা পুনৰা-বৃত্তিৰ প্ৰয়োজন হয়। বিভিন্ন ভাষাৰ অন্তৰ্গত প্ৰতিটো শব্দৰ উচ্চাৰণ আৰু অৰ্থ-চিত্ৰৰ বিশেষ তাদাত্ম্য আছে। কোনো শব্দৰ উচ্চাৰণ আৰু শ্ৰৱণৰ লগে লগেই তদনুৰূপ অৰ্থ-চিত্ৰ বুদ্ধিত অভি-ব্যঞ্জিত হয়। প্ৰত্যেক মানৱ-সমাজৰ নিজস্ব সংস্কৃতি অনুৰূপে ভাষাৰ আৰু শব্দৰ উচ্চাৰণ আৰু অৰ্থ-ব্যঞ্জকতাৰ স্বকীয় পদ্ধতি আছে। প্ৰত্যেক জাতিৰ নিজৰ ভাষাগত ভাৱ-চিত্ৰ-পদ্ধতি আৰু প্ৰকাশ-ভঙ্গীৰ দৰেই জাতীয় সংস্কৃতিৰো স্বকীয়া বৈশিষ্ট্য আছে। ইয়াকেই প্ৰতিপন্ন কৰিবলৈ আচাৰ্য ভৰ্তৃহৰিয়ে 'বাক্যপদীয়ত' লিখিছে :

"প্ৰকাশকানাং ভেদাংশ্চ প্ৰকাশ্যোৰ্থোনুবৰ্ত্ত'তে।
তৈলোদকাদিভেদে তদ্ প্ৰত্যক্ষং প্ৰতিবিম্বকে।"

এইয়ে আছিল সাংখ্য-যোগ দৰ্শনৰ সৰ্বপ্ৰাচীন মতবাদ। 'মূৰ্ত্তি-পাৰ্থক্য' সম্পৰ্কে পাশ্চাত্য গাঠনিক ভাষাতত্ত্বৰ (structural linguistics) যি মতবাদৰ প্ৰচলন হৈছে, সিও স্ফোটবাদৰ আংশিক পৰিচায়ক।

আধুনিক পাশ্চাত্য দৰ্শনত অৰ্থবাদে এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। আধুনিক ভাষাগত দৰ্শন আৰু দাৰ্শনিক বিশ্লেষণবাদৰ উৎপত্তিৰ লগে লগে বচনৰ তাৎপৰ্য বা অৰ্থ সম্পৰ্কে ধাৰাবাহিক আলো-চনা চলিছে। অৰ্থৰ ওপৰত গুৰুত্ব দিয়েই আধুনিক বৈজ্ঞানিক অভিজ্ঞতাবাদ বা চৰম অভিজ্ঞতাবাদে তত্ত্ব-মূলক দৰ্শন (metaphysics)- বিৰোধী আন্দোলন চলাইছে। এওঁলোকে বচনৰ অৰ্থ-নিৰ্ণয় সূত্ৰৰ (verification) সহায়ত তত্ত্ব-দৰ্শনৰ নিৰৰ্থকতা প্ৰতি-পন্ন কৰিবলৈ ধাৰাবাহিক ন্যায়িক আলোচনাৰ অৱ-তাৰণা কৰিছে। অৰ্থ আৰু প্ৰতীক সম্পৰ্কীয় আলোচনা আধুনিক তৰ্ক-বিদ্যাৰ এক বিশিষ্ট বিষয়।

পাশ্চাত্য শব্দ-মীমাংসাত (semiotic) ভাষাৰ বাচ-নিক প্ৰকাশৰ কাৰ্য আৰু তাৰ অৰ্থকাৰিতাৰ মাজত পাৰ্থক্য দেখুৱা হৈছে। কোনো বাক্য বা বচনক জ্ঞানাত্মক, ঔপপত্তিক (theoretical) বা প্ৰকথিত (assertive) বোলা হয়— যদিহে সেই বচনে কোনো বিষয় প্ৰতিপাদন কৰে বা সাব্যস্ত কৰে, আৰু তদনুৰূপে তেনে বচন সত্য বা ভুল হ'ব পাৰে। এনে বচনৰ সত্য-মান (truth value) থাকে। বচনৰ সত্যতা নিৰ্ভৰ কৰিব সংগঠনৰ শব্দবোৰৰ গুটীয়া অৰ্থবাচকতাৰ ওপৰত আৰু সমূহীয়া বাক্য বা বচনটোৰ অৰ্থসূচক সামৰ্থ্যৰ ওপৰত। বচনৰ অৰ্থ যদি উপ-যোক্ত উভয় প্ৰকাৰে সিদ্ধ হয়, তেন্তে বচনক তথ্যাত্মক ( factual ), সংশ্লেষাত্মক ( synthetic ) বা বাস্তৱ

( material ) বচন বোলা হয়। কিন্তু কোনো বাক্য বা বচন যেতিয়া অকল আকাৰিক সত্যাসত্যৰ ওপৰতেই নিৰ্ভৰশীল হয়, তেনে বচনক তৰ্কীয় বচন বা আকাৰিক বচনহে বোলা হয়। এনে বচন সত্য হ'লেও তাক ন্যায়িক ৰূপত সত্য বোলা হয়। যদি অসত্য হয়, তেতিয়া ন্যায়িক ৰূপত অসত্য বা বিৰোধী বচন বোলা হয়। এই প্ৰকাৰ বচনক বিশ্লেষাত্মক বচনো বোলে। আন এক প্ৰকাৰ বচন অভিব্যক্তিমূলক, কিয়নো এনে বচন বা বাক্যই বক্তাজনৰ নিজৰ মনৰ অৱস্থাহে প্ৰকাশ কৰে। এনে বাক্যই যাইকৈ চিত্ৰাত্মক, আবেগিক বা ঐচ্ছিক উপাদানেৰে সংগঠিত হৈ বক্তাজনৰ মনৰ অৱস্থাৰ সম্পূৰ্ণ সংকেত দিয়ে। অভিব্যঞ্জকতাৰ বাহিৰে আন তাৎপৰ্যৰহিত এনে বচনক 'বচনাভাস' বা 'কথনাভাস' ( pseudo-statement ) বোলা হৈছে। বচনাভাসক প্ৰকৃত বচন হিচাপে গ্ৰহণ কৰি দাৰ্শনিক বিচাৰ আৰম্ভ কৰাটো তেনেই ভ্ৰমাত্মক কথা। আধুনিক বৈজ্ঞানিক অভিজ্ঞতাবাদী বা ন্যায়িক বস্তুবাদীসকলে পুৰণি তত্ত্বদৰ্শন যাইকৈ বচনাভাসমূলক ভ্ৰান্তিৰ ওপৰত প্ৰতিষ্ঠিত বুলিয়েই তত্ত্বমীমাংসাক প্ৰত্যাখ্যান কৰিব বিচাৰিছে। তেওঁলোকে যাইকৈ তথাকথিত 'নিৰ্ণয়ন-সূত্ৰ' (principle of verification) সহায়তে তাত্ত্বিক বচনবোৰৰ অৰ্থবিহীনতা প্ৰতিপন্ন কৰিবলৈ প্ৰচেষ্টা চলাইছে। অজ্ঞেয়তাবাদী ( agnostics ) আৰু তৰ্কীয় প্ৰত্যক্ষবাদীসকলে ( logical positivists ) তত্ত্বমীমাংসীয় বচনসমূহ অভিজ্ঞতাৰ আধাৰত প্ৰামাণ্য নোহোৱা কাৰণে তেনেবোৰ বচনক যথাৰ্থ বচন নুবুলি বচনাভাস ( pseudo-statements ) বুলি অগ্ৰাহ্য কৰিছে। তেওঁলোকে তত্ত্বমীমাংসীয় বচনবোৰক জ্ঞানাত্মক বচন (cognitive statements বুলি স্বীকাৰ নকৰে।

ভাৰতীয় বৈয়াকৰণ আৰু সাংখ্যাচাৰ্যৰ স্ফোটবাদ অভিজ্ঞতাবাদী বা অজ্ঞেয়তাবাদীৰ নিৰ্ণয়ন সূত্ৰৰ বিচাৰত হয়তো গ্ৰহণযোগ্য নহ'ব। কিয়নো তথাকথিত প্ৰত্যক্ষ ( perception or direct experience) শব্দটো তেনেই সঙ্কীৰ্ণ অৰ্থত প্ৰয়োগ কৰা হৈছে। তদুপৰি স্ফোটবাদৰ ধাৰণাৰ মাজত বহুতো সাধাৰণ প্ৰত্যক্ষাতীত উপাদান অন্তৰ্ভুক্ত হৈছে। স্ফোটবাদ এক প্ৰকাৰ আধ্যাত্মিক দৰ্শন। আনহাতে প্ৰত্যক্ষবাদী দৰ্শন যাইকৈ ইন্দ্ৰিয়জনিত স্থূল প্ৰত্যক্ষৰ ওপৰত প্ৰতিষ্ঠিত। পাশ্চাত্য প্ৰত্যক্ষবাদী দৰ্শনত অৰ্থ আৰু ক্ৰিয়াকাৰিতা ( function )— এই শব্দবোৰ তেনেই তৰ্কীয় বিচাৰ-সম্ভূত। অৰ্থবাদী পাশ্চাত্য দৰ্শনত অৰ্থ শব্দটোও তেনেই সঙ্কীৰ্ণ, বস্তুবাদী আৰু বিশিষ্ট তাৎপৰ্যত ব্যৱহৃত হৈছে। প্ৰত্যক্ষ আৰু যুক্তিয়েই মানৱ জীৱনৰ সকলো প্ৰয়োজন পূৰ্ণ কৰিব নোৱাৰে। জাৰ্মান দাৰ্শনিক ইমানুৱেল কাণ্টে অকল অভিজ্ঞতা আৰু বিশুদ্ধ যুক্তিৰেই সম্পূৰ্ণ দাৰ্শনিক পদ্ধতি এটা সংগঠন কৰিবলৈ প্ৰচেষ্টা কৰি পৰিশেষত নিস্তেজ-নিষ্প্ৰাণ প্ৰবৰ্গ ( bloodless categories )- সংগঠিত এক অৱভাসিক মানস-জগতত উপনীত হৈ বিফল মনোৰথ হোৱাত যৌক্তিক সমীক্ষাৰে অগ্ৰাহ্য কৰা নৈতিক, ধৰ্মীয় আদৰ্শক নৈতিক ইচ্ছাৰ নিৰপেক্ষ নীতিৰ আলম লৈ আদৰিব লগা হৈছিল। অকল তথাকথিত অভিজ্ঞতা আৰু যুক্তিয়েই জীৱন-দৰ্শন সম্পূৰ্ণ কৰিব নোৱাৰে। বৈজ্ঞানিকতা আৰু যৌক্তিকতাৰ দোহাই দি কেঁচুৱাৰ গা-ঢাকনী কাপোৰৰ লগতে কেঁচুৱাটিকেই দলিয়াই পেলোৱা সমুচিত নহয়।

স্ফোটবাদকো তেনেই নিৰৰ্থক অলীক কল্পনা বুলি উলাই কৰিব নোৱাৰি। শব্দ-তত্ত্বৰো বাস্তৱ বৈজ্ঞানিক ভেটি আছে বুলি ভাবিবৰ থল আছে। আকাশক স্থূল দৃষ্টিত শূন্য বুলি ভাবিলেও প্ৰকৃততে আকাশীয় বিদ্যুৎ-তৰঙ্গ ( ether )ক আকাশৰ ধৰ্ম বুলি মনা হয়। আকাশ-তত্ত্ব আৰু শব্দ-তত্ত্ব ইমান ঘনিষ্ঠ



যে ই অকল প্ৰবাহে। বিশ্ব-জগতৰ সকলো ক্ৰিয়াকাৰ্য শব্দৰ যোগেদিয়ে পৰিচালিত হৈছে। প্ৰাণীজগত, ভূতল, সাগৰ, বননি সকলোতে শব্দৰ স্পন্দনেই অনুভূত হয়। এই সকলো নিত্য চৈতন্যৰেই প্ৰকাশ বুলি ভৰা হৈছে। প্ৰাচীন ঋষি-মুনিসকলে 'স্বঃ ব্ৰহ্ম' বা শব্দ-ব্ৰহ্মকেই প্ৰকৃতি-পুৰুষৰ যুগ্মাৱস্থা বুলি ভাবিছিল। এই কাৰণে কোনো কোনো আচাৰ্যই শব্দ-তত্ত্বকেই সৃষ্টিৰ বীজৰূপে গ্ৰহণ কৰিছে। ভৰ্তৃহৰিয়ে লিখিছে :

অনাদিনিধনং ব্ৰহ্ম শব্দতত্ত্বং যদক্ষৰম্।
বিবৰ্ততেৰ্থভাবেন প্ৰক্ৰিয়া জগতো যতঃ॥ (বাক্যপদীয়)

মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱৰ বৈষ্ণৱ ধৰ্মত এক বিষ্ণুৰ প্ৰতি নিষ্কাম ভক্তিৰে তেওঁৰেই কেৱল নাম শ্ৰৱণ-কীৰ্ত্তন কৰি পৰম পুৰুষাৰ্থ লাভ কৰিবলৈ একমাত্ৰ ধৰ্ম-পন্থাৰ নিৰ্দেশ দিয়া হৈছে। অসমৰ বৈষ্ণৱ ধৰ্মৰ মতে কলিৰ কলুষ-মতি জনগণৰ বাবে আন সকলো ধৰ্ম নিৰৰ্থক। এই ধৰ্ম প্ৰৱৰ্ত্তক সকলেও শব্দ-তত্ত্বৰ তাৎপৰ্য সম্পূৰ্ণ উপলব্ধি কৰি কলিৰ জনগণৰ মতি-বুদ্ধিৰ সামৰ্থ্যলৈ চাই নিশ্চলা ভক্তিৰে সিক্ত নাম-ধৰ্মতেই গুৰুত্ব দিছে।

"শবদ ব্ৰহ্মৰ পাৰ ভৈল যিটো
কৃষ্ণত ভকতি নাই।
তাৰ মাত্ৰ শ্ৰম শ্ৰমে মাত্ৰ ফল
যেন বাথে বাঁজী গাই॥" (নামঘোষা, ২৯০)

আৰো—

"কৰ পদে ইটো দেহক বোলয়
অক্ষৰ শবদে ব্ৰহ্ম।
গুইত কৰি হৰি উত্তম নিমিত্তে
প্ৰখ্যাত পুৰুষোত্তম॥" ( নামঘোষা ,১৭১ )

পৰমেশ্বৰ যদি নিৰাকাৰ, সৰ্বব্যাপী অথচ অব্যক্ত হয়, তেন্তে সাধাৰণ ক্ষুদ্ৰমতি মানুহৰ পক্ষে নাম কীৰ্ত্তন-শ্ৰৱণৰ বাহিৰে আন কি পন্থা সহজ আৰু ফলদায়ক হ'ব পাৰে? হৰিনাম গুণযুক্ত আৰু মায়াহীন কাৰণে ভক্তিসিক্ত চিত্তেৰে হৰিনাম শ্ৰৱণ-কীৰ্তনৰ যোগেদি আত্মোপলব্ধি আৰু ভগৱৎ-প্ৰসাদ লাভ কৰিব পাৰি। সকলো যাগ-যজ্ঞ, পূজা-আৰাধনাদিত ভক্তৰ যোগ্যতা, সামৰ্থ্য আৰু নিয়ম-বিধি আছে; কিয়নো হৰিনাম শ্ৰৱণ-কীৰ্তনত কোনো ধৰা-বন্ধা নিয়ম নাই। শব্দ-ব্ৰহ্মৰ ভক্তিপূৰ্ণ কীৰ্ত্তন-শ্ৰৱণৰ মাজেদিয়ে পৰম পুৰুষাৰ্থ সহজে লাভ কৰিব পাৰি। সেইবাবেই এই পন্থাৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি মাধৱদেৱে লিখিছে :

"অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জ্জন।
এতাৱন্ত মূৰ্ত্তিশূন্য কেন মতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন॥" (নামঘোষা, ৫)

আৰো,

"ৰাম কৃষ্ণ হৰি নাম সৰ্ব্ব ধৰ্ম্ম অনুপাম
সকল নিগমে তত্ত্ব সাৰ,
যাত পৰে ধৰ্ম্ম নাহি আৰ।" ( ঐ, ২৩ )

নামৰ প্ৰভাৱ শব্দ-তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত। ভক্তিৰ বলত এই শক্তি সম্পূৰ্ণ ফলপ্ৰসূ হৈ পৰে। ধৰ্মৰ ক্ষেত্ৰত যুক্তি-তৰ্কৰ, বাক্-বিতণ্ডাৰ স্থান নাই। অসমৰ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক গুৰুসকলে শব্দ-তত্ত্ব আৰু স্ফোটবাদৰ প্ৰকৃত মৰ্ম স্বীকাৰ কৰা যেন লাগে। প্ৰেম আৰু নাম-মাহাত্ম্য সম্পূৰ্ণ সাৰ্থক বুলি ভাবিয়েই নাম-ধৰ্ম প্ৰচাৰ কৰা হৈছিল।

"গোবিন্দৰ প্ৰেম অমৃতৰ নদী
বহে বৈকুণ্ঠৰ পৰা।
চাৰি পুৰুষাৰ্থ তাহাৰ নিজৰা
হৰিনামে মূল ধাৰা॥" ( নামঘোষা, ৩৭২)

ভগৱৎ-ভক্তিৰ স্বৰ্গীয় বোৱঁতী নদীৰ মূল ধাৰা নাম আৰু চাৰি পুৰুষাৰ্থ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষক সেই নদীৰ নিজৰা স্বৰূপ বুলিহে কোৱা হৈছে। শঙ্কৰী ধৰ্মই শব্দ-ব্ৰহ্মক ধৰ্মৰ মুখ্য কৰণ বুলি ধাৰণা কৰা যেন লাগে। ০ ০ ০

# কালিৰাম মেধি সুৱচনী

শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা

জ্ঞান-বিজ্ঞানৰ দেউলত ভাষা-সাহিত্যৰ উচ্চতম স্তৰটো দুটা ভাল-যুৰীয়া বিভাগত বিভক্ত। ইয়াৰে ক বিভাগত সাহিত্য আৰু খ বিভাগত ভাষাতত্ত্ব আৰু ব্যাকৰণত গুৰুত্ব আৰোপ কৰা হয়। মই আদিৰেপৰা ক বিভাগটোতে কুকং-কাৰাং কৰি আছোঁ, খ বিভাগত কাচিৎহে চুচুক-চামাক কৰি ভুমুকি একোটা মাৰি আহিছোঁ। ভাষাবিদ কালিৰাম মেধি ডাঙৰীয়া খ বিভাগৰ এজন মূৰধফুটা পণ্ডিত— অসমীয়া ব্যাকৰণৰ অন্যতম বৰ-ওজা। ক বিভাগতো তেখেতৰ অৰিহণা নথকা নহয়।

মেধি ডাঙৰীয়াৰ পাণ্ডিত্যৰ ফালটো বিভিন্ন দিশৰ পৰা চালি-জাৰি চাব পাৰি। তাত গৱেষণাৰো যথেষ্ট থল আছে। তেনে প্ৰচেষ্টাত প্ৰবৃত্ত হ'লে মোৰ পক্ষে নলগা ঠেঙত লগাৰ দৰেহে হ'ব। তথাপি তেখেতৰ ব্যক্তিত্ব আৰু অসম সাহিত্য সভাৰ লগত সম্পৰ্কৰ কথাখিনিকে মূলধন কৰি লৈ অসম সাহিত্য সভাই প্ৰকাশিবলৈ লোৱা 'কালিৰাম মেধি স্মৃতিমালা'লৈ আলচ এটা ইতিমধ্যে যুগুতাই যথাস্থানত অৰ্পণ কৰা হৈছে।

১৯১৯ চনত মথুৰাদাস আতাৰ মথুৰাপুৰ বৰপেটাত অসম সাহিত্য সভাৰ তৃতীয় অধিৱেশন অনুষ্ঠিত হয়। কেৱল মথুৰাপুৰ বৰপেটাই নহয়, সেই সময়ত অসমৰ সকলো ঠায়েই আছিল শান্তিপুৰ। আজিৰ দৰে অভাৱ-অনাটন, বহিৰাগতৰ সমস্যা আদিৰ উষ্ণ প্ৰবাহ ক'তো নাছিল বুলিলেই হয়। উজনি-নামনিৰ কথ্য ভাষা লৈ বাক-বিতণ্ডা চলিছিল যদিও সি যাইকৈ 'ন'হৌ' আৰু 'আসাম বান্ধৱ'— এই দুখন আলোচনীৰ পাততে সীমাবদ্ধ আছিল। ই দূৰদৰ্শী সাহিত্যিক আৰু সৰ্বসাধাৰণ ৰাইজৰ মাজ ভেদিব পৰা নাছিল। এই চুচুৰীয়া বিবাদৰ অমূলক অমঙ্গলীয়া আশঙ্কাই অৱশ্যে অসম সাহিত্য সভাৰ জন্মত বিলম্ব ঘটাইছিল। অৱশেষত ১৯১৭ চনত অসম সাহিত্য সভাই জন্ম লাভ কৰি এটা নতুন যুগৰ শুভ সূচনা কৰিলে। অৰুণোদয়ে বলোৱাই দিয়া উজনিৰ ৰংপুৰত পদ্ম ফুলিল, নামনিৰ গোৱালপাৰাত 'চন্দ্ৰোদয়' হ'ল, বৰপেটাই বৰচোল কোবাই কালিৰাম মেধিক চিৰচেনেহী ভাষা জননীৰ সিংহপীৰাত বহুৱালে। মেধি ডাঙৰীয়া তেতিয়াও ভাষাবিদ প্ৰবীণ সাহিত্যিকৰ শাৰীলৈ উঠা নাছিল; তেখেত আছিল তেতিয়া প্ৰচুৰ সম্ভাৱনাৰে এজন তেজ্বস্বী ডেকা সাহিত্যিক। সেয়ে হ'লেও তেখেত সাহিত্য সভাৰ মৰ্যাদা ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। অসম সাহিত্য সভাৰ তেতিয়াও পানীকেঁচুৱা কাল চলি আছিল। সাহিত্যগুৰু পদ্মনাথ আৰু সাহিত্যৰথী চন্দ্ৰধৰে যাইনাম গাই তুলি-তালি লোৱাৰ পাছত মেধি ডাঙৰীয়াই সভাৰ জীৱনী-শক্তিত বাকৈয়ে সঞ্জীৱনী ইন্ধন যোগালে। এই কথা স্বীকাৰ কৰিবই লাগিব যে কালিৰাম মেধি, হেমচন্দ্ৰ আৰু শৰৎচন্দ্ৰ গোস্বামী



আছিল সাহিত্য সভাৰ তিনিটা লাইখুটা। এই তিনি গৰাকীৰ বিচক্ষণ নেতৃত্বই অসম সাহিত্য সভাৰ গাত আঞ্চলিক বিভেদৰ বীজাণু সংক্ৰমিত হ'বলৈ সুৰুঙা উলিয়াই দিয়া নাছিল। তাৰ ফলতে অসম সাহিত্য সভা আজি অসমৰ এখন জাতীয় মহাসভাত পৰিণত হৈছে, ইয়াৰ গা-গাৰি বঢ়াৰ উপৰিও বিশাল বট বৃক্ষৰ দৰে ইয়াৰ শাখা-প্ৰশাখাই অসমৰ সকলো অঞ্চল হাটি পেলাইছে।

সি যি নহওক, মেধি ডাঙৰীয়াই পাঠ কৰা সভাপতিৰ অভিভাষণখনি আছিল চিন্তাশীল ভাৱধাৰাৰে ভৰপূৰ। আজিৰ এই আলোচনাত আন কথা বাদ দি মই আন ঠাইত লিখা কথাৰ চৰ্বিত-চৰ্বণ নকৰি পত্ৰিকাৰ সম্পাদকৰ আগ্ৰহত স'হাৰি জনাই যাহৰ তেলেৰে মাছ ভজাৰ নিচিনাকৈ এই দিক-দৰ্শনকাৰী ভাষণখনৰপৰা প্ৰায় আঠৈ কুৰি বচন বুটলি আনি তলত 'কালিৰাম মেধি সুৱচনী' নামৰ এই চমু আলচটো যুগুত কৰিছোঁ।

১। সুষুপ্ত সমাজ মহাপুৰুষ শঙ্কৰদেৱৰ ধ্বনিত জাগি উঠিল।

২। মাধৱদেৱৰ দৰে ভাৰতৰ কোন সন্তানে সেই কালত মাতৃভাষাত চহা মানুহক দৰ্শন আৰু উপনিষদৰ উপদেশ শিক্ষা দিব পাৰিছিল ?

৩। ভাৰতৰ কোন পণ্ডিতে ভট্টদেৱৰ নিচিনা মাতৃভাষাত গুৰুলা গদ্যত ভগৱদ্গীতা জনসাধাৰণক শিক্ষা দিব পাৰিছিল ?

৪। নামঘোষাৰ নিচিনা কোনোবা গ্ৰন্থই সেই কালত কপিলৰ সাংখ্য দৰ্শন, পতঞ্জলিৰ যোগ, আৰু বেদব্যাসৰ বেদান্তৰ সাৰ শিক্ষা দিব পাৰিছিল নে ?

৫। যদি ঈশ্বৰবাদ আৰু ষড়দৰ্শনৰ আভাস পাব খোজা, তেন্তে ভট্টদেৱৰ কথাগীতা পঢ়া।

৬। যদি হিন্দুদৰ্শনৰ আভাস বিচাৰা, ধৰ্মৰ উচ্চ লক্ষ্য বিচাৰা, তেন্তে নামঘোষা চোৱা।

৭। যদি জ্ঞানী, কৰ্মী আৰু যোগী হ'ব খোজা, তেন্তে কথাগীতা মেলা।

৮। যদি বৈষ্ণৱ ধৰ্মৰ সাৰ বিচাৰা, তেন্তে শঙ্কৰদেৱৰ কীৰ্ত্তন-দশম আৰু ভট্টদেৱৰ কথা-ভাগৱত পঢ়া।

৯। জটিল কথাকো মহাপুৰুষসকলে পানীৰ দৰে কোমল কৰি গৈছে।

১০। পুৰণি পদ, ডাকৰ বচন, গীত আদি মানুহৰ মুখে মুখে চলি আহিছে। এইবোৰ সৰ্বসাধাৰণৰ সম্পত্তি হৈছে।

১১। এতিয়ালৈকে অসমীয়া ভাষাত বহুত কিতাপ ওলাইছে, গতি কিন্তু বৰ ঢিমা।

১২। আমি অন্ধ হৈ কাল্পনিক আদৰ্শত বিভোৰ হৈ নতুন জগত গঢ়িবলৈ বাঞ্ছা কৰিছোঁ।

১৩। আমাৰ নাট আৰু বেছি ভাগ উপন্যাসে অসমীয়া জীৱনক স্পৰ্শ কৰিব পৰা নাই।

১৪। আমি ভালেই হওক বা বেয়াই হওক ইংৰাজী আদৰ্শৰ ফালে অবিৰাম গতিৰে চলিছোঁ। আমাৰ দিক্‌ভ্ৰম হৈছে।

১৫। আমাৰ সমাজ আৰু সাহিত্য বিপৰীত দিশে চলিছে।

১৬। হিন্দুৰ বহুত প্ৰাচীন গ্ৰন্থ ভাৰতত পোৱা নাযায়; কিন্তু বিলাতত পোৱা যায়।

১৭। আমাৰ সাহিত্যত এতিয়াও স্বাধীন চিন্তাৰ সোঁত বলা নাই।

১৮। আমাৰ সমাজৰ দোষ-গুণ, অভিযোগ আৰু আশা-ভৰসাই এতিয়াও আমাৰ সাহিত্যত সম্পূৰ্ণ স্থান পোৱা নাই।

১৯। আমাৰ সাহিত্য বাস্তৱ জীৱনৰ ছবি আগত ৰাখি উধাব লাগিব।

২০। নিম্ন স্তৰৰ লোককো আমাৰ সুখ-দুখৰ কথা শুনাব লাগিব। শ্ৰেষ্ঠলোকেও শুনিব লাগিব।

২১। আমি বাহিৰত সভাৰ আদৰ কৰোঁ ; কিন্তু

ভিতৰত মিছাত প্ৰৱৰ্ত্তো ।

২২। সকলো বিষয়তে পুৰণি আদৰ্শত চলিলে নচলিব, ভাবময় ৰাজ্যত নাচি ফুৰিলে নচলিব, আৰু স্বপ্নৰাজ্যত সোণৰ স্বপ্নত ভোল গ'লে নচলিব ।

২৩। আমাৰ বহুত গ্ৰন্থ লক্ষ্যহীন বুলিব পাৰি ।

২৪। নাট সাহিত্যৰ এটা উচ্চ অঙ্গ ।

২৫। নাটত সকলো ৰসৰ আভাস পোৱা যায় ।

২৬। কবিতা কবিৰ মানস-পুত্ৰ, গীত তেওঁৰ প্ৰাণৰ ঝঙ্কাৰ ।

২৭। প্ৰকৃতি দেৱীৰ ওৰণি গুচাই অলৌকিক ৰূপ-লাৱণ্য প্ৰকাশ কৰা, স্বৰ্গীয় আভাৰ জিলিঙনি দেখুৱা, অকল্পিতৰ কল্পনা আয়ত্তাধীন কৰা, অসম্ভৱক সম্ভৱ কৰা, বাস্তৱ ৰাজ্যত মায়াজাল সৃজন কৰা কবিতাৰ কাম ।

২৮। কাব্য পৌৰাণিক ইতিহাসৰ জ্বলন্ত চিত্ৰ ।

২৯। উপন্যাস জাতীয় চৰিত্ৰৰ আৰ্হি ।

৩০। জাতীয় চৰিত্ৰৰ সকলো লক্ষণ উপন্যাসত চিত্ৰিত আৰু বৰ্ণিত হয় ।

৩১। হিন্দু-মুছলমানৰ সন্মিলিত শক্তিৰপৰা অসমীয়া সাহিত্যই বিশেষ সহায় আৰু উপকাৰ পাব বুলি আশা কৰিছোঁ ।

৩২। অসমীয়া হিন্দু-মুছলমানৰ মিলা-প্ৰীতিৰ ভাব গোটেই ভাৰতবৰ্ষৰ আদৰ্শস্থানীয় ।

৩৩। অসম সাহিত্য সভাৰ উদ্দেশ্য অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্বাঙ্গীন উন্নতি কৰা বা জাতীয় ভাষা আৰু জাতীয় সাহিত্যৰ উন্নতি কৰা ।

৩৪। জাতীয় সাহিত্য জাতিৰ অতীত কাহিনীৰ লগত গঁথা ফুলৰ মালাৰ অনুৰূপ ।

৩৫। যিবিলাকত আমাৰ জাতীয় জীৱন অঙ্কিত আছে, তাৰ আৱিষ্কাৰ কৰিলে পুৰণি সাহিত্যকো আৱিষ্কাৰ কৰা হ'ব ।

৩৬। মৌ মাখিয়ে যেনেকৈ নানা ঠাইৰপৰা ফুলৰ মৌ আনি মৌচাক পূৰ্ণ কৰে, আমিও তেনেকৈ নানা ভাষাৰপৰা সম্ভাৰ আনি আমাৰ সাহিত্যৰ পুষ্টি সাধন কৰা উচিত ।

৩৭। ইংৰাজী সাহিত্যৰপৰাযে আমাৰ মহৎ উপকাৰ হৈছে, তাক শতমুখে স্বীকাৰ কৰিব লাগিব ।

৩৮। আমাৰ সাহিত্যক ইংৰাজী গঢ় দিলে সি বৰ্ণ-সঙ্কৰহে হ'ব, জাতীয় সাহিত্য নহয় ।

৩৯। অসমীয়া জাতীয় বুৰঞ্জী নোলায় মানে আমাৰ উন্নতিৰ আশা অতি কম ।

৪০। জাতীয় সাহিত্য-ভিন্ন জাতি গঠিত হ'ব নোৱাৰে।

৪১। ভাষা কেৱল সাহিত্যৰ সঁজুলি নহয়, ই জাতীয় জীৱন আৰু জাতীয় ইতিহাসৰ স্মৃতিচিহ্ন, আৰু ই সমাজৰ উক্তিৰ সঙ্কেত ।

৪২। শব্দ আৰু ব্যাকৰণৰ বুৰঞ্জী আছে, তাত ধৰ্ম, ৰীতি-নীতি আৰু অতীত কাহিনী নিহিত আছে।

৪৩। বিদেশী কথা আনি আমাৰ ভাষাত সুমালে আমাৰ ভাষা জাৰজ হ'ব ।

৪৪। যি অঙ্গ আমাৰ ভাষাত নাই, তাক আনৰপৰা আনি আমাৰ ভাষাৰ অঙ্গ পূৰাব লাগিব; কিন্তু তাকো আমাৰ সাজ পিন্ধাই ললেহে সামঞ্জস্য থাকিব।

৪৫। শব্দৰ ব্ৰাহ্মণ-শূদ্ৰ বিচাৰ কৰিলে বা আৰ্য-অনাৰ্য বাছিলে জাতীয় ভাষা নাথাকে, জাতীয় সাহিত্য নহয় ।

৪৬। জাতীয় ভাষাত ডাঙৰ-সৰু নাই, হিন্দু-মুছলমান নাই, ৰজা-প্ৰজা নাই, ধনী-দুখীয়া নাই আৰু পণ্ডিত-মূৰ্খ নাই ।

৪৭। একেটা শব্দৰ তিনি-চাৰি আকৃতি লোৱাৰ আমি পক্ষপাতী নহওঁ ।

৪৮। প্ৰাদেশিক (আঞ্চলিক ?) বিকৃতি আৰু গ্ৰাম্য-দোষ আমাক নালাগে ।

৪৯। সাহিত্যৰ ভাষা মাৰ্জিত আৰু শোধিত নহ'লে নহয় ।

৫০। ব্যাকৰণৰ অধীন নহ'লে সাহিত্য নহয় ।

( ৩৪ পৃষ্ঠাত চাওক )

# যোগমাৰ্গ, নাথপন্থ আৰু অসমীয়া সাহিত্য

(পূৰ্বানুবৰ্তী)

শ্ৰীবাপচন্দ্ৰ মহন্ত

মন্ত্ৰ আৰু হঠযোগেৰে চমৎকাৰিতা প্ৰদৰ্শন কৰা বজ্ৰযানী সাধকসকলৰ বহুতকে সিদ্ধ বোলা হৈছিল। তেওঁলোকৰ সংখ্যা চৌৰাশীজন বুলি কোৱা হয়। পণ্ডিত ৰাহুল সাংকৃত্যায়নে ভাৰতীয় আৰু তিব্বতীয় বৌদ্ধ সাহিত্যৰ গৱেষণাৰ ভিত্তিত এই ৮৪ জন সিদ্ধৰ নাম, জাতি, জন্ম আৰু কৰ্মস্থান তথা সময় সম্বন্ধে তালিকা প্ৰস্তুত কৰি পুৰাতত্ত্বনিবন্ধাৱলীৰ 'বজ্ৰযান আৰু চৌৰাশী সিদ্ধ' নামৰ নিবন্ধত দিছে। এই ৮৪ সিদ্ধৰ ভিতৰত কেইগৰাকীমান মহিলাও আছিল। মহিলাসকলক যোগিনী বোলা কথাই সিদ্ধসকলৰ সাধনাত যোগৰ প্ৰাচুৰ্যৰ প্ৰমাণ দিয়ে। মণিভদ্ৰা, মেখলাপা, কনখলাপা, লক্ষ্মীকৰা এই শ্ৰেণীৰ সিদ্ধা যোগিনী।

**নাথপন্থ :** কেৱল দাৰ্শনিক সিদ্ধান্তই ধৰ্মীয় সাধন-মাৰ্গৰ পৰম্পৰা অবিকৃত ৰূপে ৰাখিব নোৱাৰে। সামাজিক পৰিস্থিতিয়ে ধৰ্মীয় দৰ্শনকো বিকৃত ৰূপত সজাই-পৰাই পৰিস্থিতিৰ অনুকূলে নতুন ব্যাখ্যা দাঙি ধৰে। পৰিস্থিতিৰ অনুকূল এই ব্যাখ্যা সমাজৰ কাৰণে হিতকৰো হ'ব পাৰে, অহিতকৰো হ'ব পাৰে। যোগমাৰ্গীসকলৰ ক্ষেত্ৰতো এই কথা খাটে। যোগ-মাৰ্গীসকলক বৈদিক, জৈন আৰু বৌদ্ধ ধৰ্মৰ লগত মিলি যাবলৈ সামাজিক পৰিস্থিতিয়ে বাধ্য কৰিছিল। তাৰ ফলত যোগমাৰ্গৰ দৰ্শন আৰু আচৰণ দুয়োটা পক্ষই বহুপৰিমাণে বিকৃত হৈছিল আৰু সাধকসকলো লক্ষ্যভ্ৰষ্ট হৈছিল। কিন্তু ইয়াৰ প্ৰতিক্ৰিয়াও নোহোৱাকৈ নাছিল। বামমাৰ্গী বৌদ্ধ যোগীসকলৰ ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে নাথপন্থ সংস্কাৰবাদী দল ৰূপে মূৰ দাঙি উঠিল।

চৌৰাশীজন বজ্ৰযানী সিদ্ধৰ ভিতৰৰে এজন জালন্ধৰ-নাথৰপৰা এই নতুন সংস্কাৰবাদী দলটো আৰম্ভ হ'ল। জালন্ধৰনাথৰ শিষ্য মৎস্যেন্দ্ৰনাথ বা মীননাথ। মীননাথৰ শিষ্য গোৰখনাথৰপৰাই নাথপন্থ সমগ্ৰ ভাৰত আৰু আফগানিস্থান পৰ্যন্ত বিয়পি পৰিল। খ্ৰী: ৯ম/১০ম শতিকামানত নেপালৰ তৰাই অঞ্চলত এই সম্প্ৰদায় আৰম্ভ হয়। নেপালীসকলৰ এটা ভাগ 'গোৰ্খা' নামে পৰিচিত হৈছে। গোৰখ-নাথৰ 'গোৰখ' শব্দৰ লগত 'গোৰ্খা' শব্দৰ সম্বন্ধ আছে। উত্তৰ প্ৰদেশৰ গোৰখপুৰ নগৰ, পাকিস্থানৰ 'লৱণ পাহাৰ'ৰ ওচৰত থকা গোৰখটিলা প্ৰভৃতি আন কিছুমান ঠাইৰ নামতো গোৰখনাথৰ 'গোৰখ' শব্দটোৰ প্ৰচলন থাকি গ'ল। গোৰখনাথৰ ব্যক্তিত্ব আৰু সামাজিক সংগঠনৰ প্ৰভাৱ সমগ্ৰ ভাৰত জুৰি ১০ম / ১১শ শতিকা মানত পৰিছিল। এশ-ডেৰ শ বছৰৰ আগ-পিছাকৈ শঙ্কৰাচাৰ্য আৰু গোৰখনাথৰ ব্যক্তিত্ব আৰু সংগঠনে ভাৰতবৰ্ষৰ সাংস্কৃতিক জীৱ-নলৈ যুগান্তৰ আনিছিল। শঙ্কৰাচাৰ্য আৰু গোৰখনাথ দুয়োজনেই নিৰীশ্বৰবাদী বৌদ্ধমতৰ পৰিবৰ্তে ঈশ্বৰ-বাদী পৌৰাণিক ভাৰতীয় ধৰ্মৰ ফালে ভাৰতীয়সকলক

ধুৰাই আনিলে ; কিন্তু শঙ্কৰাচাৰ্যৰ স্মাৰ্ত ধৰ্মত জাতি-ভেদৰ সঙ্কীৰ্ণতা আৰু পাণ্ডিত্যৰ কঠোৰতা আছিল বাবে সি জনধৰ্ম হ'ব নোৱাৰিলে। আনহাতে গোৰখনাথে সমাজৰ অতি পিছপৰাসকলৰ মাজত নিজৰ মত প্ৰচাৰ কৰি পশ্চিমৰপৰা অহা ইছলাম ধৰ্মৰ প্ৰবল সোঁতকো বহু পৰিমাণে বাধা দিব পাৰিলে। বৈদিক বা পৌৰাণিক পৰম্পৰাৰ ভাৰতীয় ধৰ্ম গ্ৰহণ নকৰা যোগমাৰ্গী বহুত পিছপৰা সম্প্ৰদায়ৰ লোকসকলৰ প্ৰায় ভাগেই গোৰখনাথৰ সংগঠনৰ ফলত পৌৰাণিক পৰম্পৰা গ্ৰহণ কৰিলে। গোৰখনাথৰ সংগঠনৰ ভিতৰলৈ নাহি বাদ পৰি থকা কিছুমান যোগী সম্প্ৰদায়ৰ লোক পাছত মুছলমান হ'ল। সেইবাবে ভাৰতবৰ্ষ, বাংলা দেশ আৰু পাকিস্থানতো বহুত মুছলমান যোগী আজি-কালিও আছে। ইছলাম ধৰ্মী চুফীসকলৰ ওপৰতো যোগৰ প্ৰভাৱ আছে। ভাৰতীয় চুফী বহুতেই যোগমাৰ্গৰ দাৰ্শনিক সিদ্ধান্তৰ কথাও ঠায়ে ঠায়ে গ্ৰহণ কৰিছে। সপ্তদশ শতিকাৰ অসমীয়া সাহিত্যত আজান ফকীৰৰ জিকিৰসমূহেও এনে উদাহৰণ আমাৰ আগত দাঙি ধৰিছে।

আত্মা-পৰমাত্মাৰ একত্ব, শিৱৰ উপাসনা, সাত্ত্বিক জীৱনৰ আদৰ্শ আদি বহুত কথাত নাথপন্থ আৰু শঙ্কৰাচাৰ্যৰ স্মাৰ্ত ধৰ্মৰ মাজত মিল দেখা যায়। সন্ন্যাসৰ পৰম্পৰা দুয়োটা সম্প্ৰদায়তে আছে। বজ্ৰযানী বৌদ্ধ সিদ্ধসকলৰ বামমাৰ্গী সাধনাত ঠাই

( ৩২ পৃষ্ঠাৰ পিছৰপৰা )

৫১। পৃথিৱীত যিমান উন্নত সাহিত্য দেখা যায়, যিমান উন্নত জাতি দেখা পোৱা যায়, আটাইবিলাক সম্মিলিত শক্তিৰ ফল।

৫২। গুণীৰ আদৰে সাহিত্যৰ উপকাৰ সাধিব, তাকে কৰিব নোৱাৰিলে ভাবিব লাগিব— আমি ভাল-বেয়া বিচাৰ কৰিবলৈ অসমৰ্থ।

এইবোৰ নিশ্চয় সাৰুৱা আৰু লাখটকীয়া কথা। আন আন জ্ঞানীসকলেও এনে বহুত নীতি-বচন আৰু সাৰুৱা কথা উত্তৰ পুৰুষলৈ এৰি থৈ গৈছে। এইবোৰ লৈ একোধাৰ কদ্ৰাক্ষৰ মালা বা মুকুতাৰ মালা গাঁথি সাঁচি ৰাখিব পাৰি, আৰু অনুপান-ভেদে মকৰধ্বজ প্ৰয়োগ কৰাৰ নিচিনা প্ৰয়োজন অনুসৰি তাক নিজৰ আৰু দহৰ হিতাৰ্থে কামত লগাব পাৰি।

ইমানতে এই প্ৰসঙ্গৰ মোখনি মাৰি অপ্ৰাসঙ্গিক হ'লেও একাষাৰ বতৰুৱা কথা কওঁ। সুখৰ বিষয়, আজি কেইবছৰমানৰপৰা অসম সাহিত্য সভাই গুণীজনৰ ৰচনাৱলী আৰু স্মৃতিমালাৰ (স্মৃতিগ্ৰন্থ) এলানি পুথি প্ৰকাশ কৰি আদৰ্শনীয় কামকে কৰি আহিছে। কিন্তু দুয়োটা কাম প্ৰায় একে সময়তে ভূকুৱে কলটো পকাই কৰাৰ বাবে আশানুৰূপ ফল লাভ কৰিব পৰা হোৱা নাই। হাতে চুকি পোৱাকৈ থকা নাইবা সাত জোৰা মাৰি সংগ্ৰহ কৰা তাৰকীয় সমলৰ ভেটিত যুগুত কৰা স্মৃতিগ্ৰন্থৰ কোনো কোনো প্ৰবন্ধত বিষয়-বস্তুৰ সম্পূৰ্ণ আলোচনা সম্ভৱ নোহোৱাটো দেখ দেখ কথা। উদাহৰণ স্বৰূপে, যেৰি তাৰ-বীয়াৰ কেউখন ভাষণ তেওঁৰ ৰচনাৱলী ছপা হৈ ওলোৱাৰ পাছতহে সহজলভ্য হ'ব। সেইবাবে আমি এখন মাথোন ভাষণৰ ওপৰত ভেজা লৈ এই সৰুলৈ যুগুতাবলৈ বাধ্য হৈছোঁ। অভিজ্ঞতাই আমাক কৈছে যে ৰচনাৱলী আৰু স্মৃতিগ্ৰন্থ প্ৰকাশৰ ব্যৱধান কমেও ছমাহমান হ'লেহে মিতিৰো ৰ'ব চাউলো সিজিব। গ্ৰন্থ দুখন একে সময়তে প্ৰকাশ নকৰি, আগা-পিছাকৈ উলিয়ালে নামৰ সুচল নহ'লেও কামৰ সুচলহে হ'ব। নাম শুনিনীয়া, কাম যুগনীয়া। আগলৈ যথাসময়ত আৰু যথাস্থানত আমাৰ এই পৰামৰ্শ টলকি চোৱা হ'ব বুলি আশা কৰিলোঁ। ০০০



গোৱা মাংস, মদিৰা আৰু স্ত্ৰী-সম্ভোগৰ বিৰুদ্ধে সাত্ত্বিক জীৱন আৰু অখণ্ড ব্ৰহ্মচৰ্য ব্ৰতৰ আদৰ্শ নাথপন্থই দাঙি ধৰিলে। চিত্তশুদ্ধিৰ বাবে কষ্টময় হঠযোগৰ ওপৰত নাথপন্থই গুৰুত্ব দিলে। শৰীৰ আৰু মন শুদ্ধ কৰি কুণ্ডলিনী শক্তি জগাই তুলি অমৃত পান কৰা বা মোক্ষ লাভ কৰাটোৱেই হঠ-যোগৰ চৰম লক্ষ্য। নাথপন্থীসকলে কাণত ফুটা কৰি কুণ্ডল ধাৰণ কৰে বাবে তেওঁলোকক 'কাণফটা' বুলিও কয়। দণ্ড, মেখলা, কন্থা ( ফটা কঁথা বা কম্বল আদি বস্ত্ৰ ), বাঘাম্বৰ, ৰুদ্ৰাক্ষ আদি নাথপন্থী সন্ন্যাসীসকলেও ব্যৱহাৰ কৰে। সাধাৰণতঃ তেওঁলোকৰো উপাস্য দেৱতা শিৱ। গোৰখনাথৰ পাছত চৌৰঙ্গীনাথ, চামৰীনাথ, দৰিয়া, বিৰূপা, কনখল প্ৰভৃতি একেটা পৰম্পৰাৰে যোগীৰূপে প্ৰসিদ্ধ হৈছিল।• এওঁলোকৰ পাছলৈ নাথ যোগীৰ পৰম্পৰা নিৰ্গুণ সন্ত-পৰম্পৰালৈ ৰূপান্তৰিত হৈছিল। নিৰ্গুণ সন্তসকলৰ সাধনাত যোগৰ প্ৰভাৱ ক্ৰমে কমি আহিল। মহাৰাষ্ট্ৰৰ জ্ঞানেশ্বৰ, নামদেৱ প্ৰভৃতি বাৰকৰী বৈষ্ণৱসকলো এই পৰম্পৰাৰ। উত্তৰ ভাৰতৰ কবীৰ প্ৰভৃতি নিৰ্গুণীয়া সন্ত আৰু নিৰঞ্জন সম্প্ৰদায়ো নাথপন্থৰ উত্তৰাধিকাৰী। এই নিৰ্গুণ পন্থীসকলৰ সাধনমাৰ্গত ক্ৰমে যোগতকৈ নিৰ্গুণ জ্ঞান-প্ৰধান ভক্তিৰ পৰিমাণ বাঢ়ি আহিল।

**নাথপন্থী ভাষা আৰু সাহিত্য—** নাথপন্থৰ প্ৰচাৰ যুগটো ভাৰতৰ ইতিহাসত এটা সন্ধিযুগ বুলিব পাৰি। ৰাজনীতি, ধৰ্ম, সমাজ, ভাষা আৰু সাহিত্য এই কেউটা দিশতে এই যুগটো বিৰাট পৰিৱৰ্তনৰ যুগ হৈ পৰিছিল। খ্ৰীঃ ৮ম শতিকাত পশ্চিম ভাৰতৰ সিন্ধুদেশ আৰু গুজৰাট অঞ্চলত আৰবৰ মুছলমানে দৃঢ়ভাৱে প্ৰৱেশ কৰি-ছিলহি। ৯ম শতিকাত মালাবাৰ উপকূলতে মুছলমান সকল বিয়পি পৰিছিল। মালাবাৰৰ ৰজা চেৰমান পেৰুমলে মুছলমান ধৰ্ম মানি লৈছিল। পাছলৈ মুছলমানসকলৰ ৰাজনৈতিক প্ৰভাৱ বাঢ়ি অহাৰ লগে লগে ধৰ্মীয় আৰু সামাজিক প্ৰভাৱো বাঢ়ি আহিল। মুছলমান শাসকসকলৰ ৰাজনৈতিক ৰূপটো উগ্ৰ আছিল যদিও চুফীসকলৰ ধৰ্মীয় ৰূপটো উদাৰ আছিল। নিৰীশ্বৰবাদী বৌদ্ধ মতৰ বিৰুদ্ধে একেশ্বৰবাদী চুফী মতটোও অদ্বৈতবাদী বেদান্ত মতৰ কিছু অনু-কূল যেন ধাৰণা হ'ল। বৌদ্ধসকলৰ শূন্য আৰু বেদান্তৰ নিৰ্গুণ ব্ৰহ্ম প্ৰায় একে স্তৰৰ বস্তু আছিল যদিও সগুণ ব্ৰহ্মৰ অস্তিত্বই ব্ৰহ্মবাদক শূন্যৰপৰা আঁতৰাই আনি এটা আনন্দময় ৰূপৰ সঙ্কেত সাধাৰণ জনতাৰ বাবেও দিব পাৰিছিল। আনহাতে চুফী সম্প্ৰদায়ৰ 'ফনা'ও বৌদ্ধসকলৰ শূন্যৰ দৰে নিষে-ধাত্মক বা অভাৱাত্মক নাছিল। এই 'ফনা' যোগমাৰ্গৰ 'সমাধি' অৱস্থাৰ দৰে ঈশ্বৰৰ সান্নিধ্য লাভ বা এটা গভীৰ ৰহস্যবোধ স্বৰূপ আছিল। গতিকে ব্ৰহ্মবাদ, চুফীমত আৰু যোগমাৰ্গ কেউটা বস্তু ৰহস্যমুখী হোৱা বাবে ধৰ্মীয় চেতনাই সমাজক এটা নতুন গঢ় দিয়াৰ সুযোগ পাইছিল। নাথপন্থই এই সুযোগ ভালেখিনি গ্ৰহণ কৰিছিল।

বেদান্তীসকলৰ ব্ৰহ্মবাদী সিদ্ধান্ত সংস্কৃত ভাষা আৰু সমাজৰ উচ্চ স্তৰৰ লোকৰ মাজত আবদ্ধ হৈ আছিল। জাতিভেদ আৰু স্মাৰ্ত বিধানো সমাজ সংগঠনৰ ক্ষেত্ৰত এওঁলোকৰ বাবে প্ৰধান বাধক ৰূপে থিয় দি আছিল। আনহাতে ইছলামধৰ্মী চুফীসকলো বিদেশী সমাজ-ব্যৱস্থাৰ প্ৰতিনিধি হেতুকে বহুত ক্ষেত্ৰত স্বাভাৱিক জীৱন-ধাৰাৰ লগত সঙ্গতি ৰাখিবলৈ প্ৰথম অৱস্থাত সমৰ্থ নাছিল। তদুপৰি তেওঁ-লোকৰ শাস্ত্ৰীয় ভাষাও জনসাধাৰণৰ ভাষাতকৈ বহুত পৃথক আছিল। এনে অৱস্থাত নাথপন্থই স্থানীয়

• বিৰূপা, চামৰীপা, চোৰঙ্গীপা আৰু কনখলপা নাম চৌৰাশী সিদ্ধৰ ভিতৰতো পোৱা যায়।

জীৱনধাৰাৰ স্বাভাৱিক গতিৰ লগত সঙ্গতি ৰাখি সমাজক নতুন গঢ় দিবৰ কাৰণে লোকভাষাত নিজ ধৰ্মৰ প্ৰচাৰ আৰম্ভ কৰিলে। অপভ্ৰংশ যুগৰ ভাৰতীয় লোকসাহিত্যত নাথপন্থীসকলৰ এটা মহত্বপূৰ্ণ ভূমিকা দেখা পোৱাৰ মূল কাৰণ এইটোৱেই বুলি ক'ব পাৰি।

**অপভ্ৰংশ ভাষা আৰু সাহিত্য :** খ্ৰীঃ ৮ম শতিকামানৰপৰা ১৩শ / ১৪শ শতিকালৈকে এই পাঁচ শ, ছশ বছৰ কাল উত্তৰ ভাৰতীয় ভাষাসমূহৰ অপভ্ৰংশ কাল বুলি ধৰা হয়। পাঞ্জাবী, হিন্দী, গুজৰাটী, মাৰাঠী, উড়িয়া, বঙলা আৰু অসমীয়া এই কেউটা ভাষাই এই সময়ছোৱাত প্ৰাকৃতৰপৰা স্বকীয় হৈ নতুন গঢ় লবলৈ আৰম্ভ কৰিছিল। পূৱ ভাৰতত বিশেষকৈ বিহাৰত বৌদ্ধ সিদ্ধসকলৰ ৰচনাৱলী, পশ্চিম ভাৰতৰ ৰাজস্থান আৰু গুজৰাটত জৈন সাহিত্য আৰু সমগ্ৰ ভাৰত জুৰি, বিশেষভাৱে উত্তৰ ভাৰতত নাথসাহিত্যৰ ৰচনা এই কালছোৱাতে হয়। সেই যুগৰ ভাষাৰ উদাহৰণ এই তিনি শ্ৰেণীৰ সাহিত্যৰপৰাই পোৱা গৈছে। তথাপি এটা কথা মন কৰিবলগীয়া যে লিখিত সাহিত্যই বহুত ক্ষেত্ৰত কথিত ভাষাৰ প্ৰকৃত ৰূপটো দাঙি নধৰিবও পাৰে। বিভিন্ন আঞ্চলিক ভাষাৰ সংমিশ্ৰণ আৰু আপেক্ষিক প্ৰাচীন ভাষাৰ প্ৰয়োগ সাহিত্যত হোৱা দেখা যায়। কেতিয়াবা কেতিয়াবা পুৰণি ভাষাকো নতুন লিপিকাৰে বা গায়কে নতুন শব্দ মিহলাই ভঁজুৱা নতুন গঢ় দিব পাৰে। গতিকে এই যুগৰ ভাষাৰ স্বৰূপ নিৰ্ণয় কৰাটো এটা টান কথা। আমাৰ বৰ্তমান উদ্দেশ্যও ভাষাৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ যোৱাটো নহয়। ভাৰতীয় নাথধৰ্মী সাহিত্যৰ লগত অসমীয়া সাহিত্যৰ সম্পৰ্ক দেখুৱাবলৈহে আমি আগবাঢ়িছোঁ। এই প্ৰসঙ্গত ভাষাতকৈ বিষয়-বস্তু আৰু ভাব-বৈশিষ্ট্যহে লক্ষণীয়।

**অসমত নাথসাহিত্যৰ পটভূমি:–** অসমত নাথসাহিত্যৰ পটভূমি সম্বন্ধে বিচাৰ কৰিবলৈ হ'লে প্ৰধানভাৱে দুটা দিশত বিচাৰ কৰিবলগীয়া হয়। তাৰে এটা হ'ল— ভাৰতীয় যোগমাৰ্গ আৰু নাথপন্থৰ প্ৰভাৱ আৰু আনটো হ'ল— অসমৰ বাসিন্দাসকলৰ মাজত যোগমাৰ্গ পৰম্পৰাৰ ঐতিহাসিক বিচাৰ।

নাথপন্থৰ প্ৰচাৰ হোৱাৰ আগতেও অসমত যোগমাৰ্গ পৌৰাণিক ধৰ্মৰ লগত অসমলৈ অহা যেন অনুমান হয়। এই সম্বন্ধে তলত দুটামান কথা আলোচনা কৰা হৈছে।

১) অসমত এতিয়ালৈকে আৱিষ্কাৰ হোৱা প্ৰাচীন লিপিবোৰৰ ভিতৰত সৰ্বপ্ৰথম লিপিখন হৈছে উমাচল শিলালিপি। কামাখ্যা পাহাৰত পোৱা এই লিপিৰ ৰচনা-কাল খ্ৰীঃ পঞ্চম শতিকা বুলি অনুমান কৰা হৈছে। ৰজা সুৰেন্দ্ৰবৰ্মণৰ দিনত বলভদ্ৰ স্বামীৰ পূজাৰ অৰ্থে এটা গুহামন্দিৰ নিৰ্মাণ কৰা কথা এই লিপিত কোৱা হৈছে। লিপিৰ ভাষা সংস্কৃত আৰু লিপি ব্ৰাহ্মী।

২) ভাস্কৰবৰ্মাৰ নিধনপুৰ তাম্ৰশাসনৰ প্ৰথমতে থকা ইষ্টদেৱৰ স্তুতিত যিজন শিৱৰ বন্দনা কৰা হৈছে, তেওঁ 'ভস্মকণাবিভূষিত'। গতিকে সেই সময়ত শৈৱ আদৰ্শতো যোগৰ প্ৰভাৱ আছিল। সকলো দেৱতাৰ ভিতৰত শিৱৰ লগতেই যোগৰ সম্পৰ্ক বেছি।

৩) অসমৰ এটা প্ৰাচীন আৰু প্ৰধান লোকগোষ্ঠী বড়োসকলৰ ধৰ্মৰ লগত যোগমাৰ্গৰ সম্পৰ্ক থকা পোৱা যায়। সেই মতে হিড়িম্ব বংশৰ পূৰ্বপুৰুষৰ ৰাজ্য গঙ্গা-যমুনাৰ সঙ্গম স্থলত আছিল। তাত সেই বংশৰ প্ৰথম ৰজা 'বড়ড' (জড়শিশু) ই ঈশ্বৰ উপাসনা কৰি আছিল। তেওঁ জীৱ-হিংসা নকৰিছিল। তেওঁ



দুৰুহ্য বা যযাতিৰ পুত্ৰ দ্ৰুহ্য বা দ্ৰুৰ্জক জোঁৱাই পাতি নিজৰ ৰাজ্যভাৰ অৰ্পণ কৰিলে আৰু নিজে যোগ সাধনা কৰিবৰ উদ্দেশ্যে বনলৈ যাত্ৰা কৰিলে। দ্ৰুৰ্জৰ পুত্ৰ ভংশুক, ভংশুকৰ বংশৰ খাকংফাই পাছৰ যুগত একেশ্বৰবাদী ধৰ্ম ত্যাগ কৰি শক্তিমন্ত্ৰৰ দীক্ষা লয়। তাৰ পাছত সেই খাকংফাই দেৱীৰ মূৰ্তি প্ৰতিষ্ঠা কৰিলে আৰু সেৱা-পূজাৰ ব্যৱস্থাও কৰিলে। তেতিয়াৰপৰা হিড়িম্ব বংশত শাক্ত ধৰ্ম চলি আহিছে বুলি তেওঁলোকে বিশ্বাস কৰে।

৪) খ্ৰীঃ ১৩শ শতিকাৰ আগভাগতে [ খ্ৰীঃ ১১৭১, শকাব্দ ১১০৪ ] সমুদ্ৰপাল নামৰ ৰজাই যোগীহাটী নামৰ তান্ত্ৰিক বৌদ্ধ সত্ৰ স্থাপন কৰা কথা শিলালেখৰপৰা জনা যায়। ইয়াত তান্ত্ৰিক বৌদ্ধ (সম্ভৱতঃ বজ্ৰযানী বৌদ্ধ) সকলৰ লগত যোগৰ সম্পৰ্ক, আৰু অসমতো সেই সাধনমাৰ্গৰ প্ৰভাৱৰ পৰিচয় পোৱা গৈছে। সম্ভৱতঃ গোৱালপাৰাৰ যোগীঘোপাৰ গুহাবিলাকো এই সময়ৰ পাছৰ নহ'ব। এইবিলাক উদাহৰণৰ ভিত্তিত এনে অনুমান কৰিব পাৰি যে— ১২ শ / ১৩ শ শতিকাৰ আগতেই অসমত যোগমাৰ্গ প্ৰায় ৭/৮ শ বছৰ ব্যাপি চলি আছিল।

মন কৰিবলগীয়া যে উমাচল লিপিৰ গুহামন্দিৰ বলভদ্ৰস্বামীৰ পূজাৰ অৰ্থে খ্ৰীঃ ৫ম শতিকাত অৰ্থাৎ গুপ্ত শাসকসকলৰ প্ৰভাৱ থকা সময়ত কৰা হৈছিল। গুপ্তসকল বৈষ্ণৱ আছিল। বৈষ্ণৱসকলৰ পাঞ্চৰাত্ৰ মতত থকা চতুৰ্ব্যূহ সিদ্ধান্তত বাসুদেৱ, সঙ্কৰ্ষণ, প্ৰদ্যুম্ন আৰু অনিৰুদ্ধক উপাস্য বুলি ধৰা হয়। বলভদ্ৰৰে আন নাম সঙ্কৰ্ষণ। পাঞ্চৰাত্ৰ মততো যোগমাৰ্গৰ কিছুমান ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ভাগৱততো যদুবংশ ধ্বংস হোৱাৰ পাছত বলভদ্ৰই যোগবলেৰে দেহ ত্যাগ কৰা কথা আছে (১১।৩০।২৬)। শুক মুনিৰ মুখেদি ভাগৱত শুনাৰ পাছত পৰীক্ষিত ৰজাও সমাধিস্থ হৈছিল। জ্ঞানযোগেৰে মুক্ত হোৱাৰ পাছত তক্ষকৰ দংশন উপকৰা লৌকিক উপলক্ষ্য মাত্ৰ। বিষ্ণুৰ শক্তিকো যোগমায়া বোলা হয়। এনেকুৱা বহুত উদাহৰণেই আছে, যাৰপৰা বৈষ্ণৱ দৰ্শন আৰু সাধনমাৰ্গত যোগৰ প্ৰভাৱ সহজেই অনুমান কৰিব পাৰি। গতিকে অসমত গুপ্ত সাম্ৰাজ্যৰ সাংস্কৃতিক প্ৰভাৱ পৰা সময়ছোৱাত বৈষ্ণৱ ধৰ্মৰ লগতে যোগমাৰ্গৰ প্ৰভাৱ পৰাটো অস্বাভাৱিক নাছিল।

ভাস্কৰবৰ্মাৰ নিধনপুৰ কলি, বড়োসকলৰ মাজত প্ৰচলিত কথা, আৰু যোগীহাটীৰ বৌদ্ধ সত্ৰৰ উল্লেখেও যথাক্ৰমে শৈৱ আৰু শাক্ত মতৰ যোগেদি অসমত যোগমাৰ্গৰ প্ৰভাৱ সুকীয়া সুকীয়া সময়ত অহাৰ ইঙ্গিত দিছে।

অসমত নাথ সম্প্ৰদায়ৰ প্ৰভাৱ কেতিয়াৰপৰা পৰিল, সেই সম্বন্ধে নিশ্চিতভাৱে ক'ব পৰা নাযায়। গোৰখনাথৰ আগতেও অসমত নাথ সম্প্ৰদায়ৰ প্ৰভাৱ পৰিছিল নে কি, এনে প্ৰশ্নও হ'ব পাৰে। গোৰখনাথৰ গুৰু মৎস্যেন্দ্ৰনাথ আৰু মীননাথ দুজন মানুহ নে একজন মানুহ, সেই সম্পৰ্কেও আলোচনা কৰিবলগীয়া আছে। এই সম্পৰ্কত দুটামান কথা আমি তলত আলোচনা কৰিছোঁ।

৫) 'ৰত্নাকৰ জোপমকথা' নামৰ বজ্ৰযানী পৰম্পৰা সম্বন্ধীয় কথাৰ লগতে মৎস্যেন্দ্ৰনাথৰ কথাও আছে। মহাপণ্ডিত ৰাহুল সাংকৃত্যায়নে সেই গ্ৰন্থত থকা মৎস্যেন্দ্ৰনাথ সম্বন্ধীয় কথাৰ অনুবাদ এইদৰে কৰিছে— "মীননাথ আৰু মৎস্যেন্দ্ৰনাথ দুয়ো ভাৰতৰ পূৰ্বদিশৰ কামৰূপৰ মৎস্যজীৱী আছিল, × × × (যাত) লৌহিত্য নদী আছে, সেই লৌহিত্যক আজি-কালি ভোট দেশত [ তিব্বত দেশত ] চাংপো বোলে। × × ( মৎস্যেন্দ্ৰ ) মাছৰ পেটত ১২ বছৰ আছিল। পাছত আচাৰ্য চৰ্পটীৰ ওচৰলৈ

গ'ল। × × দুয়ো সিদ্ধ হ'ল। × × পিতাক সিদ্ধ মীনপা আৰু পুত্ৰ সিদ্ধ মছীন্দ্ৰপা।" এইমতে মীননাথ আৰু মৎস্যেন্দ্ৰনাথ দুজন ব্যক্তি; কিন্তু মৎস্যেন্দ্ৰ বাৰ বছৰ মাছৰ পেটত থকা বোলা কথাই ঘটনাৰ ঐতিহাসিকতা হানি কৰিছে। গতিকে বাৰ বছৰ মাছমৰীয়া সমাজত জীৱন কটোৱা বা ছদ্মৰূপত থকাৰ নিচিনা কথাৰ সঙ্কেত ই হ'ব পাৰে। ড° শ্ৰীমতী কল্যাণী মল্লিক প্ৰভৃতি অন্যান্য আলোচকৰ মতে মীননাথ, মৎস্যেন্দ্ৰ আৰু লুইপা একেজনেই; কিন্তু ৰাহুল সাংকৃত্যায়নৰ পুৰাতত্ত্বনিবন্ধাৱলীৰ তালিকাত লুইপাক জাতিত কায়স্থ আৰু মগধদেশীয় লোক বুলিছে। আনহাতে মীনপাক মৎস্যজীৱী আৰু কামৰূপৰ লোক বোলা হৈছে। 'কৌল-জ্ঞান নিৰ্ণয়' নামৰ পুথিমতে মৎস্যেন্দ্ৰনাথৰ জন্মস্থান 'চন্দ্ৰদ্বীপ'। মেঘনা নদৰ মোহনাত থকা 'সন্দ্বীপ' নামৰ দ্বীপকে বহুজনে চন্দ্ৰদ্বীপ বুলি ভাবে।

৬) লুইপা, মীনপা আৰু গোৰখপা তিনিওকে ৮৪ সিদ্ধৰ ভিতৰত ধৰা হৈছে; কিন্তু মৎস্যেন্দ্ৰনাথ বা মছীন্দ্ৰপা নাম তাৰ ভিতৰত নাই। আনহাতে 'গোৰক্ষবিজয়' আৰু 'মীনচেতন' নামৰ একে বিষয়-বস্তুৰ পুথি দুখনৰ কাহিনীমতেও মীননাথ আৰু মৎস্যেন্দ্ৰনাথ দুজন ব্যক্তি হ'ব নোৱাৰে। গোৰখনাথে নিজৰ গুৰুক কদলী ৰাজ্যৰ ৰাণীৰ ওচৰত মোহগ্ৰস্ত হৈ থকা অৱস্থাত পাই মোহমুক্ত কৰা কাহিনীয়েই এই দুয়োখন পুথিৰ বিষয়বস্তু। মীননাথে পুনৰ শুদ্ধ চেতনা ঘূৰাই পোৱা অৰ্থতে পুথিৰ নাম 'মীনচেতন' হৈছে। গতিকে গোৰখনাথৰ গুৰু মীননাথ বুলি এই পুথিৰপৰা বুজিব পাৰি। মীননাথ মোহগ্ৰস্ত হোৱা এই কদলী ৰাজ্যখন ক'ত? সেই সম্বন্ধে নানা মত আছে। নগাঁও জিলাৰ 'কমলা দেৱী পৰ্বত' আৰু 'বাদুলীকুৰুং' নামৰ গুহাই অনুশ্ৰুতি মতে মীননাথক যোগভ্ৰষ্ট কৰা কদলী ৰাজ্যৰ ৰাণী কমলা দেৱীৰ, আৰু বাদুলীকুৰুঙে শাপগ্ৰস্ত কদলী ৰমণীৰ কথাকে সোঁৱৰাই দিয়ে। পিছে অলৌকিকতাপূৰ্ণ অনুশ্ৰুতি আৰু প্ৰতীকধৰ্মী কাব্যৰ ওপৰত নিৰ্ভৰ কৰি ইতিহাসৰ তথ্য দাঙি ধৰাটো সহজ কথা নহয়।* তথাপি এইটো কথা নিশ্চিত যে— খ্ৰীঃ ১৪শ শতিকামানৰ আগতে অসমত শৈৱ আৰু শাক্ত ধৰ্ম প্ৰবল ৰূপে আছিল, আৰু সেই শৈৱাগম তথা শাক্ততন্ত্ৰত স্থানীয় জনগোষ্ঠীৰ লোকাচাৰ আৰু যোগমাৰ্গৰ সমন্বয় হৈছিল। লৌকিক পৰম্পৰা আৰু সাহিত্য উভয়তে ইয়াৰ লক্ষণ দেখা যায়।

**লোক-পৰম্পৰা :** 'যোগী' শব্দটোৱে অসমত তিনিটা অৰ্থ প্ৰকাশ কৰে। শাস্ত্ৰীয় অৰ্থত যোগ সাধনা কৰা সাধকক যোগী বোলা হয়। এনে সাধকে যোগৰ সহায়েৰে চমৎকাৰিতা দেখুৱাব পাৰে বুলিও বিশ্বাস আছে। শাস্ত্ৰতো যোগসিদ্ধ লোকে অণিমা, লঘিমা প্ৰভৃতি অষ্টসিদ্ধি লাভ কৰা কথা পোৱা যায়। সেইবাবে যোগীৰ প্ৰতি শ্ৰদ্ধাৰ লগতে ভয় ভাবো লুকাই থাকে। সন্ন্যাসীসকলেও যোগসাধনাৰ বলেৰে অলৌকিক কাৰ্য কৰিব পাৰে বুলি লোকবিশ্বাস আছে। দ্বিতীয়টো অৰ্থ হ'ল— অসমৰ বাহিৰৰপৰা অহা, সাপ দেখুৱাই ধন ঘটা এক শ্ৰেণীৰ দুখীয়া মানুহ। তেওঁলোকৰ আকৃতি-প্ৰকৃতি সাধাৰণ লোকৰ বাবে ভয় লগা। গেৰুৱা বা ৰঙা বৰণৰ কাপোৰেও তেওঁলোকক সাধাৰণ মানুহতকৈ কিছু পৃথক কৰি পেলায়। এই শ্ৰেণীৰ লোকক 'সাপ মেলা যোগী' বুলি সাধাৰণতে কোৱা হয়। সাধক যোগীৰ অষ্টসিদ্ধিৰ লগত সম্পৰ্ক নাথাকিলেও এওঁলোকৰ সম্পৰ্ক তন্ত্ৰ-মন্ত্ৰৰ লগত বিশেষভাৱে আছে বুলি ভবা হয়। যোগী শব্দৰ তৃতীয়টো অৰ্থই অসমৰ এটা প্ৰাচীন

* 'শৈৱদৰ্শন আৰু সাহিত্যৰ পটভূমি' নামৰ পুথিত শ্ৰীগুণেন্দ্ৰনাথ পণ্ডিতে এই বিষয়ে বহল আলোচনা কৰিছে। আমি এই প্ৰসঙ্গত সেই সম্বন্ধে বহল আলোচনাৰপৰা বিৰত থাকিলোঁ।



সম্প্ৰদায়ক বুজায়। এই সম্প্ৰদায়ৰ লোক উজনিতকৈ নামনিত বেছি। এওঁলোকক 'কাটনি' বা 'যোগী-কাটনি' বুলিও কোৱা হয়। এসময়ত এওঁলোক গোৰখনাথৰ ধৰ্মত দীক্ষিত পৰম্পৰাৰ লোক আছিল। সেইবাবে নামৰ লগত এওঁলোকে 'নাথ' উপাধি লিখে। বহুসংখ্যক নাথপন্থী লোক পাছত মহাপুৰুষীয়া বৈষ্ণৱ হ'ল যদিও তেওঁলোকে নিজৰ প্ৰাচীন পৰম্পৰাৰ চিনাকি 'নাথ' শব্দৰ সহায়েৰে দি আছিছে। এই নাথসকলৰ ঐতিহাসিক পৰম্পৰা সম্বন্ধে যথেষ্ট তথ্য আজিও প্ৰকাশ হোৱা নাই। তথাপি অসমৰ সংস্কৃতি, ভাষা আৰু সাহিত্যত এওঁলোকৰ উল্লেখযোগ্য প্ৰভাৱ আছে বুলি অনুমান কৰিব পাৰি।

অসমৰ মাটিত নাথসকল কেতিয়াৰপৰা আছে, সেই কথা আমি সঠিকভাৱে নাজানো; কিন্তু খ্ৰীঃ ১ম/২য় শতিকামানৰপৰা অৰ্থাৎ গোৰখনাথৰ ধৰ্ম গ্ৰহণ কৰাৰো প্ৰায় হাজাৰ হাজাৰ বছৰৰ আগৰে পৰা এওঁলোক অসমৰ মাটিত থাকিবলৈ লোৱাৰ সম্ভাৱনা সম্বন্ধে ঐতিহাসিক আধাৰ আছে।

নৃ-তাত্ত্বিক দৃষ্টিত নাথসকল মঙ্গোল গোষ্ঠীৰ হোৱাটোৱেই সম্ভৱ। এই গোষ্ঠীৰ লোক খ্ৰীঃ পূঃ হাজাৰ বছৰমানত চাইবেৰিয়া আৰু মঙ্গোলীয়া অঞ্চলত আছিল বুলি কয়। তেওঁলোকৰেই এভাগে চীন আৰু তিব্বতেদি আহি বহুকালৰ পাছত অসমতো থাকিবলৈ ল'লে। চাইবেৰিয়া আৰু তিব্বতৰ দৰে শীতপ্ৰধান ঠাইত থকা মানুহে অসমৰ গ্ৰীষ্মপ্ৰধান উপত্যকা অঞ্চলত থাকিবলৈ প্ৰথমতে অসুবিধা পাইছিল। সেইবাবে তেওঁলোক বহু শ বছৰ ধৰি হিমালয়ৰ পৰ্বতীয়া অঞ্চলতে বসতি কৰি আছিল; কিন্তু পাছত আৰ্থিক প্ৰয়োজনত তেওঁলোক সমভূমিৰ গ্ৰীষ্মপ্ৰধান অঞ্চলত থাকিবলৈ বাধ্য হৈ পৰিল। খ্ৰীঃ পূঃ ২য়/৩য় শতিকামানতে চীনদেশৰ পাট-কাপোৰ আৰু বাঁহৰ বস্তু তিব্বত আৰু হিমালয়বাসী কিৰাত বা মঙ্গোল গোষ্ঠীৰ লোকৰ যোগেদি ভাৰত-বৰ্ষ আৰু ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিমত থকা বলখ দেশত [আফগানিস্তানৰ উত্তৰে থকা আমুদৰিয়াৰ উপত্যকাত] বিক্ৰী হৈছিল। গতিকে মঙ্গোল গোষ্ঠীৰ এই লোকসকল ভাৰত আৰু চীনৰ সংযোগৰক্ষী স্বৰূপ হৈ পৰিছিল। ইফালে তিব্বতৰ উত্তৰ দিশে তাৰিম নদীৰ উপত্যকাত খ্ৰীঃ পূঃ ৩য় শতিকাত অশোকৰ সময়ৰেপৰা ভাৰতীয় উপনিবেশ গঢ় লৈ উঠিছিল। তাৰ পৰিণাম স্বৰূপে খ্ৰীঃ ২য় শতিকাতেই তাৰিম নদীৰ উপত্যকাইদি চীনদেশৰ লগত পামীৰ মালভূমি অঞ্চল আৰু বলখ দেশৰ পোনপটীয়া সম্পৰ্ক হ'বলৈ ধৰিলে। বলখ, পামীৰ আৰু চীনৰ এই নতুন সম্পৰ্কই হিমালয় আৰু তিব্বতবাসী কিৰাত সকলৰ বাণিজ্যত আঘাত কৰিলে। গতিকে তেওঁলোকৰ আৰ্থিক জীৱনলৈ এটা পৰিবৰ্তন আহিল। এই পৰিবৰ্তনে তেওঁলোকক অধিক পৰিমাণে শিল্প আৰু কৃষিমুখী হ'বলৈ বাধ্য কৰিলে। কৃষিমুখী হোৱাৰ পাছত তেওঁলোক লাহে লাহে কৃষিৰ উপযোগী সাৰুৱা মাটি বিচাৰি ব্ৰহ্মপুত্ৰ উপত্যকালৈ নামি আহিল আৰু চীনৰ সম্পৰ্কত থকা বাবে পাটকাপোৰৰ শিল্পকো জীৱিকাৰ এটা উপায় ৰূপে জীয়াই ৰাখিলে। পাটসূতা কটা বাবে কাটনি নামে পৰিচিত হোৱা জাতিটোৰ এয়ে ঐতিহাসিক আঁতিগুৰি হ'ব পাৰে নে কি, সেইটো বিদ্বানসকলৰ বিচাৰ্য বিষয়।

গোৰখনাথৰ ধৰ্ম গ্ৰহণ কৰাৰ আগতে কিৰাত গোষ্ঠীৰ এই লোকসকলৰ ধৰ্ম কি আছিল আমি নাজানো; কিন্তু এইটো দেখা যায় যে— দ্ৰাবিড়, অষ্ট্ৰিক আৰু কিৰাত এই তিনিওটা গোষ্ঠীৰ উপাস্য দেৱতাজন আৰ্যৰ সম্পৰ্কলৈ যোৱাৰ পাছত 'শিৱ' নামেই পৰিচিত হৈছে। শ্মশানবাসী আৰু দিগম্বৰ যোগী শিৱৰ

বাহিৰেও হালোৱা আৰু ভঙ্কুৰা সুকীয়া শিৱ এজনৰ কথা লোকপৰম্পৰাত আজিও প্ৰচলিত আছে। সম্ভৱতঃ হালোৱা শিৱজন অষ্ট্ৰিকসকলৰপৰা আহিল। যোগী শিৱ দ্ৰাবিড়সকলৰ হ'ব পাৰে, আৰু মদ-মাংস, ভাং-ধুতুৰা সকলো সেৱন কৰাজন শীতপ্ৰধান দেশৰ স্বভাৱ লৈ অহা কিৰাতসকলৰ শিৱ আছিল। কোচ-কছাৰী আদি কিৰাত গোষ্ঠীৰ লোকসকলে কৰা শিৱৰ পূজাত মদ-মাংস আদি চলা কথা মধ্যযুগৰ অসমীয়া সাহিত্যতো পোৱা যায়। কোচ-কছাৰী আদি জনগোষ্ঠীৰ তিৰোতাৰ লগত শিৱৰ যৌন সম্পৰ্কৰ কথাও অনেক ঠাইত উল্লেখ কৰা হৈছে। শৈৱাগম আৰু শাক্ততন্ত্ৰত মদ, মাংস, মৎস্য, মৈথুন আৰু মুদ্ৰাৰ প্ৰচলন থকাৰ ইও এটা কাৰণ হ'ব পাৰে। কিয়নো শীতপ্ৰধান তিব্বত আৰু হিমালয় অঞ্চলত এই বস্তুবোৰ সৰ্বসাধাৰণৰ বাবে নিষিদ্ধ কৰিব নোৱাৰি। গ্ৰীষ্মপ্ৰধান ব্ৰহ্মপুত্ৰ উপত্যকাত এই বস্তুবোৰ এৰিবলৈ তেওঁলোকক কিছু সময় লগাটো স্বাভাৱিক আছিল।

গোৰখনাথৰ যোগমাৰ্গ সাত্ত্বিক যোগীৰ সন্ন্যাস ধৰ্ম আছিল। যোগী শিৱৰ তপস্যাৰ লগত পূৰ্বোক্ত পঞ্চ মকাৰৰ সম্পৰ্ক নাছিল। নোখোৱা-নোবোৱাকৈ খোলাৰ মাজত সোমাই থকা পাটপলুৰ লেটা, ভেকুলী আৰু সাপৰ দৰে যোগীসকলেও যোগৰ বলেৰে অন্ন, জল আন কি বায়ু পৰ্যন্ত নোহোৱাকৈ থাকিব পৰা কঠোৰ সাধনাৰ শিক্ষা লাভ কৰিছিল। পণ্ডিতে গোৰখনাথৰ এনে শৈৱ ধৰ্ম গ্ৰহণ কৰা কাটনি সকল নিশ্চয় গোৰখনাথতকৈ কেইবাটাও শতিকাৰ আগতেই সমভূমি অঞ্চলত থাকিবলৈ লৈছিল। এনে স্থলত চীন আৰু বঙ্গৰ মাজত ভাৰিম উপত্যকাইদি পোনপটীয়া সম্পৰ্ক ঘটাৰ দুই-এশ বছৰৰ পাছতে অৰ্থাৎ খ্ৰীঃ ৩য় / ৪ৰ্থ শতিকামানতেই পাটকাপোৰৰ ব্যৱসায় কৰা কিৰাত গোষ্ঠীৰ লোকসকল অসমৰ সমভূমিলৈ আহিব পাৰে বুলি আমাৰ অনুমান হয়। সেয়ে হ'লে গোৰখনাথৰ ধৰ্ম গ্ৰহণ কৰাৰ আগতে ৬/৭ শ বছৰমান তেওঁলোক জনজাতিসকলৰ নিজ নিজ আহিৰ শিৱ বা শক্তিৰ উপাসক হৈ থকাটোৱেই সম্ভৱ আছিল। পাছৰ যুগৰ অসমীয়া সাহিত্যত এনে ধৰণৰ শাক্ত আৰু শৈৱ লোকপৰম্পৰাৰ প্ৰভাৱ দেখা যায়।

**সাহিত্য** :—নাথ সম্প্ৰদায়ৰ লগত জড়িত সাহিত্যক তিনিটা ভাগত বিভাগ কৰিব পাৰি। ১। নাথগুৰুসকলৰ ৰচিত সাহিত্য ২। নাথগুৰু বা ধৰ্ম সম্বন্ধে ৰচিত সাহিত্য ৩। যোগমাৰ্গী নাথধৰ্মদ্বাৰা প্ৰভাৱিত অন্য সাহিত্য।

১। নাথগুৰুসকলৰদ্বাৰা ৰচিত সাহিত্যৰ ভিতৰত জালন্ধৰপা, মীনপা, মৎস্যেন্দ্ৰনাথ আৰু গোৰখনাথৰ নামত প্ৰচলিত গ্ৰন্থসমূহ পৰে। তিব্বতীয় গ্ৰন্থাৱলীয়ে জালন্ধৰপাক আদিনাথ বুলিও কয়। জালন্ধৰনাথৰ সাতখন গ্ৰন্থ তিব্বত দেশত পোৱা গৈছে। তাৰে দুখন সেই সময়ৰ অপভ্ৰংশ ভাষাত লিখিত। এখনৰ নাম 'বিমুক্ত মঞ্জৰী-গীত', আনখনৰ নাম 'হুঁকাৰ-চিত্ত-বিন্দু-ভাৱনাক্ৰম'। 'বাহ্যান্তৰ-বোধি-চিত্তবন্ধোপদেশ' নামৰ অপভ্ৰংশ ভাষাত ৰচিত মীনপাৰো এখন গ্ৰন্থ তিব্বত দেশত পোৱা হৈছে। মহাপণ্ডিত ৰাহুল সাংকৃত্যায়নে উদ্ধাৰ কৰা এটা পদ ভাষাৰ উদাহৰণ স্বৰূপে তলত দিয়া হৈছে।

কহন্তি গুৰু পৰমাৰ্থেৰ বাট
কৰ্ম কুৰঙ্গ সমাধিক পাট।
কমল বিকসিল কহিহ ণ জমৰা
কমলমধু পিবিবি ধোকে ন ভমৰা ॥

মীনপাৰ জন্মস্থান কামৰূপ বুলি কোৱা হয়। গতিকে খ্ৰীঃ নৱম শতিকামানৰ কামৰূপীয় ভাষাৰ উদাহৰণ স্বৰূপে এই পদৰ বিষয়ে বিচাৰ কৰি চাব পাৰি।



গোৰখনাথ ৰচিত গ্ৰন্থৰ সংখ্যা বহুত। কেৱল অপভ্ৰংশতে তেওঁৰ নামত ৪০ খন গ্ৰন্থ পোৱা যায়। সেইবোৰ প্ৰাচীন হিন্দীৰ উদাহৰণ বুলি হিন্দী সাহিত্যৰ ইতিহাসকাৰসকলে কৈছে। পূজা-পাঠ, ব্ৰাহ্মণ, বেদ, মদ্য-মাংস, নাৰী, বৰ্ণ-ব্যৱস্থা প্ৰভৃতিৰ বিৰোধ কৰি ব্ৰহ্মচৰ্য, বাক্ সংযম, আত্মসংযম, শাৰীৰিক, মানসিক আৰু আন্তৰিক শুদ্ধি, জ্ঞাননিষ্ঠা আদিত গুৰুত্ব দি তেওঁ গ্ৰন্থসমূহ ৰচনা কৰিছিল। তেওঁ গদ্যতো ৰচনা কৰিছিল। গোৰখনাথৰ পাছৰ নাথপন্থীসকলে ৰচনা কৰা গদ্যগ্ৰন্থ পোৱা যায়। সবদী, পদ, শিষ্যাদৰসন, প্ৰাণসঙ্কলী, নৈখবোধ, মছীন্দ্ৰ-গোৰখবোধ প্ৰভৃতি গোৰখনাথ ৰচিত গ্ৰন্থ।

গোৰখনাথ প্ৰভৃতি নাথগুৰু আৰু যোগধৰ্ম সম্বন্ধে ৰচিত অন্যান্য সাহিত্যৰ ভিতৰত গোৰক্ষবিজয়, মীনচেতন, গোৰখগণেশগোষ্ঠী, মহাদেৱ-গোৰখ সংবাদ, গোৰখনাথজীকী সত্ৰহ কলা, গোৰখবোধ দত্ত-গোৰখ সংবাদ, যোগেশ্বৰী সাখী, নৰৱইবোধ, বিৰাটপুৰাণ, গোৰখসাৰ, গোৰখনাথকী বাণী প্ৰভৃতি লোকভাষা বা অপভ্ৰংশ ভাষাত পোৱা যায়। সিদ্ধ-সিদ্ধান্ত পদ্ধতি, বিবেক-মাৰ্তণ্ড, শক্তি-সঙ্গম তন্ত্ৰ, নিৰঞ্জন পুৰাণ আৰু বৈৰাট পুৰাণ সংস্কৃত ভাষাত পোৱা যায়। আচাৰ্য ৰামচন্দ্ৰ শুক্লই গোৰখনাথৰ পদৰ উদাহৰণ স্বৰূপে হিন্দী সাহিত্যৰ ইতিহাসত [পৃঃ ১৯] এই পদ দুফাঁকি তুলি দিছে—

স্বামী তুম্হই গুৰু গোসাঁই।
অম্হে জো সিষ সবদ এক বুঝিবা ॥
নিৰাৰংবে চেলা কূণ বিধি ৰহৈ।
সতগুৰু হোই স পুছ্য়া কহৈ ॥
অবধূ ৰহিয়া হাটে-বাটে ৰূষ বিৰষকী হায়া।
তজিবা কামক্ৰোধ লোভ মোহ সংসাৰকী মায়া ॥

২। নাথগুৰুসকল বা নাথধৰ্ম সম্বন্ধে ৰচিত পুথিবোৰত কিছুমান অসম্ভৱ কথাও পোৱা যায়; কিন্তু লৌকিক কাহিনীৰ দৃষ্টিত সম্ভৱ নহ'লেও তেনে কিছুমান কথাত ঐতিহাসিক তথ্যৰ ইঙ্গিত পোৱা যায়। উদাহৰণ স্বৰূপে দত্তাত্ৰেয়ৰ লগত গোৰখনাথৰ যুদ্ধ আৰু বাদ-বিবাদ তথা ভদ্ৰকালীৰ লগত গোৰখনাথৰ যুদ্ধৰ কথাকে ক'ব পাৰি। মহাৰাষ্ট্ৰত এসময়ত প্ৰবলভাৱে থকা দত্তাত্ৰেয় সম্প্ৰদায় আৰু মাংস-মদিৰাৰে শক্তিৰ উপাসনা কৰা শাক্ত সম্প্ৰদায়ৰ লগত গোৰখনাথৰ সংঘৰ্ষৰ কথাকে এনে ৰূপকৰ সহায়েৰে প্ৰকাশ কৰা হৈছে। ভাগৱত প্ৰভৃতি খনদিয়েক পুৰাণত অত্ৰিৰ পুত্ৰ দত্তাত্ৰেয়ৰ কথা আছে। তেওঁ প্ৰাচীন যোগমাৰ্গৰ এজন প্ৰবৰ্তক আছিল। কীৰ্তনত আছে :—

দত্তাত্ৰেয় নামে ভৈল অত্ৰিৰ তনয়।
পুছিলন্ত যোগ যদু, অলৰ্ক, হৈহয় ॥
তিনিও ৰাজাত কৈলা যোগৰ যুগুতি
তোমাৰ প্ৰসাদে পাইলা পৰম মুকুতি ॥ ( চতুৰ্বিংশতি অৱতাৰ )

এই ব্যক্তি দত্তাত্ৰেয়ৰ লগত গোৰখনাথৰ কোনো সম্পৰ্ক থাকিব নোৱাৰে ; কিন্তু দত্ত সম্প্ৰদায়ৰ প্ৰাচীন যোগমাৰ্গী আৰু গোৰখ সম্প্ৰদায়ৰ নবীন যোগমাৰ্গী সকলৰ মাজত সংঘৰ্ষ ঘটাটো অসম্ভৱ নহয়। গোৰখনাথ সম্বন্ধীয় এনেকুৱা অলৌকিক কাহিনীৰ পৰা এইটো নিশ্চিতভাৱে অনুমান কৰিব পাৰি যে—গোৰখনাথ যথেষ্ট ব্যক্তিত্বসম্পন্ন আৰু সামাজিক প্ৰভাৱশালী পুৰুষ আছিল।

গোৰক্ষবিজয় বা মীনচেতন, ময়নামতী-গোপীচান্দৰ গীত, ভৰথৰী চৰিত প্ৰভৃতি অনেক গ্ৰন্থত নাথধৰ্ম আৰু গোৰখনাথ প্ৰভৃতি নাথগুৰুসকলৰ বিষয়ে জনা যায়। অসমীয়া ভাষাত নাথধৰ্ম সম্বন্ধীয় পুৰণি পুথি দৃষ্টিগোচৰ হোৱা নাই। প্ৰাক্‌বৈষ্ণৱ আৰু

[ ৪৩ পৃষ্ঠাত চাওক ]

# বৰদেউতা কালিৰাম মেধি

শ্ৰীক্ষিতীশ মেধি

আমাৰ উপৰিপুৰুষ বৰনগৰৰপৰা (সৰভোগ) ৰামদিয়ালৈ উঠি আহিছিল যাইকৈ বেহা-বেপাৰৰ সুবিধা আৰু খেতি-বাতিৰ সুযোগৰ বাবে। কেবা শতাব্দী ৰামদিয়াত বসবাস কৰি সেই অঞ্চলৰ বাইজৰ লগত তেওঁলোক মিলি যায়, আৰু এটা ঐতিহ্যপূৰ্ণ পুৰণি পৰিয়াল হিচাপে জনাজাত হয়। তাহানি মহাপুৰুষ মাধৱদেৱে ছমাহ কাল ৰামদিয়া বালিত বাহৰ পাতি আছিল। এই সময়ছোৱাৰ ভিতৰতে গুৰুজনাই ভালেমান বৰগীত আৰু আন আন ৰচনা সৃষ্টি কৰে। মহাপুৰুষৰ সান্নিধ্যলৈ আহি ৰামদিয়াৰ সৰ্বসাধাৰণ লোক মহাপুৰুষীয়া ধৰ্মৰ প্ৰতি আসক্ত হয় আৰু কেবাখনো মহাপুৰুষীয়া সত্ৰ প্ৰতিষ্ঠা কৰে। বৰ্তমানে ৰামদিয়াত ১৪ খন সত্ৰ আছে। ইয়াৰ ভিতৰত বগৰীবাৰী সত্ৰ অন্যতম। এই সত্ৰ বৰপেটা সত্ৰৰ শাখা। এই সত্ৰৰ প্ৰতিষ্ঠাতাসকলেই পণ্ডিত কালিৰাম মেধিৰ পূৰ্বপুৰুষ। বৈষ্ণৱ ধৰ্ম আৰু কলা-কৃষ্টিৰ লগত মেধি পৰিয়ালটো জড়িত। ভাষাবিদ সুপণ্ডিত কালিৰাম মেধি এই পৰিয়ালৰ জ্যোতিষ্মান উজ্জ্বল তাৰকা।

ৰামদিয়া অঞ্চলত মেধি পৰিয়ালটো আঢ্যৱন্ত আৰু চহকী আছিল। এওঁলোকে এসময়ত সাতখন ৰঙনাওলৈ সুদূৰ ৰংপুৰ, জলপাইগুৰি আৰু মৈমনসিঙত বেহা-বেপাৰ চলাইছিল। শ শ বিঘা মাটিত খেতি কৰিছিল, গৰু-ম'হৰ বাথান বান্ধিছিল। মুঠতে ঘৰখন ধনে-জনে নদন-বদন। একান্নবৰ্ত্তী এই বৃহৎ পৰিয়ালটোৰ সৰ্বময় কৰ্তা আছিল পণ্ডিত কালিৰাম মেধিৰ বৰদেউতাক ধৰ্মকান্ত ৰাজমেধি (ধৰম মেধি)। ধৰম মেধিক ৰামদিয়াৰ সিংহপুৰুষ বুলি কোৱা হয়।

যি সময়ৰ কথা কবলৈ লোৱা হৈছে, সেই সময়ত গাঁও-ভূঁইবোৰত কোনো পঢ়াশালি নাছিল। অসমত তেতিয়া ৰেলগাড়ীৰ চলাচল হোৱা নাই। মানুহৰ যাতায়াতৰ পথ আছিল নৈবোৰ। দূৰলৈ যাব লগা হ'লে ব্ৰহ্মপুত্ৰইদি জাহাজেৰেহে যাব পৰা হৈছিল। বৃটিছ চৰকাৰে দেশ লোৱাৰ পাছত ইংৰাজী শিক্ষাৰ প্ৰচলন হবলৈ ধৰিছে মাথোন। এখন জিলাত দুই-চাৰিখন স্কুলহে স্থাপিত হৈছে। আনকি প্ৰাথমিক স্কুলৰ সংখ্যাও আঙুলিৰ মূৰত লেখিব পাৰি। গোটেই ৰামদিয়া অঞ্চলত (৫০ খন গাঁৱত) মাত্ৰ এখন প্ৰাথমিক স্কুল প্ৰতিষ্ঠা হৈছে। তেনে এটা পৰিবেশত ল'ৰা-ছোৱালীৰ শিক্ষা-দীক্ষাৰ কথা সহজে অনুমান কৰিব পাৰি।

সেই সময়ৰ ল'ৰা-ছোৱালী এটা সম্পূৰ্ণ মুক্ত বাতাৱৰণত ডাঙৰ-দীঘল হৈছিল। নানা ধৰণৰ খেল-ধেমালি কৰি খেতি-বাতিত সাধাৰণভাৱে সহায় কৰি প্ৰায় গৰখীয়া ল'ৰাৰ দৰেই চেমনীয়া কালটো কটাইছিল। চালুকীয়া অৱস্থাৰপৰা খেতি-পথাৰত



লাগি গৈছিল। পঢ়া-শুনাৰ পৰিবেশ নাই বুলিলেও হয়। প্ৰাথমিক স্কুল কেনেবাকৈ পাছ কৰিব পাৰিলে গাঁৱৰ ভিতৰতে শিক্ষিত লোক বুলি পৰিগণিত হৈছিল। সেই হিচাপেও শিক্ষিতৰ সংখ্যা আঙুলিৰ মূৰত গণিব পৰা আছিল।

বৰদেউতা কালিৰাম মেধিৰ শিশুকালৰ নাম আছিল হলিৰাম। গাঁৱৰ আন আন শিশুৰ দৰেই হলিৰামো গৰখীয়া ল'ৰা আছিল। এদিনৰ এটা সাধাৰণ ঘটনা: আমাৰ পৰিয়ালৰ সৰ্বময় কৰ্তা ধৰম মেধিক এজন মণ্ডলে হেনো অপমান কৰিলে, আৰু মণ্ডলৰ ওপৰত গোটক তুলিবলৈ ধৰম মেধিয়ে ভতিজা ল'ৰা হলিৰামক হাকিম কৰিবলৈ প্ৰতিজ্ঞা কৰিলে। উল্লেখযোগ্য যে ভতিজা ল'ৰা হলি পৰিয়ালৰ জ্যেষ্ঠ সন্তান আছিল। ধৰম মেধিয়ে প্ৰতিজ্ঞা পূৰণৰ সঙ্কল্প লৈ সেইদিনাই হলিক পঢ়াশালিত নাম লিখাই দিলে। এনেদৰে সূত্ৰপাত হয় আমাৰ বৰদেউতা কালিৰাম মেধিৰ ছাত্ৰ-জীৱন।

ধৰম মেধিৰ কনিষ্ঠ ভাতৃ ভূকলি ৰতন মেধি আমাৰ ককাদেউতা, আৰু কালিৰাম মেধিৰ পিতৃদেৱতা। ভূকলি মেধিৰ চাৰিজন পুত্ৰ (১) পণ্ডিত কালিৰাম মেধি (২) সত্ৰৰ ৰৰমেধি বলিৰাম মেধি (৩) চিৰস্তাদাৰ চেনিৰাম মেধি (৪) এড্‌ভোকেট দীননাথ মেধি। এওঁলোক প্ৰত্যেকেই নিজ নিজ ক্ষেত্ৰত খ্যাতি লাভ কৰিছিল।

সেই সময়ৰ পঢ়াশলীয়া শিক্ষাৰ পদ্ধতিও

[ ৪১ পৃষ্ঠাৰ পিছৰপৰা ]

বৈষ্ণৱ যুগত নাথধৰ্ম সম্বন্ধীয় পুথি ৰচনা কৰা হৈছিল যদিও সামাজিক চিন্তাৰ সোঁতত সলনি হোৱা বাবে সেইবোৰে উপযুক্ত সমাদৰ লাভ কৰিব নোৱাৰিলে। তাৰ ফলত নাথসাহিত্য প্ৰথমতে গুপ্ত আৰু পাছত লুপ্ত হৈ আহিবলৈ ধৰিলে; কিন্তু নাথধৰ্ম আৰু যোগমাৰ্গৰ সংস্কাৰ মধ্যযুগৰ বৈষ্ণৱ আন্দোলনেও সমাজৰপৰা দূৰ কৰিব নোৱাৰিলে। আনহাতে অসমৰ মহাপুৰুষীয়া বৈষ্ণৱসকলৰ সাধন মাৰ্গ আৰু গ্ৰন্থতো তাৰ প্ৰভাৱ গোপনে পৰিবলৈ ধৰিলে। যোগমাৰ্গ অধিক পৰিমাণে ব্যক্তিকেন্দ্ৰী ধৰ্ম; কিন্তু মধ্যযুগৰ বৈষ্ণৱ আন্দোলন প্ৰধানভাৱে সমাজমুখী আৰু সহজ। সেইবাবে কঠিন যোগসাধনা এৰি সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ লগত খাপ খুৱাই আগবাঢ়ি যোৱাৰ সুযোগ গ্ৰহণ কৰি অনেক যোগমাৰ্গী লোকে নৱবৈষ্ণৱ ধৰ্ম আদৰি ল'লে। সঘন ৰাজনৈতিক উত্থান-পতন আৰু যুদ্ধ-বিগ্ৰহে যোগ-সাধনাৰ পৰিবেশ নষ্ট কৰি পেলায়। ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ অসম পশ্চিমৰপৰা মুছলমান আৰু পূৰ্বৰপৰা আহোম আক্ৰমণৰ সন্মুখ হৈছিল। উত্তৰৰ ভোট আৰু দক্ষিণৰ কছাৰী সকলেও সঘনে উপদ্ৰৱ কৰিছিল। এনেকুৱা অশান্ত অৱস্থাত নাথধৰ্মক তল পেলাই বৈষ্ণৱসকলৰ নামধৰ্ম গা কৰি উঠিল। তথাপি নাথধৰ্মৰ সংস্কাৰ লোকমানসত থাকি গ'ল। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ পাছৰ ধৰ্মগুৰুসকল ক্ৰমে দুৰ্বল হৈ অহা বাবে তেওঁলোকৰ সময়ত আকৌ নাথধৰ্মৰ পুৰণি সংস্কাৰবোৰ নামধৰ্মৰ মাজত গোপনে সোমাই যাবলৈ ধৰিলে। পছিকে বৈষ্ণৱ গুৰুৰ নামত আৰু বৈষ্ণৱ আহিত ৰচিত সাহিত্য কিছুমানতো যোগমাৰ্গৰ প্ৰভাৱ আওপকীয়াকৈ পৰা দেখা গ'ল। প্ৰকৃততে এই শ্ৰেণীৰ সাহিত্যক শাস্ত্ৰীয় দৃষ্টিত বৈষ্ণৱ সাহিত্য আৰু নাথধৰ্মী সাহিত্য কোনো এটাৰ ভিতৰতে ঠাই দিব নোৱাৰি। শাস্ত্ৰীয় গঢ়ৰ লোক-সাহিত্য বুলি এই শ্ৰেণীৰ সাহিত্যক ক'ব পাৰি। শাস্ত্ৰীয় গঢ়ৰ লোকসাহিত্যৰ উপৰিও শুদ্ধ লোক-সাহিত্যতো যোগমাৰ্গৰ যথেষ্ট প্ৰভাৱ দেখা যায়।

[ ক্ৰমশ: ]

আমোদজনক আছিল। প্ৰথম অৱস্থাত স্কুললৈ অহা-যোৱাৰ অভ্যাস কৰাৰ বাহিৰে ল'ৰা-ছোৱালীক কোনো শিক্ষা দিয়া নহৈছিল। বকুলৰ গুটি বা তেঁতেলিৰ গুটি কিছুমান এটা মোনাত ভৰাই স্কুললৈ লৈ যোৱা হৈছিল। শিক্ষকে অ, আ বা ক, খ দুই-চাৰিটা আখৰ মাটিত আঁকি দিছিল। স্কুলত বহিবলৈ ঘৰৰপৰাই চাৰি লৈ যাব লাগিছিল। চাৰিত ভকত বহা দৰে বহি সন্মুখত শিক্ষকে আঁকি দিয়া আখৰকেইটাত গুটিবোৰ সজাই দিব লাগিছিল। সেইদৰে স্কুল ছুটী নোহোৱা পৰ্যন্ত আখৰবোৰ আগত লৈ বহি থাকিব লাগিছিল। এইটো আছিল আখৰ চিনাকিৰ পদ্ধতি। আখৰবোৰ গুটিৰে আঁকি চকুৰে চাই মগজুত সুমুৱাই লোৱাৰ পাছত ফলিত মাটি-পেঞ্চিলেৰে আঁকি শিক্ষকক দেখুৱাব লাগিছিল। আখৰ-জোঁটনি শেষ হোৱাৰ পাছত কলপাতত মহীৰে ঘৰত লিখি লৈ গৈ স্কুলত শিক্ষকক দেখুৱাব লাগিছিল। লিখা কলম হ'ল খাগৰি বা তেঁকীয়াৰ ঠাৰি অথবা চৰাইৰ পাখিৰ। স্কুলৰপৰা ঘৰলৈ আহি পিন্ধা কাপোৰ-কানি সলনি কৰি ল'ব লাগিছিল। স্কুললৈ পিন্ধি যোৱা কাপোৰ বেলেগে আছুতীয়াকৈ ৰাখিব লাগিছিল। স্কুলত বিভিন্ন জাতিৰ ছাত্ৰ-ছাত্ৰী থাকে; গতিকে গা ধুই শুচি হৈহে ঘৰত সোমাব পাৰে। এনে পৰিৱেশ আৰু শিক্ষা-পদ্ধতিৰ মাজতে প্ৰাথমিক শিক্ষা লাভ কৰিব লাগিছিল কালিৰাম মেধিয়ে।

শিশু কালতে নিজ সত্ৰ 'বৰনীবাৰীত' ভাওনাত 'নটুৱা' সাজি কৃষ্ণনৃত্য কৰি তেওঁ অজানিতে অঙ্কীয়া নাটৰ প্ৰতি আকৰ্ষিত হৈছিল। মুখত ক'লা ৰং সানি কলীয়া কৃষ্ণ কালিৰাম মেধিয়ে তাহানিয়ে নাট-সাহিত্যত প্ৰৱেশ কৰিছিল। ৰামদিয়াৰ 'ভটেলি' মেলাত সত্ৰৰ চলন্ত বিগ্ৰহ 'গোপালকৃষ্ণ' সুসজ্জিত আসনত সমদল কৰি বিহাৰ কৰাৰ সময়ত আন শিশুসকলৰ লগতে মেধিয়ে গোসাঁইৰ দণ্ডধাৰী হৈ সেই সমদলত আগ ভাগ লৈছিল। কৃষ্ণলীলা আৰু বৈষ্ণৱ-প্ৰীতিয়ে মেধিৰ শিশু কালত প্ৰভাৱ পেলাইছিল।

প্ৰাথমিক পঢ়াশালিৰপৰা জলপানি লৈ সুখ্যাতিৰে উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুলত ভৰ্তি হোৱাৰ লগে লগে ককাদেউতাক ধৰম মেধিয়ে গুৱাহাটী নগৰত ঘৰ সাজি লগুৱা ৰাখি ভতিজাক কালিৰাম মেধিৰ পঢ়াৰ সু-ব্যৱস্থা কৰি দিয়ে। ৰামদিয়াৰপৰা গুৱাহাটীলৈ যাতায়াতৰ ব্যৱস্থা আজিৰ দৰে সুচল নাছিল। নাৱেৰে ৰামদিয়াৰপৰা গুৱালকুছিলৈ আহি গুৱালকুছিৰপৰা জাহাজেৰে আহিব লাগিছিল। কেতিয়াবা লগত লগুৱা সহ ধৰম মেধি নিজে ভতিজাক হলিৰামক লৈ বাট বাটেৰে খোজ কাঢ়ি গুৱাহাটীলৈ আহিছিল। ৰামদিয়াৰপৰা গুৱাহাটীলৈ আহোঁতে গোটেই দিনটো লাগিছিল। বাটত জা-জলপান খাই জিৰাই-শঁতাই খোজ কাঢ়ি ৰামদিয়াৰপৰা উত্তৰ গুৱাহাটী পাওঁতে গধূলি হৈছিল। সন্ধিয়া ফেৰী জাহাজত পাৰ হৈ গুৱাহাটী পাইছিল। পাছলৈ আলি-পদূলিৰ কিছিং উন্নতি হোৱাত ধৰম মেধিয়ে ভতিজাকৰ বাবে ঘোঁৰা এটা ৰাখিছিল। হাইস্কুলৰ কোনোবা এটা শ্ৰেণীত পঢ়ি থাকোঁতে গুৱালকুছিৰ জাহাজ-ঘাটলৈ নাৱেৰে আহোঁতে নাও বুৰি তেওঁ ব্ৰহ্মপুত্ৰত উটি গৈছিল; কিন্তু সাঁতোৰ বিদ্যাত পাকৈত হলিৰাম সাঁতুৰি গৈ জাহাজত উঠিল।

গুৱাহাটীৰ হাইস্কুলত পঢ়ি থাকোঁতে ৰামদিয়াৰ কেবা-জনো ছাত্ৰ আহি মেধিৰ লগত থাকিবলৈ লয়, আৰু মেধিৰ থকা ঘৰটো ছাত্ৰৰ এটা মেছ হৈ পৰে। হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাত (Entrance) সুখ্যাতিৰে উত্তীৰ্ণ হৈ মেধিয়ে জলপানি পায়।



এইখিনি সময়লৈকে তেওঁ বিভিন্ন পৰীক্ষাত পোৱা বঁটাৰ পদকৰ সংখ্যা হয় ১৪ টা। সেই পদকবোৰ দেখা মোৰ মনত পৰে।

এন্ট্ৰেন্স পৰীক্ষা পাছ কৰাৰ পাছত মেধিয়ে কলেজত পঢ়িব লগা হ'ল। সেই সময়ত অসমত কলেজ হোৱা নাই। গতিকে কলিকতালৈ গৈ তাৰ প্ৰেছিডেন্সি কলেজত পঢ়াৰ ব্যৱস্থা কৰিলে। অসমৰপৰা কলিকতালৈ যোৱাৰ একমাত্ৰ উপায় আছিল জাহাজ। ৰামদিয়া গাঁৱৰপৰা কলিকতালৈ যাবলৈ সেই দিনত প্ৰায় এমাহ সময় লাগিছিল। গতিকে সকলো যোগাৰ-পাতি লগত লৈ কলিকতালৈ যাব লগা হৈছিল। ৰামদিয়াৰ ল'ৰা এজনে কলিকতাত পঢ়া শুনি মানুহ প্ৰায় আচৰিত হৈছিল। কেতিয়াবা বন্ধত কলিকতাৰপৰা ৰামদিয়ালৈ আহিলে ছাত্ৰ কালিৰাম মেধিক চাবলৈ সেই অঞ্চলৰ বাইজে মেধিৰ চ'ৰা-ঘৰ ভৰি পৰিছিল।

কলিকতাৰ প্ৰেছিডেন্সি কলেজত পঢ়ালৈকে মেধিয়ে জীৱনৰ তিনিটা মাইলৰ খুটি বা স্তৰ পাৰ হৈ যায় :— ১। শিশু হলিৰাম মেধি হিচাপে গাঁৱৰ প্ৰাথমিক পঢ়াশালিৰ ছাত্ৰ, ২। কালিৰাম মেধি হিচাপে গুৱাহাটীৰ হাইস্কুলৰ ছাত্ৰ, ৩। প্ৰেছিডেন্সি কলেজৰ ছাত্ৰ হিচাপে কলিকতা বিশ্ববিদ্যালয়ৰ ছাত্ৰ। গাঁৱৰ পঢ়াশালিত বাঁহৰ চাৰি লৈ পঢ়া অৱস্থাৰপৰা কলিকতা মহানগৰীৰ আধুনিক পৰিৱেশৰ মাজত পঢ়া বিশ্ববিদ্যালয়ৰ ছাত্ৰ কালিৰাম মেধিৰ জীৱনৰ অভিজ্ঞতাও নিতানতুন। প্ৰেছিডেন্সি কলেজৰপৰা স্নাতক হৈ পদাৰ্থ বিজ্ঞানত মেধিয়ে এম-এ পাছ কৰে। কলিকতা বিশ্ববিদ্যালয়ত তেতিয়া এম-এ পঢ়া তিনিজন অসমীয়া ছাত্ৰৰ ভিতৰত কালিৰাম মেধি অন্যতম। ৰামদিয়া গাঁৱৰ এজন ল'ৰাই যিদিনা কলিকতাত এম-এ পাছ কৰা খবৰটো ওলায়, সেইদিনা হাজো-ৰামদিয়াৰ বাইজে দীপান্বিতা উৎসৱ পাতে।

চহকী ধৰম মেধিয়ে এইবাৰ ভতিজাক কালিৰাম মেধিক বিলাতলৈ পঠোৱাৰ ব্যৱস্থা কৰিলে। বিলাতত মেধিয়ে আই-চি-এছ আৰু বাৰীষ্টাৰী পঢ়িব। ইয়াৰ আগতে আনন্দৰাম বৰুৱাই বিলাতত পঢ়িছে। ভিতৰুৱা ঠাই ৰামদিয়াৰ ধৰম মেধিয়ে এইবোৰ খবৰ জানে। বিলাতলৈ গ'লে মেধিৰ জাত যাব; এই সমস্যাটোৰ কথা কোনোবাই ধৰম মেধিক জনালে। ধৰম মেধি নাও লৈ বৰপেটা পালেগৈ। তাত চতুৰ্ভুজ সত্ৰাধিকাৰ মহাপ্ৰভুৰ পৰামৰ্শ ল'লে। প্ৰভু ঈশ্বৰে ধৰম মেধিক নিৰ্ভয় দিলে, "তোমাৰ ল'ৰা বিদ্যাশিক্ষাৰ বাবে বিলাতলৈ যাব। বিদ্যা, জ্ঞান কোনেও চুৰা কৰিব নোৱাৰে। গতিকে তোমাৰ ল'ৰা বিলাতলৈ গ'লে জাত নাযায়।" কালিৰাম মেধি বিলাতলৈ যোৱাৰ সকলো ব্যৱস্থা কৰা হ'ল। আনকি লয়েডছ বেঙ্কত টকা-পইচাও জমা দিয়া হ'ল। ঠিক এইখিনি সময়তে কিবা এটা সাধাৰণ অসুখ হৈ ধৰম মেধি স্বৰ্গগামী হ'ল। কালিৰাম মেধিয়ে বিলাত-যাত্ৰা ইমানতে বন্ধ কৰিলে। এই আকস্মিক দুৰ্ঘটনাৰ বাবে মেধিৰ বিলাতলৈ যোৱা নহ'ল।

ককাদেউতাক ধৰম মেধিৰ মনৰ ইচ্ছা পূৰণ কৰি কালিৰাম মেধি হাকিম হ'ল। পোনতে ছাব্‌ডেপুটী কালেক্টৰ হৈ নানা ঠাইত হাকিম, মুন্‌ছিফ, মহকুমাধিপতি আৰু জিলাধিপতি হিচাপে সুদীৰ্ঘ কাল ৰাজকীয় পদবীত থাকি অৱসৰ লয়।

বৃটিছ চৰকাৰে তেওঁক ৰায়বাহাদুৰ উপাধিৰে ভূষিত কৰে। মেধি ৰায়বাহাদুৰ কালিৰাম মেধি হিচাপে বিখ্যাত হোৱা নাই; তেখেত খ্যাতিমন্ত হৈছে পণ্ডিত

কালিৰাম মেধি, ভাষাবিদ, সাহিত্যিক, তত্ত্বনিধি হিচাপে। সুসাহিত্যিক কালিৰাম মেধি অসমীয়া ভাষাতত্ত্ব আৰু আৰু ব্যাকৰণৰ জনিকৰ।

কৈশোৰ কালতে প্ৰভাৱ বিস্তাৰ কৰা শঙ্কৰী কলা-কৃষ্টি আৰু সাহিত্যই মেধিৰ উত্তৰ কালৰ দিগন্ত নিৰ্ণয় কৰে। উচ্চ পৰ্যায়ৰ চৰকাৰী বিষয়া হিচাপে প্ৰশাসনীয় কাৰ্য বজাই ৰখাৰ লগতে তেখেতে মানৱীয় দিশটোও উজ্জ্বল কৰি ৰাখিছিল। সৰ্বসাধাৰণ ৰাইজৰ সমস্যাৱলী মানৱীয় দৃষ্টিৰে অনুধাৱন কৰিছিল। যিবোৰ ঠাইত তেখেতে কাম কৰিছিল, সেইবোৰৰ ভাষা-সাহিত্য, লিপি, ৰচনা, ঐতিহ্য আৰু প্ৰকাশ-ভঙ্গী এজন গৱেষক হিচাপে পৰ্যবেক্ষণ কৰিছিল। গাৰো পাহাৰৰ (বৰ্তমান মেঘালয়ৰ) তুৰাত হাকিম হৈ থাকোঁতে গাৰো ভাষাৰ ওপৰত গৱেষণা কৰি মেধিয়ে প্ৰবন্ধ লিখে। গাৰো ভাষা শিকাৰ বাহিৰেও ইয়াৰ লিপি, ব্যাকৰণ আৰু প্ৰকাশ-ভঙ্গীৰ মৌলিকতাৰ ওপৰত পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধ লিখি চৰকাৰৰপৰা এহাজাৰ টকাৰ বঁটা পায়।

শ্ৰীমন্তশঙ্কৰদেৱ, মাধৱদেৱ গুৰু দুজনাৰ কীৰ্তি-কাহিনীৰ লগত জড়িত তথ্য-পাতি সকলোবোৰ সত্ৰ-সংহতিৰপৰা আহৰণ কৰি শঙ্কৰী কলা-কৃষ্টিৰ পুনৰুদ্ধাৰৰ বাবে তেখেতে কঠোৰ পৰিশ্ৰম কৰিছিল। সত্ৰসমূহৰপৰা সাঁচিপতীয়া পুথিবোৰ সংগ্ৰহ কৰি সেইবোৰ আধুনিক পদ্ধতিৰে সঙ্কলন আৰু মূল্যায়ন কৰিবলৈ তেখেতে প্ৰচেষ্টা চলাইছিল। গোটেই জীৱন তেখেতে অসমীয়া ভাষা আৰু সাহিত্যৰ ওপৰত গৱেষণা কৰি কটাইছিল। অঙ্কীয়া নাটৰ ওপৰত গৱেষণা কৰি যুগুত কৰা 'অঙ্কাৱলী' তেখেতৰ জীৱনৰ অলঙ্কাৰ। অসমীয়া ভাষাতত্ত্ব আৰু ব্যাকৰণ তেখেতৰ কীৰ্তি-স্তম্ভ।

ভাৱ-গধুৰ ভাষাৰে লিখা বহুতো প্ৰবন্ধ তেখেতৰ সৃজনীমূলক শক্তিৰ মুক্ত প্ৰকাশ। ৰাজকীয় দায়িত্বত থকা সত্ত্বেও এদিনৰ বাবেও তেখেতৰ সাহিত্য চৰ্চাৰ পৰা বিৰত নাছিল। শেষ জীৱনত চকুৰ অসুখ হোৱাতো হাৰিকেন লেম্পৰ সহায়ত ৰাতি দুপৰলৈ গৱেষণামূলক প্ৰবন্ধ-পাতি লিখি কটাইছিল। আনকি মৃত্যুৰ দিনাখনো তেখেতৰ কলম স্তব্ধ হোৱা নাছিল। সেইবাবে কোৱা হয়, "কালিৰাম মেধিয়ে মৃত্যুলৈকে 'কালি' ব্যৱহাৰ কৰিছিল।"

মেধিয়ে অসমীয়া ভাষাটোক বৈজ্ঞানিক ভেটিত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছিল। বাতৰি কাকতত ভুল শব্দ বা বাক্য ব্যৱহাৰ কৰিলে তেখেত ক্ষুণ্ণ হৈছিল, আৰু তাৰ শুদ্ধ অৰ্থ আৰু ব্যাকৰণৰ ওপৰত আলোচনা কৰিছিল। কেতিয়াবা সাধাৰণ লোকৰ লগতো এই বিষয়ে আলোচনা কৰা দেখা গৈছিল। কামৰূপৰ গাঁৱে-ভূঞে ব্যৱহৃত জতুৱা কথাবোৰৰ মাজত সাহিত্যৰ সোৱাদ বিচাৰি পাইছিল। ওজা-পালীৰ গীত-মাতবোৰত সৰ্বসাধাৰণৰ মনৰ কথাবোৰৰ উমান পাইছিল, আৰু তাৰ মাধ্যমেৰে জন-সাহিত্যৰ মৌ-ৰস পান কৰিছিল। দুৰ্গাবৰী, শুকনানী পদবোৰত কামৰূপৰ গাঁৱলীয়া ৰাইজৰ সাহিত্য-চেতনা দেখিবলৈ পাইছিল।

একশৰণ ভাগৱতী ধৰ্মৰ পৰম বৈষ্ণৱ কালিৰাম মেধিয়ে সকলো মতাৱলম্বী লোকৰ প্ৰতি সমানে শ্ৰদ্ধা জনাইছিল। মনসা পূজাৰ দেওধনি নৃত্যৰ ওপৰতো গৱেষণা কৰিছিল। শঙ্কৰী কলা-কৃষ্টিৰ লগতে দেওধনি নৃত্য, দেৱদাসী নৃত্য, ওজা-পালী নৃত্যৰ ওপৰত গৱেষণামূলক প্ৰবন্ধ পাতি লিখিছিল।

ব্যক্তি হিচাপে তেখেত অসাধাৰণ ; সাম্য-মৈত্ৰীৰ পূৰ্ণ প্ৰকাশ। কথা-বতৰাত গাম্ভীৰ্য এটা অলঙ্কাৰস্বৰূপ।



মেধিৰ প্ৰকাশভঙ্গী সুস্পষ্ট আৰু গভীৰ। তেখেত সিয়মীয়া ৰঙা-পাম, স্বাস্থ্যৱান, হৃষ্ট-পুষ্ট। বহল বুকু, ওখ কপালৰ সৈতে মাজুৰ বৰণীয়া মেধি ভাঙৰীয়া এজন সুলক্ষণ পুৰুষ। সকলো কামতে পৰিপাটি আৰু নিয়মানুৱৰ্ত্তী। হয়তো তেখেত অভিভূত নহয়, মুখতো আত্মহাৰা নোহোৱা লোক।

চাৰিজন ভাই-ককাইৰ ভিতৰত জ্যেষ্ঠ মেধি ভাঙৰীয়া পৰিয়ালটোৰ কৰ্ণধাৰ আছিল। তেখেতৰ ছত্ৰছায়াতে ডাঙৰ-দীঘল হৈছিল আন আন ভাতৃসকল। নিজে অশেষ কষ্ট কৰি নানা বিপৰ্যয়ৰ মাজেৰে সুদূৰ কলিকতাত তেতিয়াৰ দিনত পঢ়া-শুনা কৰি বিশ্ববিদ্যালয়ৰ উচ্চতম শিক্ষা লাভ কৰি পৰিয়ালৰ আন আন ব্যক্তিসকলকো সমানে উচ্চ শিক্ষা দিছিল। কোৱা বাহুল্য, ৰামদিয়া অঞ্চলৰ উচ্চ শিক্ষাৰ বাটকটীয়া আছিল মেধি ভাঙৰীয়া। সেই অঞ্চলৰ লোকসকলে তেখেতৰপৰাই উচ্চ শিক্ষাৰ প্ৰেৰণা পাইছিল।

সুদীৰ্ঘ কালৰ চাকৰি জীৱনত তেখেতে অসমৰ ইমূৰৰপৰা সিমূৰলৈ ঘূৰি ফুৰিছিল, আৰু সকলো শ্ৰেণীৰ লোকৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাইছিল। সাহিত্যৰ প্ৰতি অনুৰাগে তেখেতক সাধাৰণ লোকৰ ওচৰ চপাই দিছিল। মেধি ডাঙৰীয়াই সহজে জনগণৰ মন আকৰ্ষণ কৰিব পাৰিছিল। এজন ন্যায় বিচাৰক হিচাপে তেখেতৰ সুনাম আছিল। মঙ্গলদৈ মহকুমাত অবৈধ অনুপ্ৰবেশকাৰীৰ সোঁত বন্ধ কৰিবলৈ ৰাইজে বাৰে বাৰে মেধি হাকিমক মহকুমাধিপতি হিচাপে পাবলৈ বিচাৰিছিল। এজন প্ৰশাসক হিচাপে মেধি প্ৰখ্যাত আছিল। তেখেত আছিল বজ্ৰতকৈয়ো কঠিন আৰু ফুলতকৈয়ো কোমল।

দেশভক্ত তৰুণৰাম ফুকনৰ কথা : এদিন এজন মক্কেল ফুকন ডাঙৰীয়াৰ ওচৰলৈ আহি এটা মোকৰ্দমাৰ উকীল হবলৈ অনুৰোধ কৰিলে। মোকৰ্দমাটো মেধি হাকিমৰ আদালতত থকা বুলি শুনি ফুকনে মক্কেলক কলে যে তেওঁ আচামী খালাচ কৰিব নোৱাৰিব। অৱশ্যে আপিলত খালাচ কৰি দিব বুলি প্ৰতিশ্ৰুতি দিলে। হাকিম হিচাপে মেধিৰ প্ৰতি ফুকনৰ এনে ধাৰণা আছিল।

মঙ্গলদৈৰ ওচৰৰ চিপাঝাৰ অঞ্চলৰ এগৰাকী ৯০ বছৰীয়া বুঢ়ী আইতাৰ কথা : "আজি-কালিৰ চৰকাৰো দেখিলোঁ আৰু বৃটিছ চৰকাৰো দেখিলোঁ ; কিন্তু কালিৰাম মেধি হাকিমৰ দৰে দ্বিতীয়জন ব্যক্তি নাপালোঁ।" মেধি হাকিম গৰীব-দুখীয়াৰ পৰম কুটুম আছিল। কথিত আছে যে মেধি হাকিমে ভকত-সেৱাৰ (বাত্তি-সেৱা ?) ভকতৰ বেশ লৈ মূৰত ভকতীয়া টুপী পিন্ধি সেৱাত যোগ দিছিল ; আৰু ভকত-ভকতনীৰ লগতে নিজেও ভকত হৈছিল। ভকত-ভকতনীয়ে পালন কৰা ৰাতি-সেৱাৰ আতি-গুড়ি মাৰি মেধিয়ে প্ৰবন্ধ লিখিছিল।

১৯৩৬ চনত মঙ্গলদৈত অসম সাহিত্য সভাৰ অধিবেশন বহে। মেধি হাকিম তেতিয়া মঙ্গলদৈত মহকুমাধিপতি। সাহিত্য সভাৰ সকলো যা-যোগাৰ আৰু ব্যৱস্থাপনা তেখেতৰ দিহা-পৰামৰ্শ মতে হৈছিল। আচলতে মেধি চাহাবেই সাহিত্য সভা যেন হৈছিল। মঙ্গলদৈৰ ৰাইজে মেধি হাকিমক আঁকোৱালি লৈছিল। অতি আপোনজন হিচাপে মেধি ডাঙৰীয়াৰ ওচৰলৈ ৰাইজৰ সকলোৰে অবাধ গতি। ৰগৰ কৰি কোনো কোনোৱে মেধি হাকিমৰ চাহ খোৱা কাপযোৰৰ নাম ৰাখিছিল এলিফেণ্ট কাপ (হাতী কাপ)। (মেধি ডাঙৰীয়াই চাহ অলপ বেছিকৈ খাইছিল আৰু কাপযোৰ ডাঙৰ আছিল।)

[ ৪৯ পৃষ্ঠাত চাওক ]

# জাতীয়তাবাদী কবি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাৰ ধ্বনি-কাব্যত এভুমুকি

ড° সৰ্বেশ্বৰ ৰাজগুৰু

আগকথা :

পৃথিৱীৰ বিভিন্ন অঞ্চলত সময়ে সময়ে দেখা দিয়া ৰাজনৈতিক, সামাজিক, ধৰ্মীয় আদি আন্দোলন-বোৰক শক্তিশালী আৰু সফল কৰি তোলাত সেই সেই অঞ্চলৰ সমসাময়িক সাহিত্যাই সদায় সহায় কৰি আহিছে। আমাৰ ভাৰতবৰ্ষতো জাতীয় আন্দোলন, স্বাধীনতা আন্দোলনৰ সময়ত ভাৰতৰ বিভিন্ন অঞ্চলৰ কবি-সাহিত্যিকসকলে গীত, কাব্য, নাটক আদি বিভিন্ন প্ৰকাৰৰ ৰচনাৰে ইয়াৰ অগ্ৰ-গতিত প্ৰেৰণা যোগাইছিল আৰু সহায় কৰিছিল। এই কবি-সাহিত্যিকসকলৰ বহুতেই হয়তো ৰাজ-নৈতিক আন্দোলনত কোনো ৰাজনৈতিক দলৰ সভ্য হৈ সক্ৰিয়ভাৱে যোগদান কৰা নাছিল; কিন্তু তেওঁলোকে ৰচনা কৰা নাটক, গীত, কবিতা, কাব্য আদি সাহিত্য-কৰ্মৰ যোগেদি জনোৱা আহ্বানে দেশৰ সহস্ৰ সহস্ৰ জনতাৰ অন্তৰত দেশ-প্ৰেমৰ জ্বলন্ত অগনি জ্বলাই তুলিছিল। একোটা গীতৰ অন্তৰালত নিহিত থকা দেশপ্ৰেমৰ অগ্নিময়ী ভাবোচ্ছ্বাসে, একোটা গীতৰ শব্দ-ঝঙ্কাৰৰ ৰণোন্মাদ ধ্বনিয়ে মাতৃভূমিৰ হকে, দেশৰ স্বাধীনতাৰ হকে সহস্ৰ সহস্ৰ জনক আনন্দ মনেৰে বৃটিছ সাম্ৰাজ্যবাদীৰ গুলী বুকু পাতি লবলৈ বা সহস্ৰ সহস্ৰ জনক বৃটিছ সাম্ৰাজ্যবাদীৰ অন্ধকাৰ কাৰাগাৰলৈ অম্লান বদনে আগবাঢ়ি যাবলৈ উদ্দীপিত কৰি তুলিছিল। বঙ্গদেশৰ চাৰণকবি মুকুন্দ দাসৰ গীতৰ কথা স্বাধীনতা আন্দোলনৰ যুঁজাৰুসকলৰ কোনে নাজানে, বা আমাৰ অসম-কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ অগ্নি-বৰষা গীতবোৰৰ কথাকে কোনে নাজানে? বঙ্গদেশৰ 'নীলদৰ্পণ' নাটকে এসময়ত বৃটিছ সাম্ৰাজ্যবাদীসকলক সন্ত্ৰস্ত কৰি তুলিছিল। সাহিত্যৰ অন্তৰালত নিহিত থকা এই শক্তিৰ কাৰণেই কোৱা হয়, "Pen is mightier than the sword"— তলোৱাৰৰ খোঁচতকৈ কলমৰ খোঁচ বেছি চোকা। অসমত স্বাধীনতা আন্দোলনৰ সময়ত এনেদৰে সাহিত্য-চৰ্চাৰ যোগেদি মুক্তি-যুঁজাৰুসকলক প্ৰেৰণা যোগোৱা কবি-সাহিত্যিকসকলৰ ভিতৰৰ অন্যতম হ'ল বনায়ধন্য "চাৰণকবি" বা "ধ্বনিকবি" শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা।

ধ্বনিকবিৰ পৰিচয় :

"ধ্বনিকবি" শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাৰ জন্ম হয় শিৱসাগৰ জিলাৰ যোৰহাট মহকুমাৰ টীয়কত। "A Poet is born, not made"। কবিৰ কবি-প্ৰতিভা দৈৱী প্ৰতিভা। তথাপি দেখা যায় যে বহু সময়ত সংস্কাৰ, বংশ-পৰম্পৰা আৰু সমাজ তথা পৰিবেশে এই প্ৰতিভাৰ বিকাশত সহায় কৰে আৰু এই প্ৰতি-ভাক সোণত সুৱগাৰ দৰে অধিক উজ্জ্বল কৰি তোলে। "ধ্বনিকবি" বা "চাৰণকবি" আখ্যাৰে সুপৰিচিত জাতীয়তাবাদী এই কবিজনাৰ জাতীয়তা-বাদী ভাবৰ বা তেওঁৰ প্ৰতিভাৰ বিচাৰ-বিশ্লেষণত তেওঁৰ বংশ, সমাজ তথা পৰিবেশৰ কথাও অনুল্লে-খিত হৈ থাকিব পৰা বিষয় নহয়। ধ্বনিকবিৰ জন্ম হয় প্ৰখ্যাত টীয়কীয়া পণ্ডিতপ্ৰবৰ শুকদেৱ অধ্যাপকৰ বংশত। এই বংশতেই জন্ম লাভ কৰা কবিৰ আন এজন উপৰিপুৰুষ হ'ল ওঠৰ শ সাতাৱন চালৰ স্বাধীনতা আন্দোলনৰ অসমৰ প্ৰথম শ্বহীদ মণিৰাম দেৱানৰ সখি হেমকণ্ঠ শৰ্মা, যাক লখোদৰ যেন দেখি দেৱানে "পেটাল বৰুৱা" বুলি সম্বোধন কৰিছিল। পুৰন্দৰসিংহৰ দিনত হেমকণ্ঠ শৰ্মাই ৰজাঘৰীয়া বিষয়-বাবো পাইছিল। ইতিহাসৰ ফালৰপৰা চালে দেখা যায় যে অসমৰ স্বাধীন ৰাজনৈতিক আমোল আৰু ভাৰতৰ প্ৰথম স্বাধীনতা আন্দোলন, এই উভয়ৰে লগত বৰুৱাৰ বংশৰ সম্বন্ধ আছিল। গতিকে কবিৰ জাতীয়তাবাদী মনোভাবৰ বিকাশত তেখেতৰ জন্মসূত্ৰয়ো যে অৰিহণা যোগোৱা নাছিল, এই কথা ক'ব নোৱাৰি। সেইদৰে সাহিত্য-চৰ্চাৰ পৰম্পৰা বা উহ্ বিচাৰি গ'লেও দেখা যায় যে এই বংশৰ সন্তি-সন্ততিসকলে আজিও টীয়কীয়া পণ্ডিত অধ্যাপক শুকদেৱৰ বংশধৰ বুলি পৰিচয় দি গৌৰৱ বোধ কৰে। এই বংশৰে অন্যতম কমল চন্দ্ৰ বৰুৱাদেৱে চাহ বাগিচাৰ মাজত থাকিও এসময়ত 'বৰদৈ চিলা'ৰ নিচিনা আলোচনী প্ৰকাশ কৰি অসমত এক সাহিত্যিক আলোড়নৰ সৃষ্টি কৰিছিল। ধ্বনিকবি বৰুৱা ডাঙৰীয়াৰ কলিকতাত পঢ়ি থকা অৱস্থাত সাহিত্য-চৰ্চাৰ সতীৰ্থ আছিল কবি পাৰ্বতিপ্ৰসাদ বৰুৱা। সেই সময়ত কলিকতাত থকা অসমীয়া ডেকা সাহিত্যিকসকলক প্ৰেৰণা আৰু উৎসাহ যোগাইছিল বনফুলৰ কবি দুৱৰাদেৱে।

জ'াজী হাইস্কুলৰ শিক্ষক হিচাপে কৰ্মক্ষেত্ৰত প্ৰৱেশ কৰি তেখেতৰ সাহিত্য-চৰ্চা আৰু জাতীয়তাবাদী মনোভাৱৰ প্ৰতি স'হাৰি জনোৱা ভালেমান সতীৰ্থ পাইছিল। স্বাধীনতা আন্দোলনৰ সময়ত জনসাধা-ৰণৰ মনত জাতীয় চেতনা সৃষ্টি কৰিবৰ কাৰণে ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত সেই সেই অঞ্চলৰ বীৰ-বীৰাঙ্গনাসকলৰ তিথি-উৎসৱ বিশেষ গুৰুত্বভাৱেৰে পতা হৈছিল। এনে উৎসৱৰ ভিতৰত অসমত বীৰ চিলাৰায়, মহাবীৰ লাচিত বৰফুকন, মণিৰাম-পিয়লি, সতী জয়মতী আৰু সতী ৰাধিকাৰ উৎসৱেই আছিল প্ৰধান। এইবোৰ উৎসৱৰ ভিতৰত জ'াজী হাইস্কুলৰ গাতে লাগি থকা চাপৰিটিত ৩।৪ দিনীয়াকৈ লাচিত মেলা পতা হৈছিল। জ'াজীৰপৰা ৪।৫ মাইলমান আঁতৰত চাৰিঙত পতা হৈছিল মণিৰাম-পিয়লিৰ উৎসৱ। জয়সাগৰকে কেন্দ্ৰ কৰি শিৱসাগৰ মহ-কুমাৰ বিভিন্ন অঞ্চলত পতা হৈছিল সতী জয়মতীৰ উৎ-সৱ। এই উৎসৱবোৰৰ ভিতৰুৱা প্ৰধান উদ্দেশ্য আছিল দেশৰ জনসাধাৰণক দেশপ্ৰেম আৰু জাতীয়তাবাদী মনোভাবেৰে উদ্বুদ্ধ কৰি তোলা। বিদেশী বস্ত্ৰ আৰু মাদক দ্ৰব্য বৰ্জন, সূতা কটা, খদ্দৰ পৰিধান, দেশীয় বস্তুৰ ব্যৱহাৰ আদিৰ প্ৰচাৰ কাৰ্য চলোৱাও আছিল এই উৎসৱবোৰৰ লক্ষ্য। ইয়াৰ বাহিৰেও শিৱসাগৰ মহকুমাৰ বিভিন্ন ঠাইত ৰায়ত সভা আৰু কৃষক সভাবোৰ হৈছিল। এই উৎসৱ, মেলা আৰু সভা-সমিতিবোৰত বৰুৱা ডাঙৰীয়াই তেখেতৰ সতীৰ্থসকলৰ সৈতে প্ৰায়ে যোগদান কৰিছিল বা অংশ গ্ৰহণ কৰিছিল। এই সভা-সমিতি আৰু উৎসৱবোৰে স্বাধীনতাকামী আৰু জাতীয়তাবাদী বৰুৱা ডাঙৰীয়াৰ মনক সততেই পৰিপোষণ আৰু পৰিবৰ্দ্ধন কৰিছিল। জ'াজী হাইস্কুলৰ কাষতে থকা যিটি চাপৰিত ৩।৪ দিনীয়াকৈ লাচিত মেলা



---

( ৪৭ পৃষ্ঠাৰ পিছৰপৰা )

কামৰূপ অনুসন্ধান সমিতি মেধি ডাঙৰীয়াৰ শেষ কালৰ প্ৰধান কৰ্মক্ষেত্ৰ আছিল। এই অনুসন্ধান সমিতিৰ যোগেদি মেধিয়ে গৱেষণামূলক প্ৰবন্ধ-পাতিবোৰ প্ৰকাশ কৰিছিল। অনুসন্ধান সমিতিৰ অনুসন্ধান ( Research ) কাৰ্যতেই মেধিয়ে শেষ নিশ্বাস পেলালে। ০ ০ ০

পত্তা হৈছিল, তাৰ কাষেদিয়েই বৈ গৈছে বড়াজান; কিম্বদন্তীৰ মতে এই বড়াজানৰ দাঁতিতেই আছিল কবিৰ 'বড়ামুৰা' কবিতাৰ নায়ক বড়ামুৰা বীৰৰ ঘৰ। কথিত আছে যে এই বড়াজানৰ ওচৰৰ চাপৰিত আৰু ইয়াৰপৰা ডেৰ মাইলমান পূবত মাছখোৱা গড়ৰ দাঁতিত ফুলপানী ছিগাত গৈ সেনাপতিৰ নেতৃত্বত অসমীয়া সেনাই মান সেনাক বাধা দিবৰ বাবে চেষ্টা কৰিছিল। বড়াজানৰ ওচৰৰ চাপৰিটিত কেইবাটাও প্ৰাচীন বন্দুকৰ গুলী পোৱা হৈছিল। এইবোৰ কবিৰ সমাজৰ কথা, বংশৰ কথা, ইতিহাসৰ কথা আৰু স্থানৰ ঐতিহাসিক মাহাত্ম্যৰ কথা, কিন্তু এইবোৰেই জানো কবি-মানসত নানান ভাব-তৰঙ্গৰ সৃষ্টি কৰি বিভিন্ন বৰ্ণালীৰে সমৃদ্ধ হৈ এক স্বকীয় ৰসময় আৰু ৰূপময় নতুন ৰূপত ভূমুকি মাৰি পাঠককো এক ৰসময়, আনন্দময় আৰু সৌন্দৰ্যময় উপলব্ধিৰে অভিভূত কৰি নোতোলে? প্ৰতিধ্বনি নামৰ পুথিখনিৰ 'প্ৰতিধ্বনি' নামৰ প্ৰথম কবিতাত কবিয়ে নিজেই কৈছে:

"অঘটন ঘটা নাই অকথন কোৱা নাই,
শুনা নাই সংসাৰত নোহোৱা নোপজা;
ৰূপৰ সলনি হ'ব পাৰে কোনোটিৰ,
যুগে যুগে পদু শুকু হয় জেউতিৰ,
তথাপিও একে সত্য তানে প্ৰতিধ্বনি,
অসীমত চিৰকাল ৰজনজনায়।"

অৱশ্যে সদায় দেখি থকা কথা বা বস্তুক কবিয়ে যেতিয়া তেওঁৰ ভাষাৰে কয় বা তেওঁৰ ভাষাৰে বৰ্ণনা কৰি দেখুৱাই দিয়ে, তেতিয়া আমাৰ আগত এটা নতুন ৰূপ লৈ আবিৰ্ভাৱ হয়, সি এটা নতুন সৃষ্টি হয়; আৰু এই কাৰণেই কবিক কোৱা হয় প্ৰজাপতি।

বৰুৱা ডাঙৰীয়াৰ সাহিত্য-চৰ্চাৰ কেইবাটাও দিশ আছে; তেখেত এজন শিশু-সাহিত্যিক, এজন সাৰ্থক নাট্যকাৰ আৰু এজন হাস্যৰসিকো। 'টি টি হেই', 'বেঙেনা ৰহস্য' তেখেতৰ দুখন প্ৰহসন; 'কেৰপাই শৰ্মা' ছদ্মনামত তেখেতে বাঁহীত এলানি ধুহুৰীয়া ৰচনাও লিখিছিল। 'পাৰ্থ সাৰথি', 'শৰাইঘাট', 'অষ্ট বজ্ৰ', 'শকুন্তলা' আদি তেখেতৰ গহীন নাটক। 'ৰাজস্থানৰ গল্প', 'মহাৰাজ নৰনাৰায়ণ', 'ল'ৰাৰ বেজবৰুৱা', 'আমাৰ বেজবৰুৱা', 'অসম গৌৰৱ' আৰু 'শিশুধ্বনি' (কবিতা) তেখেতৰ শিশু-সাহিত্য। বৰুৱাই ভালেমান দিন 'মিলন' নামৰ আলোচনীখনো সম্পাদনা কৰিছিল। কিন্তু সেই সকলো প্ৰকাৰৰ ৰচনাতে নিষ্ঠা আৰু সফলতাৰে হাত দিয়া সত্ত্বেও কোমল মন, মিষ্ট ভাষণ আৰু বিনন্দীয়া মনৰ অধিকাৰী এই সুদৰ্শন সাহিত্যিকজন প্ৰধানতঃ কবিহে। কবি হিচাপেও তেখেতৰ কবিতাত প্ৰধানকৈ জাতীয় ভাবৰ আৰু অতীত গৌৰৱৰ যশোগান কীৰ্তনেহে প্ৰাধান্য লাভ কৰিছে। ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ ভাষাত— "উদ্দীপনাপূৰ্ণ ভাবৰ আৰু অতীত গৌৰৱৰ যশোগান কীৰ্তন কৰাতহে তেওঁৰ কবি-প্ৰকৃতিৰ সম্যক পৰিস্ফুৰণ হৈছে। তেওঁৰ কবিতাৰ অনুপ্ৰেৰণাৰ থল অতীত কীৰ্তি আৰু শৌৰ্য-বীৰ্য। ইতিহাসৰ ঘটনাক সজীৱ আৰু স্পন্দনপূৰ্ণ ৰূপ দিয়াত তেওঁৰ অসামান্য দক্ষতা প্ৰকাশ পাইছে। বৰুৱাক অসমৰ 'চাৰণ কবি' আখ্যা দিব পাৰি।" প্ৰাকৃতিক সৌন্দৰ্য আৰু অন্যান্য বিষয়ক অৱলম্বন কৰি লিখা কবিতাও আছে। প্ৰকৃতি বিষয়ক কবিতাবোৰলৈ লক্ষ্য কৰিলে অনুমান হয় যেন প্ৰকৃতিয়েও বৰুৱাৰ কবি-মানসত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে। তথাপি ক'বই লাগিব যে উদ্দীপক, উদ্দীপনাময়ী, জাতীয়তাবাদী আৰু দেশপ্ৰেমমূলক কবিতাবোৰেহে যেন শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা ডাঙৰীয়াক অধিক উৰ্দ্ধত স্থাপন কৰিছে আৰু সেইবোৰ কবিতাৰ যোগেদিয়েই যেন তেখেতৰ



কবি-মানসৰ আৰু স্বকীয় বৈশিষ্ট্যৰ পৰিস্ফুৰণ অধিক সমুজ্জ্বল হৈ উঠিছে। বেজবৰুৱা, বাধা ফুকনকে আৰম্ভ হোৱা অতীতৰ জয়গান গোৱা, জাতীয় ঐক্যৰ কাৰণে আহ্বান জনোৱা, পৰাধীনতাৰ গ্লানি গোৱা দেশ-প্ৰেমমূলক কবিতাৰ বিংশ শতাব্দীৰ তৃতীয়-চতুৰ্থ দশকত যি জোৱাৰ উঠিছিল, তাত শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাৰ জাতীয়তাবাদী কবিতাবোৰে বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছিল। তেখেতৰ এনে কবিতাৰ তিনিটি প্ৰধান সংগ্ৰহ হ'ল শঙ্খধ্বনি (১৯২৪-২৫), প্ৰতিধ্বনি (১৯৩৮) আৰু জয়ধ্বনি (১৯৭৪)। ইয়াৰে প্ৰথম দুখন কবিতাৰ পুথি স্বাধীনতা লাভৰ আগত আৰু তৃতীয়খন স্বাধীনতা লাভৰ পাছত প্ৰকাশ হোৱা। এই তিনিখন কবিতা পুথিৰ বাহিৰেও তেখেতৰ 'শিশুধ্বনি' আৰু 'অন্তৰধ্বনি' নামৰ কবিতা সংগ্ৰহ আছে; কিন্তু আমাৰ আলোচনা ওপৰত উল্লেখ কৰা প্ৰধান সংগ্ৰহ তিনিটাৰ ভিতৰতে আবদ্ধ থাকিব।

## ধ্বনি-কাব্যত কাব্যৰ প্ৰাণ ধ্বনি :

"উদ্দীপনাপূৰ্ণ জাতীয় ভাবৰ আৰু অতীত গৌৰৱৰ যশোগান কীৰ্তন" কৰাৰ কাৰণে বৰুৱাক যেনেকৈ 'চাৰণ কবি' বুলি অভিহিত কৰিব পৰা যায়, সেইদৰে শঙ্খধ্বনি, প্ৰতিধ্বনি, জয়ধ্বনি আদি নামেৰে কবিতা সঙ্কলন প্ৰকাশ কৰাৰ কাৰণেও তেখেতক 'ধ্বনিকবি' বুলি অভিহিত কৰিব পৰা যায় বা কৰা হয়। এতিয়া এই কবিতা সঙ্কলনকেইটাৰ নামৰ কাৰণেই শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাক 'ধ্বনিকবি' বুলিব পৰা যায় নে, তেখেতৰ কাব্যত প্ৰাচীন আলঙ্কাৰিকসকলে উল্লেখ কৰা 'ধ্বনি'ৰ বিশেষ অৰ্থ থকাৰ কাৰণেও তেখেতক 'ধ্বনিকবি' আৰু তেখেতৰ কাব্যক 'ধ্বনি-কাব্য' আখ্যা দিব পৰা হয়, সেই কথাও এই আলোচনাৰ প্ৰসঙ্গতে চমুকৈ হ'লেও আলোচনা কৰি চোৱাৰ প্ৰয়োজন আছে। ধ্বনি শব্দৰ সাধাৰণ অৰ্থ হৈছে "শব্দ, অৰ্থ নথকা শব্দ, বস্তুৰে বস্তুৰে ঠেকা খাই ওলোৱা মাত।" সেই কাৰণৰ পৰা শঙ্খধ্বনি আৰু প্ৰতিধ্বনিৰ সাধাৰণ বা বাচ্যাৰ্থ হৈছে যথাক্ৰমে শঙ্খৰপৰা নিৰ্গত হোৱা মাত আৰু কোনো ঠাইত ঠেকা খাই উলটি আহি কাণত পৰা শব্দ। কিন্তু কাব্যত ইয়াৰ এটা বিশেষ অৰ্থও আছে; কাব্যত শব্দ আৰু বাচ্যাৰ্থ গৌণভাৱে থাকি ব্যঙ্গাৰ্থ বা লুকাই থকা অৰ্থ প্ৰকাশ কৰিলে তাকেই ধ্বনিকাব্য বোলা হয়। প্ৰাচীন আলঙ্কাৰিকসকলে এনে ধ্বনিহীন কাব্যক প্ৰাণহীন বুলি অভিহিত কৰিছে। আকৌ বস্তুধ্বনি, অলঙ্কাৰধ্বনি আৰু ৰসধ্বনি হিচাপে ইয়াৰো প্ৰকাৰ বা ভেদ আছে। উল্লেখ কৰা কবিতাপুথি তিনিখনৰ— বিশেষকৈ প্ৰথম দুখন পুথিৰ নামকেইটা আৰু ইয়াত সন্নিবিষ্ট কিছুমান কবিতা বিশ্লেষণ কৰি চালে দেখা যায় যে আলঙ্কাৰিকসকলে প্ৰশংসা কৰা "ধ্বনি" বৰুৱাৰ কাব্যত বিৰাজমান। শঙ্খধ্বনিৰ বিশেষ অৰ্থ হৈছে আবহমান কাল ধৰি সকলো প্ৰাণীৰ অন্তৰত চেতনা সঞ্চাৰ কৰাৰ, কৰ্মত ব্যাপৃত কৰাৰ মহাবাণী। বৰুৱাৰ 'শঙ্খধ্বনি'ৰো অৰ্থ হৈছে আত্মচেতনা লাভ কৰা আৰু দৌৰ্বল্য বা সুষুপ্ত অৱস্থা পৰিহাৰ কৰি জাগ্ৰত হৈ কৰ্মত প্ৰবৃত্ত হোৱাৰ ধ্বনি বা আহ্বান। শঙ্খধ্বনি হৈছে কুৰুক্ষেত্ৰ মহাৰণত বিষাদক্লিষ্ট অলস অৰ্জুনৰ অন্তৰত শক্তি সঞ্চাৰ কৰি ক্ষত্ৰিয়ৰ কৰ্তব্য স্বাধিকাৰ সাব্যস্ত কৰা যুদ্ধত প্ৰবৃত্ত হোৱাৰ বাবে জনোৱা আহ্বান। কবিৰ "শঙ্খধ্বনি"ৰো অৰ্থ হৈছে পৰাধীনতাৰ কবলত আত্মচেতনা হেৰুৱাই অলস হৈ পৰা ভাৰতৰ সহস্ৰ সহস্ৰ পাৰ্থৰ (জনৰ) অন্তৰত আত্মচেতনা আৰু শক্তিৰ সঞ্চাৰ কৰি কৰ্মত প্ৰবৃত্ত হোৱাৰ, "স্বাধীনতা মোৰ জন্মগত স্বত্ব" এই স্বাধিকাৰ প্ৰতিপন্ন কৰা যুদ্ধত প্ৰবৃত্ত হোৱাৰ প্ৰতি জনোৱা আহ্বান। সেইদৰে "প্ৰতিধ্বনি" হ'ল অতীত অসমৰ গৌৰৱপূৰ্ণ ইতিহাসৰ

ধ্বনি বা মহাবাণী, যাৰ সহায়েৰে কবিয়ে দেশবাসীক জাতীয় চেতনাৰে উদ্বুদ্ধ কৰি দেশৰ লুপ্ত হ'ব খোজা গৌৰৱ পুনৰ ঘূৰাই আনিবলৈ উদাত্ত আহ্বান জনাইছে। 'শঙ্খধ্বনিৰ' 'শ্মশান' নামৰ কবিতাটিত কবিয়ে ৰণাগীৰ মুখেদি কোৱাইছে :

"সমগ্ৰ বুকুৰ ৰক্ত উঠলি আহক জাতীয় প্ৰাণ,
পৰ্বতে-পাষণ্ডে মুখৰিত কৰি ফুটক মুখত জাতীয় গান,
নিজৰ স্বত্ব নিজৰ দেশত কৃষকে লক বলেৰে আনি,
অন্ত পৰক দুখীয়া জনৰ ৰক্ত শোষণ জাতীয় গ্লানি।"

সেইদৰে শঙ্খধ্বনিত সন্নিবিষ্ট "মইনা" নামৰ কবিতাত পিঞ্জৰাবদ্ধ মইনা উপলক্ষ্য মাত্ৰ ; পিঞ্জৰাবদ্ধ মইনাৰ যোগেদি কবিয়ে এসময়ত উন্মুক্ত আকাশত বিচৰণ কৰা মইনাৰ বৰ্তমান পিঞ্জৰাবদ্ধ অৱস্থাৰে ভাৰত-বাসীৰ অতীতৰ গৌৰৱপূৰ্ণ স্বাধীন আৰু বৰ্তমানৰ (সেই সময়ৰ) পৰাধীন অৱস্থাৰ কথাকেই বেদনাসিক্ত ভাষাৰে স্মৰণ কৰিছে। মইনাৰ পিঞ্জৰাবদ্ধ অৱস্থাই কবিক তেওঁৰ সগোত্ৰী স্বাৰ্থপৰ মানুহে পৰাধীন কৰি ৰখা করুণ ইতিহাস সোঁৱৰাই দিছে। কিন্তু স্বাধীনতাৰ মূল কথা শক্তি ; শক্তিৰ অবিহনে স্বতন্ত্ৰতা উদ্ধাৰ কৰিব নোৱাৰি আৰু অব্যাহত ৰাখিবও নোৱাৰি। সেই কাৰণেই পিঞ্জৰাবদ্ধ মইনাক আহ্বান জনোৱাৰ ছলেৰেই কবিয়ে পৰাধীন অৱস্থাত থকা মুক্তি-যুঁজাৰু ভাৰতবাসীকো শক্তিৰ সাধনা কৰিবলৈ সকীয়াই দিছে :

"মইনাৰ শক্তি ধৰি নোৱাৰিবি আৰু
নিজকেই কৰিব উদ্ধাৰ,
মুক্তি যদি বাঞ্ছা কৰ এই জনমত
শক্তিৰ তপস্যা কৰ সাৰ।" (মইনা)

শঙ্খধ্বনিত উল্লেখ কৰা পাৰ্থ হৈছে সাম্ৰাজ্যবাদী শক্তিৰ বিৰুদ্ধে যুদ্ধ বা আন্দোলন চলোৱা মুক্তি যুঁজাৰুসকল,— প্ৰধানকৈ দেশৰ যুৱকদল।

'প্ৰতিধ্বনি' কবিতা পুথিখনিত কবিয়ে অতীত অসমৰ গৌৰৱৰাশিৰ কথা সোঁৱৰাই দেশবাসীৰ সুপ্ত চেতনা জগাই তুলিবলৈ প্ৰয়াস কৰিছে। উদাহৰণস্বৰূপে 'ৰঙ্পুৰ' নামৰ কবিতাত কবিয়ে কৈছে—

"ৰঙ্পুৰে ৰঙ্ কৰি
শকতিৰ গুৰি ধৰি,
শাসিলে অসম অসমীয়া,
ৰঙ্পুৰ নহয় দুখীয়া
নাই তাৰ কোনো সমনীয়া।"

কিন্তু সেই ৰংপুৰ আজি নাই—

"এনে ৰঙ্পুৰ আজি
দীন হীন বেশে সাজি
কালেহুৰ অৱশেষ লৈ
হাৰি-হাড়ে অৰক্ষিত হৈ
পথাৰত আছে মাথোঁ ৰৈ।"

একালৰ বৃন্দাবনৰ এই ছন পৰা ছবিয়ে মানুহৰ অন্তৰত জানো বেজাৰৰ সৃষ্টি নকৰে, মানুহক জানো ভৱাই নোতোলে ? অৱশ্যে যাৰ ভাবিবৰ শক্তি নাই, তাৰ বেজাৰো নাই। মানুহৰ জানো ভাবি পৰা শক্তি নাই ? যাৰ ভৱা শক্তি নাই সি জানো মানুহ নামৰ যোগ্য ?

"জহি পৰি মৰে কৰি
বেজাৰৰ দেখি ছবি,
অৰি তাৰ নিজে সৃষ্টিকৰ,
দিলে তাক শক্তি ভাবিবৰ,
নভৱাৰ বেজাৰ কিহৰ ?"— (ৰঙ্পুৰ)

অতীতৰ গৌৰৱ-গৰিমাৰ যশোগানৰ যোগেদি অসম তথা ভাৰতবাসীক কবিয়ে নিজৰ হৃত গৌৰৱ, হৃত স্বাধীনতা উদ্ধাৰ কৰিবলৈকে প্ৰকাৰান্তৰে সকীয়াই দিছে।

তেখেতৰ তৃতীয়খন কবিতাৰ পুথি হৈছে 'জয়ধ্বনি'। 'জয়ধ্বনি' হৈছে হৃত স্বাধীনতা লাভৰ জয়ধ্বনি।





শঙ্খধ্বনি আৰু প্ৰতিধ্বনিয়ে মুক্তিলাভৰ কাৰণে যি আহ্বান জনাইছিল, সেই মুক্তিলাভৰ জয়তেই সৃষ্টি হৈছে কবিৰ 'জয়ধ্বনি'। 'পোহৰ' নামৰ কথা-কবিতাত বনফুলৰ কবি যতীন্দ্ৰ নাথ দুৱৰাদেৱে আন্ধাৰ ৰাজ্যৰ ৰজাৰ আগত কবিৰ মুখেৰে এষাৰ কথা কোৱাইছে— "মহাৰাজ! মিছা নহয়, এদিন দেখিব মোৰ কথা ফলিয়াব। পোহৰ পৰি আপোনাৰ ৰাজ্য সুন্দৰ হৈ পৰিব। তেতিয়াহে বুজিব মই বলিয়া নহয়।" এদিন সেই অন্ধকাৰ ৰাজ্যত পোহৰ সোমাল। আমাৰ ধ্বনিকবিয়েও তেখেতৰ শঙ্খধ্বনি নামৰ কবিতা পুথিত সন্নিবিষ্ট 'কিয়নো নাহিব দিন' নামৰ কবিতাত ভাৰতেযে এদিন স্বাধীনতা লাভ কৰিবই, এদিন সাম্ৰাজ্যবাদী শক্তিযে আঁতৰি যাবই, সেই কথাকে প্ৰকাৰান্তৰে ভৱিষ্যৎবাণী কৰি কৈছিল :

"কিয়নো নাহিব দিন ?
আহিব আহিছে আহি আছে কত
উজ্বাৰি লুকুৱা চিন।
× × × ×
অসুৰ কংস হ'ব যে ধ্বংস
সংশয় অকনো নাই ;
অহঙ্কাৰৰ অজ্ঞান টোপনি
ভাঙিযে পেলাব ভাই।"

কবিয়ে ভৱিষ্যদ্বাণী কৰাৰ দৰে "গৌৰৱৰ দিনমণি"য়ে ভাৰতত পুনৰ দেখা দিলে, ভাৰত স্বাধীন হ'ল ; অসুৰ কংস ধ্বংস হ'ল, সাম্ৰাজ্যবাদী শোষণকাৰীৰ দিন অস্ত পৰিল। ভাৰতৰ এই মুক্তি বা স্বাধীনতা লাভৰেই জয়ধ্বনি হ'ল 'জয়ধ্বনি'। জয়ধ্বনিৰ অন্তৰ্গত 'মুক্তি চতুৰ্দশী' • নামৰ কবিতাত ভাৰত-মাতাৰ মুক্তিত জয়ধ্বনি কৰি কবিয়ে কৈছে :

"জয় হিন্দ ! জয় হিন্দ !
প্ৰতিধ্বনি যায় জীণ,
ভাৰতৰ আকাশত ৰণনজনায়,
অ'মাউসীৰ আগৰাতি
অন্ধকাৰে ধৰে ছাটি,
সিও যেন ভাৰতৰ জেউতি চৰায় ;
মুক্তা আজি মূৰ্তিমতী আই।
পৰাধীন অন্ধকাৰ,
আঁতৰিল হাহাকাৰ,
জিলিকিলে নীলিমাত ত্ৰিৰঙ্গ নিচান,
শতাব্দীৰ কলঙ্কৰ,
বিদেশীৰ অহঙ্কাৰ,
প্ৰতীক-পতাকা ভৰা ভাৰত বিমান,
ত্ৰিৰঙ্গ নিচানে পুন কৰিলে মহান।"

সত্যৰ ওচৰত অসত্যৰ পৰাজয়ৰ জয়োৎসৱ পতাৰ প্ৰয়োজন আছে। সত্যৰ জয়োৎসৱে অসত্যক দুৰ্বল কৰে আৰু সত্যৰ মহিমা আৰু গৌৰৱ উদ্‌ঘোষিত কৰে। এই কাৰণেই সত্য আৰু ধৰ্মৰ সপক্ষে থকা পঞ্চ পাণ্ডৱৰ অসত্য আৰু অধৰ্মৰ ফালে থকা এশ কৌৰৱৰ ওপৰত জয়লাভৰ কাহিনী বৰ্ণনা কৰা মহাভাৰতক জয়কাব্যও বোলা হয়। আক্ৰমণকাৰী শত্ৰুক পৰাজয় কৰাৰ পাছত যুদ্ধ-জয়ৰ উৎসৱৰ প্ৰয়োজন আছে ; ই অসত্য দৰ্পী-গৰ্বী শত্ৰুক পৰাজয় কৰা শক্তিৰ মৰ্যাদা বৃদ্ধি কৰে, পশু-শক্তিৰ আগত নৈতিক শক্তিৰ শাশ্বত মূল্যায়ন কৰে। জয়ধ্বনিয়ে অপদেৱতা-অসুৰ আদি অপশক্তিক দূৰতে বিদূৰ কৰে। জয়ধ্বনি ব্যক্তি তথা সমাজৰ যাত্ৰা-পথৰ পাথেয়। কবিৰ জয়ধ্বনি প্ৰগতি, শক্তি আৰু শান্তিৰো জয়ধ্বনি, আৰু এই জয়ধ্বনিয়ে প্ৰগতি, শক্তি, শান্তি আৰু স্বাধীনতা অব্যাহত ৰখাৰ সঙ্কেত আৰু

• "ভাৰতত উৎসৱ আদি তিথি অনুসৰি পালন কৰা হয়, গতিকে ১৫ আগষ্ট নুবুলি 'মুক্তি চতুৰ্দশী' বোলা হৈছে। স্বাধীনতা ঘোষণাৰ সময় অ'মাউসীৰ আগদিনাৰ চতুৰ্দশী।" জয়ধ্বনি—পৃষ্ঠা-১৫, পাদটীকা দ্ৰষ্টব্য।

সাৱধান-বাণীও সূচায়।

**ধ্বনিৰ শক্তি-সঞ্চাৰী প্ৰভাৱ :**

ভাৰত-মাতাৰ মুক্তিলাভ আৰু ভাৰতৰ লুপ্ত গৌৰৱ উদ্ধাৰৰ কথাই ধ্বনিকবিৰ কবি-মানস প্ৰায় সকলো সময়তে সমাচ্ছন্ন কৰি ৰাখিছে। দেশবাসীৰ অন্তৰত জাতীয় চেতনাৰ সঞ্চাৰ কৰোৱা, দেশবাসীক ঐক্যবদ্ধ কৰোৱা, মুক্তিযুদ্ধৰ কাৰণে জাগ্ৰত আৰু আন্দোলনমুখী কৰোৱা তেখেতৰ কবিতাৰ মূল লক্ষ্য। ইয়াৰ কাৰণে তেওঁ কেতিয়াবা ভাৰতবাসীক ঐক্যবদ্ধ হ'বলৈ আহ্বান জনাইছে, কেতিয়াবা ভাৰত জননীৰ বা ইতিহাসৰ অতীত গৌৰৱৰ যশোগান কৰিছে, কেতিয়াবা পৰাধীনা ভাৰত-জননীৰ করুণ মূৰ্তি দেশবাসীৰ আগত চিত্ৰিত কৰি দেখুৱাইছে। আকৌ দেশৰ পাৰ্থশক্তিস্বৰূপ যুৱশক্তিক মূৰ দাঙি উঠি শক্তিৰ সাধনা কৰিবলৈ, আত্ম-বিকাশ আৰু আত্ম-মৰ্যাদাবোধেৰে অসত্য আৰু অধৰ্মৰ বিপক্ষে গাণ্ডীৱ টঙ্কাৰি আগবাঢ়ি যাবলৈ আহ্বান জনাইছে। কবিৰ এই প্ৰয়াসৰেই সফল আৰু সাৰ্থক সৃষ্টি হৈছে 'শঙ্খধ্বনি', 'প্ৰতিধ্বনি' আৰু 'জয়ধ্বনি' কাব্য। শঙ্খধ্বনিত মুঠ ২৬টা, প্ৰতিধ্বনিত ৩৮টা আৰু জয়ধ্বনিত ২৭টা কবিতা আছে।

'শঙ্খধ্বনি' নামৰ কবিতা-সংগ্ৰহটিৰ শেহৰ কবিতা 'শেষ'ত কবিয়ে,

"শিৱ কৃষ্ণ নাম যেনে ক্ষুদ্ৰ মানুহৰ
শঙ্খধ্বনি নাম মাত্ৰ আবেগৰ মোৰ ;
নুঠে ধনঞ্জয় নাহে নামি ভাগীৰথী
কতজনে পাৰ পাৰে আমনি ইয়াত ;
তথাপিও 'শঙ্খধ্বনি' হিয়াৰ আবেগ
ফুৰক সংসাৰ ঘূৰি প্ৰতিধ্বনি তাৰ।"

বুলি ধ্বনিকাব্যৰ সম্পৰ্কত বিনয় প্ৰকাশ কৰিলেও স্বীকাৰ কৰিব লাগিব যে 'ধ্বনি'ৰ মোহকৰী শক্তি আছে। ধ্বনিয়ে চেতনাৰ সঞ্চাৰ কৰে, জড়-সত্তা দূৰ কৰে আৰু সুসুপ্ত জনক জাগ্ৰত কৰে। শঙ্খধ্বনিৰ নিনাদত বিষাদক্লিষ্ট পাৰ্থ ক্লৈব্য পৰিহাৰ কৰি গাণ্ডীৱ টঙ্কাৰি ধনুৰ্দ্ধৰ ক্ষত্ৰিয় হৈ উঠিছিল। সুপ্ত জনক জগাবলৈ হ'লে তেওঁৰ কৰ্ণ-কুহৰত প্ৰবেশ কৰাকৈ বাৰে বাৰে তেওঁৰ নামৰ ধ্বনি কৰিব লাগে; সেই নামৰ ধ্বনি কৰ্ণকুহৰেদি প্ৰৱেশ কৰি স্নায়ু-কেন্দ্ৰক কঁপাই তুলিলে সুপ্ত জন জাগ্ৰত হৈ উঠে। দুৰ্বল, পথ-ভ্ৰষ্ট আৰু হতাশ হোৱা জনৰ আগত তেওঁৰ বল-বীৰ্যৰ কথা উদ্ঘোষণ কৰিলে বা তেওঁৰ পিতৃ-পুৰুষৰ মহিমা, গৌৰৱ, অতীত কীৰ্তিৰ গুণ-গান কৰিলে সি সেই ব্যক্তিৰ অন্তৰত শক্তিৰ সঞ্চাৰ কৰে, কৰ্মৰ প্ৰতি প্ৰেৰণা যোগায় ; পথভ্ৰষ্ট জন স্ব-পথলৈ ঘূৰি আহে আৰু আত্ম-বিশ্বাস আৰু আত্ম-মৰ্যাদাবোধ দৃঢ় হয়। শৰীৰত নিহিত থকা অফুৰন্ত শক্তিৰ বিষয়ে জাম্বু-বান আৰু অঙ্গদে বাৰে বাৰে কোৱাতহে হনুমানৰ শৰীৰত সেই অফুৰন্ত শক্তিৰ সঞ্চাৰ হৈছিল আৰু সেই শক্তিৰ সহায়ত সাগৰ অতিক্ৰম কৰি লঙ্কাত উপ-স্থিত হ'ব পাৰিছিল। চেতনা সঞ্চাৰ কৰোৱা বা কৰ্মত প্ৰবৃত্ত কৰোৱাৰ এই ধ্বনি অনাদি অনন্ত কাল ধৰি ওম্ ধ্বনিৰ যোগেদি বিশ্ব-ব্ৰহ্মাণ্ডত অনুৰণিত হৈ আছে—

"শুনা সেই মহাবাণী কৰ্মৰ ঘোষণা
বিভোল নিজেই শুনি বিশ্ব বিধাতৃয়ে ;
নিজেও মগন যেন সেই কৰ্মতেই
চলাই অসীম বিশ্ব শৃঙ্খলিত কৰি;
শব্দ ব্ৰহ্ম মহাবাণী ভেদি মহা ব্যোম,
গৰ্জি উঠে অনন্তত কৰ্মবাণী ওম্।"

— ওম : শঙ্খধ্বনি

**ঐক্য আৰু ত্যাগ স্বাধীনতাৰ মূল কথা :**

কিন্তু চেতনা সঞ্চাৰ হলেও বা কৰ্মত প্ৰবৃত্ত হলেও



ঐক্যৰ অবিহনে ভাৰতে স্বাধীনতা লাভ কৰিব নোৱাৰে। অনৈক্যই দুৰ্বাৰ শক্তি আৰু দুৰ্বাৰ প্ৰচে-ষ্টাকো প্ৰতিহত কৰে। ভেদ-নীতিত পাকৈত বৃটিছ সাম্ৰাজ্যবাদীয়ে ভাৰতত বিভেদৰ যি বিষবৃক্ষ ৰোপণ কৰিলে, তাৰ বিষময় ফলৰ বিষয়ে কবি অৱগত; সেই কাৰণেই তেওঁ সকলো ভাৰতবাসীকে মুক্তি-যুদ্ধৰ এই কুৰুক্ষেত্ৰত ঐক্যবদ্ধ হ'বলৈ বাৰে বাৰে আহ্বান জনাইছে :—

আহাঁ আহাঁ ভাই, সকলোৱে মিলি একতা সঙ্গীত গাওঁ।
আহাঁহে হিন্দু, আঁহাহে মোচলেম, আহাঁহে খৃষ্টান ভাই
আহাঁহে নাস্তিক, শিখ, জৈন আদি যাওঁ আহাঁ আগুৱাই।

—মিলন : শঙ্খধ্বনি

মিলিত বা ঐক্যবদ্ধ শক্তিক কোনে ৰোধ কৰিব পাৰে ?

"ধূলি পৰি থকা হৃদয় পদুম ফুলিছে আকৌ আশাটি পাই,
হৃদয়ে হৃদয়ে শক্তি শোণিত চিন্তাৰ আজি সকাম নাই।
জোৱাভেদ এৰি একতা জৰীৰে মিলন শক্তি কেন্দ্ৰ কৰি,
মথিব পাৰিব জননী-সাগৰ মহান লক্ষ্য বক্ষত ধৰি।
সাগৰত পৰি বুৰ গৈ থকা পুৰণি কালৰ লুপ্ত ধন,
উঠিব আকৌ নতুন উঠাহে অশান্তি সকলো পৰিব ছন।"

—মিলন গৰিমা : শঙ্খধ্বনি

মিলিত বা ঐক্যবদ্ধ হ'লেও ত্যাগৰ অবিহনে জগতত কোনো দিনে কোনো মহৎ কাম সিদ্ধি হোৱা নাই। মাতৃভূমিক পৰাধীন অৱস্থাৰপৰা উদ্ধাৰ কৰিবৰ কাৰণেও ত্যাগৰধাৰা উদ্বুদ্ধ হোৱা এদল যুঁজাৰু কৰ্মী লাগিবই; জন্মভূমিৰ মুক্তি-যজ্ঞত দেশবাসীয়ে নিজৰ শক্তি-সামৰ্থ্য উচৰ্গা কৰিবই লাগিব।

"স্বাগত স্বাগত জনমভূমিৰ বিক্ৰমী সেৱক দল,
মহান শকতি উচৰ্গাহি ভাই পাৰ্থৰ বাঢ়োক বল।"

মিলন : শঙ্খধ্বনি

**জাগ্ৰত যুৱ-শক্তিৰ যুগে যুগে জয় :**

আগতে কৈ অহা হৈছে যে কবিয়ে মুক্তি যুঁজাৰু-সকলক, বিশেষকৈ ভাৰতৰ যুৱ-শক্তিক পাৰ্থৰূপে অভিহিত কৰিছে আৰু এই পাৰ্থ-শক্তিস্বৰূপ যুৱ-শক্তিৰেই অন্তৰত শক্তি আৰু আত্মবিশ্বাস সঞ্চাৰ কৰিবলৈ, অতীত গৌৰৱেৰে গৌৰৱান্বিত হবলৈ আহ্বান জনাইছে, আৰু জয়ধ্বনি নামৰ কবিতা পুথিত স্বাধীনতা লাভ কৰাৰ কাৰণে পাৰ্থ-শক্তিৰ প্ৰশস্তিও ৰচনা কৰিছে। কুৰুক্ষেত্ৰ যুদ্ধস্বৰূপ মুক্তি-যুদ্ধত প্ৰবৃত্ত হৈ নিজৰ প্ৰাপ্য আদায় কৰি লবলৈ আৰু স্বাধিকাৰ প্ৰতিপন্ন কৰিবলৈ দেশৰ পাৰ্থ-শক্তি বা যুৱ-শক্তিলৈ আহ্বান জনাই ৰচনা কৰা কবিতাবোৰৰ ওজস্বিতা বা ৰণোন্মাদ-ধ্বনিও অপূৰ্ব—

"সম্মুখত কুৰুক্ষেত্ৰ কৰিছে গৰ্জন,
উঠা পাৰ্থ, উঠা কৰা শক্তিৰ সঞ্চাৰ
কৰ্মময় জগতত কদ্ৰৰূপ ধৰি
সত্তা ৰূপে অসত্যক কৰা ছাৰখাৰ।

× × ×

সমস্ত ব্ৰহ্মাণ্ড ভেদি শুনা হেৰা বাণী
উত্তিষ্ঠত, জাগ্ৰত, প্ৰাপ্য বৰান্নিবোধত।"

শক্তিসঞ্চাৰ : শঙ্খধ্বনি

কুৰুক্ষেত্ৰ ৰণত পাৰ্থৰ দুৰ্বলতাৰ হেতুকেই ভীষ্ম কৃষ্ণৰ প্ৰতিজ্ঞা ভঙ্গ কৰিবলৈ সমৰ্থ হৈছিল। আমাৰ কবিয়ে ভাৰতৰ পাৰ্থ-শক্তিস্বৰূপ যুৱ-শক্তিক কুৰুক্ষেত্ৰ ৰণৰ পাৰ্থতকৈও অধিক দৃঢ়তা আৰু শক্তিৰে কৰ্মত প্ৰবৃত্ত হ'বলৈ সাৱধান বাণী শুনাইছে :

"ভীষ্মই নোৱাৰে যাতে প্ৰতিজ্ঞা ভাঙিব
ৰথৰ চকৰি যাতে নালাগে দাঙিব

× × ×

কৰ্মযোগী থাকা তুমি কৰ্মত মগন
উদ্দেশ্য সাধন কিম্বা শৰীৰ পতন।"

কৰ্মযোগী : শঙ্খধ্বনি

সকলো যুগতে, সকলো দেশতে যুৱক শক্তিয়ে সকলো আন্দোলন, সকলো বিপ্লৱ সফল কৰি আহিছে ; সেয়েহে অবিচলিত যুৱক শক্তিৰ সাধনা কোনো কালে বিফল হোৱা নাই। সেই কাৰণে কবিয়ে দেশৰ যুৱ-শক্তিক আত্মশক্তিৰ বিষয়ে অৱহিত কৰি স্বাধীনতা লাভৰ কাৰণে জাগ্ৰত হৈ উঠিবলৈ আহ্বান জনাইছে :

"স্তম্ভিত কৰি নিখিল বিশ্ব,
উঠাহে জাগাহে শক্তি শিখা,
কোনোতো নহয় নীচ উচ্চ,
সকলো সমান বীৰ।
যুৱক তুমিতো নহয় ক্ষুদ্ৰ,
সকলোটি মাথোঁ অমৃত পুত্ৰ
যোৱোৱা পুনৰ মঙ্গল সূত্ৰ
মাতৃ পূজক বীৰ।"
(কৰ্মবীৰ : শঙ্খধ্বনি)

কবিয়ে তেওঁৰ আস্থা অপাত্ৰত অৰ্পণ কৰা নাছিল, কবিৰ ভৱিষ্যদ্বাণী ফলিল ; যুৱ-শক্তিৰ সাধনা আৰু ত্যাগৰ ফলত ভাৰত-জননী স্বাধীন হ'ল। মুক্তি-যুদ্ধৰ কাৰণে কবিয়ে যি যুৱক শক্তিক আহ্বান জনাইছিল, জয়লাভৰ পাছত কবিয়ে সেই যুৱ-শক্তিৰ সফলতাত গৌৰৱান্বিত হৈ তেওঁলোকৰ প্ৰশস্তিও 'জয়ধ্বনিত' ৰচিছে ('আগবাঢ়ি যায় নৱ জোৱান')। এই যুৱ-শক্তি যেতিয়া,—

"জননী মোৰ জন্মভূমিৰ,
সুন্দৰ ছবিটি বুকুত আঁকি,
ৰৈ আছোঁ মই, পূজিম মাতৃ,
হিয়া স'ফুৰাৰ শোণিত ৰাকি।
অহৰ্নিশে মোৰ একেটি চিন্তা
জন্মভূমিৰ দীপ্ত মান,
তুলনাত মোৰ সকলো তুচ্ছ,
বিলাস, শক্তি, বিভূতি প্ৰাণ।"
(মই সীমান্তৰ প্ৰহৰী : জয়ধ্বনি)

বুলি জন্মভূমিৰ সন্মান আৰু গৌৰৱ ৰক্ষা কৰিবলৈ সজাগ থাকে, তেতিয়া পৃথিৱীত এনে শক্তি নোলায়, যি সেই দেশক পদানত কৰিব পাৰে।

**স্বৰ্গাদপি গৰীয়সী ভাৰত জননী :**

দেশবাসীৰ অন্তৰত দেশপ্ৰেম বা জাতীয়তাবাদী ভাব জগাই তুলিবৰ কাৰণে প্ৰধানকৈ স্বৰ্গাদপি গৰীয়সী জন্মভূমি ভাৰত-মাতাৰ গৌৰৱপূৰ্ণ বা করুণ মূৰ্তিৰ চিত্ৰ কবিয়ে তেওঁলোকৰ আগত দাঙি ধৰিছে। যদিও আধুনিক ধৰণৰ জাতি গঠন কাৰ্য ভাৰতবৰ্ষত এটা অৰ্বাচীন কথা, যদিও ৰাজনৈতিকভাৱে ভাৰত-বৰ্ষ বুলিছ অহাৰ আগলৈকে একগোট হৈ থকা নাছিল, আৰু যদিও ভাৰতবৰ্ষ বহু ভাষা-ভাষী আৰু বহু ধৰ্মীয় সম্প্ৰদায়ৰ দেশ, তথাপি বাল্মীকি, ব্যাস, কালিদাসক ধৰি বৰ্তমানৰ কবি-সম্প্ৰদায়লৈকে মহান কলাকাৰসকলে আৰু ৰাম-কৃষ্ণ-বুদ্ধকে ধৰি বৰ্তমান যুগৰ মহাপুৰুষসকললৈকে কোনেও কোনো কালে ভাৰত মাতাৰ মূৰ্তি খণ্ড ৰূপত কল্পনা কৰা নাই আৰু খণ্ডিতভাৱে ভাৰতবাসীৰ কথাও ভবা নাই। ভাৰতভূমি ত্যাগৰ ভূমি, পুণ্যভূমি; ইয়াৰ তৃণ, তৰু, লতা আনকি বালি-চাঁহীও পূত-পবিত্ৰ। আমাৰ কবিয়ে শঙ্খধ্বনি, প্ৰতিধ্বনি, আৰু জয়ধ্বনিৰ বিভিন্ন কবিতাত ভাৰত-মাতাৰ অতীতৰ গৌৰৱপূৰ্ণ আৰু পৰাধীন অৱস্থাৰ কাৰুণ্যপূৰ্ণ চিত্ৰ আঁকাৰ উপৰিও শঙ্খধ্বনিত 'ভাৰত গৰিমা', 'ভাৰত' আৰু 'জন্মভূমি', প্ৰতিধ্বনিত 'জন্মভূমি' আৰু 'ভাৰতবৰ্ষ', আৰু জয়ধ্বনিত 'হে জননী ভাৰতবৰ্ষ' নামৰ কবিতাত জন্মভূমি ভাৰত-মাতাৰ বিষয়ে কেইটাও মূল কবিতা ৰচনা কৰিছে। শঙ্খধ্বনিৰ 'ভাৰত গৰিমা' নামৰ কবিতাত পৃথিৱীৰ ভিতৰত ভাৰত ভূমিয়েই যে একালত শিক্ষা-দীক্ষা, ধৰ্ম, দৰ্শন বিজ্ঞান আদিৰ ক্ষেত্ৰত আগবঢ়া আছিল আৰু ভাৰতৰ প্ৰাচীন সভ্যতা আজিও যে জীৱিত, সেই বিষয়ে দেশবাসীৰ



আগত ভাৰতৰ মহিমা কীৰ্তন কৰিছে। 'ভাৰত' নামৰ কবিতাত ভাৰতৰ বৈশিষ্ট্য, প্ৰাকৃতিক সৌন্দৰ্য আৰু স্থান-মাহাত্ম্যৰ যশোগান কৰিছে এইদৰে :

"মোৰ এই জন্মভূমি আদৰৰ ধন
বিধাতাৰ গৌৰৱৰ মণি,
কোটি কোটি মানৱৰ পুণ্য জন্মভূমি
জ্ঞান ধৰ্ম কৰমৰ খনি।
সকলোটি সুন্দৰৰ সমাবেশ কৰি
ভাৰতক কৰিলে ৰচনা,
মানৱৰ মহালক্ষ্য জ্ঞানৰ বাতৰি
প্ৰথমতে ইয়াতে সূচনা।"

এনে ভাৰতভূমি যাৰ জন্মভূমি, তেওঁৰ জীৱন সঁচাকৈয়ে ধন্য। জন্মভূমিৰ লগত আমাৰ যি মধুৰ সম্বন্ধ, তাৰ তুলনা নাই; জন্মভূমিৰ তুলনাত স্বৰ্গও নগণ্য। কল্পনা কৰিব পৰা সকলো মাধুৰ্য নিহিত জন্মভূমিৰ লগত থকা আমাৰ সেই সম্বন্ধৰ কথা কবিয়ে অতি গম্ভীৰ, অতি কোমল আৰু অতি মাধুৰ্যপূৰ্ণ ভাষাৰে শঙ্খধ্বনিৰ 'জন্মভূমি' নামৰ কবিতাত প্ৰকাশ কৰিছে :

"যিৰন দেশতে উপজি পোনেই মেলিলোঁ মোৰ
ই নতুন চকু,
প্ৰথমেই য'ত কাণেৰে শুনিলোঁ, পালোঁ মৰমৰ
মাতৃ বুকু।
জীৱনৰ যত সকলো কালৰ সকলো ভাবৰ মেলিলে
থোৰ,
সেই জন্মভূমি স্বৰ্গতো অধিক জীৱনে মৰণে আপোন
মোৰ।"

কবিতাটিত কল্পনা আৰু বাস্তৱৰ যি সামঞ্জস্য, সিও অতি উপাদেয় আৰু উপভোগ্য। প্ৰতিধ্বনিত সন্নিবিষ্ট 'জন্মভূমি' নামৰ আন এটা কবিতাত নলিনীবালা দেবীৰ দৰেই আমাৰ ধ্বনিকবিয়েও মুক্তা হৈ হ'লেও এই জন্মভূমিতেই পুনৰ জন্ম লবলৈ আকাংক্ষা কৰিছে। এই কবিতাত জন্মভূমিৰ প্ৰতি থকা কবিৰ শ্ৰদ্ধা আৰু অনুৰাগো অতুলনীয় :

"চকুত চমক লগা সুখে ভৰা ধৰা
হয় হক গোটেই সংসাৰ,
যদিও নিঃকিন এই জন্মভূমি মোৰ
তুলনাত সকলো অসাৰ।
জনমে জনমে পুনু ইয়াতে জনম
ইয়াতে মৰণ যেন হয়,
ভিক্ষাৰীৰ লাওলোটা লবলৈও হ'লে
স্বদেশত যেন মতি ৰয়।"

প্ৰতিধ্বনিত সন্নিবিষ্ট 'ভাৰতবৰ্ষ' নামৰ আন এটা কবিতাত ভাৰতৰ ঐতিহ্য আৰু সংস্কৃতিৰ যশোগান কৰাৰ উপৰিও জয়ধ্বনিৰ অন্তৰ্গত 'হে জননী ভাৰত-বৰ্ষ' নামৰ কবিতাত ৰবীন্দ্ৰনাথৰ দৰেই অনৈক্যৰ মাজত ঐক্য বিৰাজ কৰা মহামানৱৰ মিলন-ভূমি, পৃথিৱীৰ ক্ষুদ্ৰ ভাণ্ডাৰ স্বৰূপ, আসমুদ্ৰ হিমাচল ব্যাপ্ত ভাৰতভূমিৰ জয়গান গাইছে :

"মহাগিৰি মহাসিন্ধু দুয়ো একেলগে,
সাৰটি ধৰিছে যাৰ সুন্দৰ শৰীৰ,
পৃথিৱীৰ সৰু এটি পুণ্য ভাণ্ডাৰ,
অনৈক্যৰ মাজে ঐক্য দিব্য নিদৰ্শন।
দেখা দি বিচিত্ৰ ৰূপে প্ৰকৃতিয়ে নিজে,
অপূৰ্ব মহান চিত্ৰ আঁকে মিলনৰ।"

এই ভাৰতভূমিত সকলো শ্ৰেষ্ঠ বস্তুৰ মিলন ঘটিছে। ভাৰত মাতাই সকলোকে সমানভাৱে দয়া, মায়া, ক্ষমা বিলাই দিছে; সেয়েহে অবিচলিত ভাৰতত সদায় সত্যৰ জয় ঘোষিত হৈ আহিছে। কবি আশা-বাদী, দেশবাসীৰ ওপৰত কবিৰ অসীম শ্ৰদ্ধা আৰু বিশ্বাস। তেওঁ আশা কৰে ভাৰতৰ বিভিন্ন অঞ্চলত বসবাস কৰা ভাৰতবাসীয়ে পৰস্পৰৰ মাজত মিলাপ্ৰীতি ৰক্ষা কৰি ভাৰতৰ বৈচিত্ৰ্যপূৰ্ণ ঐক্য ভৱিষ্যতলৈও ৰক্ষা কৰিব আৰু একমাত্ৰ জননী জন্মভূমি বুলি ভাৰত-জননীৰ চৰণ বন্দনা কৰিব :

(৫৯ পৃষ্ঠাত চাওক)

# ভাৰতীয় প্ৰাচীন সাহিত্যত বিশ্বামিত্ৰ ঋষি

শ্ৰীমতী কেশদা মহন্ত

মহাপুৰুষ শঙ্কৰদেৱৰ 'ৰামবিজয় নাট'ত "আৰত কৌতুকে কৌশিক চণ্ড" বুলি প্ৰৱেশ কৰোৱা বিশ্বামিত্ৰজনৰ মূৰ্ত্তি দেখি চৰ্ত্তি হেৰুৱাবলগীয়া; তেওঁ "হেৰত কোপে যৈচে যমকাল"; অৱশ্যে এই চণ্ড কৌশিকেও "লাড়য় বাহু হৰি গুণ গায়।" শঙ্কৰদেৱৰ হৰিশ্চন্দ্ৰ উপাখ্যানৰ বিশ্বামিত্ৰৰ ক্ৰূৰতা অসমীয়া পাঠকৰ সুপৰিচিত। এই বিশ্বামিত্ৰ চৰিত্ৰৰ ক্ৰমবিকাশৰ সুদীৰ্ঘ ইতিহাস আছে। শঙ্কৰদেৱৰ হৰিশ্চন্দ্ৰ উপাখ্যানত বক-শৰালি ৰূপত বিশ্বামিত্ৰ-বশিষ্ঠৰ এখন লোকক্ষয়ঙ্কৰ যুদ্ধৰ বৰ্ণনাও দিছে। এই দুজন মহৰ্ষিৰ পাৰম্পৰিক শত্ৰুতাৰ কাহিনীও প্ৰাচীন সাহিত্যত বহুলভাৱে পোৱা যায়।

পৰৱৰ্ত্তী কালত পাৰম্পৰিক শত্ৰুভাৱে চিত্ৰিত বিশ্বামিত্ৰ আৰু বশিষ্ঠ এই দুয়োজন ঋষিৰেই চৰিত্ৰ দুটা অতি প্ৰাচীন; দুয়োজনেই বিখ্যাত বৈদিক মন্ত্ৰদ্ৰষ্টা ঋষি। বিশ্বামিত্ৰক ঋগ্‌বেদৰ তৃতীয় মণ্ডলৰ আৰু বশিষ্ঠক (বশিষ্ঠক) সপ্তম মণ্ডলৰ ঋষি অৰ্থাৎ মন্ত্ৰদ্ৰষ্টা বুলি জনা যায়; অৱশ্যে এই মণ্ডল দুটাত দুই-এঠাইত মন্ত্ৰদ্ৰষ্টাৰূপে অন্য ঋষিৰো নাম পোৱা যায়। পাশ্চাত্য বিদ্বানসকলে ঋগ্‌বেদৰ দ্বিতীয় মণ্ডলৰপৰা সপ্তম মণ্ডললৈকে প্ৰতিটো মণ্ডল একোজন বিশেষ ঋষি আৰু তেওঁৰ বংশৰ ঋষিসকলৰ দ্বাৰা ৰচিত বুলি মত পোষণ কৰে আৰু সেই ভিত্তিতে তেওঁলোকে উক্ত মণ্ডল কেইটাক বংশমণ্ডল (Family Book) আখ্যা দিছে। এই দৃষ্টিৰে চালে তৃতীয় আৰু সপ্তম মণ্ডলৰ মন্ত্ৰদ্ৰষ্টা ঋষিসকলক যথাক্ৰমে বিশ্বামিত্ৰ আৰু বশিষ্ঠৰ বংশসম্ভূত বুলি ধৰা হয়। তৃতীয় মণ্ডলৰ সূক্তসমূহৰ ঋষি বা মন্ত্ৰদ্ৰষ্টা স্বৰূপে বিশ্বামিত্ৰ নামৰ উপৰিও এই নামসমূহ পোৱা যায়:— কৌশিক গাথী (ঋ. ৩।২০, ২১, ২২), দেৱশ্ৰৱা দেৱৱাত (ঋ. ৩।২৩), ঘোৰ আঙ্গিৰস (ঋ. ৩।৩৬), প্ৰজাপতি বৈশ্বামিত্ৰ (ঋ. ৩।৫৪, ৫৫, ৫৬), বিশ্বামিত্ৰ জমদগ্নি ইত্যাদি। ঋগ্‌বেদৰ যুগৰপৰা হাজাৰ হাজাৰ বছৰ ধৰি ভাৰতীয় সাংস্কৃতিত গুৰুত্বপূৰ্ণ স্থান লাভ কৰি অহা 'গায়ত্ৰী' মন্ত্ৰৰ দ্ৰষ্টাও (ৰচয়িতা) বিশ্বামিত্ৰ ঋষিয়েই। ঋগ্‌বেদৰ প্ৰথম সূক্ত (Hymn)ৰ উপৰিও মুঠ এশটি সূক্তৰ দ্ৰষ্টা মধুচ্ছন্দা ঋষি বিশ্বামিত্ৰৰ পুত্ৰ। এইবিলাক তথ্যৰপৰা বিশ্বামিত্ৰ বৈদিক যুগৰ এজন লব্ধপ্ৰতিষ্ঠ ঋষি বুলি সহজেই অনুমান কৰিব পাৰি। বৈদিক সাহিত্যত সেই যুগৰ অন্যতম লব্ধপ্ৰতিষ্ঠ ঋষি বশিষ্ঠৰ লগত বিশ্বামিত্ৰৰ কোনো শত্ৰুতা থকাৰ উল্লেখ নাই।

বাল্মীকীয় ৰামায়ণত (বালকাণ্ড ৫২ অঃ—৬৫ অঃ) ঋষি বশিষ্ঠ আৰু ৰজা বিশ্বামিত্ৰৰ মাজত এজনী কামধেনুক লৈ প্ৰবল শত্ৰুতা হোৱা আৰু পৰিণাম স্বৰূপে ৰজা বিশ্বামিত্ৰই বশিষ্ঠ ঋষিৰ প্ৰতি শত্ৰুতাবশতঃ কঠোৰ তপস্যা আচৰণ কৰি ব্ৰহ্মৰ্ষি পদ লাভ কৰাৰ সুদীৰ্ঘ কাহিনী বৰ্ণনা কৰা হৈছে। এই কাহিনীটো মিথিলাৰ কুল-পুৰোহিত শতানন্দই, ৰামৰ দ্বাৰা বিশ্বামিত্ৰই শতানন্দৰ মাতৃ অহল্যাক শাপমুক্ত কৰাৰ কাৰণে শলাগ লওঁতে কৈছিল। এই কাহিনীৰ নায়কদ্বয় ঋষি বশিষ্ঠ আৰু উগ্ৰ তপস্যাৰে ব্ৰহ্মৰ্ষি পদ লাভ কৰা ৰজা বিশ্বামিত্ৰ—কোনো এজনৰ লগতে বৈদিক মন্ত্ৰদ্ৰষ্টা ঋষি দুজনৰ সম্পৰ্কৰ উহ্ বিচাৰি উলিয়াব নোৱাৰি। ৰামচন্দ্ৰতকৈ (দশৰথৰ পুত্ৰ) কেইবা পুৰুষৰো আগৰ ৰজা ত্ৰিশঙ্কুৰ লগতো ৰামায়ণৰ এই কাহিনীটো জড়িত; আনহাতে এই ঋষি দুজনক ৰামৰ সমকালীন কৰিও দেখুৱা হৈছে।

প্ৰাচীন সাহিত্যত একোজন ব্যক্তিক ভিন ভিন যুগৰ ঘটনাৰ লগত জড়িত কৰাটো সাধাৰণ কথা। উদাহৰণ স্বৰূপে ৰামৰ সময়ত থকা পৰশুৰাম মহাভাৰতৰ ভীষ্মৰ সময়তো আছে। এনে ক্ষেত্ৰত পৰশুৰাম আদিক এজন ব্যক্তি বুলি নধৰি একে বংশ বা পৰম্পৰাৰ লোক বুলি ধৰিলেহে সময় সম্পৰ্কীয় সমস্যাৰ সমাধান হ'ব। খ্ৰীঃ সপ্তম শতিকাৰ শঙ্কৰাচাৰ্যৰ পৰম্পৰাৰ গুৰুসকলক আজিও শঙ্কৰাচাৰ্য বুলি থকা কথাটো মন কৰিলেই এই বিষয়টো স্পষ্ট হৈ পৰে। বেদ-প্ৰসিদ্ধ, ৰামায়ণ-প্ৰসিদ্ধ, মহাভাৰত-প্ৰসিদ্ধ, পুৰাণ-প্ৰসিদ্ধ বশিষ্ঠ-বিশ্বামিত্ৰৰ ক্ষেত্ৰতো আমি এনে দৃষ্টিকেই ল'ব লাগিব। কিন্তু এটা কথা ঠিক যে বিভিন্ন যুগৰ ঘটনাৰ লগত জড়িত এনেকুৱা একে নামৰ ব্যক্তিক আলম্বন কৰি সেই নামৰ এটা বিশেষ চৰিত্ৰ গঢ় লৈ উঠেগৈ। এনে চৰিত্ৰৰ ক্ৰমবিকাশত ভিন ভিন যুগৰ ভিন ভিন ব্যক্তিৰ জীৱন-কথা আৰু কবি-কল্পনাৰ উপাদান জাহ গৈ একাকাৰ হৈ পৰে।

মহাভাৰতত, বশিষ্ঠ আৰু বিশ্বামিত্ৰৰ পাৰম্পৰিক শত্ৰুতাৰ বিষয়ে ৰামায়ণত থকা কাহিনীটোৰ উপৰিও অন্য দুটা বিশ্বামিত্ৰ সম্পৰ্কীয় কাহিনী পোৱা যায়। শান্তিপৰ্বত (৪৯ অঃ) বিশ্বামিত্ৰৰ পিতাক গাধিৰ কন্যা সত্যৱতীক ভৃগু বংশীয় ঋষি ঋচীকে বিয়া কৰোৱাৰ কাহিনীটো কোৱা হৈছে। ঋচীকে পুত্ৰ লাভৰ উদ্দেশ্যে গাধি-পত্নীক আৰু নিজ পত্নীক দিয়া যজ্ঞীয় অন্ন খাই মাক-জীয়েক দুয়ো পুত্ৰ লাভ কৰাৰ বিস্তৃত বৰ্ণনা ইয়াত দাঙি ধৰা হৈছে। ব্ৰাহ্মণ ঋচীকৰ পত্নী সত্যৱতীয়ে উত্তম ব্ৰাহ্মণৰ গুণমণ্ডিত পুত্ৰৰ আৰু তেওঁৰ মাক গাধি ৰজাৰ পত্নীয়ে তেজস্বী ক্ষত্ৰিয় পুত্ৰৰ কামনা কৰিছিল। ঋচীকে সেইমতে যজ্ঞ সম্পাদন কৰি তেওঁলোকক যজ্ঞীয় অন্ন দিছিল। পিছে দৈৱ-দুৰ্বিপাকত সেই অন্নৰ পাত্ৰ সলনি হোৱাত গাধি-পত্নীয়ে ব্ৰাহ্মণৰ গুণসম্পন্ন বিশ্বামিত্ৰক পুত্ৰৰূপে লাভ কৰে। ইতিমধ্যে যজ্ঞীয় অন্নৰ পাত্ৰ সলনিকৈ ভোজন কৰাৰ কথা জানিব পাৰি সত্যৱতীয়ে নিজৰ অভীষ্ট সিদ্ধি কৰিবলৈ কাকুতি-মিনতি কৰিবলৈ ধৰিলে। ঋচীকে তেতিয়া সত্যৱতীৰ পুত্ৰ তেজস্বী উগ্ৰ ক্ষত্ৰিয় নহৈ নাতিয়েকহে তেনে স্বভাৱৰ হ'ব বুলি ক'লে। এই ঋচীক-পত্নী

---

( ৫৭ পৃষ্ঠাৰ পিছৰপৰা )

"কাশ্মীৰৰ দুৰ্গতিত অসমে কান্দিব,
মাৰাঠাৰ গৌৰৱত উৎকলে হাঁহিব,
ৰাজস্থানে আগবাঢ়ি কাশ্মীৰ ৰাখিব,
অসমৰ সীমান্তত শিখে দেখা দিব।
সমুদ্ৰ জলেৰে ধোৱা হিমাচল অ'কোৱালা
তোমাৰ বুকুত কোনো ভিনপৰ নাই,
কাশ্মীৰ দ্ৰাবিড় ৰাজস্থানী গুজৰাটী,
মাৰাঠা মাদ্ৰাজী হিন্দী পঞ্চনদবাসী,
অসম, মালৱ, অঙ্গ, বঙ্গ, কলিঙ্গৰ,
লক্ষ লক্ষ জনতাৰ পৱিত্ৰ সুন্দৰ
একমাত্ৰ জন্মভূমি তুমিয়ে জননী।"

হে জননী ভাৰতবৰ্ষ : জয়ধ্বনি কৰিব এই আশা দেশবাসীয়ে নিশ্চয় কোনো কালে বিফল হ'বলৈ নিদিব।

[ ক্ৰমশঃ ]

সত্যৱতীৰ পুত্ৰ জমদগ্নি আৰু জমদগ্নিৰ পুত্ৰ ক্ষত্ৰিয় দমনকাৰী উগ্ৰ স্বভাৱৰ যোদ্ধা পৰশুৰাম।

অনুশাসন পৰ্বত বিশ্বামিত্ৰৰ পূৰ্বপুৰুষ ৰজা কুশিক আৰু ভৃগুবংশী মুনি চ্যৱনৰ এটা কাহিনী আছে। যোগৰ বলত চ্যৱনে জানিব পাৰিলে যে ৰজা কুশিকৰ বংশৰ লগত তেওঁৰ বংশৰ বৈবাহিক সম্পৰ্ক ঘটাৰ ফলত কুশিকৰ বংশটো ব্ৰাহ্মণ বংশত পৰিণত হ'ব আৰু তেওঁৰ নিজৰ বংশত ক্ষত্ৰিয়-সদৃশ উগ্ৰ স্বভাৱৰ সন্তান জন্ম হ'ব। তেতিয়া চ্যৱন মুনি কুশিকক সবংশে শাপ দি ভস্ম কৰাৰ উদ্দেশ্যে ছেলু বিচাৰি কুশিকৰ ওচৰলৈ গ'ল। ধৰ্মপ্ৰাণ ৰজা কুশিকে পত্নীৰে সৈতে ব্ৰাহ্মণ চ্যৱনৰ অনেক উৎপীড়ন ধৈৰ্য ধৰি সহ্য কৰি থোৱাৰ যি কাহিনী এই প্ৰসঙ্গত বৰ্ণনা কৰা হৈছে, তাৰ লগত পৰৱৰ্তী মাৰ্কণ্ডেয় পুৰাণৰ হৰিশ্চন্দ্ৰ উপাখ্যানৰ ব্ৰাহ্মণ বিশ্বামিত্ৰৰ উৎপীড়ন ৰজা হৰিশ্চন্দ্ৰই পত্নীৰে সৈতে সহ্য কৰি থকা কাহিনীৰ লগত মৌলিক সাদৃশ্য আছে। দুয়োটা কাহিনীৰ মাজত এটা মাত্ৰ মৌলিক পাৰ্থক্য আছে, সেয়ে হৈছে ব্ৰাহ্মণ ঋষি চ্যৱনে নিজ বংশৰ কল্যাণ কামনা কৰিহে কুশিকৰ বংশ শপি ভস্ম কৰিবলৈ ছেলু বিচাৰি কুশিকক অত্যাচাৰ কৰিছিল। শেষত কুশিকৰ ধৈৰ্য আৰু সহনশীলতাত সন্তুষ্ট হৈ চ্যৱনে ৰজাক তেওঁৰ বংশ ব্ৰাহ্মণ বংশত পৰিণত হ'ব বুলি বৰহে দিলেগৈ। হৰিশ্চন্দ্ৰ উপাখ্যানত বিশ্বামিত্ৰ তেনে কোনো উদ্দেশ্যৰদ্বাৰা প্ৰণোদিত হোৱা নাই। ইয়াত বিশ্বামিত্ৰক অৰ্থলোভী উগ্ৰ তামসিক ব্ৰাহ্মণ ৰূপেহে চিত্ৰিত কৰিছে। এই বিশ্বামিত্ৰৰ চৰিত্ৰত বৈদিক মন্ত্ৰদ্ৰষ্টা ঋষিৰ সাত্ত্বিক স্বভাৱ আৰু মহাভাৰতৰ পৰম ধৈৰ্য আৰু সহনশীলতাৰ প্ৰতিমূৰ্তি কুশিকৰ বংশসম্ভূত ব্ৰাহ্মণসুলভ ব্যক্তিত্বৰ লেশমাত্ৰও আভাস নাই।

মহাপুৰুষ শঙ্কৰদেৱে হৰিশ্চন্দ্ৰ উপাখ্যানৰ কাহিনীটো মাৰ্কণ্ডেয় পুৰাণৰপৰা প্ৰায় অবিকৃতভাৱেই গ্ৰহণ কৰিছে। মাৰ্কণ্ডেয় পুৰাণত হৰিশ্চন্দ্ৰই স্বৰ্গ গমন কৰাৰ পাছত তেওঁৰ পুত্ৰেক ৰোহিতক বিশ্বামিত্ৰই আনি অযোধ্যাৰ ৰজা পতা কথাত বিশ্বামিত্ৰৰ সং গুণৰ আভাস ফুটি উঠা দেখা যায়; শঙ্কৰদেৱে এই কথাৰ উল্লেখ কৰা নাই। বিশ্বামিত্ৰ চৰিত্ৰটো অন্য ক্ষেত্ৰত মূলানুগ যদিও শঙ্কৰদেৱৰ বৰ্ণনা-চাতুৰ্যই বিশ্বামিত্ৰৰ চৰিত্ৰটো মূলতকৈ অধিক স্পষ্ট ৰূপত ক্ৰূৰ কৰি তুলিছে।

ৰামৰ মিথিলা যাত্ৰা তথা সীতা স্বয়ম্বৰৰ আখ্যান ভাগেৰে ৰচিত শঙ্কৰদেৱৰ 'ৰামবিজয় নাট'ত বিশ্বামিত্ৰৰ ভূমিকা গুৰুত্বপূৰ্ণ। বাল্মীকীয় ৰামায়ণত ৰাক্ষস সংহাৰ কৰি যজ্ঞ ৰক্ষা কৰাৰৰ উদ্দেশ্যে দশৰথৰ ওচৰত ৰাম-লক্ষ্মণক বিচাৰি অহা বিশ্বামিত্ৰৰ চেহেৰা উত্তম ব্ৰহ্মৰ্ষিৰ অনুৰূপ। ব্ৰতাগ্ৰী তপস্বী সেই বিশ্বামিত্ৰ তেজস্বিতাৰে উদ্দীপ্ত; তেওঁ প্ৰহৃষ্ট-বদন (বা. ১।১৮।৪৩-৪৪)। ইন্দ্ৰই ব্ৰহ্মাক আদৰি অনাৰ দৰে গাধিপুত্ৰ কৌশিক বিশ্বামিত্ৰক (বা. ১।১৮।৪০ আৰু ৪৩) দশৰথে আদৰি আনিছে। পূৰ্বে ৰাজৰ্ষিৰূপে খ্যাত আৰু পাছত তপস্যাৰদ্বাৰা প্ৰভামণ্ডিত হৈ ব্ৰহ্মৰ্ষি পদ লাভ কৰা এই বিশ্বামিত্ৰ বহু প্ৰকাৰে দশৰথৰ পূজনীয়। তেওঁৰ দৰ্শনত দশৰথৰ গৃহ পৱিত্ৰ তীৰ্থক্ষেত্ৰত পৰিণত হৈছে (বা° ১।১৮।৫৫-৫৬)। এওঁক দৰ্শন কৰিবলৈ পাই দশৰথে জীৱন কৃতাৰ্থ হৈছে বুলি ভাবিছে। এইজন কৌশিকে 'ৰামবিজয় নাট'ত 'কৌশিক চণ্ড' ৰূপে প্ৰথম দৰ্শনত আমাৰ ভীতি জন্মায়। তদুপৰি ঋষিৰ কামনা পূৰণ কৰিবলৈ দশৰথ প্ৰতিশ্ৰুতিবদ্ধ হোৱা দেখি কৌশিকে "ৰাজাক বাণী শুনি হাসি হাসি কৌতুকে উঠি বহু নৃত্য কয়ল" বুলি বৰ্ণনা কৰা বিশ্বামিত্ৰৰ চৰিত্ৰত বাল্মীকীয় ৰামায়ণৰ বিশ্বামিত্ৰৰ তপস্যাসিদ্ধ ব্ৰহ্মৰ্ষিৰ গাম্ভীৰ্য ৰক্ষা কৰা নাই। বাল্মীকীয় ৰামায়ণত



দশৰথৰ আশ্বাসত প্ৰখ্যাত গুণ-যশস্যামণ্ডিত, (শম-দমাদি) গুণসম্পন্ন ঋষি বিশ্বামিত্ৰই পৰম হৰ্ষ লাভ কৰিলে; মহা তেজস্বী বিশ্বামিত্ৰৰ শৰীৰহে ৰোমাঞ্চিত হৈছে। [১।১৮।৫৯ আৰু ১।১৯।১]। এই বিশ্বামিত্ৰই পূৰ্বৰ বিৰোধ পাহৰি বশিষ্ঠকো শ্ৰদ্ধা প্ৰদৰ্শন কৰিছে। আনহে নালাগে এওঁ যজ্ঞ-বিঘ্নকাৰী মাৰীচ-সুবাহুকো তেওঁৰ ব্ৰত ভঙ্গ হোৱাৰ ভয়ত শাপ দিব খোজা নাই। পূৰ্বৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰি দশৰথে ৰাম-লক্ষ্মণক বিশ্বামিত্ৰৰ লগত নপঠাই ৰাক্ষস বধৰ উদ্দেশ্যে নিজেই যাবলৈ ওলোৱা দেখি বিশ্বামিত্ৰ ক্ৰুদ্ধ হৈছে যদিও ৰামায়ণৰ বিশ্বামিত্ৰই এই প্ৰসঙ্গতো দশৰথক কৰা নিন্দা মৰ্যাদা সম্পন্ন। তেওঁ কৈছে— "হে ৰাজন! প্ৰতিজ্ঞা ত্যাগ ৰঘুবংশীয়সকলৰ অযোগ্য, ইয়াৰ ফলত বংশত বিপৰ্যয় ঘটিব; তুমি যদি তাকে কামনা কৰিছা, মই যেনেদৰে আহিছোঁ, সেইদৰেই ঘূৰি যাওঁ। হে কাকুৎস্থ কুলৰ ৰত্ন, প্ৰতিজ্ঞা ভঙ্গ কৰি তুমি সুহৃদসকলৰ সৈতে সুখেৰে থাকা (১।২১।২—৩)।" বিশ্বামিত্ৰৰ যে অতিশয় ক্ৰোধ হৈছিল, বাল্মীকীয় ৰামায়ণত পৃথিৱী কঁপি উঠা আৰু দেৱতাসকলো সন্ত্ৰস্ত হোৱা বুলি তাৰ ব্যঞ্জনা মাত্ৰ কৰিছে। এই প্ৰসঙ্গত শঙ্কৰদেৱৰ বিশ্বামিত্ৰই "অয়ে অসত্যবাদী পাপী, ৰাম-লক্ষ্মণক নাহি পঠাৱৰ" ইত্যাদি বুলি "বাণ লাড়িয়ে কোপে দশন চৰ্বয়।" এই বৰ্ণনাৰ প্ৰেৰণাৰ উৎস হৰিশ্চন্দ্ৰ উপাখ্যানৰ বিশ্বামিত্ৰৰ ক্ৰূৰতা যেন অনুমান হয়। ইয়াৰ বাহিৰেও 'ৰামবিজয় নাট'ত বাল্মীকীয় ৰামায়ণৰ বিশ্বামিত্ৰ চৰিত্ৰৰ অনেকখিনি বৈসাদৃশ্য পৰিলক্ষিত হয়। সেই বৈসাদৃশ্য পটভূমিৰে সৈতে আলোচনা কৰিবলৈ বেলেগ প্ৰবন্ধৰ আৱশ্যক হ'ব। ইয়াত মাত্ৰ শঙ্কৰদেৱৰ লেখনীৰ যোগেদি অসমীয়া সমাজত সুপৰিচিত বিশ্বামিত্ৰ চৰিত্ৰৰ পূৰ্ব ইতিহাসখিনিহে দাঙি ধৰা হ'ল। ০ ০ ০

**নগাঁও জিলা সাহিত্য পৰিষদে**

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মস্থান পশ্চিম নগাঁৱৰ আঁহতগুৰিত বেজবৰুৱাৰ স্মৃতি-তীৰ্থ প্ৰতিষ্ঠাৰ বিস্তৃত আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিত বেজবৰুৱাৰ আৱক্ষ মূৰ্তি প্ৰতিষ্ঠা, জিৰণী চ'ৰা, এটা সৰোবৰ আৰু সংগ্ৰহালয় সজাৰ ব্যৱস্থা কৰাৰ উপৰিও বেজবৰুৱা 'নৌকাস্থ' হোৱা পুণ্যক্ষেত্ৰ কপিলী নৈৰ পাৰৰ সাগৰ ঘাটত এটা পকী ঘাট নিৰ্মাণৰ কাৰ্যসূচী অন্তৰ্ভুক্ত হৈছে। ১৯৭৮ চনৰ ১১ ডিচেম্বৰ তাৰিখে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱে স্মৃতি-সৌধৰ আধাৰশিলা স্থাপন কৰি শুভাৰম্ভ কৰা এই পৱিত্ৰ তীৰ্থক্ষেত্ৰ নিৰ্মাণৰ আঁচনি সম্পূৰ্ণ কৰা বিষয়ত অসমবাসীৰ সহায়-সহযোগ আৰু পৰামৰ্শ কামনা কৰা হ'ল।

নগাঁও জিলা সাহিত্য পৰিষদৰ হৈ—

সাধাৰণ সম্পাদকৰদ্বাৰা প্ৰচাৰিত।

# 'মাধৱদেৱৰ নাটক' ঃ এখন হিন্দী গ্ৰন্থ

শ্ৰীলোকনাথ ভঁৰালী

আজি কিছু দিনৰপৰা অসমৰ বাহিৰত হিন্দী ভাষাৰ মাধ্যমেৰে অসমীয়া ভাষা-সাহিত্যৰ পৰিচয় দিয়াৰ এক প্ৰচেষ্টা বলৱতী হ'বলৈ ধৰিছে। ইয়াৰ পৰিণাম স্বৰূপে এই সম্পৰ্কে প্ৰবন্ধ আৰু কিতাপ আদি লিখিবলৈ লোৱা হৈছে। উত্তৰ ভাৰতৰ কেইবাটাও বিশ্ববিদ্যালয়ে গৱেষণাৰ কাৰণে অসমীয়া ভাষা-সাহিত্যৰ বিষয়ক স্বীকৃতি দিছে আৰু উপাধিও প্ৰদান কৰিছে। এইখিনিলৈকে এই প্ৰচেষ্টাসমূহলৈ ওলগনি জনাব লাগিব। কিন্তু তেনে কৰোঁতে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি আৰু ধৰ্মৰ সম্যক বিবেচনা হোৱাটো অতীৱ প্ৰয়োজন। পিছে এনে ধৰণৰ কেইবাখনো গৱেষণা গ্ৰন্থত অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি আৰু ধৰ্মৰ বিকৃত ব্যাখ্যা কৰা হৈছে। এই সমুদায় কথা অসমীয়া সাহিত্যৰ প্ৰাচীন কালটোৰ, বিশেষকৈ বৈষ্ণৱ কালৰ সাহিত্যৰ ক্ষেত্ৰতে পৰিলক্ষিত হৈছে। হিন্দীৰ সাময়িক আলোচনীসমূহতো এনে ধৰণৰ প্ৰবন্ধ প্ৰকাশ হৈছে য'ত অসমৰ বৈষ্ণৱ যুগৰ বহুখিনি অসমীয়া সাহিত্যক হিন্দী সাহিত্যৰ অঙ্গ বুলি দাবী কৰিছে। বিশেষকৈ ড° দশৰথ ওঝাৰ অসমীয়া নাট সম্পৰ্কীয় প্ৰবন্ধসমূহে এই ক্ষেত্ৰত বাট কাটে। এটা সময়ত ড° ওঝাই এই মত প্ৰথমতে সজালেও পাছলৈ 'হিন্দী নাটক কোষ' নামৰ গ্ৰন্থত অসমীয়া সাহিত্যৰ অন্তৰ্গত সমুদায় অঙ্কীয়া নাটকে হিন্দী ভাষাৰ প্ৰাচীন নাটক হিচাপে অন্তৰ্ভুক্ত কৰিছে।

অঙ্কীয়া নাট আৰু ব্ৰজবুলি সাহিত্যৰ বিষয়ে ড° দশৰথ ওঝাই যি হিন্দী-দাবীৰ অৱতাৰণা কৰিলে, সেই দাবী সবল কৰিবলৈ এই অসমতে অধ্যাপনা কৰা বিভিন্ন হিন্দীভাষী হিন্দী লেখকে ইতিমধ্যে আৰু গ্ৰন্থ লিখি সমুদায় অঙ্কীয়া নাট, বৰগীত, ভটিমা, নাটৰ গীত, নাটৰ সংলাপক হিন্দী ভাষা-সাহিত্যৰ অন্তৰ্গত বুলি বৃহদাকাৰৰ গ্ৰন্থ লিখি প্ৰচাৰ কৰিছে। এই ধৰণৰ কাৰ্যত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ কেইবাজন লেখকেও সহায় কৰা বুলি গ্ৰন্থ লেখকসকলৰ নিজৰ কথাৰপৰা জানিবলৈ পোৱা হৈছে। তাৰ বাহিৰেও কোনো কোনো অসমীয়া ভাষা-ভাষীয়ে এই ক্ষেত্ৰত মিৰ্জাফৰী কায়দাৰে এই গ্ৰন্থ লেখকসকলক সহায় কৰি অসমীয়া ভাষা-সাহিত্যৰ অশেষ হানিও কৰিছে। তেওঁলোকৰ যুক্তি যে হিন্দী ভাষাৰ মাধ্যমেৰে অসমীয়া সাহিত্যৰ এতিয়ালৈকে অনা-প্ৰচাৰ হৈ থকা সামগ্ৰীৰ প্ৰচাৰ কৰাতহে এওঁলোকে সহায় কৰিছে। সম্ভৱতঃ এই হিন্দী ভাষী লেখকসকলৰ হিন্দী ভাষাৰ পণ্ডিতালিৰ মাজেৰে যি কথা কোৱা হৈছে, এই মিৰ্জাফৰী কায়দাৰ সহায়ক সকলে সেই কথা বুজিবই পৰা নাই।

এই প্ৰবন্ধত ইতিমধ্যে প্ৰকাশ হোৱা বা লিখা হোৱা সকলো হিন্দী কিতাপৰ বিষয়ে আলোচনা কৰিব খোজা নাই। কেৱল 'মাধৱদেৱৰ নাটক' ('মাধৱদেৱ কে নাটক') নামৰ কিতাপখনৰ বিষয়েহে আলোচনা কৰিব



খুজিছোঁ। এই কিতাপখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ ৰীডাৰ ড° কৃষ্ণনাৰায়ণ প্ৰসাদে লিখিছে। এই কিতাপখনত মহাপুৰুষ মাধৱদেৱৰ অঙ্কীয়া নাটসমূহৰ বিষয়ে আলোচনা কৰিছে। এই লেখকজনে ইতিমধ্যে 'সুৰদাস আৰু শঙ্কৰদেৱৰ কৃষ্ণ-ভক্তি কাব্যৰ তুলনামূলক অধ্যয়ন' ('সুৰদাস ঔৰ শঙ্কৰদেৱ কে কৃষ্ণ-ভক্তি কাব্যোঁ কা তুলনাত্মক অধ্যয়ন') নামৰ গৱেষণা গ্ৰন্থ (অপ্ৰকাশিত) লিখিছে আৰু বিহাৰ বিশ্ববিদ্যালয়ৰপৰা ডি-লিট্ উপাধি পাইছে। লেখকে 'শঙ্কৰদেৱ : সাহিত্যিক ঔৰ বিচাৰক', 'শঙ্কৰদেৱ কে নাটক', 'ব্ৰজাৱলী পদ্য সাহিত্য' নামৰ আৰু কেইখনমান গ্ৰন্থ লিখিছে। এই লেখকে ওপৰত উল্লেখ কৰা বিভিন্ন গ্ৰন্থত প্ৰাচীন অসমীয়া সাহিত্য আৰু মহাপুৰুষ কেইজনাৰ ব্যক্তিত্ব আৰু কৃতিত্বৰ বিষয়ে কেনে ধৰণৰ মন্তব্য কৰিছে— সেই বিষয়েও এই প্ৰবন্ধত আলোচনা কৰিব খোজা নাই। এই সম্পৰ্কে বিবেচনাৰ কাৰণে অন্য স্বতন্ত্ৰ প্ৰবন্ধৰ প্ৰয়োজন হ'ব।

'মাধৱদেৱৰ নাটক'ত তেৰাৰ বিভিন্ন নাটৰ ভাষা সম্পৰ্কে আলোচনা কৰাৰ লগতে এই নাটসমূহৰ দেৱনাগৰী লিপান্তৰো কৰা হৈছে। এই ক্ষেত্ৰত এইটো মন কৰিবলগীয়া কথা যে লেখকে অসমৰ চাৰিসীমাৰ মাজতে অধ্যাপনা কৰে আৰু তেওঁ সকলো সময়তে স্থানীয় ভাষা-সাহিত্যৰ বিদ্বানৰ লগত বিচাৰ-বিবেচনা কৰিব পাৰে। কিন্তু 'মাধৱদেৱৰ নাটক' পঢ়ি লেখকে তেনে কৰা বুলি ধাৰণা নহয়। নহ'লে ইয়াত তথ্য আৰু ব্যাখ্যা সম্পৰ্কে ইমান বিসঙ্গতি আহি নপৰিলহেঁতেন। 'মাধৱদেৱৰ নাটক'ৰ বিষয়ে বিবেচনা কৰাৰ এই কাৰণেও প্ৰয়োজন হৈ পৰিছে যে উত্তৰ প্ৰদেশ চৰকাৰে ইতিমধ্যে এই গ্ৰন্থৰ কাৰণে লেখকক পুৰস্কৃতো কৰিছে। উত্তৰ প্ৰদেশ চৰকাৰৰ এনে পুৰস্কাৰ দিয়াৰ মাপদণ্ড কি আমি নাজানো; কিন্তু পুৰস্কাৰৰ কাৰণে কৰা এই বাছনি আমি শুদ্ধ হৈছে বুলি নাভাবোঁ। অহিন্দী ভাষী অঞ্চলৰ বিভিন্ন বিষয় সম্পৰ্কে তথ্য-পাতি হিন্দী ভাষাৰ মাধ্যমেৰে প্ৰকাশ বা প্ৰচাৰ হোৱা উচিত। এই কামক আমি আদৰণিও জনাওঁ। কিন্তু হিন্দী ভাষী অঞ্চলৰ সামগ্ৰীৰ নামত ভুল, পূৰ্বাগ্ৰহী আৰু অগ্ৰহণীয় সামগ্ৰী প্ৰকাশ কৰা অথবা পুৰস্কৃত কৰা কথাত আমি উৎসাহিত হ'ব নোৱাৰোঁ। হিন্দীভাষী অঞ্চল এনে ধৰণৰ উছাহৰপৰা আঁতৰত থকাই ভাল। নাইবা অহিন্দীভাষী অঞ্চলে তেওঁলোকৰ সম্পৰ্কে ভুল ধাৰণা ল'ব পাৰে। অহিন্দীভাষী অঞ্চলৰ উৎসাহীসকল এনে ভুল উছাহ দিয়াৰপৰা দূৰত থকাই সকলোৰে কাৰণে মঙ্গল; বিশেষকৈ হিন্দী-ভাষাৰ খাতিৰত এই কাৰ্যত আৰু সাৱধানতা অৱলম্বন কৰা প্ৰয়োজন।

'মাধৱদেৱৰ নাটক' নামৰ গ্ৰন্থখনক পুৰস্কৃত কৰি এক ভুল উছাহক আগ ঠাই দিয়া হৈছে। এই গ্ৰন্থত তেৰাৰ নখন অঙ্কীয়া নাটৰ পৰিচয় দি সেইবোৰৰ দেৱনাগৰী লিপান্তৰ কৰা হৈছে। এই কাৰ্য সাধাৰণ দৃষ্টিত দোষণীয় হোৱা নাই। কিন্তু এই কাৰ্যত যি নিৰপেক্ষতা আৰু নিৰ্লিপ্ততাৰ প্ৰয়োজন আছিল— তাক গ্ৰন্থখনত ৰক্ষা কৰা হোৱা নাই। এনে কৰিবৰ কাৰণে লেখকৰ বহু সুবিধা আছিল। কিন্তু তেওঁ সেই সুবিধা গ্ৰহণ নকৰিলে। বৰং নিজৰ একাঙ্গী দৃষ্টিকোণ, অনুদাৰ ভাৱনা আৰু আগ্ৰাসী মনোভাৱৰ দ্বাৰা এই নাটসমূহক এক বিশেষ গোষ্ঠীভুক্ত সামগ্ৰী বুলি কৰবলৈ পাৰেমানে চেষ্টা কৰিলে। লেখকে গ্ৰন্থৰ পৰিচয়াত্মক বিৱৰণিত কৈছে— "বৰ্তমান সঙ্কলনত হিন্দীৰ অনুকূল পাঠহে গ্ৰহণ কৰা হৈছে। পৰিসৰ বঢ়াৰ ভয়ত পাঠান্তৰ দিয়া হোৱা নাই। এনে অৱস্থাত আমি ইয়াক টেক্সচুৱেল সম্পাদন নুবুলি অনুকূল পাঠ-গ্ৰহণ বুলিহে ক'ম। পাঠখিনি

অসমীয়াৰপৰা দেৱনাগৰী লিপ্যন্তৰ কৰোঁতে হিন্দী প্ৰকৃতিকহে মুখ্য স্থান দিয়া হৈছে। এই সম্পৰ্কে তলত দিয়া ধৰণেৰে পৰিবৰ্তন কৰা হৈছে--

১) অসমীয়া 'য' (জ) ৰ কাৰণে 'জ'—কায—কাজ।
২) " 'চ' (স) ৰ " —ঐচন—ঐসন।
৩) " 'ছ' (স) ৰ " —ঐছন—ঐসন।
৪) সংস্কৃত বানানৰ কাৰণে হিন্দী বানান, যেনে— ধৰ্ম্ম—ধৰ্ম, নিৰ্ম্মাণ—নিৰ্মাণ।

এই সামান্য পৰিবৰ্তনৰ কাৰণে পাঠ হিন্দী-প্ৰকৃতিৰ অধিক অনুকূল হৈ পৰিছে।"

'হিন্দী প্ৰকৃতিৰ অধিক অনুকূল' কৰাৰ অধিকাৰ ড° প্ৰসাদক কোনে দিলে? মহাপুৰুষ মাধৱদেৱৰ পুণ্যাত্মাই নে অসমীয়াভাষী উত্তৰাধিকাৰীসকলে? এই অনুকূল প্ৰকৃতিখিনি যোগ নিদিলে মাধৱদেৱৰ নাটসমূহ হিন্দীৰ হ'ব নোৱাৰে, এইটো ড° প্ৰসাদৰ লেখাৰপৰা স্পষ্ট হয়; অৰ্থাৎ মাধৱদেৱৰ নাটৰ ভাষা হিন্দী নহয়। মাধৱদেৱে নিজৰ গুৰু শঙ্কৰদেৱৰ প্ৰেৰণাত ব্ৰজবুলি নামৰ এক বিশেষ ভাষা-শৈলীত অঙ্কীয়া নাট ৰচনা কৰিছিল। শঙ্কৰদেৱে এই ভাষা-শৈলীত লিখিবলৈ ক'ৰপৰা প্ৰেৰণা পালে, এই ভাষা-শৈলীৰ নাম কিয় ব্ৰজবুলি হ'ল, অথবা এই ভাষা-শৈলীত মহাপুৰুষসকলে কিয় লিখিলে,— এনে প্ৰশ্নবোৰৰ উত্তৰ বেলেগ হ'ব। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে শঙ্কৰ-মাধৱৰ ব্ৰজবুলি ভাষা-শৈলীক টানি-আঁজুৰি হিন্দী ভাষাৰ ওচৰলৈ লৈ যাব লাগে। ড° প্ৰসাদৰ মতে শঙ্কৰ-মাধৱৰ নাটৰ ভাষা-শৈলী ব্ৰজবুলি (লেখকৰ মতে আকৌ বৃন্দাৱনীহে, ব্ৰজাৱলী ভাষা নহয়) হয়; কিন্তু ই হিন্দীও। মাধৱদেৱৰ সেই সময়ৰ হিন্দী-শৈলীৰ বিষয়ে শুদ্ধ জ্ঞান নাছিল, সেই কাৰণে তেওঁৰাই ভুল ব্ৰজবুলি হিন্দী-শৈলীত নাটসমূহ ৰচনা কৰিছিল। সেই কাৰণে ড° প্ৰসাদে মহাপুৰুষৰ ব্ৰজবুলি ভাষা-শৈলীক নতুনকৈ সজাই-পৰাই হিন্দীৰ অনুকূল কৰিবলৈ চেষ্টা কৰিছে। ড° প্ৰসাদ অথবা এনে ধৰণৰ অন্য বিদ্বান এনে ধৰণৰ দুঃসাহস কৰাৰপৰা দূৰত থাকিলেহে প্ৰান্তীয় ভাষা-সাহিত্যৰ কাৰণে মঙ্গলজনক কথা হ'ব।

ভাষা-শাস্ত্ৰৰ ছাত্ৰই জানে যে শব্দ-সাম্যৰ কাৰণেই দুটা ভাষা একে হ'ব নোৱাৰে। আকৌ দুই-চাৰিটা ক্ৰিয়া-ৰূপ অথবা বিশেষণ বা প্ৰত্যয়-ৰূপৰ সমতায়ো দুটা ভাষাক এক কৰিব নোৱাৰে। এনেহ'লে অসমীয়া আৰু বঙলা ভাষাৰ মাজৰ বিভেদ-ৰেখা দূৰ হৈ যাব। আধুনিক ভাৰতৰ সমকালীন ভাষাসমূহত এনে ধৰণৰ হাজাৰ-বিজাৰ সমান ৰূপ আৰু অৰ্থ ব্যক্ত কৰা শব্দ ব্যৱহাৰ হয়; আৰু এনে হোৱাৰ ফলতো সেইবোৰক বেলেগ-বেলেগ ভাষা বুলি কোৱা হয়। ভাষাৰ বিভিন্নতা সিহঁতৰ ক্ৰিয়াৰূপ, প্ৰত্যয়, বিভক্তি, সৰ্বনাম, ব্যাকৰণিক পদ্ধতি আদিৰ ওপৰতহে নিৰ্ভৰ কৰে। ব্ৰজবুলি ভাষা-শৈলীৰ সকলো শব্দৰ ক্ৰিয়াৰূপ, প্ৰত্যয়, বিভক্তি, সৰ্বনাম, ব্যাকৰণিক পদ্ধতি কেৱল হিন্দীৰেই নে? আৰু যি হিন্দীৰ প্ৰকৃতিৰ অনুকূল কৰিবলৈ ড° প্ৰসাদে যত্ন কৰিছে, সেই হিন্দীৰ খ্ৰীষ্টীয় পোন্ধৰ শতিকাত স্বৰূপ কি আছিল? ব্ৰজবুলি ভাষা-শৈলীত আজিৰ হিন্দী ভাষাৰ এলাকাত সেই সময়ত কিবা সাহিত্যিক ৰচনা হৈছিল নে? যদি হোৱা নাছিল, —কিয় হোৱা নাছিল? যদি হোৱা নাছিল, তেন্তে সেইটোৱে এইটো প্ৰমাণ নকৰে নে যে ব্ৰজবুলি ভাষা-শৈলী হিন্দীৰ বাপতি-সাহোন নহয়। ই এক সমূহীয়া ভাষা-শৈলীহে আছিল, য'ত তেতিয়াৰ মধ্যভাৰতীয় ভাষা আৰু উত্তৰ-পূৱ ভাৰতৰ আৰ্য ভাষাসমূহৰ বিভিন্ন তত্ত্বৰ সমাহাৰ হৈছিল। এই সমূহীয়া ভাষা-শৈলীৰ স্বৰূপ আমি বৌদ্ধগান আৰু দোহাবোৰতো পাওঁ। এই কাৰণে এই ভাষাসমূহে নিজৰ নিজৰ স্বতন্ত্ৰ সত্তাৰ দাবী কৰে। সেই কাৰণে অসমত আৰু অসমীয়া মনীষীসকলদ্বাৰা বাৰম্বাৰ



ব্ৰজবুলি ভাষা-শৈলীক হিন্দী কৰিবলৈ কৰা চেষ্টাক আমি নিস্বাৰ্থ বুলি ভাবিব নোৱাৰোঁ। ড° কৃষ্ণনাৰায়ণ প্ৰসাদৰ "হিন্দী প্ৰকৃতিৰ অধিক অনুকূল" কৰাৰ যত্নক এই কাৰণে আমি স্বাৰ্থহীন বুলি নাভাবোঁ। তেওঁ নিজৰ পৰিচয়াত্মক বিৱৰণিত আৰু কৈছে: "পাঠবিলাক মিলাই পৰীক্ষা কৰি চালে বুজিব পাৰি যে তৃতীয় গ্ৰন্থ (বাক্যামৃত)ত দ্বিতীয় গ্ৰন্থ (অঙ্কীয়া নাট)ৰ পাঠহে স্বীকাৰ কৰা হৈছে। পাঠৰ এই ৰূপ অসমীয়া প্ৰকৃতিৰ অধিক ওচৰৰ। প্ৰথম গ্ৰন্থ (অঙ্কাৱলীত) স্বীকৃত পাঠৰ প্ৰকৃতি সাধাৰণভাৱে হিন্দীৰ ওচৰৰ।" ড° প্ৰসাদে অঙ্কীয়া নাটৰ ভাষা অসমীয়া ভাষাৰ অনুকূল হোৱা দেখি ভাল পোৱা নাই। এই কাৰণে তেওঁ তিনিওখন গ্ৰন্থৰ দুখনৰ ভাষাক অস্বীকাৰ কৰি তৃতীয়খন গ্ৰন্থৰ ভাষাকহে মানি লৈছে। আনফালে তেওঁ ব্ৰজবুলিক হিন্দীৰ ওচৰৰ ভাষা কৰি থাউকতে ইয়াৰ ৰচনাসমূহক হিন্দী সাহিত্য বুলি কৈছে। তেওঁৰ এই চেষ্টা ব্ৰজবুলি পৰম্পৰাৰ অসমীয়া শৈলীক অস্বীকাৰ কৰাৰ প্ৰচেষ্টা হে। এইটো মনত ৰখা দৰ্কাৰ যে সেই কালত এই ভাষা-শৈলীৰ সৰ্বদেশীয় আৰু স্থানীয় শৈলীৰ এক মিশ্ৰিত ৰূপ বিভিন্ন প্ৰান্তত প্ৰচলিত আছিল। কিন্তু আজিও অন্য কোনো প্ৰান্ততে এই প্ৰান্তীয় শৈলীৰ সংস্কাৰ কৰি ইয়াক মধ্যদেশী ৰূপ দিবলৈ— "হিন্দীৰ অনুকূল" কৰিবলৈ যত্ন কৰা আমি দেখা নাই। ড° প্ৰসাদৰ এই যত্ন অপূৰ্ব আৰু তেওঁ যদি এই কাৰ্যত কৃতকাৰ্য হয়, তেন্তে অসমীয়া ভাষাই এক বিশেষ ভাষা-শৈলী হেৰুৱাব, আৰু অসমীয়া সাহিত্যই নিজৰ এক গৌৰৱপূৰ্ণ অমূল্য সম্পদক।

ড° প্ৰসাদৰ 'অঙ্কীয়া নাট'ৰ দেৱনাগৰী লিপ্যন্তৰ কৰাৰ সম্পূৰ্ণ অধিকাৰ আছে। ইয়াত একো বিবাদৰ স্থল নাই। কিন্তু লিপ্যন্তৰ কৰা এটা কথা, আৰু আপোন ইচ্ছানুসৰি তাত পাঠান্তৰ কৰা আৰু বানান সলনি কৰা অন্য এটা কথা। যি লিপিলৈ লিপ্যন্তৰ কৰা হয়, সেই লিপিৰ ধ্বনিসমূহৰ মাজত উচ্চাৰণৰ ফালৰপৰা যথেষ্ট অন্তৰ হ'ব পাৰে। এনে অৱস্থাত লিপ্যন্তৰিত লিপিত মূল পাঠৰ যাতে শুদ্ধ উচ্চাৰণ হয়, তাৰ কাৰণে পাদ-টিপ্পনীত সঙ্কেত থাকিব লাগে। কিন্তু ড° প্ৰসাদে 'মাধৱদেৱৰ নাটক'ৰ ক্ষেত্ৰত এই খিনি কষ্ট নসহিলে আৰু ব্ৰজবুলি পৰম্পৰাৰ অসমীয়া শৈলীক হিন্দীলৈ ৰূপান্তৰিত কৰি পেলালে। এই শৈলীৰ গোটেইখিনি অসমীয়া তত্ত্ব তাৰপৰা উলিয়াই পেলালে। দেৱনাগৰীত লিপ্যন্তৰ হোৱা মাধৱদেৱৰ নাটকসমূহ দেখি সেইবিলাক আচলতে যে অসমীয়া নাটক, কাৰো ধাৰণাই নহ'ব। পৰিচয়াত্মক বিৱৰণিত ড° প্ৰসাদে অৱশ্যে কৈছে যে উল্লিখিত প্ৰথম গ্ৰন্থখন হিন্দীৰ অনুকূল; তথাপি তেওঁ তিনিওখন গ্ৰন্থৰে বানানসমূহক নিজৰ সুবিধা অনুসৰিয়েই লিপ্যন্তৰত ঠাই দিছে। এটা বাক্যৰ কোনো শব্দৰ বানান অন্য এখন গ্ৰন্থৰ শব্দৰ বানানৰ লগত মিলে। সেই বাক্যৰেই অন্য এটা শব্দৰ বানান অন্য এখন গ্ৰন্থৰ শব্দৰ বানানৰ লগত মিলে। উদাহৰণ হিচাপে আমি ল'ব পাৰোঁ— 'অৰ্জ্জুন ভঞ্জন নাট'ৰ সূত্ৰধাৰৰ দ্বিতীয় বচনক। লিপ্যন্তৰ কৰোঁতে ড° প্ৰসাদে 'কয়' কৰিছে। 'কয়'ৰ এই ৰূপটো 'অঙ্কীয়া নাট'ত আছে; কিন্তু অঙ্কাৱলীত ইয়াৰ ৰূপ 'কয়ে' আছে। সেই বচনৰে যশোদা শব্দ 'অঙ্কীয়া নাট'ত যশোদা আছে; কিন্তু অঙ্কাৱলীত 'জশোদা' বুলি আছে। লিপ্যন্তৰত এইটো 'যশোদা' কৰা হৈছে। লিপ্যন্তৰ কৰোঁতে 'কয়'ৰ বানান 'অঙ্কীয়া নাট'ৰ দৰে কৰা হৈছে, আনফালে 'যশোদা'ৰ বানান 'অঙ্কাৱলী'ৰ দৰে কৰা হৈছে, যদিও ড° প্ৰসাদে বানানৰ ক্ষেত্ৰত 'অঙ্কাৱলী'ক অনুকৰণ কৰা বুলি কৈছে। নিজৰ ইচ্ছানুসৰি বানান বছাৰ বিষয়ে ড° প্ৰসাদে কোনো কাৰণ দিয়া নাই। বোধকৰোঁ "হিন্দীৰ অনুকূল" কৰাৰ এইটোও এটা প্ৰয়াস। এনে ধৰণৰ উদাহৰণ 'মাধৱদেৱৰ নাট'ৰপৰা

আৰু বহুতো দিব পাৰি।

ড° কৃষ্ণনাৰায়ণ প্ৰসাদে গোটেইখন গ্ৰন্থতে এইটো চেষ্টা কৰিছে যাতে সংস্কৃতজনিত সকলো অসমীয়া শব্দৰ বানান হিন্দীৰ অনুকূলতাৰ কাৰণে নিৰ্ম্মলৰ পৰা নিৰ্মল, ধৰ্ম্মৰ পৰা ধৰ্ম হয়। ড° প্ৰসাদৰ মহাপুৰুষৰ বানান সলনি কৰাৰ দুঃসাহস কেনেকৈ হ'ল? এইয়েই নহয়, তেওঁৰ নিজৰ কথাতেই— "কোনো কোনো ঠাইত কমা, ছেমিকোলন, দাড়ি আদি চিনৰ প্ৰয়োগো আগতে ছপা কৰা কিতাপৰ পাঠতকৈ কিছু বেলেগ ৰূপত পাঠখিনি অনুকূল আৰু সৌষ্ঠৱপূৰ্ণ কৰিবৰ কাৰণে ব্যৱহাৰ কৰা হৈছে।" যেন মাধৱদেৱ পুৰুষে অনুকূল স্থানত অনুকূল চিন দিবলৈ পাহৰি গৈছিল, অথবা এই চিনবোৰৰ ব্যৱহাৰ তেখেতে নাজানিছিলেই, আৰু ড° প্ৰসাদৰ দৰে ব্যক্তিৰ কাৰণে সেইবোৰ শুধৰাবলৈ এৰি গৈছিল। এখন অঙ্কীয়া নাটৰ নাম 'ভূমি লোটোৱা' বা 'ভূমি লুটিয়া'ৰপৰা সলনি কৰি হিন্দীৰ অনুকূলতাৰ কাৰণে 'ভূমি লোটৱা' কৰি পেলালে। এয়েই নহয়—'অৰ্জ্জুন ভঞ্জন যাত্ৰা'ৰ প্ৰথম গীতৰ তালৰ 'এক তালি'ক 'একতাল' কৰিছে, সপ্তম গীতৰ 'ৰাগ তুড় ভাটিয়ালি'ক 'ৰাগ তুৰ ভাটিয়ালী কৰিছে, অষ্টম গীতৰ 'ৰাগ কৈল্যাণ'ক 'ৰাগ কল্যাণ' কৰিছে। এনে উদাহৰণ গ্ৰন্থৰপৰা আৰু বহুতো দিব পাৰি। বিস্তাৰৰ ভয়ৰ কাৰণে আমিও বিৰত থাকিলোঁ।

লিপ্যন্তৰৰ অৰ্থ নিজৰ ইচ্ছামতে মূল ভাষাৰ সামগ্ৰী যেনে তেনে ৰূপত প্ৰকাশ কৰাটো নহয়। লিপ্যন্তৰত এটা ভাষাৰ শব্দসমূহৰ আখৰবোৰৰ সলনি অন্য এটা ভাষাৰ আখৰবোৰহে মাত্ৰ ৰখা হয়। এনে কৰোঁতে আখৰবোৰৰ উচ্চাৰণত যদি কোনো প্ৰকাৰৰ অসমানতাই দেখা দিয়ে, তেন্তে পাদটীকাত সেই সম্পৰ্কে কেৱল স্পষ্টীকৰণ দিয়া হয়, আখৰৰ ইফাল-সিফাল কৰা নহয়। কোনো প্ৰাচীন গ্ৰন্থৰ পাঠ সংশোধন কৰাৰ কাম যদি কৰা হয়, তেতে সেই অৱস্থাতো সকলো পাঠান্তৰত সেই সম্পৰ্কে উল্লেখ থাকে। ড° প্ৰসাদৰ এই কাম গৱেষণাৰ নহয়, পাঠ সংশোধনৰো নহয়; এই কাম কেৱল লিপ্যন্তৰহে। এই কাৰণে ইয়াত নিজৰ ফালৰপৰা কোনো যোগ-বিয়োগ কৰাৰ সুবিধা নাই। পাঠ সংশোধন কৰাৰ ড° প্ৰসাদৰ যোগ্যতাই বা কি? তেওঁ আধুনিক অসমীয়া ভাষা ভালকৈ জানে নে? প্ৰাচীন অসমীয়া ভাষাকেই বা তেওঁ কিমান ভালকৈ জানে? তেওঁ ভাষাতাত্ত্বিক নহয়। আৰু অসমীয়া ব্ৰজবুলি ভাষা-শৈলীত তেতিয়াৰ অসমীয়া ভাষাৰ এনে শব্দাৱলী আৰু জতুৱা ঠাঁচ আছে, যিবিলাকৰ অৰ্থ উলিয়াবলৈ ড° প্ৰসাদৰ আৰু বহুতো বছৰ লাগিব। ইয়াৰ কাৰণে তেওঁ অপেক্ষা কৰাই যুগুত। তেওঁ অন্য ভাষা-সাহিত্যৰ বৈশিষ্ট্যৰ প্ৰতি সন্মান দেখুৱা উচিত, আৰু সেইবিলাকক অন্য ভাষা-সাহিত্যৰ অঙ্গ হিচাপে দেখুৱাবলৈ গৈ সেই ভাষা-ভাষীৰ মাজত অবিশ্বাসৰ বীজ নিসিঁচাই উচিত।

আধুনিক হিন্দী ভাষাৰ এলাকাত এসময়ত বিভিন্ন অঞ্চলৰ বিভিন্ন স্থানীয় ভাষাই গা কৰি উঠিছিল আৰু সেইবোৰৰ বহুততে সাহিত্যৰো সৃষ্টি হৈছিল। ব্ৰজ, অৱধী-মৈথিলীও যদি হিন্দী ভাষাৰে স্থানীয় ৰূপ হয়, সেই সকলোতে সাহিত্যৰ সৃষ্টি হৈছিল। তেতিয়া হিন্দী ভাষাৰ উৎস-ভাষা খড়ীবোলী বিশিষ্ট ভাষা নাছিল। সেই ভাষাত কিছুমান দোহা বা পদৰ ৰচনাৰ বাহিৰে সাহিত্য হিচাপে তেনে ৰচনাও হোৱা নাছিল। হিন্দী এলাকাৰ ব্ৰজ, অৱধী, মৈথিলী, মগহী, ভোজপুৰী, কনৌজী, বুন্দেলী আদিৰ পৰা শব্দ বা বিভক্তি-প্ৰত্যয় বা ব্যাকৰণিক পদ্ধতিৰ

( ৮৮ পৃষ্ঠাত চাওক )

# দেৱনাগৰী লিপি

ড° নিশিপদ চৌধুৰী

সংস্কৃত এটা ভাষাৰ নাম, নাগৰী এটা লিপিৰ। অসমীয়া, বঙলা, তামিল, তেলুগু আদি লিপি যেনেকৈ সংস্কৃত সাহিত্যৰ বাহন হ'ব পাৰে, তেনেকৈ এই সকলো ভাষাৰ কিতাপ-পত্ৰ সহজে দেৱনাগৰীত লিখিব বা ছপাব পৰা যায়। ভাৰতৰ প্ৰধান ভাষাবোৰৰ নিজস্ব লিপি আছে;— অসমীয়াৰ অসমীয়া, বঙলাৰ বঙলা, গুজৰাটীৰ গুজৰাটী, তামিলৰ তামিল ইত্যাদি। হিন্দীৰ লিপি নাগৰী; সংস্কৃতৰো নাগৰী। উত্তৰ ভাৰততে নহয়, দক্ষিণ ভাৰততো সংস্কৃতৰ প্ৰধানতম বাহন হ'ল নাগৰী লিপি।

ভাৰতৰ প্ৰায় সকলোবোৰ লিপিৰ উদ্ভৱ হয় ব্ৰাহ্মী লিপিৰপৰা। অকল ভাৰততে নহয়, দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াৰ বহু সংখ্যক বৰ্ণমালাৰো উদ্ভৱৰ মূলতে ব্ৰাহ্মী লিপি।

অন্যান্য ভাৰতীয় লিপিৰ নিচিনাকৈ ব্ৰাহ্মী লিপিৰ পৰা নাগৰীৰো উদ্ভৱ। মহেঞ্জোদাৰো, হৰপ্পা আদি ঠাইত পোৱা সিন্ধু-সভ্যতাৰ শিল-মোহৰ আদিত পোৱা লিপিৰ (এইবোৰৰ এতিয়াও পাঠোদ্ধাৰ হোৱা নাই) বিৱৰ্তনৰ ফলত ব্ৰাহ্মীৰ উৎপত্তি বুলি বহুতৰে অনুমান। লিখিত বিৱৰণিৰপৰা অনুমান কৰিব পাৰি যে অশোকৰ বহুদিন পূৰ্বে ভাৰতত হস্তলিপিতত্ত্ব জ্ঞাত আছিল। প্ৰাৰম্ভিক পৰ্য্যায়ত চিত্ৰ-লিপি আৰু বিশেষকৈ ধ্বনি-লিপি প্ৰচলন থকাটো নুই কৰিব নোৱাৰি। তথাপি ব্ৰাহ্মী লিপি বৰ্ত্তমানেও ভাৰতত প্ৰাচীনতম লিপি বুলি পৰিগণিত হৈ আছে। সম্ভৱতঃ এই লিপিৰ আৰম্ভণি হয় খ্ৰীঃপূঃ চতুৰ্থ-তৃতীয় শতাব্দীত বৌদ্ধ ধৰ্মৰ পবিত্ৰ বাণীসমূহ লিপিবদ্ধ কৰি ৰাখিবলৈ। কেবা শ বছৰ জুৰি বৌদ্ধ ধৰ্ম সম্বন্ধীয় (আৰু কিছুমান জৈন ধৰ্ম সম্বন্ধীয়) বহু সংখ্যক প্ৰাচীন অভিলেখন পোৱা যায়,— সেইবোৰৰ পৰাও ব্ৰাহ্মী লিপিৰ উদ্ভৱ প্ৰাক-অশোক কালত হোৱা বুলি ক'ব পাৰি। অৱশ্যে ব্ৰাহ্মী-লিপিৰ নিদৰ্শন খ্ৰী: পূঃ চতুৰ্থ শতাব্দীৰ আগতে পোৱা নাযায়। খ্ৰীঃ পূঃ তৃতীয় শতাব্দীৰপৰা তৃতীয় খ্ৰীষ্টাব্দলৈ— এই কালছোৱাৰ অভিলেখন সমূহ জৰীপ কৰি চালে দেখা যায়— ব্ৰাহ্মী পোনতে বেছি জনপ্ৰিয় নাছিল; কিন্তু পাছলৈ এইটো একমাত্ৰ ভাৰতীয় লিপিত পৰিণত হয়।

বৰ্ত্তমান প্ৰচলিত প্ৰায়বোৰ লিপিৰ নিচিনাকৈ ব্ৰাহ্মীও লিখা হয় বাওঁ ফালৰপৰা সোঁ ফাললৈ। ব্ৰাহ্মীৰ সবাতোকৈ প্ৰাচীন নিদৰ্শন হ'ল সম্ৰাট অশোকৰ অভিলেখনসমূহ। খ্ৰী: পূ: তৃতীয় শতাব্দীত এইবোৰ খোদিত কৰায়। অশোকৰ সময়ৰপৰা খ্ৰী: পঞ্চম-ষষ্ঠ শতাব্দীলৈকে এই কালছোৱাত এই লিপিৰ নানা পৰ্য্যায়-বিৱৰ্ত্তনৰ পৰিণতিৰূপে প্ৰায়বোৰ আঞ্চলিক লিপিয়ে আত্মবিকাশ কৰে। সংক্ষেপে ক'বলৈ হ'লে প্ৰায় সপ্তম শতিকাৰ শেষছোৱা আৰু অষ্টম

শতিকাৰ আগছোৱাত এই সকলোবোৰ আঞ্চলিক লিপিৰ গঠনত নিজস্বতা প্ৰকাশ পাবলৈ ধৰে আৰু একাদশ-দ্বাদশ শতাব্দীৰ ভিতৰত এইবোৰৰ ৰূপ-চৰিত্ৰ সুস্পষ্ট হয়।

সপ্তম-অষ্টম শতাব্দীৰ অভিলেখনসমূহত (শিলালিপি, তাম্ৰলিপি, দান-পত্ৰ) থকা লিপিবোৰক সম্পূৰ্ণ আঞ্চলিক নুবুলি আদি-আঞ্চলিক ( Proto Regional ) বোলা উচিত। পূৰ্ণ পৰ্যায়ৰ আঞ্চলিক লিপিৰ আবিৰ্ভাৱ হয় তাৰো প্ৰায় ২/৩ শ বছৰৰ পাছতহে। অধ্যাপক আহমদ হাচান দানিয়ে আদি-আঞ্চলিক লিপিবোৰক নটা উপ-বিভাগসহ চাৰিটা প্ৰধান শ্ৰেণীত ভাগ কৰিছে : ক) উত্তৰ ভাৰতৰ লিপি, খ) গুজৰাট-ৰাজস্থান-মধ্য ভাৰতৰ লিপি, গ) দাক্ষিণাত্যৰ লিপি আৰু ঘ) দক্ষিণৰ অৰ্থাৎ তামিলনাডু-কেৰালাৰ লিপি।

ভাৰতীয় হস্তলিপিতত্ত্ব প্ৰাচীনতম কালৰপৰা বৰ্তমানলৈকে হোৱা ক্ৰমবিকাশৰ পৰিণতি। ভাৰতীয় ভৌগোলিক উপাদান আৰু সময়ৰ গতি এই দুয়োটাই ভাৰতীয় লিপিৰ ক্ৰমোন্নতিত বহু পৰিমাণে ইন্ধন যোগাইছে। অশোকৰ সময়ত তেওঁৰ বিশাল সাম্ৰাজ্যত কৰলৈ গ'লে এটা মাথোন লিপিৰ প্ৰচলন আছিল। (অৱশ্যে খৰোষ্ঠী লিপিৰো প্ৰচলন নুই কৰিব নোৱাৰি। অশোকৰ এখনহে মাথোন অভিলেখন খৰোষ্ঠী লিপিত পোৱা যায়। এই লিপি বহুলভাৱে ব্যৱহৃত হোৱা নাছিল)। অশোকৰ পাছত দ্বিতীয় খ্ৰীষ্টাব্দলৈ লিপিৰ ক্ৰমোন্নতি বিশেষ হোৱা নাই। সাঁচী আৰু ভাৰহুতত পোৱা অভিলেখনৰ হাথীগুম্ফা অভিলেখনৰ লগত বিশেষ পাৰ্থক্য নাছিল। সপ্তম খ্ৰীষ্টাব্দৰ হৰ্ষবৰ্ধন আৰু দ্বিতীয় পুলকেশীৰ দিনৰ লিপিৰ লগত ব্ৰাহ্মী লিপিৰ পাৰ্থক্য প্ৰকট হৈ পৰে।

প্ৰথম-দ্বিতীয় খ্ৰীষ্টাব্দত কুষাণ বংশীয় ৰজাসকলৰ আমোলত মথুৰা আৰু ইয়াৰ আশে-পাশে প্ৰচলিত লিপি-শৈলী চতুৰ্থ-পঞ্চম শতাব্দীত গুপ্ত ৰজাসকলৰ ৰাজত্ব কালত ৰূপান্তৰিত হয়, আৰু পাছত হৰ্ষবৰ্ধনৰ (৬০৬-৪৭) সময়ত ৰাজস্থানী শৈলীৰ (ৰাজস্থান-মালৱৰ অঞ্চলত প্ৰচলিত) লগত সমন্বিত হোৱাৰ ফলত কুষাণ-গুপ্ত যুগৰ ব্ৰাহ্মী লিপিৰ আকৃতিত তুলনামূলকভাৱে পৰিৱৰ্তন ঘটে। এই পৰিৱৰ্তিত আকৃতিৰ পৰিচয় উত্তৰ প্ৰদেশৰ ডেৰাডুন জিলাৰ লাখামণ্ডল গাঁৱত পোৱা সপ্তমান্তিক বা অষ্টম শতকৰ অভিলেখনত পোৱা যায়। ইয়াৰ উপৰিও হৰ্ষবৰ্ধনৰ নিজস্ব মধুবন আৰু বাঁশখেৰা তামৰ ফলিতো দেখা যায়।

( ৬৬ পৃষ্ঠাৰ পিছৰপৰা )

সমাহাৰ কৰি খড়ীবোলীৰ সৃষ্টি হোৱা নাই। খড়ীবোলীয়ে নিজৰ এলাকাত স্বতন্ত্ৰভাৱেই গা কৰি উঠি আজিৰ ৰাষ্ট্ৰভাষা হিচাপে নিজকে প্ৰতিষ্ঠাপিত কৰিছে। খড়ীবোলী-ভিন্ন হিন্দী এলাকাৰ এই ভাষা-উপভাষাবোৰক যদি স্বতন্ত্ৰ হিচাপে স্বীকৃতি দিয়া হৈছে, তেন্তে অসমৰ ব্ৰজবুলিক কিয় হিন্দীৰ কোলালৈ নিবলৈ এনে ধৰণৰ ভগীৰথ-চেষ্টা কৰা হৈছে? খড়ীবোলীৰ লগত এই ভাষা-উপভাষাবোৰৰ বহুতো মিল থাকিলেও সিইত খড়ীবোলী নহয়। সেইদৰে ব্ৰজবুলিৰো আধুনিক হিন্দী বা আগৰ সেই এলাকাৰ ভাষা-উপভাষাৰ লগত মিল থাকিলেও হিন্দী বা হিন্দীৰ উপভাষা নহয়। অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত আজি এশ্ৰেণী সাহিত্যিক লৈ যি টনা-আঁজোৰা কৰা হৈছে, তেনে টনা-আঁজোৰা এসময়ত বঙলা সাহিত্যৰ ফালৰপৰাও কৰা হৈছিল। বঙলা সাহিত্যই মৈথিলী সাহিত্যৰ বিষয়েও একেই চেষ্টা কৰিছিল। অসমীয়া ভাষাৰ সাহিত্যিকসকল মহাপুৰুষসকলৰ এই অনুপম সাহিত্যৰাজিক অসমীয়া সাহিত্যৰ গৌৰৱোজ্জ্বল সম্পদ হিচাপে ৰখাত সচেতন হ'বৰ হ'ল।



বাঁশখেৰা তামৰ ফলিত আখৰবোৰ নিপুণভাৱে খোদিত; ব্যঞ্জন বৰ্ণৰ লগত সংযোজিত আ-কাৰ, ই-কাৰ আদিৰ মাত্ৰা অলঙ্কাৰবহুল, আৰু ৰেফ শিৰোৰেখাৰপৰা আঁতৰি নাযায়। মধুবন আৰু বাঁশখেৰাৰ লিপিৰ এইবোৰ বৈশিষ্ট্য পৰৱৰ্তী কালৰ বহু নাগৰী শিলা-লিপি আৰু তামৰ ফলি (যেনে— লাখামণ্ডল অভিলেখনত), বিশেষতঃ দশম-একাদশ শতাব্দীৰ বহু হাতে-লিখা পুথিত দেখা যায়। ৰাজস্থান-মালৱ অঞ্চলৰ সপ্তম-অষ্টম শতকৰ অভিলেখনসমূহতো (এইবোৰৰ কেইখনমান হৰ্ষবৰ্ধনৰ পূৰ্ববৰ্তী আৰু সমসাময়িক) বাঁশখেৰাৰ লিপিৰ এই বৈশিষ্ট্যসমূহ লক্ষণীয়।

নাগৰী উত্তৰ ভাৰতৰবৰ্তমান প্ৰধানতম লিপি হ'লেও আদি-নাগৰীৰ প্ৰাচীনতম নিদৰ্শনবোৰ আহিছে দাক্ষিণাত্য আৰু পশ্চিম ভাৰতৰপৰা। গুজৰাটৰ গুৰ্জৰ বংশীয় ৰজা তৃতীয় জয়ভট্টৰ ৭০৬ খ্ৰীষ্টাব্দৰ অভিলেখনত জয়ভট্টৰ স্বাক্ষৰ "স্বহস্তো মম জয়ভট্টস্য" আদি-নাগৰীত আছে। দাক্ষিণাত্যৰ ৰাষ্ট্ৰকূট বংশৰ দন্তিদুৰ্গ [আনুমানিক ৭৫২—৫৮], দ্বিতীয় গোবিন্দ [আনুঃ ৭৭৩ - ৮০] তৃতীয় গোবিন্দ (৭৯৩—৮১৪) প্ৰমুখ ৰজাসকলৰ অভিলেখনত আদি-নাগৰী আখৰৰ ব্যৱহাৰ দেখা যায়। কল্যাণৰ চালুক্য আৰু কোঙ্কণৰ শিলাহাৰ বংশৰ অভিলেখনৰপৰাও পশ্চিম ভাৰতত আদি-নাগৰীৰ জনপ্ৰিয়তাৰ প্ৰমাণ পোৱা যায়।

নাগৰী লিপিৰ উৎপত্তি দাক্ষিণাত্যত হ'লেও কালক্ৰমত উত্তৰ ভাৰত বা আৰ্যাবৰ্তত ইয়াৰ প্ৰাধান্য বিস্তৃত হয়। নাগৰী বা দেৱনাগৰী বুলিলে বৰ্তমান উত্তৰ ভাৰতৰ লিপি-বিশেষৰ কথাহে বুজা যায়; ইয়াৰ আদি বা উৎপত্তি-স্থানৰ কথা মনত নপৰে। নৱম শতাব্দীত আদি-নাগৰীয়ে আৰ্যাৱৰ্তত যে প্ৰসাৰ লাভ কৰিছিল, সেইটো বুজা যায় কনৌজৰ প্ৰতিহাৰ বংশীয় মহেন্দ্ৰপালৰ ৮৯৭ খ্ৰীঃৰ এটা অভিলেখনত। দশম—দ্বাদশ শতাব্দীৰ চৌহান, পৰমাৰ, কলচুৰি, চান্দেল্ল, গহড়ৱাল আদি বহু ৰাজবংশৰ অভিলেখনত যিবোৰ লিপি পোৱা যায়, সেইবোৰ নাগৰী বুলি ধৰিব পাৰি; কাৰণ জয়ভট্ট-দন্তিদুৰ্গ প্ৰমুখ ৰজাসকলৰ সময়ত অৰ্থাৎ অষ্টম শতাব্দীৰ প্ৰথম ছোৱাৰপৰা দশম-একাদশ শতাব্দীলৈ বিস্তৃত ২০০ / ২৫০ বছৰৰ ব্যৱধানত আদি-নাগৰী স্বাভাৱিক পৰিণতিত নাগৰীলৈ ৰূপান্তৰিত হৈছে আৰু নিজস্ব ৰূপত প্ৰকাশিত হৈছে। প্ৰসঙ্গতঃ অসমীয়া, বঙলা, উড়িয়া, শাৰদা (পঞ্জাব-কাশ্মীৰৰ লিপি) প্ৰভৃতি আঞ্চলিক লিপিবোৰৰো উদ্ভৱ কম সময়ৰ ব্যৱধানত দশম-একাদশ শতাব্দীত হয়; আৰু বেছিভাগ প্ৰাদেশিক ভাষাৰো সূচনা এই সময়ছোৱাতে। মূলতে, নাগৰী লিপিৰ মূল ৰূপ বা গঢ় দ্বাদশ শতাব্দীৰ মাজ ভাগত সুস্পষ্ট হয়,- পাছৰ পৰিৱৰ্তন বাহ্যিক। বিৱৰ্তনৰ এই স্বাভাৱিক ধাৰাৰ মূলতে কাল আৰু ৰুচিৰ প্ৰভাৱৰ বাহিৰেও তালপাত, ভুৰ্জপাত, সাঁচিপাত, কাগজ, কলম, চিয়াঁহী আদি লিখা-সামগ্ৰীৰো প্ৰভাৱ নুই কৰিব নোৱাৰি।

নাগৰীৰ লগত আৰু দুটা লিপিৰ নাম নিবিড়ভাৱে জড়িত : সিদ্ধমাতৃকা আৰু কুটিল। এইবোৰক স্বতন্ত্ৰ লিপি নুবুলি বিশিষ্ট লিখন-ৰীতি বোলাহে বাঞ্ছনীয়। সিদ্ধমাতৃকা এবিধ দ্ৰুতবহা ব্ৰাহ্মী লিপিৰ নাম, যাৰ উদ্ভৱ হয় ষষ্ঠ/সপ্তম শতাব্দীত। সিদ্ধমাতৃকা ঠাঁচত লিখা দলিল-পত্ৰ, অভিলেখন ইত্যাদিত 'ওঁ নমঃ সিদ্ধম্''-ৰে আৰম্ভ কৰা বুলিয়ে বোধহয় ইয়াৰ এই নামকৰণ। সিদ্ধমাতৃকাৰ দুটা বিশিষ্ট দৃষ্টান্ত বুদ্ধগয়াৰ ৫৮৮ খ্ৰীষ্টাব্দৰ অভিলেখন আৰু জাপানৰ হোৰিয়ুজি মন্দিৰত সংৰক্ষিত সপ্তমান্তিক বা অষ্টম শতাব্দীৰ বৌদ্ধশাস্ত্ৰ। 'উষ্ণীষ বিজয় ধাৰিণী'ৰ তালপাতৰ পুথিৰ

কুটিল লিপি সিদ্ধমাতৃকাৰ ৰূপভেদ। ৰাষ্ট্ৰকূট বংশীয় দন্তিদুৰ্গৰ বা গোবিন্দৰ লিখিত আদি-নাগৰীৰ কিছুমান আখৰ কুটিল লিপিৰ ঠাঁচৰ। কালক্ৰমত সিদ্ধমাতৃকাৰ অনুৰূপভাৱে কুটিল লিপিৰ বঙ্কিমতায়ো বহু আখৰক প্ৰভাৱিত কৰে।

ক্ৰমবিকাশৰ পথত অসমীয়া, বঙলা, শাৰদা, গুজৰাটী আদি অন্যান্য লিপিৰ সহগামী হোৱাৰ ফলত নাগৰীৰ লগত ইয়াৰ আকৃতিগত সাদৃশ্য সহজতে চকুত পৰে। বিশেষকৈ অসমীয়া আৰু বঙলা (এই দুয়োটা লিপিৰ মাজত পাৰ্থক্য অতি কম), পঞ্জাবী বা গুৰুমুখী, গুজৰাটী আৰু মাৰাঠীৰ লগত নাগৰীৰ সম্পৰ্ক অতি ওচৰ। গুজৰাটীৰ লগত নাগৰীৰ পাৰ্থক্য মাথোন এয়ে যে নাগৰীত আখৰৰ ওপৰত মাত্ৰা আছে, গুজৰাটীত নাই। উড়িয়াৰ ওপৰৰ মাত্ৰা ভাঁজ খোৱা, বহু ঠাইত টুপীৰ নিচিনা। অইন লিপিৰ মাত্ৰা সৰল আৰু দীঘল। অসমীয়া, বঙলা আৰু উড়িয়াত এ-কাৰ বহে ব্যঞ্জনৰ বাওঁ হাতে; গুজৰাটী, মাৰাঠী, পঞ্জাবীত বহে নাগৰীৰ নিচিনাকৈ ব্যঞ্জনৰ মূৰত।

এইবোৰ লিপিৰ আত্মীয়তাৰ কথা ভাবি এটা মাত্ৰ মধ্যভাৰতীয় লিপি প্ৰৱৰ্তনৰ উদ্দেশ্যে 'এক লিপি বিস্তাৰ পৰিষদ' গঠিত হয়। ১৯১০ চনত এলাহাবাদত এই পৰিষদৰ অধিৱেশন বহে বি, কৃষ্ণস্বামী আয়াৰৰ সভাপতিত্বত। বহুভাষী দেশ ভাৰতবৰ্ষত এটা সাৰ্বজনীন লিপিৰ প্ৰচলন হ'লে বিভিন্ন ভাষাত ব্যৱহৃত সাধাৰণ শব্দবোৰৰ মাধ্যমত আনটো ভাষা বুজিবলৈ সহজ হ'ব। ১৯০৫ চনত লোকমান্য তিলকে নাগৰী প্ৰচাৰিণী সভাৰ বেনাৰস অধিৱেশনত দেৱনাগৰীক সৰ্বভাৰতীয় লিপিৰ মৰ্যাদা দিবলৈ আহ্বান জনায়। মহাত্মা গান্ধীয়ে দেৱনাগৰী লিপিক সৰ্বভাৰতীয় লিপি হিচাপে গণ্য কৰাবলৈ চেষ্টা কৰিছিল। ১৯৩৭ চনত মহাত্মা গান্ধীয়ে মাদ্ৰাজত দিয়া এটা ভাষণত কৈছিল—"এটা সাৰ্বজনীন লিপিৰ মাধ্যমেৰে আমাৰ শিক্ষা বিস্তাৰ কৰা উচিত। সকলো ৰকমৰ প্ৰাদেশিকতা আৰু সঙ্কীৰ্ণতা পৰিহাৰ কৰি দেৱনাগৰী লিপিৰ মাধ্যমেৰে ভাৰতবাসীয়ে তেওঁলোকৰ নিজৰ নিজৰ ভাষা শিকক।" জৱাহৰলাল নেহৰুৱে প্ৰথমতে ৰোমান লিপিৰ ওপৰত বেছি গুৰুত্ব দিছিল। ১৯৫০ চনত সংবিধান প্ৰণয়নৰ পাছত হিন্দী আৰু দেৱনাগৰীয়ে যথাক্ৰমে অন্যতম চৰকাৰী ভাষা আৰু লিপিৰ মৰ্যাদা লাভ কৰে।

নাগৰী বা দেৱনাগৰী লিপি অতীততো জনপ্ৰিয় আছিল। সৰ্বভাৰতীয় ভাষা হিচাপে সৰ্বাধিক মৰ্যাদা-সম্পন্ন সংস্কৃত ভাষাৰ পুথি সাধাৰণতে লিখা হয় নাগৰী লিপিত। উত্তৰ ভাৰতৰ বাহিৰেও তামিল, তেলুগু, মালয়ালম ভাষাভাষী অঞ্চল দক্ষিণ ভাৰতত সংস্কৃতৰ অন্যতম বাহন আছিল নাগৰী। ত্ৰয়োদশ শতাব্দীত দেৱগিৰিৰ যাদৱ বংশৰ আৰু চতুৰ্দশ–ষোড়শ শতাব্দীত বিজয় নগৰৰ ৰজাসকলে তেওঁলোকৰ অভিলেখন, দানপত্ৰ ইত্যাদি লিখিছিল সংস্কৃত ভাষাত আৰু নাগৰী লিপিত। বিজয়নগৰৰ ৰজাসকলৰ আমোলত দক্ষিণী নাগৰীৰ নাম হৈছিল নন্দীনাগৰী। (উত্তৰ ভাৰতৰ দেৱনাগৰীৰ লগত নন্দীনাগৰীৰ পাৰ্থক্য সহজে চকুত নপৰে। মাত্ৰ কেইটিমান আখৰহে আকৃতিগত পাৰ্থক্য আছে। নন্দীনাগৰী উত্তৰ ভাৰতৰ নাগৰীৰ ৰূপভেদ মাথোন।)

দেৱনাগৰী আৰু নাগৰী একেটা লিপি। দুয়োটা নামৰ ভিতৰত নাগৰী নামটো প্ৰাচীন আৰু যুক্তিসঙ্গত। একাদশ শতাব্দীত বিখ্যাত মুছলমান পৰিব্ৰাজক আল-বাৰুনীৰ ভাৰত-বৃত্তান্তত সিদ্ধমাতৃকা, গৌড়ী (গৌড় দেশৰ লিপি), লাৰী (লাটী, লাট

(৭২ পৃষ্ঠাত চাওক)

# জ্যোতিপ্ৰসাদৰ নাৰী চৰিত্ৰ ঃ উষা, চিত্ৰলেখা

শ্ৰীপ্ৰফুল্ল কুমাৰ বৰুৱা

জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক বা তেওঁ সৃষ্টি কৰা চৰিত্ৰকেইটা সমালোচনা কৰিবলৈ যাওঁতে দুটা কথা সদায় মনত ৰাখিব লাগিব। এটা হৈছে সমাজৰ যি পৰিবৰ্তন সময়ে সময়ে হৈছিল, সেই পৰিবৰ্তনৰ পৰিপ্ৰেক্ষিতত তেওঁ নাট ৰচনা কৰিছিল; আনটো হৈছে ইউৰোপৰ এজন নহয় এজন নাট্যকাৰৰ প্ৰভাৱ তেওঁৰ ওপৰত পৰিছিল। এইকেইটা কথা জ্যোতিপ্ৰসাদৰ আটাইকেইখন নাটকৰ বিষয় সমালোচনাৰে প্ৰকাশ হ'বলগীয়া এই লেখকৰে কিতাপখনত বহলাই আলোচনা কৰা হৈছে।

ইবছেনৰ মানসিক পৰিবৰ্তন হোৱাৰ দৰে সময়ে সময়ে জ্যোতিপ্ৰসাদৰো মানসিক পৰিবৰ্তন হৈছিল। পাৰ্থক্য আছিল ইমানেই যে ইবছেনে সমাজৰ সমালোচনাৰ হাত সাৰিব নোৱাৰি পিছলৈ খোজ পেলাইছিল; কিন্তু জ্যোতিপ্ৰসাদে খোজ পেলাইছিল আগলৈ। অৱশ্যে জ্যোতিপ্ৰসাদে যে সমালোচনাৰ সন্মুখীন হ'বলগীয়া হোৱা নাছিল, এনে নহয়। ইবছেনৰ নাটকত লাভ কৰাৰ দৰে জ্যোতিপ্ৰসাদৰ নাটকতো নাৰী চৰিত্ৰই প্ৰাধান্য লাভ কৰে। কিন্তু সেইবুলি ইবছেন ফেমিনিষ্ট নাছিল। তেওঁ নিজেই কৈছিল, "I am not a feminist, nor a masculinist. What I really care is not feminism, but human freedom and human personality." এইষাৰ কথা জ্যোতিপ্ৰসাদৰ ক্ষেত্ৰত প্ৰযোজ্য। ইবছেনৰ বৈশিষ্ট্য এইখিনিতে যে প্ৰথমে তেৱেঁই নাৰীৰ স্বাধীনতাৰ কথা লৈ নাটক লিখিছিল। তেওঁৰ 'Doll's house'ত নোৰাই সমাজৰ প্ৰচলিত মূল্যবোধৰ বিৰুদ্ধে গৈ প্ৰশ্ন কৰিছিল "আমি সদায়েই পুৰুষৰ হাতৰ পুতলা হৈ থাকিম নেকি ?" সেই কাৰণেই ইবছেনে বাস্তৱধৰ্মী সামাজিক নাট্যকাৰ হিচাপে এখন বিশিষ্ট আসন গ্ৰহণ কৰি আছে। ইবছেনে "পুতলা পুৰুষ" চৰিত্ৰও সৃষ্টি কৰিছিল, "পুতলা নাৰী" চৰিত্ৰও সৃষ্টি কৰিছিল। সেইদৰে জ্যোতিপ্ৰসাদৰো 'শেৱালি' আৰু 'ৰূপালীম' পুতলা নাৰী চৰিত্ৰ; 'ইতিভেন' আৰু 'লভিতা' পুতলা নাৰী চৰিত্ৰ নহয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে তেওঁৰ 'লভিতা' নাটকখনত এন্টি-নাটকৰ ভালেখিনি লক্ষণ পৰিস্ফুট হৈছে।

জ্যোতিপ্ৰসাদৰ 'শোণিতকুঁৱৰী' নাটকখন কুমলীয়া বয়সতে লিখা। এইখন নাটকত তেওঁ তেওঁৰ কাব্যিক মনৰ যেনেভাৱে পৰিচয় দিব পাৰিছে, নাট্যকাৰ হিচাপে গভীৰতা তেনেভাৱে প্ৰকাশ কৰিব পৰা নাই। ড° বাণীকান্ত কাকতিয়ে 'শোণিতকুঁৱৰী' নাটকৰ পাতনিত লিখিছে, "ঋতিকে জ্যোতিপ্ৰসাদে পূৰ্বসূৰীসকলৰপৰা কি পাইছিল, সেইটোও বিচাৰ কৰি চাবলগীয়া।" জ্যোতিপ্ৰসাদ দুটা সাহিত্য-যুগৰ উত্তৰাধিকাৰী। এটা হৈছে প্ৰাক-শঙ্কৰী যুগৰ কবি-সাহিত্যিক আৰু শঙ্কৰদেৱ আৰু তেওঁৰ যুগৰ কবি-সাহিত্যিকসকলে সৃষ্টি কৰা সাহিত্য-

সংস্কৃতিৰ যুগ; আৰু আনটো হৈছে লক্ষ্মীনাথ বেজ-বৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা আৰু চন্দ্ৰকুমাৰ আগৰৱালাই আৰম্ভ কৰা ৰোমান্টিক যুগ। প্ৰাক শঙ্কৰী যুগ। সাহিত্যিকসকলৰ বিশেষত্ব আছিল কাব্যিক বৰ্ণনা আৰু তেওঁলোকৰ উদ্দেশ্য আছিল পুৰাণ বা ধৰ্মশাস্ত্ৰৰপৰা কাহিনী লৈ "কাব্যৰস আৰু লৌকিক ৰুচিৰ যোগে 'শ্ৰমণৰমণ' কথাৰে কাব্যামোদীৰ চিত্ত প্ৰমোদন কৰা।" শঙ্কৰী যুগৰ সাহিত্যিকসকলৰ উদ্দেশ্য আছিল ভক্তিৰ একশৰণ-একাগ্ৰতা প্ৰচাৰ কৰা। জ্যোতিপ্ৰসাদ এওঁলোকৰদ্বাৰা প্ৰভাৱান্বিত হৈছিল যদিও তেওঁ বিশেষকৈ পৌৰাণিক কৰিয়ে কৰা দৰে আদিৰসৰ সৃষ্টি কৰা নাছিল, নাইবা ধৰ্ম প্ৰচাৰ কৰিব লৈকো যত্ন কৰা নাছিল। শোণিতকুঁৱৰী নাটকৰ কাহিনীভাগ তেওঁ পীতাম্বৰ কবিৰ 'উষাপৰিণয়' আৰু অনন্ত কন্দলীৰ 'কুমৰ-হৰণ'ৰপৰা বুটলি লৈছিল। শিল্পীৰ মনত একোটা চিত্ৰকল্প থাকে। সেই চিত্ৰকল্প ৰূপায়িত কৰিবলৈ একোটা কাহিনী আৰু পৰিবেশ বিচাৰে। জ্যোতিপ্ৰসাদ আৰু তেওঁৰ পৰিয়ালৰ আছিল সম্পূৰ্ণৰূপে এটা অসমীয়া মন। জ্যোতি-প্ৰসাদে অসমীয়া সুৰৰ গীত-মাত, অসমীয়া ভঙ্গীৰ নৃত্য প্ৰতিষ্ঠা কৰিবলৈ এটা কাহিনী বিচাৰিছিল, আৰু সেই কাৰণেই উষা-অনিৰুদ্ধৰ প্ৰেমৰ কাব্যিক কাহিনীটো তেওঁ বাছি লৈছিল। ধৰ্মীয় কাৰণত তেওঁ এই কাহিনীটো বাছি লোৱা নাছিল। 'শোণিত-কুঁৱৰী' নাটখন চালেই সেইটো উপলব্ধি কৰিব পাৰি। কাৰণ তেওঁ হৰি-হৰৰ যুদ্ধত বেছি গুৰুত্ব আৰোপ কৰা নাছিল। হৰি-হৰ যে অভিন্ন, সেইষাৰ কথা নাটকত ভালকৈ প্ৰকাশো হোৱা নাই।

---

( ৭০ পৃষ্ঠাৰ পিছৰপৰা )

বা কাথিয়াৱাৰৰ লিপি ), দিবোৱাৰী ( দ্ৰাবিড়ী ) আদি দহটা লিপিৰ লগত নাগৰ অৰ্থাৎ নাগৰী লিপিৰ উল্লেখ আছে। ১৬২২ চনত পিয়েত্ৰো দেল্লা ভাল্লে নামৰ এগৰাকী ইটালীৰ ভ্ৰমণকাৰীয়ে তেওঁৰ এখন চিঠিত লিপি হিচাপে দেৱনাগৰীৰ নাম উল্লেখ কৰিছিল। এই নামটোৰ সবিশেষ জনা নাযায়। ১৬৬৪ চনত পিটাৰ হাইন্‌ৰিখ ৰোট নামৰ এগৰাকী বাভাৰীয়াৰ ধৰ্মযাজকে ভাৰতলৈ আহি এখন নাগৰী বৰ্ণমালাৰ তালিকা প্ৰস্তুত কৰে। ১৭৭৬ চনত ন্যাথানিয়েল ব্ৰাছি হালহেডে তেওঁৰ 'এ কোড্ অৱ্ জেন্টু লজ' নামৰ পুথিত দেৱনাগৰী নামটো ব্যৱহাৰ কৰে। দেৱনাগৰী নামৰ জনপ্ৰিয়তাৰ মূলতে মাক্সমূলাৰ। ছটা খণ্ডত ঋগ্‌বেদখন তেওঁ যেতিয়া প্ৰকাশ কৰিবলৈ স্থিৰ কৰে, তেতিয়া ভাৰ-তীয় লিপিবোৰৰ ভিতৰত নাগৰী লিপিকে উপযুক্ত বুলি বিবেচনা কৰে, আৰু সেয়ে তেওঁ নাগৰী আখৰ তৈয়াৰ কৰি বহু কষ্ট কৰি ঋগ্‌বেদখন নাগৰী লিপিত মুদ্ৰণ কৰি উলিয়ায়। ইয়াৰ উপৰিও তেওঁৰ দ্বাৰা গৃহীত কেবাখনো গ্ৰন্থত নাগৰী লিপি ব্যৱহাৰ কৰিছিল। ম্যাক্সমূলাৰৰ মুদ্ৰিত ঋগ্‌বেদৰ জন-প্ৰিয়তাৰ ফলত কালক্ৰমত সংস্কৃতৰ লগত নাগৰীৰ সম্পৰ্ক নিবিড় হয় আৰু শিক্ষিত জনসাধাৰণে নাগৰীক দেৱভাষাৰ বাহন হিচাপে লবলৈ ধৰিলে।

'দেৱনাগৰী' শব্দৰ ব্যুৎপত্তি সম্পৰ্কে থিৰাংকৈ কব পৰা নাযায়। কিছুমানে কয় যে দেৱনগৰৰপৰা দেৱনাগৰী হৈছে। আন কিছুমানে কয়, দেৱতাসকলৰ অৰ্থাৎ দেৱ-প্ৰতিম ব্ৰাহ্মণ বা ৰজাসকলৰদ্বাৰা ব্যৱ-হৃত নাগৰ বা নাগৰী লিপি হিচাপে দেৱনাগৰী হৈছে। কোনো কোনোৱে আকৌ কয় যে নাগৰ ব্ৰাহ্মণসকলে এই লিপিত লিখা বুলিয়েই ইয়াৰ নাম নাগৰী; যিহেতুকে তেওঁলোক দেৱতুল্য, তেওঁলোকে ব্যৱহাৰ কৰা লিপিৰ নামান্তৰো দেৱনাগৰী। এই-বোৰ যুক্তিৰ সত্যতা সম্পৰ্কে থিৰাংকৈ একো কব নোৱাৰি। খুব সম্ভৱ দেৱনগৰৰপৰাই দেৱনাগৰীৰ উদ্ভৱ হৈছে। ০ ০ ০



'শোণিতকুঁৱৰী' নাটকৰ নাৰী চৰিত্ৰ উষা আৰু চিত্ৰলেখা জ্যোতিপ্ৰসাদৰ সৃষ্টি নহয়। 'কুমৰ-হৰণ' আৰু 'উষা-পৰিণয়'ত চৰিত্ৰ দুটা যেনেকৈ আছে, প্ৰায় তেনেকৈয়ে চৰিত্ৰ দুটা জ্যোতিপ্ৰসাদে ৰূপায়িত কৰিছে। কেৱল অসমীয়া নৃত্য প্ৰদৰ্শন কৰাৰ উদ্দেশ্য আছিল কাৰণেই চিত্ৰলেখাক তেওঁ নৃত্য-পটীয়সীৰ ৰূপত ৰূপায়িত কৰিছে। 'কুমৰ-হৰণ'ৰ চিত্ৰলেখা আৰু 'উষা-পৰিণয়'ৰ চিত্ৰলেখা যাদুকৰী; জ্যোতিপ্ৰসাদৰ চিত্ৰলেখা নৃত্যপটীয়সী। পাৰ্থক্য মাথোন ইমানেই। অৱশ্যে জ্যোতিপ্ৰসাদেও যে চিত্ৰলেখাক যাদুকৰী ৰূপত দেখুওৱা নাই, সেইটো নহয়। কাৰণ অনিৰুদ্ধৰ মনত বিশ্বাস জন্মাবলৈ চিত্ৰ-লেখাই যেতিয়া নৃত্য প্ৰদৰ্শন কৰিছিল, তেতিয়া নৃত্য প্ৰদৰ্শন কৰা ঠাইডোখৰ মায়াৰ প্ৰভাৱেৰে চিত্ৰলেখাই এটা দৃশ্যলৈ পৰিণত কৰি লৈছিল। কিন্তু সেইটো হ'লেও জ্যোতিপ্ৰসাদৰ চিত্ৰলেখাৰ অখণ্ডিত ৰূপটো চালে দেখা যায় যে জ্যোতিপ্ৰসাদৰ চিত্ৰলেখা আছিল কবিত্বময়ী, লাস্যময়ী, সুন্দৰৰ পূজাৰী এগৰাকী কামৰূপৰ জীয়ৰী। 'কুমৰ-হৰণ' আৰু 'উষা-পৰিণয়'ত চিত্ৰলেখাই যাদুৰ বলেৰে অনিৰুদ্ধ কোঁৱৰক হৰণ কৰি আনিছে আৰু সেই মন্ত্ৰটো চিত্ৰলেখাই নাৰদ মুনিৰপৰা শিকি লৈছে। মন্ত্ৰটো হৈছে— ভাদ মাহত দোভাগ নিশা চন্দ্ৰ গ্ৰহণ লাগিব। এটা খঞ্জৰী পক্ষী আকাশেদি উৰি যাব। সেইটো ধৰি আনি পটাত বটি বড়ি কৰিব লাগিব। সেই বড়িটো 'কৰত মৰ্দিয়া' 'গুৰু সুমৰিয়া' কপালত ফোঁট দিলেই ভোমোৰা হ'ব পাৰিব। 'উষা-পৰিণয়'তো উল্লেখ আছে— "সবাকে দেখিবি তোক নেদেখিব আনে। মোৰ মন্ত্ৰবাণে অতি হুইব অচেতনে।" জ্যোতি প্ৰসাদৰ চিত্ৰলেখাই আনহাতেদি সাগৰৰ পাৰৰ প্ৰকৃতিৰ অনন্ত সৌন্দৰ্য উষাৰ সৌন্দৰ্যৰ লগত বিলীন কৰি দি উষা যে প্ৰকৃতিৰ সৌন্দৰ্যতকৈ বেছি সুন্দৰী, সেই কথাৰ বৰ্ণনা দি অনিৰুদ্ধৰ মনত এনে এটা সন্মোহনৰ সৃষ্টি কৰিছিল যে শেষত অনিৰুদ্ধই চিঞৰি উঠিছিল— "ইমান! ইমান! চিত্ৰ চিত্ৰ তোমাৰ বৰ্ণনাত মই বিয়াকুল। লৈ বলা, লৈ বলা এবাৰ চাওঁগৈ মই এই বিশ্বসংসাৰত সিচৰতি হৈ থকা বিৰাট সৌন্দৰ্য য'ত একে ঠাইতে থূপ খাই আছিছে। মই বিশ্বসংসাৰৰ সৌন্দৰ্য—সেই বিশ্ববিজয়ী সুন্দৰীৰ অধৰ চুমি...।" এইখিনিতে জ্যোতিপ্ৰসাদৰ চিত্ৰলেখাই নিজস্ব ৰূপ লৈছে। নহ'লে 'কুমৰ-হৰণ'ৰ চিত্ৰলেখা আৰু 'উষা-পৰিণয়'ৰ চিত্ৰলেখাৰ মাজত জ্যোতিপ্ৰসাদৰ চিত্ৰলেখাৰ বিশেষ পাৰ্থক্য নাই। নাটকৰ প্ৰথম দৃশ্যটোত বাণৰজাই উষাৰ সখী চিত্ৰ-লেখাৰ পদুমকলি নৃত্যটো চাব খুজিছে। চিত্ৰলেখাই নাচিছে। সমালোচকসকলে এই পদুমকলি নৃত্যটো উষাৰ উঠি অহা যৌৱনৰ ইঙ্গিত হিচাপে উপস্থাপন কৰা হৈছে বুলি মন্তব্য প্ৰকাশ কৰিছে। প্ৰাকৃতিক বস্তুৰ ভাবৰদ্বাৰা মনৰ ভাব বিমূৰ্ত কৰাৰ এনে আভাস পীতাম্বৰ কবিৰ উষা-পৰিণয়তো আছে। কবিয়ে বসন্ত কালৰ বৰ্ণনা অতি কম কথাৰ মাজেদি দিছে, আৰু বসন্ত কালৰ পৰিবেশত উষাৰ মনত জাগি উঠা ৰতি ভাবৰ প্ৰকাশ উষাই এনেকৈ কৰিছে— "বসন্ত সময়ে যাৰ স্বামী নাহি কোলে, গলাত পাথৰ বান্ধি মৰুক সেহিজনে।" নাটকৰ চিত্ৰলেখায়ো অট্টা-লিকাৰ এটা স্তম্ভত ধৰি পশ্চিমৰ ফালে চাই গীত গাইছে:—

"গুমৰি উঠিছে হিয়া অভিনৱ তানে
যৌৱনৰ প্ৰথম পুৱাত আজি
ক'ত আছে প্ৰাণৰ আলহী
কোনে কৈ দিব
কোনে জানে।"

দ্বিতীয় অঙ্কৰ প্ৰথম আৰু দ্বিতীয় দৰ্শনত নাটকত উষাই অনিৰুদ্ধৰ ছায়ামূৰ্তি সাৱটি লবলৈ গৈছে। অনিৰুদ্ধৰ ছায়ামূৰ্তিয়ে উষাক সাৱটি ধৰি চুমা খাইছে। টোপ-নিতে উষা কিবা এটা আবেগ-স্পন্দনত কঁপি উঠিছে।

'কুমৰ-হৰণ'ত কোৱা হৈছে "ৰতিৰস কৰে সম্ভোগে।" 'উষা-পৰিণয়'ত উষাই সপোন দেখিছে "পুৰুষেক আসিয়া লৈলেক কোলে কৰি।" শোণিত-কুঁৱৰী নাটকত দ্বিতীয় দৰ্শনত দেখুওৱা হৈছে যে উষাই ভগৱতী দেৱীক সন্ধিয়া ভাগি আন্ধাৰ হোৰাত গদগদ হৈ কৈছে : "আই ভগৱতী, হিয়াৰ গুপুত কামনা-বাসনাবোৰ কাণে কাণে পূৰ্ণ হৈ উঠলি পৰিছে। মোৰ শান্ত হিয়া উতলি উঠিছে। কিহবাৰ আবেগত হিয়া বিয়াকুল হৈছে। মাতৃ! মোৰ অন্তৰৰ অতৃপ্ত বাসনা তুমি কেতিয়া পূৰাবা?" 'কুমৰ-হৰণ'তো উষাই একেদৰেই দেৱীক প্ৰশ্ন কৰিছে— "মোৰ স্বামী হৈবে কতোকালে, স্বৰূপে কহিয়ো মায়, জুৰায়োক মোৰ গায়, পুৰি মৰে কাম অগ্নি জ্বালে।" 'উষা-পৰিণয়'ত হৰ-পাৰ্বতীৰ কাম-কেলি দেখি উষা বিমনা হৈছে আৰু উষাৰ মন বুজি হৰ-পাৰ্বতীয়ে উষাক বৰ দান কৰিছে— "আমাৰ কেলি ৰস দেখি তোৰ লয় মনে। এহিমত তুমিও ফিৰিবা স্বামীসনে।।" সপোন দেখাৰ পাছত উষাই সখী চিত্ৰলেখাৰ আগত মনৰ ভাব প্ৰকাশ কৰিছে। সেই ভাব প্ৰকাশৰ ক্ষেত্ৰত অনন্ত কন্দলী আৰু পীতাম্বৰ কবিৰ লগত ভাবাৰ্থৰ পিনৰপৰা জ্যোতিপ্ৰসাদৰ পাৰ্থক্য নাই। পাৰ্থক্য কেৱল শব্দ প্ৰয়োগৰ ক্ষেত্ৰতহে। অৱশ্যে পীতাম্বৰ কবিয়ে সেই ভাব প্ৰকাশ কৰিবলৈ যাওঁতে সংযম সহকাৰে কৰা নাই। নকৰাৰ কাৰণো আছে। কাৰণ প্ৰাক্-শঙ্কৰী যুগৰ কবিসকলৰ উদ্দেশ্য আছিল আদি ৰস সৃষ্টি কৰা। নাটকত চিত্ৰলেখাক উষাই কৈছে, "সেই অনুপম মূৰ্তি সপোনত উটি আহিছিল, আকৌ সপোনতে উটি গ'ল; কিন্তু থৈ গ'ল এটি অঙ্গস্পৰ্শনৰ আনন্দ, সৌন্দৰ্যৰ মোহ, যৌৱনৰ লালসা, প্ৰণয়ৰ অদম্য হেঁপাহ। ...কিন্তু তেওঁ মোৰেই, মই তেওঁৰ ... প্ৰথমে তেওঁ মোৰ অঙ্গ স্পৰ্শ কৰিছে, তেওঁক মই হৃদয়ত ঠাই দিছোঁ।" অনন্ত কন্দলীৰ উষাই কৈছে (কুমৰ-হৰণ)—

"সখি মই দেখিলো সপোন
মোৰ সঙ্গে আছিল পুৰুষ একজন।।
প্ৰেমে আসি মোক আলিঙ্গি ধৰিল
পালটি চাহন্তে মোৰ হাততে ধৰিল।"

ঠিক তেনেকৈয়ে 'উষা-পৰিণয়'ত (পীতাম্বৰ কবিৰ) উষাই কৈছে—

'কৰে কৰ ধৰি মিনতি বচনে।
মদন কুঞ্জৰে মোৰ অঙ্কুস নামানে।।
জত বোলো মিনতি চঞ্চয় হয় আতি।
সকল দলিল যেন ময়মত্ত হাতি।।
... ... ... ... ...
খসিল কুণ্ডল মোৰ পিন্ধাইল আপুনি
সৰিৰ ভূসিত কৈল এ গন্ধন চন্দনে।"

উষাৰ মনৰ বিয়াকুল অৱস্থা দেখি নাটকত চিত্ৰলেখাই কৈছে— "বৰ আচৰিত কথা। সপোনত দৰ্শন পাই এনে হোৱা মই ক'তো দেখা নাই।" অনন্ত কন্দলীৰ চিত্ৰলেখাৰো সেই একে কথাই—"চিত্ৰ বোলে সখী তই সে আজলী, সপোনত স্বামী দেখি ভৈগৈলি বিকলি।" চিত্ৰলেখাই তিনিও ভুবনৰ ৰাজবংশৰ কুমাৰসকলৰ মুখ আঁকি দেখুৱাইছে আৰু তাৰ মাজৰপৰাই উষাৰ মনত থকাজনৰ মুখখন বাছি উলিয়াবলৈ কৈছে। চিত্ৰলেখাই আৰু কৈছে যে যদি উষাই বাছি উলিয়াব পাৰে, তেতিয়াহ'লে চিত্ৰলেখাই সেইজন কুমাৰক "আনি দিব।" নাটকৰ চিত্ৰলেখাই এইখিনি কথা কুমৰ-হৰণ আৰু উষাপৰিণয়ৰ চিত্ৰলেখাই কোৱাৰ দৰেই কৈছে :—

"দেৱতা অসুৰ যক্ষ ৰাক্ষস কিন্নৰ
সবাকো লিখিয়া দিব তোহোৰ গোচৰ
ইহাৰ ভিতৰে তই চাহি কৰ সাৰ
দেখিলে চিনাই দিবি স্বামী আপোনাৰ।"
(কুমৰ-হৰণ)

"নাকান্দ নাকান্দ সখি শুন উষা সখিমুখি
লেখিয়া দেখাইব তিনিলোক।
যেজন হৰিল তোক চিনিয়া সে দিবো চোৰ
স্বৰূপ আনিয়া দিবো তোক।।"



সপোনত দেখা কুমাৰক নাপালে, জ্যোতিপ্ৰসাদৰ উষাই কৈছে— "জীৱন মিছা"; অনন্ত কন্দলীৰ উষাই আত্মহত্যা কৰাৰ ইচ্ছা কৰিছে, আৰু পীতাম্বৰ কবিৰ উষাই কৈছে— "আপুন ভালেৰ কিছু নেদেখি উপায়। প্ৰাণ পৰিত্যাগে সেহে দুখ দূৰ জাই।" এই ক্ষেত্ৰতো তিনিওজনে একে ভাবকেই প্ৰকাশ কৰিছে। কাৰণ "জীৱন মিছা" বুলি কোৱা আৰু আত্মহত্যা কৰিব খোজাৰ মাজত বিশেষ পাৰ্থক্য নাই। তাৰ পাছত চিত্ৰলেখাই কোঁৱৰক বিচাৰি আনিবলৈ যাবলৈ চোৰাৰী বেশেৰে ওলাই আহিছে আৰু উষাক আশ্বাস দি কৈছে যে যদি কোঁৱৰক আনিব নোৱাৰে, তেতিয়াহ'লে চিত্ৰলেখাও "আৰু উভটি নাহে।" 'উষা-পৰিণয়'তো চিত্ৰলেখাই উষাক কৈছে— "জবি কাৰ্য্য সাধিবাক নুআৰো তোমাৰ। প্ৰথমে কৰিবো তনু ত্যাগ আপোনাৰ।" চিত্ৰলেখা উষাৰ অতি মৰমৰ সখী। চিত্ৰলেখাকো এনে এটা পথলৈ আগবাঢ়ি যাবলৈ কেতিয়াও দিব নোৱাৰি। এপিনে নিজৰ স্বাৰ্থ; আনপিনে চিত্ৰলেখাৰ দৰেতে বন্ধু— উষাৰ এনে এটা মানসিক অৱস্থা, মানসিক দ্বন্দ্ব নাটকখনত ভালকৈ পৰিস্ফুট নহ'ল। সেই ক্ষেত্ৰত নাট্যকাৰ আৰু অলপ সজাগ হোৱাৰ প্ৰয়োজন আছিল।

শোণিতকুঁৱৰী নাটকৰ সপ্তম দৰ্শনত চিত্ৰলেখা আৰু অনিৰুদ্ধ উষাৰ নগৰ পাইছেহি। চিত্ৰলেখাই অনিৰুদ্ধক লুকাই থৈ উষাৰ লগত ধেমালি কৰিছে — "নাই সখী মিছা হ'ল।" কিন্তু ইমান দিনৰ পাছত চিত্ৰলেখা আহি পোৱাত অকণেই আহিছে নে অনিৰুদ্ধকো আনিছে— ইত্যাদি কথাৰ প্ৰকাশ উষাৰ প্ৰকাশ-ভঙ্গীৰদ্বাৰা ভালকৈ পৰিস্ফুট নহ'ল। চিত্ৰলেখাই অনিৰুদ্ধক লুকাই ৰাখি যি এটা উৎকণ্ঠাৰ সৃষ্টি কৰিছিল, সেইটো আৰু অলপ দীঘলীয়া হোৱা হ'লে ভাল আছিল। চিত্ৰলেখাই উষা আৰু অনিৰুদ্ধৰ মাজত গন্ধৰ্ব বিবাহ পাতি দিয়াৰ কথা কুমৰ-হৰণ কাব্যত আছে—

"কেশে কেশে ধৰি অভিষেকিলন্ত জলে
লগ্ন গাঠি বান্ধিলন্ত
দুইৰো হাতে দুইকো নিয়া দিয়ালো তাম্বুল
লগ্ন গাঠি পিন্ধাই দুইকো দিয়াইলেক ফুল।"

'শোণিতকুঁৱৰী'ৰ চিত্ৰলেখাই কৈছে— "তোমালোকৰ পুৰোহিত ময়েই দিয়া। ৰাক উষা, তুমি এতিয়া কুমাৰৰ ডিঙিত মালাধাৰ দি সেৱা কৰা। কুমাৰ তুমি মালা দিয়া। কুমাৰ এতিয়া তুমি উষাৰ দুগালে দুটা চুমা খোৱা।" কিন্তু কুমাৰক চুমা খাবলৈ নকৈ "ৰূপহ কোঁৱৰৰ চুমা-পৰশতে লাজুকী কুঁৱৰী মৰহি যায়" এই গীতটিৰ জৰিয়তে দৃশ্যটো ইঙ্গিত-ধৰ্মী কৰি সূক্ষ্মভাৱে দেখুওৱাৰ সুবিধা আছিল। আনহাতেদি উষাৰ মনৰ উগুল-থুগুল ভাবৰ অভিব্যক্তিখিনি দীঘলীয়া আৰু স্পষ্ট কৰি দিয়াৰ কথাখিনি জ্যোতিপ্ৰসাদে বাদ দিবও পাৰিলেহেঁতেন। উষা-অনিৰুদ্ধৰ গন্ধৰ্ব বিবাহ কুমৰ-হৰণ আৰু উষা-পৰিণয়তো দেখুওৱা হৈছে। অনন্ত কন্দলীয়ে উষা-অনিৰুদ্ধৰ মিলনৰ দৃশ্যটো (৯৮ পৃষ্ঠা) সফলভাৱে দেখুৱাইছে, আৰু শৃঙ্গাৰ ৰস সৃষ্টি কৰাত তেওঁ সফল হৈছে। অনিৰুদ্ধক দেখি উষাৰ মনৰ ভাব কেনে হৈছিল, সেই কথা পীতাম্বৰ কবিয়ে বেছি ভালকৈ ৰূপায়িত কৰিছিল। সেই সময়ত উষাৰ মনৰ ভাব হৈছিল— এইজনেই সেইজন পুৰুষ যি "ৰমিলে মোক ৰাতি।" উষাৰ লাজ লাগি গৈছিল, উষাই লাজত তলমুৰ কৰিছিল। আঁৰৰপৰাই উষাই অনিৰুদ্ধক চাইছিল—

"ক্ষণে আড়নয়নে চাহে স্বামীৰ বদন।
লজ্জায় কাতৰ উষা বৰ দুখমন।।"

চিত্ৰলেখাই উষাক বুজাই কৈছে :

যেখনে নাছিলা পতি নিকটে তোমাৰ ।
তেখন নাছিলা অন্ত তোমাৰ কথাৰ ॥
এবেলা আসিল স্বামী কৈলে হেঠমাথা ।
আনন্দিনা হৈলেসে কহিব আন কথা ॥

চিত্ৰলেখাৰ কুশলিত উষাৰ চেতনা ঘূৰি আহিল আৰু উষাই "গন্ধৰ্ব্ব বিহাৰ সাজ কৰিলা সত্বৰে ।" পাম পাম বুলি ভাবি থকা বস্তুটো পাই যোৱাৰ পাছত বা আকাঙ্ক্ষিত জন কাষত থিয় দিয়াৰ পাছত মানুহৰ মনৰ অৱস্থা যেনে হয়, উষাৰ মনৰ অৱস্থাও তেনে হৈছিল । উষাৰ সেই মনৰ অৱস্থা পীতাম্বৰ কবিয়ে স্বাভাৱিক আৰু স্পষ্টভাৱে ফুটাই তুলিছে । সেই স্পষ্টতা আৰু স্বাভাৱিকতাৰ অভাৱ শোণিতকুঁৱৰী নাটকৰ সপ্তম দৰ্শনত পৰিলক্ষিত হৈছে ।

অনন্ত কন্দলীয়ে উষা-অনিৰুদ্ধৰ মিলনৰ দৃশ্যটো মিহিনিত দেখুৱাইছে ( কুমৰ-হৰণ—৯৮ পৃষ্ঠা ), আৰু পীতাম্বৰ কবিয়ে মিহিনিত গন্ধৰ্ব বিবাহৰ পৰিবেশ সৃষ্টি কৰিছে ( উষা-পৰিণয়— ৮৩ পৃষ্ঠা ), সেইখিনিতে জ্যোতিপ্ৰসাদে, নাটকৰ চতুৰ্থ অঙ্কৰ প্ৰথম দৰ্শনত উষা-অনিৰুদ্ধক উষাৰ অন্তঃপুৰৰ দুটা কোঠাত বহি নানা ধৰণৰ কথা-বতৰা পাতি থকা দেখুৱাইছে । এই দৃশ্যটো অৱতাৰণা কৰোঁতে পৌৰাণিক নাটকৰ পৌৰাণিকতা আৰু নাটকত্বৰ মাজত যি দ্বন্দ্ব সাধাৰণতে দেখা যায়, সেই দ্বন্দ্ব জ্যোতিপ্ৰসাদৰ মনলৈকো আহিছিল । নাটকৰ প্ৰয়োজনত অনেক সময়ত নাট্যকাৰে চৰিত্ৰৰ ঘাত-সংঘাত আৰু মানৱীয় ৰসৰ অৱতাৰণা কৰে । অৱশ্যে যেতিয়া ধৰ্ম-আদৰ্শ ব্যক্ত কৰাই নাট্যকাৰৰ প্ৰধান লক্ষ্য হৈ পৰে, তেতিয়াই পৌৰাণিক নাটকৰ নাট্যকাৰে মানৱীয় ৰসৰ অৱসান ঘটায় । এইখিনিতে আৰু এবাৰ মনত ৰাখিবলগীয়া কথা হ'ল— "পৌৰাণিক নাটকৰ চৰিত্ৰসমূহত সাধাৰণ মানৱীয় ব্যৱহাৰ আৰোপ কৰাত কোনো বাধা নাই যদিও নাট্যকাৰে সততে লক্ষ্য ৰাখিব লাগে যাতে মানৱীয় গুণাৱলী আৰোপ কৰিবলৈ যাওঁতে আধুনিক যুগৰ ব্যক্তিবিশেষত যেন চৰিত্ৰসমূহ পৰিণত নহয় ।" জ্যোতিপ্ৰসাদে সেই সূক্ষ্ম ব্যৱধান ৰক্ষা কৰিব পৰা নাই । কাৰণ শোণিতকুঁৱৰী নাটকৰ চতুৰ্থ অঙ্কৰ প্ৰথম দৰ্শনত উষা আৰু অনিৰুদ্ধ আধুনিক নাটকৰ চৰিত্ৰৰ দৰে হৈ পৰিছে । অনিৰুদ্ধই উষাক নাচিবলৈ কৈছে। উষাই "লয়লাস গতিৰে ভৰি চলাই" নাচিছে। অনিৰুদ্ধই উষাক কৈছে : "তেন্তে তুমি আমাৰ তাতে গ'লে আমাৰ তাৰ ছোৱালীবোৰক এই নৃত্যবোৰ শিকাব লাগিব দেই ।" এনে ধৰণৰ সংলাপ সম্পূৰ্ণৰূপে আধুনিক নাটকৰ চৰিত্ৰই কোৱা সংলাপৰ দৰে হৈ পৰিছে । অৱশ্যে এইখিনিতে বিচাৰ কৰি চাব লাগিব যে জ্যোতিপ্ৰসাদে অসমীয়া সংস্কৃতিক বিশ্বত প্ৰতিষ্ঠা কৰিবলৈ ইচ্ছা কৰিছিল । তেওঁ "মোৰ যোৱা বেলিটিৰ জিলিঙনি লেপি নতুন পুৱাৰ ছবি চাই মহাভাৰতৰ বাটে পৃথিৱীৰ সবাহলৈ যাবলৈ বিচাৰিছিল । তেওঁ বিচাৰিছিল অসমীয়া সংস্কৃতি দেশে-বিদেশে বহুল প্ৰচাৰ হওক । "জয়াৰে কীৰিতি দেশে-বিদেশে চহৰে-নগৰে ফুৰিবি কৈ, দুইকৰে পাবি যাবি ঐ বৈ"— সেই একে ভাৱৰেই প্ৰকাশ । সেই কাৰণে তেওঁ অনিৰুদ্ধৰ মুখত তেনে ধৰণৰ সংলাপ দিছিল আৰু নাটকীয় ঔচিত্যৰ কথা পাহৰি গৈছিল। চিত্ৰলেখাই বালকৰ বেশেৰে ছবি বিক্ৰী কৰিবলৈ অনিৰুদ্ধৰ ওচৰ পাইছিলগৈ । কিন্তু যেতিয়া চিত্ৰলেখাই দেখিলে যে বালকৰ বেশেৰে আৰু বেছি সময় আত্মগোপন কৰি থাকিব নোৱাৰি, তেতিয়া চিত্ৰলেখাই আত্মপ্ৰকাশ কৰি কৈছে যে তেওঁৱেই সেই কুঁৱৰীৰ সখীয়েক চিত্ৰলেখা । তেতিয়া অনিৰুদ্ধই প্ৰশ্ন কৰিছে : "কি তুমিয়েই চিত্ৰলেখা ?" ইয়াৰপৰা এইটো অনুমান হয় যেন অনিৰুদ্ধই আগৰপৰা চিত্ৰলেখাক চিনি পায় । কিন্তু চিত্ৰলেখাক যে



অনিৰুদ্ধই আগৰপৰাই চিনি পায়, বা চিত্ৰলেখা যে সকলোৰে চিনি পোৱা চৰিত্ৰ, তাৰ কোনো ইঙ্গিত নাটকত নাই । অনিৰুদ্ধই, নাটকৰ মতে এইটোও জানে যে চিত্ৰলেখা নৃত্যপটীয়সী । "চিত্ৰলেখাৰ সেই অসামান্য নৃত্য যদি দেখুৱাব পাৰা, তেহে তোমাক মই চিত্ৰ বুলি পতিয়াম ।" নাটকৰ চৰিত্ৰসমূহৰ পাৰস্পৰিক আচৰণৰ এটা যোগসূত্ৰ থকাটো বাঞ্ছনীয় । সেই দিশৰপৰা জ্যোতিপ্ৰসাদে এই ক্ষেত্ৰত অলপ ত্ৰুটি ৰাখিছে যেন অনুমান হয় । যি কি নহওক, জ্যোতিপ্ৰসাদ আগৰৱালা অসমৰ শ্ৰেষ্ঠ নাট্যকাৰ, সেই কথা অস্বীকাৰ কৰিব নোৱাৰি । কিন্তু 'শোণিত-কুঁৱৰী' লিখি বা চিত্ৰলেখাৰ চৰিত্ৰ অঙ্কণ কৰি তেখেত নাট্যকাৰ হোৱা নাই । কাৰণ চিত্ৰলেখাৰ চৰিত্ৰ সৃষ্টিত তেখেতৰ মৌলিক অৱদান বিশেষ একো নাই । কুজীবুঢ়ীৰ চৰিত্ৰটোও 'কুমৰ-হৰণ' আৰু 'উষা-পৰিণয়'ত থকাৰ দৰেই ৰূপায়িত কৰা হৈছে । উষা-পৰিণয়ত কুজীবুঢ়ীৰ নাম কোকিলা । জ্যোতিপ্ৰসাদ শ্ৰেষ্ঠ নাট্যকাৰ হৈছে 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'লভিতা' নাটকৰ জৰিয়তেহে : সুন্দৰকোঁৱৰ', 'মণিমুকুতকোঁৱৰ', 'শেৱালি', 'ইতিভেন', 'লভিতা', 'কাঞ্চনমতী' চৰিত্ৰ সৃষ্টিৰ জৰিয়তেহে । ইবছেনৰ সম্পৰ্কত বাৰ্ণাড শ্বই কৈছিল "Shakespeare had put ourselves on the stage but not our situations ; Ibsen supplied the want left by Shakespeare." জ্যোতিপ্ৰসাদৰ ক্ষেত্ৰতো এইষাৰ কথা প্ৰযোজ্য । তেওঁ আমাক situation দিলে, চৰিত্ৰ দিলে । সেই কাৰণেই তেওঁ এজন শ্ৰেষ্ঠ নাট্যকাৰ । ০ ০ ০

অসম সাহিত্য সভাৰ নতুন প্ৰকাশন

**কালিৰাম মেধি স্মৃতিমাল্য**

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৺কালিৰাম মেধিৰ জন্ম-শতবাৰ্ষিকী উপলক্ষ্যে সভাই প্ৰকাশ কৰা এই গ্ৰন্থখনিত স্বৰ্গীয় মেধিৰ জীৱন আৰু প্ৰতিভাৰ সম্যক আলোচনা দাঙি ধৰা হৈছে। গ্ৰন্থখনিত সন্নিৱিষ্ট বিভিন্ন প্ৰবন্ধৰ লেখকসকল হ'ল— আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী, বাগ্মীবৰ নীলমণি ফুকন, অতুল চন্দ্ৰ হাজৰিকা, যজ্ঞেশ্বৰ শৰ্মা, অতুলচন্দ্ৰ বৰুৱা, মুৰাৰিচৰণ দাস, নন্দ তালুকদাৰ, ড° উপেন্দ্ৰনাথ গোস্বামী, ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, যতীন্দ্ৰ নাথ গোস্বামী, যোগেশ দাস, ড° হেমন্তকুমাৰ শৰ্মা, ভগৱান মৰল, ড° কিশোৰীমোহন পাঠক, গোবিন্দ চন্দ্ৰ মহন্ত, কল্পনাৰায়ণ মজুমদাৰ, অৰুণিমা ভঁৰালী, নবেন্দ্ৰ নাথ শৰ্মা, ক্ষিতীশ চন্দ্ৰ মেধি আৰু ৰামভদ্ৰ মেধি আদিয়ে । শ্ৰীৰামচৰণ ঠাকুৰীয়া সম্পাদিত দুশৰো অধিক পৃষ্ঠাৰ এই গ্ৰন্থখনিৰ মূল্য মাত্ৰ ১২'০০ টকা ।

# টোকা

## অসমীয়া সাহিত্যত শঙ্কৰাচাৰ্যৰ চিন-ছাপ

পুৰণি অসমীয়া কাব্য সাহিত্যত, বিশেষকৈ বৈষ্ণৱ কবিতাত সংস্কৃত সাহিত্যৰ অসংখ্য প্ৰতিধ্বনি এটা আলোচনাৰ কাৰণে মনোহাৰী বিষয়। শ্ৰীমন্ত শঙ্কৰৰ এটি পৰিচিত বৰগীতত থকা 'অন্ত-মাত্ৰাখিলত্ৰাতা' কথাখিনি ক'ৰপৰা আহিল ? উদাহৰণ স্বৰূপে। 'গৰ্ব-পৰ্বতত' উঠা কথাষাৰ একা ?

অসম সাহিত্য সভা পত্ৰিকাৰ বৰ্তমান বছৰৰ প্ৰথম সংখ্যাত প্ৰকাশিত আমাৰ শঙ্কৰাচাৰ্য সম্পৰ্কীয় টোকাত এনে এটি আলোচনাৰ স্থল আছে বুলি বিনীতভাৱে পৰামৰ্শ আগবঢ়াইছিলোঁ। 'প্ৰতিধ্বনি' কথাটো তাত স্পষ্টকৈ কোৱা হৈছিল। আমাৰ দুগৰাকী অপাংক্তেয় আৰু ধুৰিকীৰ্তনীয় পণ্ডিতে 'প্ৰতিধ্বনি' কথাটোলৈ ৰবকৈ চকু দিবলৈ নহ'ল যেন লাগিছে। তেখেতসকলে অনুবাদৰ ওপৰতহে বেছি গুৰুত্ব দিছে যেন পাওঁ।

আমাৰ দুই-এগৰাকী বন্ধুৱে মাধৱ কন্দলীৰপৰা আৰম্ভ কৰি কালসংহতিৰ ৰমানন্দ দ্বিজলৈকে শঙ্কৰাচাৰ্যৰ অনুবাদৰ তালিকা আমাক দেখুৱাইছে। আন অনুসন্ধিৎসু লোকে নিশ্চয় আৰু দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। টোকাত এনে তালিকা যোগ কৰিলে এনেহুৱা ছাত্ৰক সহায় কৰা হয় মাত্ৰ। তদুপৰি আজি-কালি প্ৰতিভাধৰ ডেকা সাহিত্যিকে সৰহীয়া কথা কোৱা আনহীয়া অপৰাধীক "বহুবক্তা" বুলিও অভিবাদন জনায়। মধ্যযুগীয় সাহিত্যত পাৰ্থিৱ সম্পদ-সৌন্দৰ্যৰ চঞ্চলতাৰ ভাৱ শঙ্কৰাচাৰ্যৰপৰাও বাগৰিব পাৰে বুলিয়েই আমি আমাৰ টোকাত উল্লেখ কৰি ক্ষান্ত হলোঁ।

আমাৰ টোকাৰ আৰম্ভতে উদ্ধৃত কৰা মাধৱদেৱৰ পুৰুষৰ ঘোষাফাঁকি দুয়োগৰাকী শ্ৰদ্ধেয় পণ্ডিতে শ্ৰীধৰ স্বামীৰ গীতাৰ ভাষ্যত সংযুক্ত শ্লোকৰ অনুবাদ বুলি কৈছে। হয়তো। কিন্তু নামঘোষাৰ ঘোষাটিত "শোক মোহ" আছে, শ্ৰীধৰ স্বামীৰ শ্লোকত "শোক" মাত্ৰ আছে। শঙ্কৰাচাৰ্যৰ "শোক-মোহ" সমাসটি নামঘোষাত সোমোৱা আচৰিত নহয়। একোদ্দিষ্ট শ্ৰাদ্ধৰ মন্ত্ৰৰ লগত জয়দেৱৰ কথাৰ একেটি ঘোষাত মিলন নামঘোষাৰ পাঠক মাত্ৰৰে বিদিত। শ্ৰীধৰ স্বামীৰ ওপৰত পূৰ্বীয় সাধক ভাষ্যকাৰ শঙ্কৰাচাৰ্যৰ প্ৰভাৱ স্পষ্ট। শ্ৰীধৰ স্বামীয়ে গীতাভাষ্যৰ এঠাইত কৈছে "শ্ৰীমচ্ছঙ্কৰভগৱত্তাষ্যাকৃদ্ভিৰ্বিপ্ৰবন্ধেন উপপাদিতমিতি গ্ৰন্থবাহুল্যান্নাস্মাভিঃ প্ৰপঞ্চ্যতে"। (ভগৱান শ্ৰীমৎ শঙ্কৰাচাৰ্যই এই বিষয় অতি প্ৰবন্ধেৰে উপপাদন কৰাত গ্ৰন্থবাহুল্যৰ ভয়ত আমি তাৰপৰা বিৰত হ'লোঁ।)

শ্ৰদ্ধেয় স্বৰ্গীয় অমৃতভূষণ অধিকাৰী দেৱৰ প্ৰচাৰিত মূল সংস্কৃতযুক্ত নামঘোষাৰ কথা আমি বহুতেই জানো। বৰপেটাৰ স্বৰ্গীয় নাৰায়ণ দেৱমিশ্ৰ ৰচিত নামঘোষাৰ মূল আৰু ব্যাখ্যাযুক্ত বৃহৎ গ্ৰন্থ প্ৰকাশিত নহ'লেও বহুতে চাইছে আৰু উপকৃত হৈছে। পণ্ডিত ডঃ মহেশ্বৰ নেওগ ডাঙৰীয়াৰ সম্পাদিত নামঘোষাৰ কথা জনা হ'লে নিশ্চয় চাব পৰা হ'লহেঁতেন। আমাৰ দুৰ্ভাগ্য। পলমকৈ পোৱা খবৰটোও অৱশ্যে সৌভাগ্য।

মথিলেই ঘিউ।

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা।





## জীয়াই থকাৰ প্ৰয়োজনত

সম্পাদক ডাঙৰীয়া,

অসম সাহিত্য সভা পত্ৰিকাৰ পঞ্চত্ৰিংশ বছৰৰ দ্বিতীয় সংখ্যাৰ সম্পাদকীয় প্ৰবন্ধ "জীয়াই থকাৰ প্ৰয়োজনত" সময়োপযোগী হৈছে। অসমৰ থলুৱা অধিবাসীৰ সাংস্কৃতিক স্বাৰ্থ-ৰক্ষাৰ কথা ক'লেই যিসকল তথাকথিত, অকালপক্ক মাৰ্ক্সবাদীয়ে প্ৰতিক্ৰিয়াশীল জাতীয়তাবাদৰ গোন্ধ পায়, তেওঁলোকৰ বাবে স্বয়ং মাও-চে-তুঙে কোৱা দুটিমান কথা এই প্ৰসঙ্গতে উদ্ধৃত কৰিলোঁ।

তেওঁ ন-গণতান্ত্ৰিক সংস্কৃতিৰ ভেটি স্থাপন-সম্পৰ্কে কৈছিল, "জাতিগত বৈশিষ্ট্যসমূহৰ লগত মাৰ্ক্সবাদক সত্যক সংগ্ৰথিত কৰিব লাগিব আৰু তাক এটা নিৰ্দিষ্ট জাতীয় ৰূপ দিব লাগিব যাতে ই কাৰ্যকৰী হ'ব পাৰে। মাৰ্ক্সবাদক কেৱল এটা গৎ হিচাপে আত্মগতভাৱে প্ৰয়োগ কৰা নচলিব। গৎ-সৰ্বস্ব মাৰ্ক্সবাদীসকলে মাৰ্ক্সবাদ আৰু চীনৰ বিপ্লৱ-সম্পৰ্কত ভণ্ডামি কৰে মাত্ৰ। চীনৰ সংস্কৃতিৰ নিজস্ব ৰূপ থকা উচিত, যি হ'ব জাতীয়। আধাৰৰ ফালৰপৰা জাতীয়, আৰু আধেয়ৰ ফালৰপৰা ন-গণতান্ত্ৰিক। ···চীনৰ সামন্ততান্ত্ৰিক সুদীৰ্ঘ কালত এটি সুন্দৰ পুৰণি সংস্কৃতিৰ সৃষ্টি হৈছিল। এই পুৰণি সংস্কৃতিৰ বিকাশৰ প্ৰক্ৰিয়াক অনুধাৱন কৰা, তাৰ সামন্ততান্ত্ৰিক চৰিত্ৰ আঁতৰাই পেলোৱা, আৰু তাৰ গণতান্ত্ৰিক মৰ্মবস্তুক আত্মীকৃত কৰা আমাৰ নতুন জাতীয় সংস্কৃতিৰ বিকাশৰ বাবে আৰু আমাৰ জাতীয় আত্মবিশ্বাস বৃদ্ধিৰ বাবে এটি আৱশ্যিক কৰ্তব্য। ···যিহেতু চীনৰ নতুন সংস্কৃতিয়েও তাৰ পুৰণি সংস্কৃতিৰপৰাই বিকাশ লাভ কৰিছে, সেই কাৰণে আমাৰ নিজৰ জাতীয় ইতিহাসক অৱশ্যেই শ্ৰদ্ধা কৰিমহক আৰু তাৰ ঐতিহাসিক ধাৰাবাহিকতাৰ সূতাডাল কোনো প্ৰকাৰেই ছিঙিবলৈ নিদিম।" —ইত্যাদি।

অসমত জ্যোতিপ্ৰসাদৰ মাজতেই এই জাতীয় সমাজতান্ত্ৰিক দৰ্শনৰ সুস্থ প্ৰকাশ অনুভৱ কৰা যায়। কেশৱ মহন্তৰ গীত আৰু কবিতাতো জাতীয় সাংস্কৃতিক উত্তৰাধিকাৰ আৰু সমাজবাদী দৰ্শনৰ মিল দেখা যায়। যিসকল আজি মাৰ্ক্সবাদৰ নামত সৰৱ হৈ উঠিছে, তেওঁলোকৰ অধিকাংশই মাও-চে-তুঙে চিহ্নিত কৰি যোৱাৰ দৰে গৎ-সৰ্বস্ব ভণ্ড মাৰ্ক্সবাদী। কিন্তু পৰিতাপৰ কথা, এওঁলোকেই সৃষ্টি কৰিছে এটি গড্ডলিকা-প্ৰবাহ। মাও-চে-তুঙৰ ওপৰৰ কথাকেইটাৰ মাজৰ 'চীন' শব্দটো আঁতৰাই তাত 'অসম' শব্দটি ভৰাই দিলেক, দেখিব, এওঁলোক উচপ খাই উঠিব, আৰু এনেকুৱা মন্তব্যক উগ্ৰজাতীয়তাবাদী, প্ৰতিক্ৰিয়াশীল, বুৰ্জোৱা আদি কেইটামান, ভাটৌৰ দৰে মুখস্থ কৰা শব্দৰে গালি পাৰিবলৈ আৰম্ভ কৰিব। 'ঈশ্বৰে' আমাক ৰক্ষা কৰক!

আপোনাৰ এটি বাক্যৰ লগত মই একমত হ'ব পৰা নাই। আপুনি লিখিছে— আৰ্থিক দিশত শোষণ কৰি আমাক ভিখাৰীত পৰিণত কৰা সকলৰ প্ৰতি আমাৰ কোনো বিৰূপ মনোভাৱ নাই। কিন্তু মই ভাবোঁ— এই অৰ্থনৈতিক শোষণ আৰু সাংস্কৃতিক সম্প্ৰসাৰণবাদিতা দুয়োটা ওতপ্ৰোতভাৱে জড়িত। অৰ্থনৈতিক শোষণ বন্ধ কৰিব নোৱাৰিলে সাংস্কৃতিক স্বাৰ্থ-ৰক্ষা বা সাংস্কৃতিক বিকাশ কোনো প্ৰকাৰেই সম্ভৱ নহয়;— ন-গণতান্ত্ৰিক সংস্কৃতিৰ ভেটি স্থাপন দূৰতে থাকক। আপুনি বোধকৰোঁ ক'ব খুজিছে যে যিসকলে অসমত ধন ঘটিবলৈ আহিছে, তেওঁলোকে আমাৰ সাংস্কৃতিক স্বাৰ্থত আঘাত কৰা নাই; কিন্তু দেশ-বিভাজনৰ পাছত অহা ভগনীয়াই আমাৰ সেই স্বাৰ্থত আঘাত কৰিছে।

আপাতদৃষ্টিত আপোনাৰ কথাষাৰ সঁচা যেন লাগিলেও শেষ বিচাৰত দেখা যাব— অৰ্থনৈতিক শোষণেই আমাৰ জাতীয় সংস্কৃতিৰ ভেটি লৰাইছে, আৰু অপসংস্কৃতিৰ আমদানি কৰিছে। গতিকে অৰ্থনৈতিক শোষণ আৰু বাহিৰৰ সাংস্কৃতিক সম্প্ৰসাৰণবাদিতা— এই দুয়োটাৰ বিৰুদ্ধেই আমাৰ জেহাদ ঘোষণা কৰিব লাগিব।

আপোনাৰ সম্পাদনাত পত্ৰিকাই এটি উচ্চ মান লাভ কৰাৰ বাবে অভিনন্দন জানিব। কিন্তু এই সংখ্যাৰ ছপাকাৰ্য তুলনামূলকভাৱে আগতকৈ বেয়া হৈছে বুলি কলে যেন বেয়া নাপায়।

শ্ৰীনগেন শইকীয়া।

## সাহিত্য সভা পত্ৰিকা সম্পৰ্কত একামাৰ

অসম সাহিত্য সভা পত্ৰিকাৰ চতুস্ত্ৰিংশ আৰু পঞ্চত্ৰিংশ বছৰৰ এতিয়ালৈকে প্ৰকাশ পোৱা সংখ্যাসমূহ উন্নত মানদণ্ড সমন্বিতে নিয়মিতভাৱে প্ৰকাশ পোৱাটো শুভ লক্ষণ। সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানৰ মুখপত্ৰখন জাতীয় কলা-সংস্কৃতি-সাহিত্যৰ বিভিন্ন দিশৰ আলোচনা আৰু গৱেষণামূলক প্ৰবন্ধৰে নিয়মিত প্ৰকাশ হোৱাটো যেনেদৰে বাঞ্ছনীয়, তেনেদৰে ইয়াৰ প্ৰচাৰৰ কাৰণে চেষ্টা কৰাটোও প্ৰয়োজনীয়। কিন্তু অতি দুখৰ বিষয় যে বৰ্তমানে পত্ৰিকাৰ প্ৰচাৰ বৰ সন্তোষজনক নহয়। পত্ৰিকাৰ প্ৰচাৰ আৰু বিক্ৰীৰ কাৰণে প্ৰত্যেক শাখা সভাই যদি কমপক্ষেও ২০ কপিকৈ নিজ নিজ সভ্যসকলৰ মাজত বিলোৱাৰ ব্যৱস্থা কৰে, তেন্তে বৰ্তমানে ছপা কৰা সংখ্যাতকৈ ভালেখিনি বেছি সংখ্যক পত্ৰিকাৰ প্ৰয়োজন হ'ব। এই ক্ষেত্ৰত প্ৰত্যেক সভা আৰু শাখা সভাই নিজৰ দায়িত্ব বুলি ভাবি পত্ৰিকাৰ প্ৰচাৰৰ কাৰণে চেষ্টা কৰিব নোৱাৰেনে? শাখা সাহিত্য সভাসমূহৰ কাৰ্যকাৰিতাৰ ওপৰতে অসম সাহিত্য সভাৰ কাৰ্যপন্থা বহুপৰিমাণে নিৰ্ভৰশীল। কিন্তু শাখা সভাসমূহৰ (দুই-এখনৰ বাহিৰে) নিষ্ক্ৰিয়তা বৰ পৰিতাপৰ বিষয়। বৰ্তমান অসমৰ সকলো হাইস্কুল আৰু কলেজৰ পুথিভঁড়ালসমূহক আৰু স্কুল-কলেজৰ শিক্ষকসকলৰ এটা অংশক নিয়মিত গ্ৰাহক কৰিব পাৰিলেও পত্ৰিকাৰ প্ৰচাৰ যথেষ্ট বৃদ্ধি কৰিব পৰা হ'ব। (অৱশ্যে এই ক্ষেত্ৰত পত্ৰিকাৰ প্ৰকাশ এতিয়াৰ দৰে নিয়মিতভাৱে কৰিবলৈ ব্যৱস্থা ল'ব লাগিব।) আশাকৰোঁ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলে অসমৰ এচাম শিক্ষিত লোক সাহিত্য-সংস্কৃতিমূলক এই আলোচনীৰ প্ৰতি নিশ্চয় আগ্ৰহান্বিত হ'ব। অসমৰ সুধী-সমাজে আৰু বিশেষকৈ অসম সাহিত্য সভাৰ কৰ্মকৰ্তাসকলে আৰু শাখা সভাসমূহে পত্ৰিকাৰ ব্যৱসায়িক দিশৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজনীয় কাৰ্যপন্থা গ্ৰহণ কৰে যেন।

শ্ৰীঅমূল্য চন্দ্ৰ নাথ (নগাঁও)।

## শেষ উত্তৰ

শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱে 'স্পষ্টীকৰণৰ পাছত' নাম দি লিখা কথাখিনি পঢ়িলোঁ। দেখা গৈছে যে তেখেতে মোৰ কথাবোৰ 'পণ্ডান' আৰু নিজৰ কথাবোৰ 'হান' বুলি ভাবি আনন্দ লাভ কৰিছে। অধিক চুপচাপ কৰি মই মোৰ শক্তিৰ অপচয় নকৰোঁ আৰু শ্ৰীশৰ্মাৰ আনন্দতো ব্যাঘাত নজন্মাওঁ। অৱগতিৰ অৰ্থে এটা কথা জনাওঁ যে তেখেতে মোৰ নামৰ আগত ব্যৱহাৰ কৰা 'পদ্মশ্ৰী' শব্দটো প্ৰাক্-জনতা আমোলৰ এটা ক্ষুদ্ৰ ৰাজকীয় সন্মানহে আছিল। ইয়াক নামৰ আগত বা পিছত উপাধিসূচক বিশেষণ হিচাপে ব্যৱহাৰ কৰাটো চৰকাৰীভাৱে নিষিদ্ধ কাম।

শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা।

(এই সম্পৰ্কীয় বাদানুবাদৰ প্ৰকাশ ইমানতে বন্ধ কৰা হ'ল। —পত্ৰিকা সম্পাদক)

# গ্ৰন্থ-পৰিচয়

**ৰাতি ফুলা ফুল**

লেখক: শ্ৰীমহিম বৰা।

প্ৰকাশক: ফ্ৰেণ্ডছ বুক এজেঞ্চি, গুৱাহাটী।

পৃষ্ঠা: ১০৮।

মূল্য: ৬'০০ টকা।

আদৰ্শবাদী ডেকা ইঞ্জিনীয়াৰ প্ৰবোধ, যি ভেঁটী নাখায়, অসততাক যি প্ৰশ্ৰয় দিব নোখোজে, যাৰ কৰি দেউতাক-মাক-ককায়েকৰ পৰিয়াললৈ টকা-পইচা পঠায়, সেই প্ৰবোধে যেতিয়া ঠিকাদাৰে তাৰ বিয়াত কামত আহিব বুলি ক'লাবজাৰৰ তিনিটা সোণৰ মোহৰ উপযাচি আনি দিলেহি, "সি সোণখিনি সন্মুখত লৈ একেথৰে চাই ৰ'ল। মুখেৰে এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰিলে।" তেতিয়াই ক'ব নোৱাৰাকৈয়ে আৰম্ভ হৈছে দূষিত পৰিবেশে শিক্ষিত নিম্ন মধ্যবিত্তৰ ভিতৰত তোলা দ্বন্দ্বৰ স্বাভাৱিক পৰিণতিৰ আৰম্ভণি। কাৰণ, ইতিমধ্যেই দুৰ্নীতিয়ে সামাজিক স্বীকৃতি লাভ কৰিছে। দেউতাকে কৈছে: "দেশৰ মানুহে, ৰজাৰপৰা মন্ত্ৰীলৈ, চাপ্ৰাচীৰপৰা হাকিমলৈ থৈলাই থৈলাই ধন ঘটিছে, সি ভলাল ধৰ্ম-যুধিষ্ঠিৰটো!" গাঁৱৰ অশিক্ষিতা ছোৱালী পুতুৱে কৈছে: "ইঃ টকাহে নাই যেনিবা, ইঞ্জিনীয়াৰৰ হাঁহে নোখোৱা টকা।" মাকে কৈছে: "পিছে গোটেই দেশখনেই যেতিয়া অধৰ্মত গৈছে, তই-মই দুই-এজনে ধৰ্মক চিয়াই থাকিলেনো কি হ'ব?" নবৌয়েকে কৈছে: "ভেঁটী নোখোৱা নাই, এনেকৈ লোকে উপযাচি দিওঁতে আহিলে ভৰিৰে ঠেলিব নাপায়। লক্ষ্মীয়ে শাও দিব।"

পুঁজিবাদৰ ছুৱাবোগা ব্যাধিয়ে তাহানিৰ সহজ গাঁৱৰ জীৱনকো জোকাৰিবলৈ আৰম্ভ কৰিছে। দুই-এজন বুঢ়া-মেথাৰ "... মানুহৰ টকাৰ থঁক বাঢ়িল, এটা টকাৰ কাৰণে মানুহে মানুহক প্ৰাণে মাৰিব পাৰে। যদুবংশৰ পতনৰ অৱস্থা দেশলৈ আহিছে" —বোলা অভিযোগৰ শব্দ টকাৰ শব্দৰ মাজত হেৰাই গৈছে। গাঁৱৰ ল'ৰা পৰিশ্ৰম-বিমুখ হৈছে, তাচ-পাশা-অড্ডাত গা-ঢালি দিছে। "হাইস্কুলৰ মুখ দেখিছে, দীঘল ঠেঙা পিন্ধিছে, বাৰী-ঘৰ, পথাৰ-সমাৰ একো নকৰা হ'ল। সকলোৱে হালোৱা ধৰি, ৰোৱনী ধৰি খেতিৰ কাম কৰে।"

তথাপি প্ৰবোধ অচঞ্চল হ'বলৈ সঙ্কল্পবদ্ধ। যেতিয়া দেউতাকে টকা-পইচা, মাটী-বাৰীৰ বিনিময়ত অৱসৰ-প্ৰাপ্ত এক্সাইজ চুপাৰিন্টেণ্ডেণ্ট বৰবৰাৰ ছোৱালী কুঁৱলীক প্ৰবোধলৈ বিয়া কৰোৱাৰ সিদ্ধান্তৰ কথা তাক জনালে, সি উত্তলি উঠিল। দেউতাকক সি যথেষ্ট টানকৈয়ে ক'লে: "মোৰ মান-সন্মান চেহ্ কৰি দিলে আপুনি!" আৰু সি ছোৱালীৰ ঘৰলৈ গৈ দেউতাকৰ কথাৰ বাবে ক্ষমা খুজি আহিবলৈ আৰু বিয়া ভাঙি আহিবলৈ যাবৰ কাৰণে ঠিক কৰিলে। সি সেই মতেই গৈ কুঁৱলীৰ দেউতাকক ক'লেগৈয়ো। কিন্তু বৰবৰা হ'ল যথাৰ্থতে অভিজ্ঞ ব্যৱসায়ী। তেওঁ টোকৰ মাৰিয়েই গম পালে— প্ৰবোধৰ আত্ম-সন্মানৰ প্ৰশ্নটোহে ডাঙৰ। অৰ্থাৎ আত্মসন্মান লাঘৱ নহ'লে প্ৰবোধে অৰ্থ-সম্পদ লাভৰ সহজ পথ গ্ৰহণ কৰাত আপত্তি কৰাৰ প্ৰশ্ন নুঠিব। তেওঁ প্ৰবোধৰ

পথ সহজ কৰি দিয়ালৈ নিজে কেনেকৈ কানি-বেপাৰীৰপৰা আশী হাজাৰ ঘোচ লৈ কানি ব্ৰহ্মপুত্ৰত পেলাই দি নিজেও লাভৱান হ'ল, বেপাৰীকো ৰাখিলে আৰু কানিখিনি নষ্ট কৰি দেশৰো উপকাৰ কৰিলে— তাৰ বিৱৰণ মুকলিকৈ দিলে। তেওঁ কৈছে,— "গতিকে তাৰ বাবে মোৰ কোনো কনচেন্স্-প্ৰিকিং নাই। এণ্ড্ আই ড'ন্ট্ থিঙ্ক্ আই ডিড্ ছামথিং ইম্মৰেল, আন্-পেট্ৰিয়টিক।"

বৰবৰাৰ এই কথাত আদৰ্শবাদী, শিক্ষিত যুৱক মুগ্ধ। কিন্তু তথাপি "সি ডেউকা কপাই ৰাখিছে সুদৃঢ়ভাৱে; সি নুবে। ...কিন্তু সিহঁতৰ ভৰিৰ তলৰ মাটিখিনিও যে লুইতৰ ঢৌৱে কঁপাই তুলিছে।...... সিহঁতৰ আঁতৰি যোৱাৰ শক্তি নাই, কাৰণ সিহঁতৰ ভৰিবিলাক মাটিৰ ভিতৰত পোত খাই আছে। সিহঁতৰ কেনিও পৰিত্ৰাণ নাই, লুইতৰ এই প্ৰচণ্ড গৰ্জনে সিহঁতক সামৰি লবই, উটাই নিব সিহঁতক দূৰ-দূৰণিলৈ।......"

প্ৰসিদ্ধ গল্পকাৰ (কবিও) মহিম বৰাৰ শেহতীয়া গল্প-সঙ্কলন 'ৰাতি ফুলা ফুল'ৰ প্ৰথম গল্প 'এই নদীৰ সোঁতে'ৰ এয়ে হ'ল মূল বিষয়-বস্তু।

অনেকেই ক'বলৈ প্ৰয়াস পাব পাৰে- 'কাঠনিবাৰীঘাট'ৰ গল্পকেইটিৰ মাজত থকা প্ৰকৃতি আৰু গাঁৱৰ জীৱনৰ পটভূমি আৰু কাহিনীৰ সুখ-দুখৰ ব্যঞ্জনাময় চিত্ৰ 'ৰাতি ফুলা ফুল'ত ম্লান-দীপ্ত হৈছে নেকি? প্ৰশ্ন হ'ব পাৰে— প্ৰবোধৰ দৰে আদৰ্শবাদী ডেকা এটাই তাৰ আদৰ্শৰ প্ৰতিকূলে গৈ অৰ্থ আৰু সম্পদৰ বিনিময়ত বিয়া কৰাবলৈ সন্মত হোৱাটো এটা প্ৰগতি-বিৰোধী কাম হোৱা নাইনে? এই সন্দেহৰ উত্তৰ বিচাৰিলে দেখা যাব— গল্পকাৰ বৰাই তেওঁৰ গল্পৰ পটভূমি সলনি কৰিছে, আৰু গ্ৰাম্য জীৱনৰ সুখ-দুখৰপৰা তেওঁ পেটিবুৰ্জোৱা নাগৰিক জীৱনৰ দ্বন্দ্বলৈ দৃষ্টিপাত কৰিছে। এই দ্বন্দ্বক তেওঁ অকলশৰীয়াকৈ চোৱা নাই; চাইছে পুঁজিবাদৰ ব্যাধিত আক্ৰান্ত আমাৰ সমগ্ৰ সমাজ-জীৱনৰ আদৰ্শ-ভ্ৰষ্ট ৰূপৰ পটভূমিত থিয় কৰাই। তেওঁ দেখিছে— সুযোগ-সন্ধানী মধ্যবিত্তক কেৱল নহয়, সমাজৰ সকলো স্তৰৰ জীৱনক অৰ্থ-লালসাৰ জিভাই চেলেকিবলৈ ধৰিছে। তাৰে মাজত যদি প্ৰবোধৰ দৰে দুই-এটি স্থিৰ হৈ থাকিব খোজেও, সিও কেৱল আত্মসন্মান ৰক্ষাৰ স্বাৰ্থত; আদৰ্শৰ সততাৰ স্বাৰ্থত নহয়। অৰ্থনৈতিক ভেটিয়েই যদি সমাজৰ চৰিত্ৰ-নিৰ্ণায়ক হয়, আমাৰ বৰ্তমান অৰ্থনৈতিক ভেটিয়েই আমাৰ সমাজৰ এই অৰ্থগৃধ্নুতাৰো ঘাই কাৰণ। এই নদীৰ সোঁত যদি সলনি কৰিব নোৱাৰি, তেনেহ'লে "লুইতৰ এই প্ৰচণ্ড গৰ্জনে সিহঁতক সামৰি লবই, উটাই নিব দূৰ-দূৰণিলৈ।" আৰু, যদি সঁচাকৈয়ে সময়-সলনিৰ লুইতহে প্ৰচণ্ড ভাৱে বৈ আহিছে, তেনেহ'লেও "এই প্ৰচণ্ড গৰ্জনে সিহঁতক সামৰি লবই, উটাই নিব দূৰ-দূৰণিলৈ।" কাৰণ, সিহঁতৰ ভৰিবিলাক মাটিৰ ভিতৰত পোত খাই আছে।" কাৰণ, প্ৰবোধে অকলে আদৰ্শৰ নিচান উৰাই সমাজৰ গতিপথ সলনি কৰিব নোৱাৰে; তাৰপৰা তাৰদৰে লোকে উদ্ধাৰ পোৱা কঠিন। সৰহ সংখ্যক মধ্যবিত্ত শিক্ষিতৰে অৱস্থা প্ৰবোধৰ দৰেই নহয় জানো? সেইবাবেই এই গল্পটিক আমাৰ সমাজ-জীৱনৰ এটি কটু সত্যৰ সক হ'লেও প্ৰামাণ্য দলিল বুলিব পাৰি। গল্পকাৰ বৰাই কোনো আদৰ্শৰ কথা ক'ব খোজা নাই; সমাজৰ বাস্তৱ সত্য এটিক দাঙি ধৰিছে। [বাল্জাক্ কেতিয়াও মাৰ্ক্সবাদী নাছিল; কিন্তু বাল্জাকৰ ৰচনাৰ মাজত ফ্ৰান্সৰ ক্ষয়িষ্ণু সমাজ-জীৱনৰ যি চিত্ৰ ফুটি উঠিছিল, তাৰবাবেই বাল্জাক মাৰ্ক্সবাদীসকলৰো অন্যতম প্ৰিয় লেখকৰূপে পৰিগণিত হৈ আহিছে। বৰাৰ গল্পত আদৰ্শৰ সন্ধান



কাসকল এই কথাৰ প্ৰতিও নিশ্চয় সচেতন হ'ব লাগিব।]

সঙ্কলনটোৰ দ্বিতীয় গল্প 'পইতা-চোৰা'ত মেকানিকেল ইঞ্জিনীয়াৰিং পঢ়ি আহিও চাকৰি নাপাই, পৰিয়ালৰ বোজাস্বৰূপ হৈ পৰা অসহায় যুৱক সম্মুখীন হৈছে ব্যক্তিগতভাৱে এক গভীৰ মানসিক দ্বন্দ্বৰ, আৰু সমষ্টিগতভাৱে পুঁজিবাদী সমাজ ব্যৱস্থাত মানুহ হৈ পৰিছে মানৱীয় সম্পৰ্কৰ সলনি অৰ্থ-সম্পৰ্কৰ লগত জড়িত জীৱ। এই গল্পটোতো চৰিত্ৰ তাৰ সমাজৰ বহল পটভূমিতেই অঙ্কিত হৈছে। বৰাই গল্পটোৰ কলা-কৌশল কাফ্কাৰ 'মেটামৰ্ফচিচ'ৰ আহিত লোৱা বুলি ক'লেও, দৰাচলতে কলা-কৌশলত নহয়, গল্পটোৰ ভাৱ বস্তুৰ ফালৰপৰাহে কাফ্কাৰ গল্পটোৰ লগত এটা সদৃশতা বিচাৰি উলিয়াব পাৰি। কাফ্কাৰ গল্পৰ নায়ক, পৰিয়ালৰ উপাৰ্জনক্ষম ডেকা গ্ৰিগৰ যেতিয়া এটা বহুপদী সৰীসৃপলৈ ৰূপান্তৰিত হৈছে, তাৰ প্ৰতি দেউতাক-মাক ভনীয়েকৰ মনত উদয় হৈছে— ক্ৰমান্বয়ে ভয়, পুতৌ আৰু শেহত ঘৃণা। সি উপাৰ্জনক্ষমতা হেৰুৱাই, এটা ভয় লগা অপকাৰী প্ৰাণী হৈ ক্ষণে ক্ষণে মৃত্যুমুখী হৈছে; আৰু তাৰ মৃত্যুৰ দিনা পৰিয়ালৰ সকলো ফুৰিবলৈ ওলাই গৈছে। বৰাৰ গল্পটোতো উপাৰ্জনহীন যুৱকে ঘৰৰ মানুহৰ ওপৰত, আনকি তাৰ ভাই-ভনীৰ ওপৰতো কৰ্তৃত্ব হেৰুৱাই পেলাইছে; মাকেও আনকি তাক কৈছে, "নিজে নিজে ঘৰ-গৃহস্থী কৰি টাউন-চহৰত ঘৰ-দুৱাৰ কৰি নিজৰ কথা ভাবগৈ। আমি গৈ তেতিয়া দিগদাৰ নিদিওঁ, আমাকো দিগদাৰ দিব নালাগে।" তাৰ সমাজখনে হেৰুৱাই পেলাইছে মানৱিক সম্পৰ্ক; অৰ্থ-সম্পদে নিৰূপণ কৰিছে মানুহৰ লগত মানুহৰ সম্পৰ্ক। অৰ্থহীন যুৱকে সেইবাবে এটা ঘৃণ্য পইতা-চোৰাৰ দৰে মুখখন উলিয়াই লুকাই ফুৰিছে। অনিশ্চয়তা আৰু হতাশাগ্ৰস্ত যুৱক এটা অসহায়, ভীৰু জীৱলৈ ৰূপান্তৰিত হৈছে। এই ৰূপান্তৰ তাৰ সমাজখনৰে দান। তাৰ দৰে চৰিত্ৰই কেৱল ভীৰুতাকে অৱলম্বন কৰিব, উত্তৰণৰ কোনো পথ বিচাৰি নাপাব। এই গল্পটোতো ৰোগৰ চিনাক্তকৰণ আছে; কিন্তু ঔষধৰ ব্যৱস্থা-পত্ৰ নাই বুলি কওঁতেও এটা কথা মনলৈ আনিব লাগিব যে সঠিক চিনাক্তকৰণৰ মূল্যও নিচেই কম নহয়।

কম দুনীয়া, অনূঢ়া কন্যাক পাত্ৰস্থ কৰাৰ বাবে পৰম্পৰাগত মূল্যবোধ আৰু বিচাৰ-বিবেচনাকো আঁতৰাই থবলৈ সাজু হোৱা মধ্যবিত্ত জীৱনৰ হতাশাৰ আৰু ভাগ্য আৰু সুযোগ-নিৰ্ভৰ আশাৰ দ্বন্দ্বৰে নিৰ্মিত হৈছে— সঙ্কলনটোৰ শিৰোনামা-গল্প 'ৰাতি ফুলা ফুল'। সমস্ত বছৰ অপেক্ষাৰ পাছত এদিন মাজৰাতি "নাচি নাচি মঞ্চত প্ৰবেশ কৰা সুসজ্জিতা সুন্দৰী নৰ্তকীৰ দৰে ত্ৰিছপাহ ফুল পাতৰ ভিতৰৰপৰা সম্পূৰ্ণকৈ ওলাই আহি সূক্ষ্ম তাঁৰ এডালত দেহত মৃদু কম্পন লৈ চাৰ্কাচৰ ছোৱালীবিলাক থিয় হৈ থকাৰ দৰে পাতৰ জোঙা আগবিলাকত খোপনি লৈ থিয় হৈ" ফুলি উঠে। সিহঁতৰ এই অৱস্থান সঙ্কটজনকভাৱে সুন্দৰ। "যৌৱনৰ প্ৰাণ-প্ৰাচুৰ্যই নিজৰ শক্তিৰে প্ৰতিপাহ ফুলৰ সৰ্বাঙ্গলৈ একো একোটা শিহৰণৰ ঢৌ তুলি দিছে।" এই ফুলপাহ কি সুন্দৰী কইনা সৰিতা? নে তেওঁক আকৰ্ষণ কৰিবলৈ যত্ন কৰা মঙহাল, চাপৰ, মিঠা বৰণৰ নমিতাৰ মনৰ মাজৰপৰা ফুলি উঠা স্বপ্ন আৰু আকাংক্ষা? "গোটেই ৰাতি ফুলি থাকিব; ৰাতি পুৱালে কিন্তু জঁই পৰি যাব; জঁই পৰাই নহয়, দেখিবলৈ লোপ্‌থোপ ছিগলগা হৈ পৰিব।" ই জানো জীৱনৰ কম ট্ৰেজেদি?

এই গল্পটোৰ গঠন-শৈলী তুলনামূলকভাৱে শিথিল; কিন্তু থিমটোৰ মাজত থকা ভাগ্যবাদী মধ্যবিত্তৰ

হতাশাৰ ব্যঞ্জনা সুস্পষ্ট।

সঙ্কলনটিৰ অন্যতম সাৰ্থক গল্প হ'ল 'আবুৰ'। কোনোবাই যদি গল্পটোত কেৱল চান্দা বিচৰা ল'ৰাৰ অত্যপালি, মাঘ বিহুৰ নামত অশ্লীল গীত-মাতৰ পয়োভৰ আৰু বাবৰী জেওৰা-জপনা, শইচ-পাচলি শুহিলং কৰাৰ ছবিকে দেখে, দেখিব পাৰে; কিন্তু গল্পটোত অৱচেতনৰ বাসনা আৰু তাক ঢাকি থোৱা চেতন মনৰ মূল্যবোধৰ দ্বন্দ্বৰ আলোড়ন যিদৰে অনুভূত হয়, তেনেদৰেই অনুভূত হয় তথা-কথিত আধুনিকতাৰ বতাহে, অ'ৰ-বেৰ দি থোৱা জীৱনক বিধ্বস্ত, বিপৰ্যস্ত কৰা ঘটনাই অগ্ৰজসকলৰ মনত সৃষ্টি কৰা ক্ষোভ আৰু আত্মসমৰ্পণৰ অসহায় অৱস্থা। ইও সমাজ-জীৱনৰ পৰিৱৰ্তিত পৃষ্ঠভূমিৰ লগতে জড়িত ঘনিষ্ঠভাৱে।

'এটা পুৱাৰ জন্ম' নামৰ শেহৰ গল্পটিৰ থিমৰ মাজতো কম-বেছি পৰিমাণে 'আবুৰ' গল্পৰ সম-পৰ্যায়ৰ ভাৱানুভূতিৰ অভিব্যক্তি ঘটিছে। প্ৰায় প্ৰৌঢ় শইকীয়াই দেখিছে তেওঁৰ পুত্ৰসকলৰ মাজত কোনো দায়িত্ববোধ আৰু জীৱনৰ লক্ষ্য নাই। কেৱল তেওঁৰ ল'ৰাই নহয়, ভৱিষ্যত পুৰুষৰ সৰহ সংখ্যকৰে মাজত কোনো লক্ষ্য আৰু দায়িত্ববোধ নোহোৱা হৈছে। তেওঁৰ "নিজৰ ভৱিষ্যতৰ চকুৰে চকুৰে চোৱাৰ সমস্ত সাহস আজি তেওঁ সম্পূৰ্ণ হেৰুৱাই পেলাইছে।" এই দুয়োটা গল্পৰ মাজত সমাজৰ পৰিৱৰ্তিত চৰিত্ৰতকৈও অগ্ৰজ পুৰুষৰ অসহায় পলায়নী মনোভাৱ অধিক স্পষ্ট। উত্তৰ-পুৰুষে বাট হেৰুৱাইছে, আৰু অগ্ৰজ পুৰুষেও প্ৰকৃত বাটৰ সন্ধান দিব পৰা নাই। যিসকলে, সাহিত্যই সমাজ-পৰিৱৰ্তনৰ বাট দেখুৱাব লাগে বুলি ভাবে, সিসকলে এনে গল্পত বাঞ্ছিত ফল নাপাব; কিন্তু যিসকলে আমাৰ নগৰীয়া মধ্যবিত্তৰ জীৱনৰ ছবি চাব খোজে, সিসকলে সেই জীৱনৰ দ্বন্দ্ব আৰু আপোচৰ, ভাগ্য আৰু সুযোগ-নিৰ্ভৰতাৰ, স্বাৰ্থপৰতা আৰু অসহায়তাৰ আংশিক প্ৰতিফলন ৰবাৰ এই সঙ্কলন-টিৰ গল্পৰ মাজত নিশ্চয় দেখিবলৈ পাব। সেই অৰ্থতেই সঙ্কলনটিক বাস্তৱ তথ্যৰ এটি সাহিত্য-দলিল বোলা যায়।

মহিম বৰাৰ গল্পৰ অন্তৰালত থকা অনুভূতিৰ উপলব্ধিৰ কবিত্বময় ব্যঞ্জনা, শেষ হৈয়ো শেষ নোহোৱাৰ অতৃপ্তিৰ স্বাদ— কম-বেছি পৰিমাণে 'বাঞ্ছিত ফুলা ফুল'ৰ মাজতো পাঠকে অনুভৱ নকৰাকৈ নাথাকিব; অনুভৱ নকৰাকৈ নাথাকিব, সুদক্ষ শিল্পীয়ে কম আয়াসতে স্পষ্ট কৰি তোলা চিত্ৰৰ দৰে, মিত্ৰৰাক বৰ্ণনাৰ চিত্ৰণ-দক্ষতা।

এটা কথা ঠিক যে— সঙ্কলনটি হাতত লৈ স্বাভাৱিকতে পাঠকে যেতিয়া তেওঁৰ 'কাঠনিবাৰীঘাট'ৰ লগত তুলনা কৰিব তেতিয়া একেটা সোৱাদ ইয়াত নাপাব। তাৰ কাৰণ যিদৰে লেখকৰ কাহিনীৰ পটভূমি বাহিৰৰ পৰিৱৰ্তন, তেনেদৰেই তেওঁৰ দৃষ্টিভঙ্গীৰো পৰিৱৰ্তন।

পৰিবেশ আৰু সময়ৰ সীমাত বন্দী এই সঙ্কলন কাহিনীৰ মাজত জীৱনৰ উত্তৰণৰ ব্যঞ্জনা-সঙ্কেত নাই; আছে বৃত্তৰ মাজত বন্দী নিৰুপায় জীৱনৰ আৰ্তি। যদি দোষ—এয়ে তেওঁৰ দোষ। ০০০

শ্ৰীনগেন শইকীয়া।

## পদাৰ্থবিজ্ঞান পত্ৰিকা

তৃতীয় বছৰ : ১৯৭৮ চন।
সম্পাদক :
ড° কমলচন্দ্ৰ বৰুৱা আৰু ড° পৰমানন্দ মহন্ত।
পৃষ্ঠা : ১০৩। মূল্য : অনুল্লেখিত।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰপৰা



ওলোৱা 'পদাৰ্থবিজ্ঞান পত্ৰিকা'খনি অসমীয়া ভাষাত প্ৰকাশিত পদাৰ্থবিজ্ঞানৰ একমাত্ৰ বছৰেকীয়া আলো-চনী। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীলৈ অনুৰোধ কৰাৰ দৰেহে সম্পাদকদ্বয়ে লিখিছে : "পদাৰ্থবিজ্ঞানৰ বিভিন্ন তত্ত্ব, পৰীক্ষা, পৰ্যবেক্ষণ আৰু ইতিহাস বিষয়ক প্ৰবন্ধ অসমীয়া ভাষাত প্ৰকাশ কৰি বৈজ্ঞানিক বাৰ্তাবহী আৰু পৰিভাষাৰ লগত ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰোৱাই এই আলোচনীৰ মুখ্য উদ্দেশ্য।" ইফালে দেশৰ ভৱিষ্যত আশাৰ থলী নতুন পুৰুষক মাতৃভাষাৰে বিজ্ঞানৰ শিক্ষা দি পৰিপুষ্ট কৰি তোলাৰ ক্ষেত্ৰত পত্ৰিকাখনিয়ে উল্লেখনীয় বৰঙনি যোগাব বুলি নিঃসন্দেহে ক'ব পাৰি।"

যোৱা দুটা বছৰৰ পত্ৰিকা দুখনৰ দৰেই এই বছৰ দুনত প্ৰকাশিত তৃতীয়খন পদাৰ্থবিজ্ঞান পত্ৰিকাৰ পাতে পাতে বিকশিত হোৱা বিজ্ঞানৰ কুসুম-কলিৰ সুবাসে প্ৰাণত আশাৰ সঞ্চাৰ কৰিছে। ছাৰ চি, ভি, ৰমনৰ বিশ্ববিজয়ী আৱিষ্কাৰৰ দুকুৰি দহ বছৰ পূৰ হোৱা উপলক্ষে '... ৰমন আৰু ভাৰতীয় বিজ্ঞান' আলোচনাটো সম্পাদকীয়ত দাঙি ধৰি ৰমন মানুহ-জনক আৰু তেতিয়াৰ বিজ্ঞান-পৰিবেশৰ লগত চিনাকি কৰি দিয়াৰ চলেৰে পাঠক-পাঠিকাক ভাবিবলৈ বাধ্য কৰাইছে— "আঢ়ৈকুৰি বছৰৰ পূৰ্বে এছিয়াৰ প্ৰথম বিজ্ঞানৰ ন'বেল বঁটা কাঢ়িয়াই অনা ভাৰতৰ বুকুলৈ দ্বিতীয়টো সন্মান আজিলৈকে অহা নাই কিয়?"

ড° গৌৰাঙ্গধৰ বৰুৱাৰ 'ৰমন প্ৰক্ৰিয়াসমূহ' প্ৰবন্ধই ৰমনে কি কামৰ ওপৰত ন'বেল বঁটা পালে, সেই-বোৰ খবৰ জানিবলৈ আশাৰে বাট চাই থকা জিজ্ঞাসু জনক সহজে জনাৰ সুযোগ দিছে, আৰু দিছে আধু-নিক জগতত চাঞ্চল্য সৃষ্টি কৰা লেচাৰ ৰশ্মি ব্যৱহাৰ কৰি পোৱা প্ৰণোদিত, ঋণাত্মক আৰু অনুনাদ ৰমন-প্ৰক্ৰিয়াৰ সাধাৰণ বতৰাখিনিও।

কিছুদিনৰপৰা পদাৰ্থবিজ্ঞানীয়ে জৈৱপদাৰ্থবিজ্ঞান গৱেষণাৰ প্ৰতি মনোনিবেশ কৰি নতুন নতুন তথ্যৰ সন্ধান দিছে। দেশৰ উত্তৰ-পূব অঞ্চলত এনেধৰণৰ গৱেষণাৰ অনেক থল আছে। এনে স্থলত লেখকৰ 'জোনাকী পৰুৱাৰ পোহৰ' প্ৰবন্ধত সহজভাৱে বিশ্লে-ষণ কৰা বৈজ্ঞানিক তত্ত্বই পদাৰ্থবিজ্ঞানৰ প্ৰতি আগ্ৰহী নতুন পুৰুষৰ মনৰ খোৰাক যোগাব। জোনাকী পৰুৱাৰ পোহৰ ন—ন০ উদ্ভৱণেই হ'ব পাৰে বুলি পৰীক্ষা-প্ৰমাণেৰে বুজাই লেখকৰ নিজা তত্ত্বটো যিদৰে তুলি ধৰিছে, সি ছাত্ৰ-ছাত্ৰীতকৈ গৱেষককহে বেছিকৈ চিন্তা কৰি চোৱাৰ সমল যোগাইছে।

'আল্‌ফা কণাৰ তেজস্ক্ৰিয় বিকিৰণ' শীৰ্ষক প্ৰবন্ধত ড° পৰমানন্দ মহন্তই এই কণাৰ তেজস্ক্ৰিয়তা আৰু ইয়াৰ ধৰ্মসমূহৰ লগত পঢ়ুৱৈক চিনাকি কৰি দিবৰ কাৰণে গাণিতিক সা-সঁজুলিৰপৰা নিলগত থাকিয়েই বিষয়-বস্তুক যিদৰে সহজ-সৰল কথাৰে আগবঢ়াই দিছে, তালৈ চাই নিঃসন্দেহে ক'ব পাৰি যে লেখক সম্পূৰ্ণ সাৰ্থক হৈছে। যোৱা বছৰ যিটো বিষয়ৰ ওপৰত পদাৰ্থবিজ্ঞানৰ ন'বেল বঁটা দিয়া হ'ল, সেই তেজস্ক্ৰিয় ৰশ্মি আৰু তাৰ ধৰ্ম-বোৰ সুন্দৰকৈ প্ৰমাণ কৰিব পৰা কোৱাণ্টাম্ বল-বিজ্ঞানৰ প্ৰতি সঁচাকৈ আগ্ৰহী পাঠক-পাঠিকাই ড° মহন্তৰ এই প্ৰবন্ধটোত মন জুৰোৱা খোৰাক পাব।

লেখকৰ আনটো প্ৰবন্ধ 'পোহৰৰ গতিবেগ আৰু আপেক্ষিকতাবাদো' পঢ়ুৱৈৰ বাবে মনোগ্ৰাহী আৰু সময়োপযোগী হৈছে। বিষয়-বস্তুৰ লগত পৰিচিত স্নাতক ছাত্ৰ-ছাত্ৰীয়ে আপেক্ষিকতাবাদৰ সূত্ৰৰ প্ৰমাণ কিমান নিয়াৰিকৈ দেখুৱাব পাৰি, সেই ধৰণৰ আধুনিক পৰ্যবেক্ষণ-পৰীক্ষাৰ লগত নিবিড়ভাৱে চিনাকি হ'বলৈ পোৱাৰ কাৰণে সূত্ৰসমূহক ভাটৌৰ দৰে মুখস্থ নকৰি বিশ্লেষণ কৰি চোৱাৰ মানসিক

প্ৰস্তুতিখিনিও পাব।

সহজে বুজিব পৰাকৈ লিখা ড° হীৰালাল দাসৰ 'মেক্স্‌ৱেলৰ সমীকৰণসমূহ' প্ৰবন্ধটোৱে শ্ৰেণীৰ শিক্ষা-গ্ৰহণত আৰু শিক্ষাদানত সহায় কৰিব। পৰ্যায়বৃত্ত তালিকা আৰু বৰ্ণালী-তত্ত্বৰ লগত পৰিচিত পাঠক-পাঠিকাই লেখকৰ আনটো প্ৰবন্ধ 'হীৰা গাঁঠনি' পঢ়ি পদাৰ্থৰ ইলেক্‌ট্ৰনীয় সংস্থিতিৰ বহিৰ্তম খোলত থকা ইলেক্‌ট্ৰনবোৰ কিদৰে সুসজ্জবদ্ধ হৈ থাকি স্ফটিকৰ গাঁঠনিটো কৰে, তাৰ মোটামুটি আভাস এটা পাই উপকৃত হ'ব পাৰিব। প্ৰবন্ধৰ দুই-এটা কথাই পাঠকক উজুটি খুৱাব খুজিলেও পৰিশিষ্ট কথাখিনিয়ে সেই শঙ্কাৰপৰা মুক্ত কৰিছে।

শ্ৰীমতী জয়ন্তী চুতীয়াই 'পলিমাৰ আৰু থিন্‌ফিল্ম পদাৰ্থবিজ্ঞানেৰে ইয়াৰ অধ্যয়ন' প্ৰবন্ধৰ মাজেদি পঢ়ুৱৈক, আধুনিক প্লাষ্টিক যুগৰ মানুহক বৰকৈ আকৰ্ষণ কৰা, নিচেই আপোন আপোন লগা, পলিমাৰৰ লগত সুন্দৰকৈ চিনাকি কৰি দিছে। মাইক্ৰো ইলেক্‌-ট্ৰনিক উদ্যোগত পলিমাৰৰ পাতলীয়া স্তৰপৰ চাহিদা ইমান বেছি হৈ পৰিছে যে আজি পৃথিৱীৰ চাৰিওপিনে এনেধৰণৰ গৱেষণা যিমান কোবেৰে হ'বলৈ ধৰিছে, ভাবিলে আচৰিত হ'ব লাগে। এনেহেন দৰকাৰী বস্তু আৰু তাৰ প্ৰস্তুত-প্ৰণালীৰ লগত ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰাই দি তেওঁলোকক শ্ৰেণীত বিজ্ঞান শিক্ষা দিয়াৰ লগতে গৱেষণামূলক দৃষ্টিৰে নন কথা চিন্তা কৰি চাবলৈয়ো প্ৰেৰণা যোগোৱাৰ ক্ষেত্ৰত লেখিকা সাৰ্থক হৈছে।

ড° ভূপেন্দ্ৰনাথ গোস্বামীৰ 'জল-বায়ুৰ প্ৰতিৰূপায়নৰ ভৌতিক ভিত্তি' প্ৰবন্ধটো কেৱল পদাৰ্থবিজ্ঞান-প্ৰিয় ছাত্ৰ-ছাত্ৰীৰ বাবেই নহয়, সাধাৰণ লোকৰ কাৰণেও উপযোগী আৰু মনোগ্ৰাহী হৈছে। লেখকৰ প্ৰকাশ-ভঙ্গী, ভাষাৰ শালীনতা আৰু নিখুঁত বৰ্ণনা-সমূহ পৰিপাটি হৈছে।

ড° সৰ্বেশ্বৰ বুজৰবৰুৱাৰ 'নিয়ন্ত্ৰিত তাপ নিউক্লীয় সংযোজন বিয়েক্টৰ' শীৰ্ষক প্ৰবন্ধটোৰপৰা পঢ়ুৱৈ সমাজে সংযোজন প্ৰক্ৰিয়াৰে নিয়ন্ত্ৰিত হাৰত শক্তি উৎপাদন কৰিব পৰা বিয়েক্টৰ সাজি উলিয়াই জনকল্যাণৰ কামত খটুৱাবলৈ বিজ্ঞানীয়ে কিদৰে অহৰহ চেষ্টা কৰি আছে, আৰু এনে প্ৰচেষ্টাত কি কি বাধা-বিঘিনি আহি পৰে, সেই বিষয়ে ভালকৈ জানিব পাৰি লাভৱান হ'ব। গাণিতিক সা-সঁজুলিৰপৰা এৰাই থাকিব পৰা হ'লে সহজ-সৰল ভাব-ভাষাৰে লিখা লাগতিয়াল প্ৰবন্ধটো পঢ়ি ছাত্ৰ-ছাত্ৰীয়ে আৰু বেছি ভাল পালেহেঁতেন।

বিজ্ঞান-জগতৰ বাতৰি আৰু পৰিভাষাকে ধৰি বাৰটা প্ৰবন্ধেৰে গুৱাই থকা ১০৩ পৃষ্ঠাৰ পদাৰ্থ বিজ্ঞান পত্ৰিকাখন যি উদ্দেশ্যে পঢ়ুৱৈৰ মাজলৈ সাজি-কাচি ওলাই আহিছে, সেই উদ্দেশ্য সম্পূৰ্ণ সফল হৈছে বুলি কব লাগিব। আঞ্চলিক ভাষাৰ মাধ্যমেৰে বিজ্ঞানৰ জটিল তত্ত্ব আৰু বস্তুবোৰ নিৰহ-নিপানীকৈ যে শিকিব পাৰি, তাক সুস্পষ্টকৈ প্ৰমাণ কৰি দেখুৱাইছে পত্ৰিকাখনে। প্ৰবন্ধমালাৰ অসমীয়া পৰিভাষাৰ কাষতে ইংৰাজী শব্দবোৰ নাৰাখি শেষৰ পৰিভাষা শিতানত সন্নিবেশ কৰাটো পত্ৰিকাখনৰ আন এটা মন কৰিবলগীয়া দিশ। বিজ্ঞান-জেউতি, চাইন্স টু'ডে (Science Today), চাইন্টিফিক আমেৰিকান (Scientific American) বা বঙ্গীয় বিজ্ঞান পৰিষদৰ সৌজন্যত ওলোৱা জ্ঞান-বিজ্ঞান আদিৰ নিচিনা বিজ্ঞান-আলোচনীৰ দৃষ্টিৰে পদাৰ্থবিজ্ঞান পত্ৰিকাখন চাবলৈ বিচাৰিলে ভুল কৰা হ'ব। 'বিজ্ঞান বিচিত্ৰা বা লেছেৰি' আৰু 'জান নে ?' আদি শিতানো থকা হ'লে পত্ৰিকাখন



আৰু চকুত লগা হ'লহেঁতেন বুলি ভবাৰ থল নথকা নহয়। অৱশ্যে এইটো ঠিক যে অসমৰ বাহিৰে-ভিতৰে সিচৰতি হৈ থকা বিজ্ঞানী, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে সম্পাদকৰ অনুৰোধত সঁহাৰি জনাই মৰমৰ চকুৰে চাব পাৰিলেহে ভৱিষ্যতে চিঠি-পত্ৰ', 'তোমাৰ প্ৰশ্ন, আমাৰ উত্তৰ' আদি শিতা-নৰ অলঙ্কাৰেৰে পত্ৰিকাখনিক গাভৰু ৰূপত সজাই-পৰাই তুলি ধৰিব পৰাটো সম্ভৱপৰ হ'ব। সমাজৰ হৰ্ষ পালেহে আলোচনীৰ ৰূপ-যৌৱন চৰে।

ড° মহেন্দ্ৰ নাথ বৰা।

## বৃকোদৰ বৰুৱাৰ বিয়া

লেখক : শ্ৰীলীলা গগৈ।

প্ৰকাশক : বাণী মন্দিৰ, ডিব্ৰুগড়।

পৃষ্ঠা : প্ৰথম খণ্ড ০·১২ + ৯৮।

দ্বিতীয় খণ্ড ০·৩০ + ১৩৫।

মূল্য : প্ৰথম খণ্ড ৬·০০ টকা

দ্বিতীয় খণ্ড ৮·০০ "

শ্ৰীলীলা গগৈয়ে পতা বৃকোদৰৰ বিয়া ( দুই খণ্ড ) খাই ভাল পালোঁ। বিয়া এখন নহয় – বহুত, অশেষ। খাচলতে শেষৰখন বিয়াহে গোৱা হ'ল। বাকী-বিলাক ভগা বিয়া বা ভুৱা বিয়া। কিতাপ দুই খণ্ডক 'বৃকোদৰৰ বিয়া' নুবুলি 'বৃকোদৰৰ লীলা' বুলিলেও বঢ়িয়া হ'ব।

তাহানি ডিব্ৰুগড় চৰকাৰী হাইস্কুলত এজন বৃকোদৰৰ নাম-সাচ শুৱৰা ছাবে কাম কৰিছিল। ৰাজনী ইটোটাই জোল খোৱাৰ দৰে তেওঁক বিয়াৰ প্ৰলোভন দেখুৱাই শিক্ষকসকলে কিমানবোৰ যে 'টি পাৰ্টী' খাইছিল, তাৰ হেনো হিচাপ কৰা টান হৈছিল। সেই ওবেজীৱন চুচি-মাজি বৰ হৈ থকা ছাৱগৰাকীৰ গাৰপৰা তুলসীৰ তলত নাম লোৱা দিনলৈকে হেনো বিয়াৰ ধনঞ্জয় বায়ুৱে এৰা দিয়া নাছিল। দাংৰৰ জাৰ ভাত খায়েই তেওঁ চকু মুদিলে। সেই ছুৱৰা ছাৰ আছিল বাস্তৱ, আৰু বৃকোদৰ বৰুৱা কল্পিত। সেয়ে হ'লেও হুয়োজনেই একেখন বিলৰে মাছ। সন্তোষৰ কথা, পলমকৈ হ'লেও গাত বিয়াৰ মাহ-হালধি সানিবলৈ বৃকোদৰৰ সৌভাগ্য হৈছিল।

কিতাপখন পঢ়ি একাধিক বৈশিষ্ট্য মই লক্ষ্য কৰিছোঁ। 'আৱাহন যুগ'ত ড° বিৰিঞ্চি কুমাৰ বৰুৱাই বিহা-মেখেলা পিন্ধি খাদহী বীণা বৰুৱাৰ ছদ্মবেশ কৰি এলানি গল্প লিখিছিল। সেই গল্পবোৰত নাৰীৰ সাজ-পাৰ, কথন-মথন, অঙ্গ-প্ৰত্যঙ্গ আদিৰ এনে বিতং বিৱৰণ আছিল যে লেখকক (লেখিকা ?) নাৰী-বিশেষজ্ঞ বুলিও কব পৰা হৈছিল। 'বৃকোদৰৰ বিয়া'ত লীলা গগৈকো সেই নিচিনাকৈ এজন নিপুণ নাৰীবিদ আখ্যা দিব পাৰি। তেওঁ নাৰীৰ নাড়ী-নক্ষত্ৰৰ সন্ধেদো অনেক ঠাইত দক্ষতাৰে দিব পাৰিছে। কেৱল নাৰী-বিজ্ঞানতে নহয়, জ্যোতিষ-বিজ্ঞানতো লেখকৰ দখল থকাৰ প্ৰমাণ কিতাপখনতে আছে।

কিতাপ দুয়োটাই নানা প্ৰকাৰে পাঠকক আমোদ দিব পাৰিব বুলি আমাৰ বিশ্বাস হৈছে। এখন ভগা বিয়াত কইনাৰ উপৰি কইনাৰ মাককো জোৰণ দিয়া হৈছে। যৌন-সংক্ৰান্ত কথা নথকা নহয়, আছে। নাথাকিলে আজি-কালিৰ বজাৰ অচল। কিন্তু গ্ৰন্থকাৰে এনে সতৰ্কভাৱে আৰু মাৰ্জিত ৰুচিৰে এনেবোৰ বৰ্ণনা উপস্থাপন কৰিছে যাতে মিঠিবো ৰয় আৰু চাউলো সিজে। কোনো লেতেৰা কথাই অনুপ্ৰবেশ কৰিবলৈ সুবিধা পোৱা নাই।

খোৰতে কবলৈ হ'লে কৱিতা কৱিতা লগা কিতাপ-খনৰ হাস্যমধুৰ সাৱলিল ভাষা, বিশুদ্ধ অসমীয়া

মাতৃকথা, গা-ভাৰী বাক্য, অৰ্থবাঞ্জক শব্দ, ডুখৰীয়া নাটকীয় সংলাপ, পৰিস্থিতিৰ লগত খাপ খোৱা সূক্ষ্ম বিৱৰণ আদি বৃকোদৰৰ বিয়াৰ আ-অলঙ্কাৰ স্বৰূপ হৈছে। ক'তো প্ৰতিবাদৰ সুৰুঙা বিচাৰি পোৱা নাই। লেখক গগৈলৈ মোৰ ধন্যবাদ।

শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা।

## ওদালগুৰি সাহিত্য সভা পত্ৰিকা ঃ ৩য় প্ৰকাশ

সম্পাদক : শ্ৰীদ্ৰোণকুমাৰ উপাধ্যায়।
প্ৰকাশক : সম্পাদক, ওদালগুৰি সাহিত্য সভা।
পৃষ্ঠা ঃ ১০০।
মূল্য : ৩·০০ টকা।

বৰ্তমান ওদালগুৰিৰ জন-বসতিলৈ লক্ষ্য কৰি ক'ব পাৰি— ওদালগুৰি এখন ক্ষুদ্ৰ ভাৰত। বড়ো, কছাৰি, ৰাভা, চাওঁতাল, বিহাৰী, নেপালী, গাৰো, মাৰোৱাৰী, পাঞ্জাবী আদি বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ত সাম্প্ৰতিক কালৰ ওদালগুৰি গঢ়ি উঠিছে। এই অঞ্চলত থকা সাহিত্য সভাৰ শাখাটোৰ লগত জড়িত ব্যক্তিসকলে এই সমন্বয়ৰে পৰিচয় দাঙি ধৰিছে। শাখাটোৰ মুখপত্ৰস্বৰূপে প্ৰকাশ পোৱা ওদালগুৰি সাহিত্য সভা পত্ৰিকাৰ তৃতীয় প্ৰকাশে শাখাটোৰ সক্ৰিয়তাৰো প্ৰমাণ দিছে।

পত্ৰিকাখনৰ আলোচ্য সংখ্যাটোত শ্ৰীআলোক শৰ্মা আৰু শ্ৰীপ্ৰগতি গোস্বামীৰ একোটি গল্প, শ্ৰীহেমচন্দ্ৰ তালুকদাৰ আৰু শ্ৰীকৰ্মেশ্বৰ বৰ্মণৰ একোটি কবিতা, ডাঃ টি, এন, কাকতী, শ্ৰীমতী কেথেৰিন বাস্কে, শ্ৰীসুনন্দহৰি শাস্ত্ৰী, শ্ৰীমাণিক শৰ্মা, শ্ৰীদ্ৰোণকুমাৰ উপাধ্যায়, শ্ৰীক্ষিতেশ্বৰ শৰ্মা, শ্ৰীতাৰাপতি উপাধ্যায় আৰু শ্ৰীগিৰিধাৰী দাসৰ একোটি আলোচনা সন্নিবিষ্ট হৈছে। শ্ৰীমতী কেথেৰিন বাস্কেৰ 'চাওঁতাল জাতি, সমাজ আৰু সংস্কৃতি' শীৰ্ষক প্ৰবন্ধটিয়ে চাওঁতাল-সকলৰ সমাজ-জীৱনৰ বহুতো কথাৰ সন্ধান দিছে। শ্ৰীদ্ৰোণকুমাৰ উপাধ্যায়ৰ 'নেপালী সাহিত্যৰ মহান কবি ভানুভক্ত আচাৰ্য' শীৰ্ষক প্ৰবন্ধটিয়েও ভানুভক্তৰ জীৱন আৰু প্ৰতিভা সম্পৰ্কত অনুসন্ধিৎসু পাঠকসকলক যথেষ্ট সহায় কৰিব। ভানুভক্তৰ কোনো কোনো ৰচনাৰ অনুবাদ-কাৰ্য শ্ৰীউপাধ্যায়ে হাতত লৈ নেপালী সাহিত্যৰ লগত অসমীয়া পাঠকৰ পৰিচয় ঘটোৱা কাৰ্যত সহায় কৰিব পাৰে।

## বিদেশৰ বতৰা

লেখক : ড° মহেন্দ্ৰ নাথ বৰা।
প্ৰকাশিকা : শ্ৰীমতী ৰুনুমী বৰা।
পৃষ্ঠা : ৯২০।
মূল্য : ৫·৫০ টকা।

'বিদেশৰ বতৰা' চেমনীয়ালৈ চিঠিৰ আকাৰত লিখা ভ্ৰমণ-কাহিনী। ১৯৭২ চনত ইটালিৰ টুৰিণ'ত আৰু ১৯৭৪ চনত ফ্ৰান্সৰ অৰ্লিয়েন্সত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান-সন্মিলনলৈ ভাৰতৰ প্ৰতিনিধি ৰূপে যোৱা ড° মহেন্দ্ৰ নাথ বৰাই ইটালি, ফ্ৰান্স, জাৰ্মান, হলেণ্ড আৰু ইংলণ্ডৰ বহুতো বিজ্ঞানাগাৰ চোৱাৰ, বহুজন গৱেষকক লগ পোৱাৰ আৰু কেইবা-খনো বিদেশী সমাজৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আদি জনাৰ সুযোগ পাইছিল। দুয়োটা বিদেশ-ভ্ৰমণৰ অভিজ্ঞতা নিষ্ঠা আৰু আন্তৰিকতাৰে শ্ৰীবৰাই প্ৰাঞ্জল ভাষাত বৰ্ণনা কৰিছে। গ্ৰন্থখনৰ ঠায়ে ঠায়ে লেখকে নিজৰ বিষয়ে অকপটভাৱে কৰা স্বীকা-ৰোক্তিসমূহে লেখকজনৰ মনৰ সৰলতাখিনি দাঙি ধৰাৰ লগতে গ্ৰন্থখন সুখপাঠ্য হোৱাতো সহায় কৰিছে।



'বিদেশৰ বতৰা'ত কেৱল বিদেশ-ভ্ৰমণৰ অভিজ্ঞতা-সমূহকে বৰ্ণনা কৰা হোৱা নাই। এজন ভাৰতীয় হিচাপে শ্ৰীবৰাই সেই অভিজ্ঞতাসমূহেৰে ভাৰতৰ বিভিন্ন ক্ষেত্ৰৰ বিভিন্ন বিষয় তুলনামূলকভাৱে বিচাৰ কৰি চাইছে। তেখেতৰ সেই আপেক্ষিক বিচাৰত পশ্চিমৰ দেশ, সমাজ আৰু ব্যক্তিৰ লগত আমাৰ দেশ, সমাজ আৰু ব্যক্তিৰ স্বৰূপ উদঘাটন কৰাৰ চেষ্টা এটা পৰিলক্ষিত হৈছে। বিদেশত বিজ্ঞানী-সকলৰ প্ৰতি থকা আদৰ-যত্ন, সেই দেশৰ বিজ্ঞানা-গাৰসমূহৰ সমৃদ্ধি, তাৰ নাগৰিকসকলৰ নীতি-শৃঙ্খলা আৰু চেতনা, চৰকাৰী তৎপৰতা আদিৰ পৰিপ্ৰেক্ষিতত আমাৰ দেশৰ সম্পৰ্কত কৰা শ্ৰীবৰাৰ আক্ষেপ আৰু সাহসী মন্তব্যবোৰৰ ঔচিত্য সম্পৰ্কে দ্বিমত হোৱাৰ অৱকাশ নাই বুলি আমি ভাবোঁ।

ইটালিৰ টুৰিন'ত সমবেত হোৱা বিশ্বৰ বিভিন্ন ঠাইৰ বিজ্ঞানীসকলৰ সন্মুখত শ্ৰীবৰাই বিহুগীত গোৱা, দৰ্শন বিষয়ত স্নাতকোত্তৰ উপাধি লৈও অসমত চাকৰি নাপাই লণ্ডনত 'পৰ্টাৰ' কাম কৰি "চাৰি বছৰত খাই-লৈ ডেৰ লাখ টকা" সঞ্চয় কৰা হোজাইৰ শ্ৰীউমেশ বেনাৰ্জীয়ে বহুদিনৰ মূৰত অসমীয়াতে কথা-বতৰা পাতিবলৈ পাই অপাৰ আনন্দ পোৱা, বিলাতবাসী শ্ৰীকমল হাজৰিকাই "সেই কলা কাৰে (? খাৰে) পছলাই আৰু বিহুৰ তিল-পিঠাই মোক মাতে বিচিয়াই" বুলি গান গোৱা আদি বতৰা আমাৰ বাবে আনন্দদায়ক নিশ্চয়। গ্ৰন্থখনৰ প্ৰকাশ-ভঙ্গীও মনোৰম। সকলো কথা অসমীয়াতে প্ৰকাশ কৰাটোও গ্ৰন্থখনৰ আন এটা বৈশিষ্ট্য।

লেখকে নিজৰ বেলিকা প্ৰয়োগ কৰা 'বিজ্ঞানী' শব্দৰ ক্ষেত্ৰতহে আতিশয্য ঘটিছে বুলিব লাগিব। শিক্ষয়িত্ৰী শব্দটো সকলো ঠাইতে 'শিক্ষয়ত্ৰী' হৈছে। বিদেশৰ এখন ফটোও গ্ৰন্থখনত সন্নিবিষ্ট নোহোৱাটোৱে ভ্ৰমণ কাহিনীৰূপে গ্ৰন্থখনৰ দৈন্য প্ৰকাশ কৰিছে।

যোগেন্দ্ৰনাৰায়ণ ভূঞা।

### প্ৰাপ্তি-স্বীকাৰ

১। নামৰ শৰাই
লেখিকা : শ্ৰীমতী কমলা বৰুৱা
প্ৰকাশিকা : শ্ৰীমতী হিৰণ কলিতা
মূল্য : ২·৫০ টকা

২। বেগম মহল
লেখিকা আৰু প্ৰকাশিকা : শ্ৰীমতী লাৱণ্য গগৈ
মূল্য : ৭·০০ টকা

৩। ৰজা আৰু ৰাজনগৰ
লেখিকা আৰু প্ৰকাশিকা : শ্ৰীমতী লাৱণ্য গগৈ
মূল্য : ৩·০০ টকা

৪। নামঘোষা তত্ত্বদৰ্শন
লেখক : শ্ৰীবাপচন্দ্ৰ মহন্ত
প্ৰকাশক : শ্ৰীবাপচন্দ্ৰ মহন্ত আৰু শ্ৰীমতী কেশদা মহন্ত
মূল্য : ২০·০০ টকা

৫। ন-দীপা : ২য় বছৰ / ১ম সংখ্যা
সম্পাদক : শ্ৰীঅনিলকুমাৰ নাথ
মূল্য : ১·৫০ টকা

৬। অসমীয়া ভাষা-সাহিত্যৰ আত্মৰক্ষা সংগ্ৰাম
লেখক : ড° সৰ্বেশ্বৰ ৰাজগুৰু
প্ৰকাশিকা : শ্ৰীমতী চাৰুপ্ৰভা ৰাজগুৰু
মূল্য : ৬·৫০ টকা

৭। সূৰ্যোদয় ( লামডিং শাখা সাহিত্য সভাৰ মুখপত্ৰ )
১ম বছৰ / ১ম সংখ্যা, ১৯৭৮
সম্পাদক : শ্ৰীৰুদ্ৰপ্ৰসাদ কাকতী
প্ৰকাশক : গৌৰীকান্ত কাকতী
মূল্য : ৩·০০ টকা

# অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা

## কাৰ্য-নিৰ্বাহক সমিতিৰ দ্বিতীয় অধিৱেশন

ভগৱতীপ্ৰসাদ বৰুৱা ভৱন

তাৰিখ -- ২২।৭।৭৮

বিয়লি : ৫ বজা

উপস্থিত সদস্যসকল:— (সৰ্বশ্ৰী) প্ৰসন্নলাল চৌধুৰী সভাপতি, যোগেশ দাস উপ-সভাপতি, নগেন শইকীয়া ধনভঁৰালী, লীলা গগৈ প্ৰধান সম্পাদক, নিশিপদ চৌধুৰী— সহকাৰী সম্পাদক, বসন্ত কুমাৰ গোস্বামী— সহকাৰী সম্পাদক, যোগেন্দ্ৰনাৰায়ণ ভূঞা--পত্ৰিকা সম্পাদক, মহেশ ভট্টাচাৰ্য— ভাষাজ্ঞান পৰীক্ষা সংসদৰ সচিব, লংকাম তেৰন, ৰাজেন ৰাভা, দেউৰাম তাছা, প্ৰেমময়ী দাস, ইন্দ্ৰপ্ৰসাদ শইকীয়া, মোহন চন্দ্ৰ ভূঞা, পোনাৰাম বৰুৱা, আব্দুছ ছাত্তাৰ, সতীশ চন্দ্ৰ চৌধুৰী, গোবিন্দ চন্দ্ৰ পৈৰা, মতিলাল বৰ্মণ, ভৱানী প্ৰসাদ অধিকাৰী।

নিমন্ত্ৰিতসকল— (সৰ্বশ্ৰী) তীৰ্থনাথ শৰ্মা, সত্যেন্দ্ৰ নাথ শৰ্মা, হেমন্ত কুমাৰ শৰ্মা, গোবিন্দ মহন্ত, অতুল চন্দ্ৰ বৰুৱা, ৰজনীকান্ত দেৱ শৰ্মা, নবেন্দ্ৰনাথ শৰ্মা, হিতেশ ডেকা, হৰিচন্দ্ৰ ভট্টাচাৰ্য, ৰাস্নহান শ্বাহ, খনীন্দ্ৰ চন্দ্ৰ বৰুৱা, বীৰেন্দ্ৰ মেধি, ৰামচৰণ ঠাকুৰীয়া।

১। প্ৰধান সম্পাদকে মাননীয় সভাপতি শ্ৰীপ্ৰসন্নলাল চৌধুৰীক আসন গ্ৰহণ কৰিবৰ বাবে অনুৰোধ কৰে। সভাপতিয়ে আসন গ্ৰহণ কৰে।

২। মাননীয় সভাপতি ডাঙৰীয়াই অধিৱেশনৰ আৰম্ভণিতে তলত দিয়া শোক প্ৰস্তাৱটি উত্থাপন কৰে আৰু সমবেতসকলে এক মিনিট সময় থিয় হৈ মৃতসকলৰ চিৰশান্তি কামনা কৰি মৌন প্ৰাৰ্থনা জনায়।

"অসম সাহিত্য সভাৰ আজিৰ কাৰ্য-নিৰ্বাহক সমিতিৰ বৈঠকে অসম সাহিত্য সভাৰ চত্বাৰিংশ অধিৱেশনৰ সভাপতি, বিশিষ্ট শিক্ষাবিদ আৰু সমাজকৰ্মী শ্ৰীযুত গিৰিধৰ শৰ্মা, লব্ধপ্ৰতিষ্ঠ সাহিত্যিক-সাংবাদিক 'আৱাহন'ৰ সম্পাদক ডাঃ দীননাথ শৰ্মা, সাহিত্যসেৱী শ্ৰীমহেন্দ্ৰনাথ ভট্টাচাৰ্য, সাংবাদিক-সাহিত্যিক শ্ৰীঅমূল্য বৰুৱা, বিশিষ্ট নাগৰিক শ্ৰীমুকলীধৰ বৰুৱা, ডিব্ৰুগড় জিলা সাহিত্য পৰিষদৰ উপ-সভাপতি, শিল্পী শ্ৰীআব্দুল হক চৌধুৰী, শিল্পী শ্ৰীমোক্ষদা প্ৰসাদ বৰুৱা, সমাজকৰ্মী ডাঃ নীলকান্ত বৰুৱা, অভিযন্তা শ্ৰীতৰুণ চুৱৰা, বিশিষ্টা মহিলা কৰ্মী শ্ৰীযুক্তা পূৰ্ণিমা বৰুৱা, শিক্ষক শ্ৰীবিপিন চন্দ্ৰ বৰুৱা, বিশিষ্ট শিক্ষাবিদ শ্ৰীপ্ৰভাতচন্দ্ৰ প্ৰমুখ্যে ব্যক্তিকৰৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি মৃতকৰ আত্মাৰ সদ্গতিৰ অৰ্থে ভগৱন্তৰ চৰণত প্ৰাৰ্থনা জনায়।"

৩। প্ৰধান সম্পাদকে পূৰ্ববৰ্তী বৈঠকৰ কাৰ্যবিৱৰণি উত্থাপন কৰে। সমিতিয়ে তলত দিয়া সংশোধনীৰে কাৰ্যবিৱৰণি গ্ৰহণ কৰে।

(ক) ২ পৃষ্ঠাৰ ৮ (গ) সংযোগ হ'ব— অসমীয়া গল্পগুচ্ছৰ পিছত মধ্যযুগীয় এটীয় শব্দসম্ভাৰ।

(খ) ৬ পৃষ্ঠাৰ ১৪ (১৩) ৰ পিছত (১৪) সংযোগ হ'ব— পত্ৰিকা সম্পাদনা সমিতি। পত্ৰিকা সম্পাদনা সমিতি— শ্ৰীপ্ৰসন্নলাল চৌধুৰী, শ্ৰীলীলা গগৈ, শ্ৰীমহিম বৰা, শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী, ড° সৰ্বেশ্বৰ ৰাজগুৰু, ড° নবেন কলিতা, শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা।

গ) ৯ পৃষ্ঠাৰ ২৯ (খ) পুথি বিক্ৰীৰ পিছত যোগ হ'ব "বাবে প্ৰকাশন-এজেন্ট নিয়োগ কৰা হয়।"

৪। পূৰ্ববৰ্তী কাৰ্যবিৱৰণিৰপৰা উত্থিত বিষয় :

প্ৰধান সম্পাদকে জনায় যে—

১) শ্ৰীঅতুল চন্দ্ৰ বৰুৱাই ৰঘুনাথ চৌধাৰী গ্ৰন্থাৱলীৰ কামৰ অগ্ৰগতি সম্পৰ্কে বিতংকৈ জনায়, আৰু চৌধাৰীৰ হাতত থকা অসমীয়াত ব্যৱহৃত আৰবী-পাৰ্চী শব্দৰ অপ্ৰকাশিত কোষখন পৰীক্ষা কৰি ভৱিষ্যতে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে এটি প্ৰতিবেদন দিবলৈ শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, শ্ৰীৰজনীকান্ত দেৱ শৰ্মা আৰু শ্ৰীযোগেশ দাসক সমিতিয়ে ভাৰ দিয়ে।

২) ৰচনাৱলী যুগুত কৰোঁতে হোৱা ব্যয়ৰ বাবে শ্ৰীঅতুল চন্দ্ৰ বৰুৱাক দিবলৈ সভাই ২০০.০০ (দুশ) টকা মঞ্জুৰ কৰে।

৩) অসম সাহিত্য সভাই ইতিপূৰ্বে প্ৰকাশ কৰা 'কবি চৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা' পুথিখন পুনৰ্মুদ্ৰণৰ বাবে অনুমোদন জনায়।

৪) কালিৰাম মেধিৰ ৰচনাৱলী সম্পৰ্কে বিতংকৈ আলোচনা কৰি মেধিৰ অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব পুথিৰ আধাৰত তেওঁৰ ৰচনাৱলীৰ আখৰ-জোঁটনি নিৰ্ধাৰণ কৰিবলৈ গ্ৰন্থৰ সম্পাদকক পৰামৰ্শ দিয়া হয়।

৫) শ্ৰীদুৰ্গাবিচৰণ দাস আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামীক উক্ত ৰচনাৱলীৰ দ্বিতীয় সম্পাদক হিচাপে স্বীকৃতি দিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

৭) ড° সত্যেন্দ্ৰনাথ শৰ্মাক এখনি ভূমিকা লিখি দিবলৈ সভাই অনুৰোধ জনায়।

৮) মেধিৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীৰামভদ্ৰ মেধিয়ে কোৱা মতে বিদকলৰপৰা সহায়-সহযোগ লাভ কৰিছিল, তাকো সম্পাদকীয় টোকাৰ ভিতৰত উল্লেখ কৰিবলৈ পৰামৰ্শ দিয়ে। এই সম্পৰ্কত শ্ৰীৰামভদ্ৰ মেধিয়ে দাখিল কৰা টোকাটি সম্পাদকসকলক ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়া হয়।

৯) নগালেণ্ডলৈ শ্ৰীযোগেশ দাস, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, শ্ৰীডিম্বেশ্বৰ শৰ্মা, শ্ৰীনিশিপদ চৌধুৰী, শ্ৰীগোবিন্দ পৈৰা, শ্ৰীবসন্ত কুমাৰ গোস্বামী আৰু শ্ৰীলীলা গগৈ— এইসকল যায়, আৰু মে' মাহৰ ১২ তাৰিখৰপৰা ১৫ তাৰিখলৈ ভ্ৰমণ কৰে, আৰু ভ্ৰমণৰ প্ৰতিবেদন পত্ৰিকাৰ দ্বিতীয় সংখ্যাত প্ৰকাশ হ'ব বুলি প্ৰধান সম্পাদকে জনায়। সমিতিয়ে উত্তৰ কাছাৰ আৰু মণিপুৰলৈও এনে শুভেচ্ছামূলক দল পঠিয়াব লাগে বুলি মত প্ৰকাশ কৰে আৰু মণিপুৰলৈ ভ্ৰমণ সম্পৰ্কে আৰ্থিক সাহায্য বিচাৰি চৰকাৰৰ লগত যোগাযোগ কৰিবৰ কাৰণে প্ৰধান সম্পাদক, উপ-সভাপতি আৰু গুৱাহাটীৰ সহকাৰী সম্পাদক আৰু ড° হেমন্তকুমাৰ শৰ্মাক দায়িত্ব দিয়ে। অহা নৱেম্বৰ মাহৰ ভিতৰত মণিপুৰলৈ এটি শুভেচ্ছামূলক দল পঠিয়াব লাগে বুলি শ্ৰীযোগেশ দাস, শ্ৰীগোবিন্দ পৈৰা আৰু শ্ৰীনগেন শইকীয়াই পৰামৰ্শ আগবঢ়ায়, আৰু চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

১০) যোৱা বছৰ ছপাশালত থকা পুথিৰ ভিতৰত টলষ্টয়, কামৰূপী লোকগীত ছপা হৈ আহিল। ৰূপ-লেখাৰ হিন্দী সংস্কৰণ, আধুনিক অসমীয়া কবিতা, নগাভূমি, অসমীয়া গল্পগুচ্ছ ছপাশালত আছে। চলিত বছৰত দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী, কালিৰাম মেধিৰ ইংৰাজী ৰচনাৱলী, হস্তমুক্তাৱলী, সোণোৱালৰ সাধু, অসমীয়া লোকগীত সংগ্ৰহ ছপাশালত দিয়া হৈছে। কালিৰাম মেধি স্মৃতিগ্ৰন্থ, কালিৰাম মেধি অসমীয়া ৰচনাৱলী এতিয়াও ছপাশালত দিয়া নাই।

দুষ্প্ৰাপ্য গ্ৰন্থৰ পুনৰ্মুদ্ৰণ :— কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰ অনুবাদ কৰিবলৈ শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীয়ে অসমৰ্থতা প্ৰকাশ কৰিছে। অসমীয়া অভিধান কোষ পুনৰ্মুদ্ৰণৰ কাৰণে প্ৰকাশকলৈ পঠিওৱা

হৈছে। বিংশ শতাব্দীৰ অসমীয়া সাহিত্যখন এতিয়াও ছপাশালৰ উপযোগী হোৱা নাই। অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰবন্ধসমূহৰ বৰ্ণনাত্মক তালিকা, মেঘালয়ৰ জনজাতি ৰঘুনাথ চৌধাৰী ৰচনাৱলী যুগুত কৰাৰ কাম দ্ৰুত গতিৰে আগবাঢ়িছে। অসমৰ চাহ বনুৱা জনজাতি আৰু সৰ্বানন্দ ৰাজকুমাৰৰ ফকৰা-যোজনাৰ পাণ্ডুলিপি পোৱা হৈছে। ৰংপুৰ সাহিত্য সভাই যুগুত কৰা গ্ৰন্থৰ পাণ্ডুলিপি এতিয়াও পোৱা হোৱা নাই। কালিৰাম মেধিৰ প্ৰহ্লাদ চৰিত্ৰ পৰিয়ালৰ পক্ষৰপৰা ছপা কৰিবলৈ দিহা কৰিছে। ব্ৰজনৰ অসমীয়া অভিধান এতিয়াও ছপাশালত দিব পৰা হোৱা নাই। ধানখেতি গ্ৰন্থখন পুনৰীক্ষকৰপৰা এতিয়ালৈকে পোৱা হোৱা নাই।

৫। প্ৰধান সম্পাদকে প্ৰকাশন উপসমিতি, উপবিধি ৰচনা উপসমিতি, ৰাধাকান্ত সন্দিকৈ ভৱন উপসমিতি, ভাষাজ্ঞান পৰীক্ষা উপসমিতি, ন-প্ৰতিভাৰ সন্ধান উপসমিতিৰ প্ৰতিবেদন উত্থাপন কৰে আৰু সভাই অনুমোদন জনায়। এই প্ৰসঙ্গত—

ক) 'অসমৰ চৰাই' নামৰ শ্ৰীজীৱন চন্দ্ৰ দাসৰ পুথিখন প্ৰকাশন উপসমিতিৰ পৰামৰ্শক্ৰমে প্ৰকাশ নকৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

খ) 'অসমৰ চৰাই' পুথিখনৰ সংক্ৰান্তত শ্ৰীজীৱন চন্দ্ৰ দাসে ৫।৬।৭৮ তাৰিখে প্ৰধান সম্পাদকলৈ লিখা চিঠি সভাত উত্থাপন কৰে আৰু অসম সাহিত্য সভাৰ এজন আজীৱন সভ্য শ্ৰীদাসে সন্মান হানিকৰ আৰু অশালীন ভাষাৰে লিখা চিঠিখনৰ কথা আৰু ভাষা সভাই সন্মান হানিকৰ আৰু অবাঞ্ছনীয় বুলি মত প্ৰকাশ কৰে।

গ) ৰাধাকান্ত সন্দিকৈ ভৱন উপসমিতিৰ পৰামৰ্শ অনুসৰি ভৱন নিৰ্মাণৰ দায়িত্বত থকা শ্ৰীবেণু বৰাক মাহে ২৫০'০০ টকাকৈ, শ্ৰীনন্দ বৰদলৈক মাহে ৮০'০০ টকাকৈ আৰু শ্ৰীপ্ৰমোদ হাজৰিকাক মাহে ৩০'০০ টকাকৈ বানচ দিবলৈ সভাই অনুমোদন জনায়।

ঘ) ৰাধাকান্ত সন্দিকৈ ভৱনৰ আঁচনি আৰু মোট সম্পৰ্কীয় কাৰিকৰী সাহায্য আগবঢ়াবলৈ গড়কাপ্তানি বিভাগৰ সহায় বিচৰা আৰু সেই সংক্ৰান্ত যোগাযোগৰ বিষয়ে প্ৰধান সম্পাদকে অৱগত কৰে আৰু সভাই অনুমোদন জনায়।

ঙ) ভাষাজ্ঞান সংসদৰ সচিব শ্ৰীমহেশ ভট্টাচাৰ্যই প্ৰতিবেদন উত্থাপন কৰে আৰু সংসদে যুগুত কৰা প্ৰাথমিক পৰ্যায়ৰ পুথিখন প্ৰকাশ কৰিবলৈ সভাই অনুমোদন জনায়।

চ) অসমীয়া সাহিত্যৰ ন-প্ৰতিভাৰ সন্ধান উপসমিতিৰ প্ৰতিবেদন আৰু ইতিমধ্যে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ কথা প্ৰধান সম্পাদকে উত্থাপন কৰে আৰু বিজ্ঞাপন আদি প্ৰচাৰ কৰাৰ কথা জনায়। সভাই ইয়াৰ অনুমোদন জনায়।

৬। প্ৰস্তাৱিত লেখক শিবিৰৰ আয়োজন সম্পৰ্কে প্ৰধান সম্পাদক আৰু পাঠশালাৰ শ্ৰীসতীশ চন্দ্ৰ চৌধুৰীয়ে প্ৰতিবেদন উত্থাপন কৰে আৰু গৃহীত আঁচনিত অনুমোদন জনায়। সভাই ড° মুকুন্দমাধৱ শৰ্মাক লেখক শিবিৰৰ সঞ্চালক হিচাপে কাৰ্য পৰিচালনা কৰিবলৈ অনুৰোধ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। এইসকল লোকক আলোচনাত ভাগ লবলৈ অনুৰোধ জনাবৰ বাবে প্ৰধান সম্পাদকক ভাৰ দিয়ে—(সৰ্বশ্ৰী) মুকুন্দমাধৱ শৰ্মা, ৰজনীকান্ত দেৱ শৰ্মা, তীৰ্থনাথ শৰ্মা, বিনন্দ বৰ্মণ, গোলোক চন্দ্ৰ গোস্বামী, উপেন্দ্ৰ নাথ গোস্বামী, ভবেন্দ্ৰনাথ শইকীয়া, চন্দ্ৰ প্ৰসাদ শইকীয়া, মেদিনী চৌধুৰী, ভগৱান মৰল, বিশ্বেশ্বৰ হাজৰিকা, প্ৰমোদ চন্দ্ৰ ভটাচাৰ্য, যতীন্দ্ৰ নাথ গোস্বামী, প্ৰকাশ গোস্বামী, প্ৰিয়দাস তালুকদাৰ, মহেন্দ্ৰ বৰা, মহিম বৰা, সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, যোগেন্দ্ৰনাৰায়ণ ভূঞা, যোগেশ দাস, লীলা গগৈ,



নগেন শইকীয়া, বীৰেন বৰকটকী, নাৰায়ণ দাস, বিশ্বনাৰায়ণ শাস্ত্ৰী, মুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা, চিদা শইকীয়া, ফণী তালুকদাৰ, ভৃগুমুনি কাগয়ুং, ৰাজেন ৰাভা, সত্যেন্দ্ৰনাথ শৰ্মা, মহেশ্বৰ নেওগ, হিতেশ ডেকা, সৰ্বেশ্বৰ ৰাজগুৰু, হেমন্তকুমাৰ শৰ্মা, আনন্দ হাজৰিকা(?), কেশৱানন্দ দেৱগোস্বামী।

৭। প্ৰধান সম্পাদকে ১৯৭৭-৭৮ বছৰৰ পৰীক্ষিত হিচাপ, পৰীক্ষকৰ মন্তব্য আৰু উদ্বৃত্ত পত্ৰ উত্থাপন কৰে আৰু সভাই অনুমোদন জনায়।

৮। প্ৰধান সম্পাদকে ১৯৭৮-৭৯ চনৰ বাজেট (আয়-ব্যয়ক) উত্থাপন কৰে আৰু সভাৰ কৰ্মচাৰীসকলৰ আবেদন পত্ৰ বিবেচনা কৰি স্থায়ী কৰ্মচাৰীসকলক ২।৪।৭৮ তাৰিখৰপৰা বস্তু-বস্তুৰ মূল্যবৃদ্ধিৰ বিষয়টোলৈ লক্ষ্য ৰাখি মাহে মূল বেতনৰ শতকৰা ৭'৫০ ভাগকৈ মৰগীয়া বানচ দিবলৈ আৰু মাহে ১০'০০ টকা হিচাপে চিকিৎসা বানচ দিবলৈ সিদ্ধান্ত কৰাৰ অন্তত প্ৰয়োজনীয় ঠাইত সংশোধন কৰি মূল বাজেট গ্ৰহণ কৰে। এই বাজেট অনুসৰি ১৯৭৮-৭৯ বিত্তীয় বছৰৰ বাবে প্ৰত্যাশিত আয় ৭,৪৯,৭৩০'০০ টকা আৰু প্ৰস্তাৱিত ব্যয় ৭,৭৬,৪০৩'৩৫ টকা ধাৰ্য কৰা হয়। ঘাটি ২৬,৬৭৩'৩৫ টকা।

৯।১) সভাই পঞ্চচত্বাৰিংশ সন্মিলনৰ প্ৰস্তাৱসমূহ আলোচনা কৰে আৰু তলত দিয়া প্ৰস্তাৱকেইটা গ্ৰহণ কৰে :—

অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে, অসমলৈ ঘটা বহিৰাগতৰ প্ৰব্ৰজনে অসমত ভাষিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সঙ্কটৰ সৃষ্টি কৰিব বুলি উদ্বেগ প্ৰকাশ কৰি এনে প্ৰব্ৰজন বন্ধ কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনায়। সভাই গ্ৰহণ কৰা প্ৰস্তাৱটোত কোৱা হয়—

"অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ অধিৱেশনে গভীৰ উদ্বেগেৰে লক্ষ্য কৰিছে যে অসমলৈ ৰাজ্যৰ বাহিৰৰপৰা আৰু ওচৰচুবুৰীয়া দেশৰপৰা দৈনিক হাজাৰ হাজাৰ লোকৰ প্ৰব্ৰজন ঘটিছে। সভাই লক্ষ্য কৰিছে যে এনে বিদেশী লোক ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰেদি অসমলৈ সোমাই আহিছে। এনে প্ৰব্ৰজনে অসমত ভাষিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সঙ্কট সৃষ্টি কৰিছে আৰু অধিক সঙ্কট সৃষ্টি কৰাৰ সম্ভাৱনা পৰিলক্ষিত হৈছে। এনে পৰিপ্ৰেক্ষিতত সভাই ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনায় যে—

ক) ৰাজ্য চৰকাৰে বহিৰাগতৰ প্ৰব্ৰজন বন্ধ কৰিবলৈ কঠোৰভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগে, আৰু ইতিমধ্যে অসমৰ বিভিন্ন স্থানত বিয়পি পৰা বহিৰাগতক বহিষ্কাৰ কৰাৰ আশু ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

খ) কোনো বিদেশী লোক ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰেদি যাতে সোমাই আহিব নোৱাৰে, তাৰ বাবে সাময়িকভাৱে হ'লেও অন্তৰ্দেশীয় প্ৰবেশ-পত্ৰৰ ব্যৱস্থা কৰিব লাগে। তদুপৰি ইতিমধ্যে অনুপ্ৰবেশ কৰি বেদখল কৰি থকা বহিৰাগতক উচ্ছেদ কৰাৰ আশু ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

সভাই আশা প্ৰকাশ কৰে যে চৰকাৰে লবলগীয়া ব্যৱস্থা অনতিপলমে গ্ৰহণ কৰিব, আৰু এই ক্ষেত্ৰত অসমবাসীক সম্ভাব্য আন্দোলনৰ পথ গ্ৰহণ কৰাৰ পৰা ৰক্ষা কৰিব।

সভাই গ্ৰহণ কৰা দ্বিতীয় প্ৰস্তাৱটোত অসমৰ বিৰুদ্ধে চলাই থকা ষড়যন্ত্ৰ ওফৰাবলৈ দাবী জনাই কয় :—

"অসম সাহিত্য সভাই সতৰ্কতাৰে লক্ষ্য কৰিছে যে অসমত ভাষা আৰু সম্প্ৰদায়ৰ নামত বিদ্বেষ সৃষ্টি কৰিবলৈ কোনো গুপ্তস্বাৰ্থই শীতল যুদ্ধ চলাই আহিছে। অসমৰ বাহিৰৰ দুই-এখন কাকতত প্ৰকাশিত প্ৰবন্ধ আৰু ৰাজ্যৰ ভিতৰৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী

বিভাগৰদ্বাৰা প্ৰকাশিত গৱেষণামূলক ৰচনাৰ নামত লিখিত কোনো অগৱেষণামূলক ৰচনাই তেনে ইঙ্গিত বহন কৰিছে বুলি সভা অৱগত হৈছে। সভাই এনে কাৰ্যক গৰিহণা দিছে। দুষ্টচক্ৰৰ এনে কাৰ্যত যাতে অসমবাসী ৰাইজৰ সম্প্ৰীতি সামান্যতমভাৱেও নষ্ট হ'ব নোৱাৰে, তাৰ প্ৰতি সতৰ্ক হৈ থাকিবলৈ সভাই আবেদন জনায়, আৰু সংশ্লিষ্ট কৰ্তৃপক্ষই যাতে তেনে বিৰদমান ৰচনা আৰু ৰচনাৰ লেখকৰ বিৰুদ্ধে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰে।"

"অসমৰ ভালেমান অসমীয়া মাধ্যমৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্কুলত অসমীয়া ভাষা-সাহিত্যত শিক্ষা নোলোৱা অনা-অসমীয়াভাষী লোকে শিক্ষকতা কৰিবলৈ লোৱা দেখা গৈছে। লগতে কলেজসমূহতো অৰ্হতাসম্পন্ন অসমীয়া শিক্ষিত লোক থকা সত্ত্বেও অসমৰ বাহিৰৰ লোকক মকৰল কৰাত শিক্ষাৰ মাধ্যমৰ মূল উদ্দেশ্যই বাধাগ্ৰস্ত হৈছে। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহক সমিতিয়ে অসমৰ শিক্ষা বিভাগ আৰু বিশ্ববিদ্যালয়সমূহক যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়।"

১০। গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষণাৰ মাধ্যম হিচাপে অসমীয়া ভাষা গ্ৰহণ কৰিবলৈ এতিয়াও সিদ্ধান্ত নকৰাত সভাই দুখ প্ৰকাশ কৰে আৰু বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক এই বিষয়ে টানি অনুৰোধ জনাবলৈ ড° হেমন্ত কুমাৰ শৰ্মা, শ্ৰীযোগেশ দাস, শ্ৰীতীৰ্থনাথ শৰ্মা, ড° সত্যেন্দ্ৰনাথ শৰ্মা, শ্ৰীনবেন্দ্ৰনাথ শৰ্মা, ড° নিশিপদ চৌধুৰী আৰু প্ৰধান সম্পাদকক লৈ এটি সাংস্কৃতিক দল পঠাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

১১। যোৱা গোলাঘাট অধিৱেশনত গৃহীত পৰিভাষা সম্পৰ্কীয় প্ৰস্তাৱটিৰ সন্দৰ্ভত সভাই প্ৰধান সম্পাদক, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীপ্ৰকাশ গোস্বামী আৰু শ্ৰীভৱকৃষ্ণ মিশ্ৰক লৈ এখন উপসমিতি গঠন কৰি দিয়ে।

১২। অসম সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি শ্ৰীতৰুণ পামেগামক চিকিৎসাৰ সাহায্য দিবৰ বাবে চৰকাৰী সুবিধা আগবঢ়াবলৈ চৰকাৰৰ লগত যোগাযোগ কৰিবৰ বাবে প্ৰধান সম্পাদকক ভাৰ দিয়ে আৰু সভাৰ পক্ষৰপৰা নগদ ৫০০'০০ (পাঁচ শ) টকা আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

১৩। আগন্তুক ষষ্ঠচত্বাৰিংশ অধিৱেশনৰ সভাপতিৰ বাবে কাৰ্য-নিৰ্বাহক সমিতিয়ে অসমীয়া ভাষা-সাহিত্যলৈ মৌলিক বৰঙনি থকা দহজন লোকৰ নাম প্ৰস্তাৱ কৰে। সদস্যসকলৰ [Preferential vote] ভোটৰ ভিত্তিত প্ৰস্তুত কৰা তালিকাৰ প্ৰথম পাঁচজনৰপৰা নিয়মাৱলী অনুসৰি সম্মতি লৈ সভাপতি নিৰ্বাচন সম্পৰ্কীয় কামত প্ৰধান সম্পাদকে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। উল্লেখ থাকে যে নাম-তালিকা গোপনীয় নথি স্বৰূপে সংৰক্ষিত থাকিব।

১৪। নেশ্যনেল বুক ট্ৰাষ্টৰপৰা প্ৰকাশিত পুথিসমূহৰ ভাষা আৰু ছপাৰ ভুলে অসমীয়া ভাষা-সাহিত্যৰ মৰ্যাদা হানি কৰিছে বুলি সভাই মত প্ৰকাশ কৰে, আৰু উক্ত বুক ট্ৰাষ্টৰ কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

১৫। গোলাঘাট অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীপোনাৰাম বৰুৱাই অধিৱেশনৰ আয়-ব্যয়ৰ আংশিক হিচাপ দাখিল কৰে।

১৬। গুৱাহাটী কাৰ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী শ্ৰীদুলাল ডেকাক ভৱিষ্য নিধিৰপৰা ২৫০'০০ (দুশ পঞ্চাছ) টকা অগ্ৰিম দিবলৈ আৰু ১০ টা কিস্তিত আদায় কৰিবলৈ সমিতিয়ে প্ৰধান সম্পাদকক নিৰ্দেশ দিয়ে।

১৭। অভয়াপুৰী অধিৱেশনৰ বাৰ্ষিকী ছপা কৰিবলৈ ১২ হাজাৰ টকা প্ৰয়োজন হ'ব বুলি অভ্যৰ্থনা সমিতিক জনাবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

১৮। সভাৰ বিষয়-ববীয়া আৰু কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্যসকলে সম্ভৱস্থলত নিজ নিজ এলেকাৰ শাখা সভাসমূহৰ কাৰ্য-কলাপ আৰু হিচাপ-পত্ৰ নিৰীক্ষণ কৰিবলৈ সভাই অনুৰোধ জনায়।

১৯। ক) প্ৰধান সম্পাদকে প্ৰকাশন সম্পৰ্কীয় অগ্ৰগতিৰ বিষয়ে সভাক অৱগত কৰাৰ প্ৰসঙ্গতে 'অসমীয়া ভাষাত ব্যৱহৃত এছিয়াৰ শব্দ-সম্ভাৰ' নামৰ পুথিখনিৰ কথা উল্লেখ কৰে। সভাই পুথিখনৰ ছপা হোৱা বাব পৃষ্ঠা চাই পুথিখনৰ মূল পাণ্ডুলিপি ঘূৰাই আনি মিলাই চাবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

খ) সেই প্ৰসঙ্গতে 'আধুনিক অসমীয়া কবিতা' নামৰ পুথিখনৰ বাবে ৫,০০০'০০ টকা আগধন দিয়া সত্ত্বেও কাম নোহোৱাত সভাই অসন্তুষ্টি প্ৰকাশ কৰে।

গ) দুৰ্গেশ্বৰ শৰ্মাৰ ৰচনাৱলীৰপৰা 'নিবেদন' নামৰ পুথিখনিৰ ১১০০ কপি সুকীয়াকৈ ছপাবলৈ সভাই অনুমোদন জনায়।

২০। প্ৰকাশন পৰিষদৰপৰা ৰত্নেশ্বৰ মহন্ত ৰচনাৱলীসমূহ আদায় কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব অৰ্পণ কৰে।

২১। ৰঘুনাথ চৌধাৰী আৰু নীলমণি ফুকনৰ ৰচনাসমূহৰ স্বত্ব ইতিমধ্যে সাহিত্য সভাই লাভ কৰি সেই সম্পৰ্কত বিভিন্ন চৰ্তৰপৰা পাবলগীয়া ৰয়েল্‌টি বা অন্য পুথিৰ সংখ্যা আদায় কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

২২। ৰাজ্যভাষা আইনখন কাৰ্যকৰী কৰোঁতে চৰকাৰী পক্ষৰপৰা লোৱা ব্যৱস্থা আৰু আওহেলা সম্পৰ্কে শাখা সভাসমূহৰপৰা তথ্য সংগ্ৰহ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

২৩। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গিৰিধৰ শৰ্মাৰ স্মৃতি ৰক্ষাৰ্থে তেওঁৰ পুত্ৰ শ্ৰীপ্ৰশান্তকুমাৰ শৰ্মা আৰু পৰিয়ালৰ লোকসকলে অসম সাহিত্য সভালৈ দুখনি ছবিসহ ৩,৫০০'০০ টকাৰ এটি ন্যাস পুঁজি আগবঢ়ায়, আৰু সভাই আনন্দেৰে এই দান গ্ৰহণ কৰে। এই পুঁজিৰ সুতৰ ধনেৰে ন-প্ৰতিভাৰ সন্ধান দিতানৰ চিন্তামূলক ৰচনাৰ প্ৰতিযোগিতাত ৩০০'০০ টকীয়া পুৰস্কাৰ দিবলৈ সিদ্ধান্ত কৰা হয়।

২৪। শ্ৰীযজ্ঞেশ্বৰ শৰ্মাৰ 'পয়েটিক্স' পুথিখন সভাই ছপা কৰিবলৈ অনুমোদন জনায়, আৰু 'প্ৰতিবেশী পতঙ্গ', 'ৰত্নাৱলী' আৰু 'ধানৰ কথা' পুথিকেইখন প্ৰকাশন উপসমিতিত দাখিল কৰিবলৈ সম্পাদকক ভাৰ দিয়ে।

২৫। সৰ্বানন্দ ৰাজকুমাৰৰ 'ফকৰা-যোজনা' নামৰ পুথিখন সম্পাদনা কৰি প্ৰকাশৰ দিহা কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

২৬। সভাৰ পুথি প্ৰকাশৰ বাবে সভাৰ গৃহীত চুক্তি অনুযায়ী এজেন্ট নিযুক্তি দিবলৈ প্ৰধান সম্পাদকক কৰ্তৃত্ব দিয়া হয়।

২৭। গুৱাহাটী কাৰ্যালয়ত দুমাহৰ বাবে অস্থায়ীভাৱে নিযুক্তি দিয়া শ্ৰীঅক্ষয় কুমাৰ ডেকাৰ সন্দৰ্ভত সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে যে—

ক) প্ৰধান সম্পাদকে কাৰ্য-নিৰ্বাহকৰ সিদ্ধান্তৰ ভিত্তিত ৫ জুনত শ্ৰীঅক্ষয় ডেকাক দিয়া অব্যাহতিত অনুমোদন জনায়।

খ) ৫ জুনৰ পাছত যি কেইদিন পুথিভঁৰালৰ কামত সহকাৰী সম্পাদকে খটুৱাইছে, সহকাৰী সম্পাদকে দিয়া বিৱৰণৰ ভিত্তিত সেই কেইদিন দিনে ৮টকাকৈ পাৰিতোষিক দিয়াৰ কাৰণে সিদ্ধান্ত কৰা হওক।

২৮। প্ৰধান সম্পাদকে জনায় যে কেন্দ্ৰীয় কাৰ্যালয়ত নিযুক্তি দিয়া কাৰ্যালয়-সচিব শ্ৰীবিষ্ণুকিঙ্কৰ কলিতাই কামৰপৰা মাজতে অব্যাহতি বিচাৰিছিল। সমিতিয়ে সিদ্ধান্ত কৰে যে কাৰ্য-নিৰ্বাহকৰ পূৰ্বৰ সিদ্ধান্ত অনুসৰি শ্ৰীকলিতাক যোগ দিয়াৰ দিনৰেপৰা ৩ মাহলৈ দায়িত্ব নিৰ্বাহ কৰি থাকিবলৈ অনুৰোধ জনোৱা হওক, আৰু ৩ মাহৰ পাছত শ্ৰীকলিতাক অব্যাহতি দিয়া হওক।

২৯। ক) কেন্দ্ৰীয় কাৰ্যালয়ত অস্থায়ীভাৱে কাৰ্যালয়-সহকাৰী স্বৰূপে কাম কৰি থকা শ্ৰীচেমিৰ আহমদে তেওঁৰ চাকৰি স্থায়ীকৰণৰ বাবে কৰা আবেদন

উত্থাপিত হয়। কিন্তু যিহেতু আহমদে কোনো বাছনিৰ সন্মুখীন নোহোৱাকৈ অস্থায়ীভাৱে নিযুক্তি পাইছিল, গতিকে, সম্প্ৰতি উক্ত পদ পূৰণৰ বাবে নিয়ম-সন্মতভাৱে বিজ্ঞাপন প্ৰচাৰ কৰি বাছনী পৰীক্ষাৰ আৰু সাক্ষাৎ গ্ৰহণৰ প্ৰয়োজনীয় ব্যৱস্থা কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়া হয়।

খ) সভাই তলত দিয়া দৰে প্ৰাৰ্থীৰ অৰ্হতা বিচাৰি-বলৈ সিদ্ধান্ত কৰে:—

১) ন্যূনতম শিক্ষাগত অৰ্হতা— প্ৰবেশিকা বা মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ।

২) অসমীয়া আৰু ইংৰাজী টাইপ-জ্ঞানৰ প্ৰমাণ-পত্ৰ।

৩) কাৰ্যালয়ৰ কামৰ অভিজ্ঞতাৰ প্ৰমাণ-পত্ৰ।

৪) বয়স : ১৮ বছৰৰ কম আৰু ৩০ বছৰৰ বেছি হ'ব নালাগিব।

৩০। সমিতিয়ে গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ প্ৰতি গুৱাহাটী পৌৰ নিগমে কৰ পৰিশোধৰ কাৰণে জাননী দিয়াত সমিতিয়ে উক্ত কৰৰপৰা ৰেহাই দিবলৈ তলত দিয়া প্ৰস্তাৱটো গ্ৰহণ কৰে।

প্ৰস্তাৱ : অসম সাহিত্য সভাৰ ভগৱতীপ্ৰসাদ বৰুৱা অৱৰক্ষণ সমিতিৰ আজিৰ এই সভাই অনুভৱ কৰে যে ভৱনক কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰি অসম সাহিত্য সভাই অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ বিকাশ আৰু অসমৰ জাতীয় স্বাৰ্থ ৰক্ষা কৰাত আগভাগ লৈ আহিছে। জনকল্যাণ আৰু জাতীয় স্বাৰ্থৰ প্ৰতি আগবঢ়োৱা সেৱাৰ প্ৰতি লক্ষ্য ৰাখি ভগৱতীপ্ৰসাদ বৰুৱা ভৱন অৱৰক্ষণ সমিতিয়ে ভৱনৰ ওপৰত ধাৰ্য কৰা কৰ ৰেহাই দিবলৈ গুৱাহাটী পৌৰ নিগমৰ ওচৰত বিনীতভাৱে অনুৰোধ জনায়। সমিতিয়ে ভৱনৰ চৌহদৰ মাটিৰ পট্টা সাহিত্য সভাৰ নামত দিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ সম্পাদকক দায়িত্ব দিয়ে, আৰু প্ৰয়োজন হ'লে এজন উকিলৰ সহায় লবলৈ পৰামৰ্শ দিয়ে।

৩১। সমিতিয়ে তলত দিয়া আজীৱন সভাসকলক স্বীকৃতি দিয়ে :

(১) শ্ৰীৰজত চন্দ্ৰ গোস্বামী, বাঘজান, পোঃ চৌতাং-বাহনা হৈ যোৰহাট।

(২) শ্ৰীশিৱৰাম বৰা—অসম্বাৰী, পোঃ চৌতাং, বাহনা হৈ যোৰহাট।

(৩) শ্ৰীমুনীন বৰকটকী— পঞ্চবটী, গুৱাহাটী—৩।

(৪) কুমাৰ কিশোৰ--লাচিত নগৰ, গুৱাহাটী—৭।

(৫) শ্ৰীযোগেন্দ্ৰ বল্লভ ৰয়—আঠিয়াবাৰী, টিহু, কামৰূপ

(৬) শ্ৰীৰমানন্দ চৌধুৰী— চৌধুৰী ব্ৰাদাৰ্চ, ফাঁচী বজাৰ, গুৱাহাটী।

৩২। সভাপতি ডাঙৰীয়াই সদস্যসকলক ধন্যবাদ জনাই সামৰণি ঘোষণা কৰে।

স্বা/ শ্ৰীলীলা গগৈ
প্ৰধান সম্পাদক
অসম সাহিত্য সভা
২৩।৭।৭৮

স্বা/ শ্ৰীপ্ৰসন্নলাল চৌধুৰী
সভাপতি
অসম সাহিত্য সভা
২৩।৭।৭৮

# অসম সাহিত্য সভাৰ প্ৰকাশন

[ বৰ্তমান মজুত থকা ]

| | | | | | |
|---|---|---|---|---|---|
| ৬৬ | প্লেট' | ৩·০০ | ৯২ | অধ্যয়ন চক্ৰ | ৫·০০ |
| ৬৭ | ছক্কেটিছ | ৩·০০ | ৯৩ | আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | ১২·০০ |
| ৬৮ | নাটক | ৩·০০ | ৯৪ | ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া | ৭·০০ |
| ৬৯ | স্বপ্ন বাসৱদত্তা | ৩·০০ | ৯৫ | তৰুণৰাম ফুকন স্মৃতিমালা | ১০·০০ |
| ৭০ | জীৱনী | ৩·০০ | ৯৬ | শ্বেক্সপীয়েৰ | ১০·০০ |
| ৭১ | আনন্দচন্দ্ৰ আগৰৱালাৰ জীৱনী | ৩·০০ | ৯৭ | ধ্বনি আৰু ৰসতত্ত্ব | ৪·০০ |
| ৭২ | চাহ বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি | ৩·০০ | ৯৮ | অসমীয়া সংগীতৰ ঐতিহ্য | ৩·৫০ |
| ৭৩ | কৰম পূজা আৰু ঝুমুৰগীত | ২·০০ | ৯৯ | চাহৰ কথা | ৩·০০ |
| ৭৪ | সভাপতিৰ অভিভাষণ ( ড° নেওগ ) | ২·০০ | ১০০ | শতাব্দীৰ অৰ্ঘ্য | ৫·০০ |
| ৭৫ | মণিন উছৰ | ২·০০ | ১০১ | কাৰবী সাধু | ২·০০ |
| ৭৬ | দিগ্বিজয়ী | ২·০০ | ১০২ | কামেং সীমান্তৰ সাধু | ৩·০০ |
| ৭৭ | বিষ্ণুপ্ৰিয়া মণিপুৰী | ০·৬০ | ১০৩ | ৰহিম-ৰূপবানৰ সাধু | ·৫০ |
| ৭৮ | চন্দ্ৰধৰ বৰুৱা মানুহজন | ০·৫০ | ১০৪ | দেউৰী সাধু | ৩·০০ |
| ৭৯ | অসমৰ জনজাতি | ২·০০ | ১০৫ | ৰাভা সাধু | ৪·০০ |
| ৮০ | সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা | ৫·৫০ | ১০৬ | নৃতত্ত্বৰ চমু আভাস | ২·৫০ |
| ৮১ | জগন্নাথ বৰুৱা | ৫·০০ | ১০৭ | চিকিৎসা বিজ্ঞানৰ কথা | ৫·০০ |
| ৮২ | তৰুণৰাম ফুকন | ৩·০০ | ১০৮ | শিখ ধৰ্মীয় সাধু | ২·৫০ |
| ৮৩ | তিৱা সম্প্ৰদায় | ৪·০০ | ১০৯ | অভিলেখ | ৩·০০ |
| ৮৪ | হিতেশ্বৰ বৰবৰুৱা স্মৃতিমাল্য | ৬·০০ | ১১০ | অসম সাহিত্য সভাৰ সুৱচনী | ৬·০০ |
| ৮৫ | স্নেহৰ অৰুণাচল ( মাই হিল হ' ষ্টং ) | ৫·০০ | ১১১ | শাখা সভাৰ পৰিচয় | ২·৫০ |
| ৮৬ | Annals of Asam Sahitya Sabha | ৫·০০ | ১১২ | প্ৰকাশনৰ বৰ্ণনাত্মক তালিকা | ১·৫০ |
| ৮৭ | চুক্তি আৰু চুক্তিবাদ | ৪·০০ | ১১৩ | বাতৰিৰ বিভূতি | ৪·০০ |
| ৮৮ | সাগৰৰ কথা | ২·৫০ | ১১৪ | শতাব্দীৰ অৰ্ঘ্য | ৫·০০ |
| ৮৯ | Development of Script in Ancient Kamrupa | ১০·০০ | ১১৫ | A plea for Assam and Assamese | ১২·০০ |
| ৯০ | বেজবৰুৱাৰ দিনলেখা [ ২য় খণ্ড ] | ১০·০০ | ১১৬ | অসম সাহিত্য সভাৰ ৰূপৰেখা | ১৬·০০ |
| ৯১ | ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪·০০ | ১১৭ | কালিৰাম মেধি স্মৃতিগ্ৰন্থ | ১২·০০ |
| | | | ১১৮ | টলষ্টয় | ৬·০০ |

## প্ৰাপ্তি স্থান

(১) কেন্দ্ৰীয় কাৰ্যালয় : অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১
ফোন-৩৭৬

(২) গুৱাহাটী কাৰ্যালয় : অসম সাহিত্য সভা
ভাগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-৭৮১০০১
ফোন-২৪৭৭৬

# কঠোৰ শ্ৰমেই আমাৰ ঐতিহ্য
# কৃতিত্বই আমাৰ সংস্কৃতি

১৯৫৮ চনত আমাৰ জন্মৰেপৰা আমি বহুখিনি আগুৱাই আহিছোঁ। তেতিয়া আমাৰ বিদ্যুৎ উৎপাদন ক্ষমতা আছিল মাত্ৰ ১৪,০৩৫ কিলোৱাট। ১৯৭৫ চনত সংযুক্ত অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ডৰ বিভাজনৰ ফলস্বৰূপে আমি কিছু ক্ষতিৰ সন্মুখীন হলেও এতিয়া আমাৰ মুঠ উৎপাদন ক্ষমতা হল ১৪১ দশমিক ৫ মেগাৱাট।

বিদ্যুতৰ ক্ৰমবৰ্দ্ধমান চাহিদা পূৰণৰ অৰ্থে আমি বঙ্গাইগাঁও তাপ বিদ্যুৎ প্ৰকল্প, গেছ-ভিত্তিক লাকুৱা প্ৰকল্প আৰু নামৰূপৰ "ৱেষ্টহিট" প্ৰকল্পত ১৮৭ মেগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্যৰে আৰু ভৱিষ্যৎ সম্প্ৰসাৰণৰ সুবিধাৰে অগ্ৰসৰ হৈছোঁ।

তদুপৰি, ১৬০ মেগাৱাট উৎপাদন ক্ষমতাৰে নামনি বৰপানী জলবিদ্যুৎ প্ৰকল্প আৰু বৰগোলাই তাপবিদ্যুৎ প্ৰকল্পৰ প্ৰজেক্ট ৰিপোৰ্ট আমি দাখিল কৰিছোঁ আৰু সেইবিলাকত অনুমোদনৰ বাবে অধীৰভাৱে অপেক্ষা কৰিছোঁ।

ইতিমধ্যে সম্পন্ন কৰাখিনি আৰু লগতে যিখিনি আমি কৰিম সেইখিনিও আপোনালোকৰ কাৰণে আপোনালোকৰ সহযোগিতাৰে, আমাৰ কঠোৰ শ্ৰম আৰু নিষ্ঠাৰে সম্পন্ন কৰিবলৈ আমি প্ৰতিশ্ৰুত।

ASSAM STATE ELECTRICITY BOARD

অসম ৰাজ্যিক বিদ্যুৎবোৰ্ডৰ তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়াৰদ্বাৰা প্ৰচাৰিত।

নগাঁৱৰ সুছন্দা প্ৰেছত (বেটুপাত শৰাইঘাট প্ৰিণ্টাৰ্ছ'ত) মুদ্ৰিত আৰু
অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীলীলা গগৈৰদ্বাৰা প্ৰকাশিত।

সম্পাদক : যোগেন্দ্ৰনাৰায়ণ ভূঞা

মূল্য : তিনি টকা